সাহোন
বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন- ২০১৮
বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সন্মিলন
স্থাপিত ঃ ১৯৮৪ চন

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদযাপন সমিতি, ২০১৮
বিষয়ববীয়া আৰু সদস্যসকল

আহ্বান

৩৫তম্ বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ,

গুৱাহাটী - ৭৮১০০৬

১ আৰু ২ ব'হাগ, ১৪২৫ ভাস্কৰাব্দ

ইং ১৫ আৰু ১৬ এপ্ৰিল, ২০১৮ (দেওবাৰ আৰু সোমবাৰ)

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই...

প্ৰতি,

....

....

Brihattar Rukmini Nagar Socio Cultural Centre ★ Guwahati-6

মঞ্জুলা কাকতি
সভানেত্ৰী

বিহুৰ [illegible]—

অভিজিত নেওগ
সম্পাদক

স্মৰণিকা সম্পাদনা সমিতি

৩৫তম্ সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা – ২০১৮

সম্পাদনা সমিতি

উপদেষ্টা ঃ শ্ৰীযুত গিৰীশ দত্ত

সভানেত্ৰী ঃ শ্ৰীমতী মঞ্জুলা কাকতি

উপ-সভানেত্ৰী ঃ শ্ৰীমতী সুবৰ্ণ হাজৰিকা
শ্ৰীমতী উন্মনা মাধুৰী দত্ত

সম্পাদক ঃ শ্ৰীঅভিজিত নেওগ

সহকাৰী সম্পাদকদ্বয় ঃ শ্ৰীঅলকেশ ভাগৱতী
শ্ৰীমতী অজন্তা বৰঠাকুৰ

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী নিলীমা ডেকা, নিলীমা শইকীয়া দাস, হেপী গোস্বামী, প্ৰসেণজিৎ বৈশ্য, মুক্তিকাম চান্দিল্য, কল্পনা শৰ্মা

প্ৰকাশক ঃ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ৰঙ্গমঞ্চ পথ, হাউচিং ক'লনি
গুৱাহাটী-৭৮১০০৬

মুদ্ৰণ ঃ পেচিফিক্ লেজাৰ প্ৰিণ্টচ্, গণেশগুৰি, কাহিলীপাৰা পথ, গুৱাহাটী-৬

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন) পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুষোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সৱে মিলনৰ গান।
সবগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

শ্ৰদ্ধাঞ্জলি

প্ৰয়াত বিজু ফুকন

প্ৰয়াত গোপীনাথ নেওগ

প্ৰয়াত প্ৰসন্ন মজুমদাৰ


প্ৰয়াত বিনা ডেকা

প্ৰয়াত তিলোত্তমা কটকী

প্ৰয়াত বিনা দাস

প্ৰয়াত কবিন্দ্ৰ বড়ো

প্ৰয়াত ৰাজ বৰুৱা

প্ৰয়াত ৰঞ্জু দেৱী

প্ৰয়াত নিৰোপমা মিশ্ৰ

প্ৰয়াত খগেন বড়ো

প্ৰয়াত সঞ্জয় বড়ো

প্ৰয়াত অজয় থাপা

প্ৰয়াত বেলু থাপা

প্ৰয়াত বীণা ভুঞা

সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

সত্যমেৱ জয়তে

দিছপুৰ
১৪-০৩-২০১৮

শুভেচ্ছাবাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখনি অহা ১৫ আৰু ১৬ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলাইছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছো। এই ৰঙালী বিহু সন্মিলন উদ্‌যাপনৰ লগত সংগতি ৰাখি 'সাহোন' নামৰ এখন স্মৰণিকা প্ৰকাশৰ বাবে উদ্যোগ লোৱাটো নিতান্তই আদৰণীয়।

অসমৰ জাতীয় উৎসৱ বিহু হ'ল প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ স্পন্দন। অসমীয়াৰ হিয়াৰ আমঠু বিহুৰ প্ৰভাৱ আমাৰ সমাজ তথা সাংস্কৃতিক জীৱনধাৰাত অপৰিসীম। নানা জাতি-উপজাতিৰ মিলনভূমি আমাৰ ৰাজ্যখনৰ সাংস্কৃতিক সমন্বয় সমগ্ৰ বিশ্বৰ বুকুত উজ্জ্বল ৰূপত তুলি ধৰাৰ ক্ষেত্ৰটো বিহুৱে আমাক যোগাই আহিছে প্ৰেৰণা। কৃষি ভিত্তিক উৎসৱ বিহুৱে আমাৰ গ্ৰাম্য তথা চহা জীৱনৰ সামগ্ৰিক ৰূপ প্ৰকাশ কৰাৰ উপৰি আমাক আৰু অধিক আগুৱাই যোৱাৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। তিনিটা বিহুৰ সুকীয়া সুকীয়া বৈশিষ্ট্য আছে যদিও ৰঙালী বিহু হ'ল আমাৰ মনৰো মনৰ প্ৰাণৰো প্ৰাণৰ। প্ৰকৃতিৰ ন-সাজে প্ৰতিগৰাকী অসমীয়াৰ মন পুলকিত কৰাৰ উপৰি ব'হাগতেই জাতীয় জীৱনৰ কৃষ্টিৰ পথাৰখন সৃষ্টিৰ সুৰেৰে জাগৰিত কৰাৰ বাবে প্ৰতিগৰাকী অসমীয়াই সংকল্প লয়। কেৱল অসমতে নহয়, দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ মাটিটো বসবাস কৰা প্ৰতি গৰাকী অসমীয়াই বিহু উলহ-মালহেৰে পালন কৰি আই অসমীৰ প্ৰতি থকা চিৰ চেনেহৰ ৰূপ আৰু অধিক প্ৰকট কৰে। আশাকৰোঁ, ৰঙালী বিহুৰ সন্মিলন উদ্‌যাপনৰ জৰিয়তে ৰাজ্যখনৰ বৰ্ণিল সাংস্কৃতিক বৈভৱ আৰু অধিক শক্তিশালী হোৱাৰ উপৰি আমাৰ গ্ৰামীণ অৰ্থনীতি আৰু অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিগৰাকী অসমীয়াই এই বিহুৰ বতৰতে সংকল্পবদ্ধ হোৱাৰ কামনা কৰিলো।

মই ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া স্মৰণিকাখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

T.Y. Das, IAS
Chief Secretary

সত্যমেব জয়তে

GOVERNMENT OF ASSAM
Block-'C', 3rd Floor,
Janata Bhawan, Dispur,
Guwahati-781006

শুভেচ্ছা বাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এইবাৰো অহা ১ আৰু ২ ব'হাগ (১৫ আৰু ১৬ এপ্ৰিল, ২০১৮) তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে দুদিনীয়াকৈ ৰঙালী বিহু উদ্‌যাপন কৰিব বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছো।

পাৰ হৈ যোৱা বছৰবোৰত ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰে সমৃদ্ধ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰি অসমীয়াৰ হিয়াৰ আমঠু বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপনৰ দ্বাৰা জাতীয় চেতনা শক্তিশালী কৰাৰ লগতে আমাৰ মাজত থকা সাতামপুৰুষীয়া ভাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় কৰি ৰখাত নিশ্চিতভাৱে বৰঙণি যোগাই আহিছে। ইয়াৰ বাবে উদ্যোক্তাসকলক মই ধন্যবাদ জনাইছো।

সন্মিলনখনৰ লগত সঙ্গতি ৰাখি "সাহোন" নামৰ স্মৰণিকা এখন প্ৰকাশ পাব বুলি জানি নথৈ সুখী হ'লো। স্মৰণিকাখন সৰ্বাঙ্গসুন্দৰভাৱে প্ৰকাশিত হৈ ৰাইজৰ মাজত সমাদৃত হ'ব বুলি আশা কৰিলো।

শেষত ৰঙালী বিহু সন্মিলনৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰিলো।

সদৌটিলৈ ৰঙালী বিহুৰ শুভেচ্ছা জনালো।

মূখ্য সচিব
অসম চৰকাৰ

Tel. : 0361-2261120 (O), 0361-2261403 (O) 0361-2237200 (Fax)
E-mail : cs-assam@nic.in

শুভেচ্ছা

শান্তি সম্প্ৰীতি সমন্বয়ৰ আশা বুকুত বান্ধি অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ চানেকীৰে নিজক জীপাল কৰি আনবাৰৰ দৰে এইবাৰো বৃহত্তৰ ৰুক্মিনীনগৰ ৰঙালী বিহুৰ যো-জা, কৰা উদ্যমী আৰু সংস্কৃতি প্ৰাণ উদ্যোক্তাসকলে স্থানীয় ৰাইজখনক লগত লৈ উলহ মালহেৰে বিহু সন্মিলনখনি দুদিনীয়াকৈ পাতিবলৈ মনস্থ কৰিছে।

শুনি অতিশয় আনন্দিত হৈছো যে ৩৫তম বিহু সন্মিলনখনি উদ্যোক্তাসকলে ব'হাগ বিহুৰ স্বকীয় বৈশিষ্ট অক্ষুণ্ণ ৰাখি অনৈক্যৰ মাজত ঐক্য স্থাপনৰ হেঁপাহেৰে জাতি-ধৰ্ম, বৰ্ণ-নিবিশেষে সকলোটিকে আহ্বান জনাইছে সন্মিলনৰ পতঃভূমিলৈ।

আমি আশা ৰাখিছো বৃহত্তৰ ৰুক্মিণীনগৰৰ ৰাইজখনৰ মতে দায়িত্বভাৰ গ্ৰহণ কৰা উদ্যোক্তাসকলৰ জাতীয় সংস্কৃতিৰ প্ৰতি থকা এনে গঠনমূলক চিন্তা চেতনাই সন্মিলনখনি সৰ্বতো প্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাৰ লগতে সন্মিলনখনিক আৰু এখোপ ওপৰলৈ তুলি সকলোৰে দৃষ্টিত প্ৰশংসাৰ পাত্ৰ কৰি তুলিব।

লগতে সন্মিলনৰ স'তে ৰজিতা খুৱাই 'সাহোন' নামকৰণেৰে আলোচনী এখনো প্ৰকাশৰ দিহা কৰিছে উদ্যোক্তসকলে। এই চেগতে 'সাহোন'লৈ আমাৰ অলেখ অন্তৰ ভৰা শুভ কামনা যাচিলো। উৎকৃষ্ট লেখনিৰে সুসজ্জিত হৈ 'সাহোনে' নিশ্চয় ৰাইজখনৰ পৰা প্ৰচুৰ প্ৰশংসা বুটলিবলৈ সমৰ্থ হ'ব।

শেষত, সদৌটিলৈকে ৰঙালীৰ হিয়া ভৰা ওলগ যাচিলো।

মীৰা ঠাকুৰ

খানাপাৰা, গুৱাহাটী-২২

সাহিত্য প্ৰভাকৰ
চন্দ্ৰধৰ কলিতা

ওমলা ঘৰ, গৃহ নং - ১০
কইনাধৰা, পাটৰকুছি কাৰ্বি দেহালৰ সমীপত
ৰাজীৱ গান্ধী পথ, খানাপাৰা, গুৱাহাটী-২২
মুঠিফোন ঃ ৮৪৭৩০৬২০৮১

শুভেচ্ছাবাণী

বিগত বৰ্ষবোৰৰ দৰে এইবেলিও বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখন দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিব বুলি জানি মই নথৈ আনন্দিত হৈছো আৰু ইয়াৰ লগত সংগতি ৰাখি 'সাহোন' নামৰ এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰা বুলি জানি আৰু অধিক আনন্দিত হৈছো। 'সাহোন' হওঁক অসমীয়া ভাষা-সংস্কৃতিৰ দাপোন আৰু হওক এখনি জীয়া দস্তাবেজ।

অতীতে ভৱিষ্যতৰ বুনিয়াদ গঢ়ে। সেয়েহে মানুহে ইয়াক হিয়াৰ মাজত জীয়াই ৰাখে গোপনে গোপনে। মই আশাবাদী, এই 'সাহোনে'ই ধৰি ৰাখিব আমাৰ অতীতৰ ভঙাগঢ়া আৰু হৰ্ষ-বিষাদ।

শেষত বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনখনৰ সকলো কাৰ্যসূচী সফল কামনা কৰাৰ লগতে 'সাহোনে'ও সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ পৰাই পাওঁক অকুণ্ঠ সহাৰি। তাৰেই কামনাৰে—

চন্দ্ৰধৰ কলিতা

সম্পাদকৰ বাটচ'ৰা

“বহাগ মাথো এটি ঋতু নহয়
নহয় বহাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ” ।

'সাহোন'ৰ বাটচ'ৰাত বহি আজি সমূহ ৰাইজক নতুন বছৰটিৰ ওলগনি জনালোঁ ।

ৰঙালী বিহু উদ্‌যাপনৰ আনন্দ উল্লাসে আমাৰ সমাজৰ পৰা সকলো ভেদা-ভেদ, অসূয়া-অপ্ৰীতি, হিংসা-দ্বেষ বিনাশ কৰি এক শান্তিপূৰ্ণ আৰু সমৃদ্ধিশালী অসম গঢ়ি তোলে আৰু আমাৰ মাজত ঐক্য-সম্প্ৰীতিৰ বান্ধোন অধিক কটকটীয়া কৰি তোলে। অসমীয়া জাতিক একত্ৰিত কৰি এক মন, এক প্ৰাণৰ প্ৰেৰণা দিয়া বিহু জাতিৰ দাপোন বাপতি সাহোন। বিহু অসমীয়া জাতিৰ অস্তিত্বৰ পৰিচায়ক চিৰ প্ৰবাহমান সাংস্কৃতিক ধ্বজাবাহক।

বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু সমিতিয়ে চাওঁতে চাওঁতে আজি ৩৫তম্ বৰ্ষত ভৰি দিলে। ইয়াৰে যেন সাক্ষী বহন কৰিছে স্মৰণিকা 'সাহোন'। সাহোন পৰিয়ালৰ আটাইবোৰে সদস্যলৈ আমি কৃতজ্ঞ যিসকলৰ লিখনীয়ে সাহোনৰ মজিয়াত অল্পনা আকিছে আৰু সাহোনৰ বাবে হৈ পৰিছে এক অনবদ্য সম্ভাৰ। যিসকলৰ দিহা-পৰামৰ্শত সাহোনে এক গৰিমাময় ৰূপ ধাৰণ কৰিছে আৰু পঢ়ুৱৈ সমাজে ইয়াক মৰমেৰে আঁকোৱালি লৈছে আৰু যিসকলৰ দান-বৰঙণিৰ বাবে 'সাহোন'ৰ মুদ্ৰন সম্ভৱপৰ হৈছে তেওঁলোকৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

নিচেই কম সময়ত স্মৰণিকা 'সাহোন'খনি বাস্তৱিক ৰূপত প্ৰকাশ কৰি উলিওৱাৰ বাবে প্ৰকাশন গোষ্ঠী 'পেচিফিক্ লেজাৰ প্ৰিণ্টচ্‌ৰ স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

স্মৰণিকাখনি প্ৰকাশত অনিচ্ছাকৃত ভাবে বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ৰাইজৰ ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

শেষত সমূহ বিহু ৰবীয়া ৰাইজলৈ নতুন বছৰৰ ও ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

সম্পাদক

অভিজিত নেওগ

সভানেত্ৰীৰ দুআষাৰ

'সাহোন' সম্পাদনা সমিতি

পোন প্ৰথমতে মৰমৰ দীঘ দি চেনেহৰ বানি লৈ হেঁপাহ আঁচুৰে বোৱা 'সাহোন' ফুলাম গামোচা একোখনি পূজ্য জ্যেষ্ঠ, কনিষ্ঠ সকলো বন্ধু-বান্ধৱী, পাঠক তথা শুভাকাংশীসকললৈ প্ৰীতি আৰু শ্ৰদ্ধাৰে আগবঢ়ালো, গ্ৰহণ কৰাৰ কামনাৰে।

ব'হাগ আগমনৰ লগে লগে প্ৰকৃতিয়ে নতুন সাজেৰে পুষ্প-অলংকাৰে নিজকে সজায় পেলাই সেয়েহে ব'হাগৰ আগমনত আহ্লাদিত হয় মন-প্ৰাণ ভাঙি যাব খোজে মনৰ শৃঙ্খল। ব'হাগ যেন অসমীয়া জাতিৰ প্ৰাণৰ আমঠু। সেয়েহে ড° ভূপেন হাজৰিকাদেৱে ব'হাগৰ ওপৰত লিখি থৈ গৈছে—

ব'হাগ মাথোঁ এটি ঋতু নহয়
ব'হাগ নহয় এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
জন জীৱনৰ ই সাহ।'

বিহু অসমীয়াৰ বাপতি সাহোন। এই ব'হাগ বিহুটিয়ে অসমীয়া জাতি, উপজাতিক ঐক্যতাৰ এনাজৰীয়ে বান্ধি ৰাখিছে। প্ৰকৃতিৰ ৰম্যভূমি অসম মুলুকৰ সকলো জাতি, জনজাতিক ব'হাগ বিহুৰ মাদকতা তথা আনন্দ উৎসৱে অভাৱ-অনাটনৰ মাজতো হাঁহিবলৈ, ফূৰ্তি কৰিবলৈ পৰিৱেশ দিয়ে। অসমৰ মুনিহ, তিৰোতাৰ সকলোৱে বিহুগীতৰ সুৰত তথা ঢোলৰ চেওঁত গা-ৰাইজাই কৰে আৰু এপাক নাচিবলৈ বা বিহুগীত এফাঁকি গুণ-গুণাবলৈ ভাল পায়।

বিহু গীতসমূহত অসমীয়াৰ জনজীৱনৰ সাজ-পোচাক, খাদ্য, শস্য, নদ-নদী তথা অসমৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ ৰাণী চৰাই-চিৰিকতিৰ বৰ্ণনা আদি সকলো সাঙুৰ খাই আছে। আহোম স্বৰ্গদেৱ ৰুদ্ৰ সিঙৰ দিনত পথাৰৰ বিহুৱে ৰংঘৰৰ বাকৰিত স্থান পায়। স্বৰ্গদেৱ ওলাই আহোতে পিন্ধা সাজপাৰৰ কথাও বিহুগীতত আছে—

স্বৰ্গদেৱ ওলালে বাট চ'ৰাৰ মুখলৈ
দুলীয়াই পাতি দোলা,
কাণত জিলিকিলে নৰা জাংফাই
গাতে গোম চেঙৰ চোলা।

তাৰ উপৰিও—বিহু মাৰিবলৈ যাওঁতে গোৱা গীততো গাত লোৱা চেলেংখনৰ বিষয়ে বিহুগীতত আছে—

আশী সূতাৰ চেলেঙখনি
বৈই দিয়া, সৰু ভনী
বিহু মাৰবলৈ যাওঁ ঐ
গোবিন্দাই ৰাম।
খাদ্যৰ ওপৰতো বিহু গীতত আছে
বকুল বৰা ধানৰ চিৰা খুন্দিছিলো
বকনা মহ'ৰে দৈ
তুমি যে চেনাই ধন অত পলম কৰা
আছো মই আগতে লৈ।
ঠিক নদী ওপৰতো বা ঠাইৰ ওপৰতো বিহু গীত আছে।
ধনশিৰী পাৰে হে ঢপলিয়াই আহিলো
জিৰালো কলীয়া বৰত
তোমাকে বিচাৰি ঘৰবাৰী এৰিলো
তোমাক নেপালোহি ঘৰত।
সেইদৰে স্বচ্ছতাৰ ওপৰতো তাহানিৰ বিহু গীতত আছে।
ঘৰো সাৰিলো চোতালোত সাৰিলো
আছিলো নঙলাতে চাই
আহো আহে বুলি বাটে চাই আছিলো
আমাৰ কপালতে নাই।

অসমৰ মানুহে স্বচ্ছতাৰ ওপৰত সদায়েই সজাগ। পুৱা, আবেলি অসমীয়া মানুহে চোতাল ঘৰ পদুলি সৰাৰ উপৰিও চাকি-বন্তি, ধূপ-ধূনা জ্বলাই ঘৰখনো চাফা কৰি ৰাখে। ইয়াৰ উপৰিও ৰঙালী বিহুৰ বিশেযত্ব আছে। এই বিহুৰ গীত, মাত তথা ডেকা-গাভৰীৰ নাচোনৰ উন্মাদনাতে কৃষি ভূমিয়েও লাভ কৰে উৰ্বৰতা। ডেকা-গাভৰুসকলে এই বিহু নাচসমূহ আগতে পথাৰতে মাৰিছিল। সেয়েহে বিহুগীতৰ ভাষাৰেই আমিও গায় যাওঁ—

বিহুটি ঐ আদৰৰ বিহুটি ঐ সাদৰৰ
বিহুটি ঐ অসমৰ ধন,
এনুৱা বিহুটি ৰাখিব নাজানিলে
নাথাকে অসমৰ মান।

শেষত ৰঙালী বিহুৰ ওলগ তথা শুভেচ্ছা, সমূহ ৰুক্মিনীনগৰ বাসীৰ লগতে অসমৰ সকলো ৰাইজলৈ জনাই লগতে 'সাহোন'ৰ দীৰ্ঘায়ু কামনা কৰি সভানেত্ৰীৰ কলমৰ যৱনিকা পেলালো।

শ্ৰদ্ধাৰে
মঞ্জুলা কাকতি

সাহোনৰ সূচীপত্ৰ

প্ৰবন্ধ-গল্প-অনুবাদ—

- ব'হাগৰ অনুভৱ—ৰমেন কলিতা /১৩
- সাত বিহুৰ পৰম্পৰা—মিনাক্ষী ডেকা /১৫
- চোতাল—প্ৰতিমা বৰা /১৯
- ব'হাগ আহিলে বুলি ....—অৰ্পণা গোস্বামী /২২
- বিহুগীতৰ নান্দনিকতাত......—জুৰি বৰুৱা /২৪
- চীফৰ নিমন্ত্ৰণ—ভাৰতী ভট্টাচাৰ্য্য /২৮
- চল্লিচতম্ জন্মদিন—ৰেৱতীমোহন হাজৰিকা /৩৫
- অঙ্গীকাৰ—অৰুনিমা কাকতি /৩৯
- গীতিসাহিত্য আৰু....—বীনা পূজাৰী /৪২
- কালিকা লগা সৰোবৰ—অঞ্জলি দত্ত /৪৪
- দোষ-গুণ—নিলীমা শইকীয়া দাস /৪৮
- গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী....—গোলক নাথ চক্ৰবৰ্তী /৫০
- মন বুদ্ধি অহঙ্কাৰ—ভবেন্দ্ৰ নাথ পাঠক /৫৪
- জেং বিহুৰ উত্তৰণ—শান্তি ছাঁয়া ৰয় /৫৮
- পকেটমাৰ—সঞ্জীব কুমাৰ ভট্টাচাৰ্য /৬৫
- বসন্ত উৎসৱ বিহু—পাৰুল বৰুৱা /৬৮
- সোণৰ ঘোঁৰা—গিৰীশ দত্ত /৭০
- মনোভাৱ—সিদ্ধাৰ্থ ৰাজ বৰদলৈ /৮০
- মানৱতাবাদ-হেৰাই যাব....—কাকলি বৰদলৈ /৮২
- অতীত মাধুৰী—প্ৰদীপ কুমাৰ গগৈ /৮৪

কবিতা—

- একো নাথাকিলে—পশুপতি হাজৰিকা /৯৩
- বিহুতলিলৈ আহোতে—চন্দন বাচফোৰ (ওম) /৯৪
- হৃদয় নদী—পাৰুল বৰুৱা /৯৪
- বিষাদৰ মেল—ৰাজিদুৰ ৰহমান /৯৫
- ব'হাগী—অঞ্জুলা পি শইকীয়া/৯৫
- ব'হাগী—অঞ্জুলা পি শইকীয়া/৯৬
- হৃদয়ৰ বাৰ্তালাপ—কাকলি বৰদলৈ /৯৬
- ঋতু আহে ঋতু যায়—মীনা শইকীয়া /৯৭
- সমবেত গীত—কল্পনা শৰ্মা /৯৮
- সম্প্ৰীতিৰ ব'হাগ—অঞ্জনা দেৱী /৯৮
- সোণোৱালী শৈশৱ—ৰাজীৱ হাজৰিকা /৯৯
- ব'হাগৰ বিননি—মামনি দাস /৯৯
- এটি গীত ব'হাগৰ—পদ্ম গগৈ /১০০



Janasanyog/68/18

ব'হাগৰ অনুভৱ

ৰমেন কলিতা

শুকুলা শব্দৰ প্ৰতিটো মুহূৰ্তই আদৰি আনে কপৌ ফুলীয়া ব'হাগ। এয়া ঋতু, জীৱনৰ ঋতু, শব্দৰ যৌৱন। ব'হাগ যৌৱনৰ প্ৰতীক, প্ৰকৃতিৰ-মানুহৰ। ব'হাগতে বসন্ত ঋতুক উৎসৱমুখৰ কৰি তোলা হয় আৰু এই উৎসৱ পাৰম্পৰিক উদ্দেশ্যত প্ৰজনন যাদু সম্পৰ্কিত। সেয়ে আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন শিল্পী ড° ভূপেন হাজৰিকাই কৈ গৈছে—

ব'হাগ মাথো এটি ঋতু নহয়।
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণজীৱনৰ সাহ.....।

হয়, ব'হাগ অসমীয়াৰ আয়ুস ৰেখা। বিহু থাকে মানে বিহুকে বিনাবা, বিহু গ'লে বিনাবা কাক? বিহু, ব্ৰহ্মপুত্ৰ নদী আৰু ভূপেন দা এই তিনিটা 'বি' অসম আৰু অসমীয়াৰ বাবে কাহানিবাই সমাৰ্থক হৈ পৰিছে। ব'হাগৰ বিহু গীত আৰু নৃত্যৰ বাবেই অসমীয়া বিশ্বদৰবাৰত পৰিচিত। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা এটা এইখিনিতে উল্লেখ কৰিব খুজিছো। কিছুবছৰ আগেয়ে মই 'ইউনাইটেড কিংদম' লৈ গৈছিলো। ৱেলছ প্ৰভিন্স'ৰ ৰাজধানী কাৰ্ডিফৰ অৱস্থিত 'কৰ্ডিফ চহৰৰ চিটি চেণ্টাৰ বজাৰ কাউণ্টাৰত মোৰ পাছপ'ৰ্ট জমা দি বিদেশী মুদ্ৰা লৈছিলো। তেতিয়া কাউণ্টাৰত থকা ব্ৰিটিছ মহিলাগৰাকীয়ে মোক অসমৰ 'ইউ আৰ ফ্ৰম আছাম। আই ন' আছাম, বিহু এণ্ড আছাম টি।' তেতিয়া মই অতিশয় আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছিলো। তেওঁৰ মতে অসমৰ বিষয়ে আপোন ভাবৰ আদান-প্ৰদান কৰিছিলো, যেন বিদেশত আপোন মানুহৰ স'তেহে কথা পাতিছিলো। ডেকাকালত এবাৰ ইণ্টাৰ ষ্টেত কালছাৰেল এক্সচেঞ্জ প্ৰ'গ্ৰেমত এটা দ'লৰ লগত পাঞ্জাৱলৈ গৈছিলো বিহু মাৰিবলৈ। তেতিয়া পাঞ্জাৱৰ গৱৰ্ণৰ আছিল মহেন্দ্ৰ মোহন চৌধুৰী আৰু মুখ্যমন্ত্ৰী আছিল জ্ঞানী জাইল সিং। 'ইনকো এক তাৰবান বান্ধকৰ ইধৰ হি ৰাখ দো'। এয়ে বিহুৰ সাৰ্বজনীনতা।

ব'হাগ মাহটো মোৰ বৰ প্ৰিয়।

প্ৰতিটো ব'হাগেই মোৰ বাবে প্ৰথম ব'হাগ। অসমীয়া জাতি যিমান দিন জীয়াই থাকিব, সিমান দিন বিহু থাকিব আৰু যদিহে অসমীয়া জাতি জীয়াই নাথাকে তেতিয়া বিহুৰো মৃত্যু হ'ব।

আহক আমি ব'হাগৰ শব্দৰ আলাপেৰে অসমী আইৰ আৰু অসমীয়া জাতিৰ আয়ুস ৰেখা টুটিবলৈ নিদিয়াৰ সংকল্পবদ্ধ হওঁ।

এনেকৈয়ে ব'হাগ আহে। প্ৰকৃতিৰ বিনন্দীয়া পৰশত ব'হাগৰ বতৰ হয় পূৰ্ণ সম্ভাৱনাৰ স্বাৰ্থৰ। মতলীয়া যৌৱনৰ প্ৰেমৰ ৰাগীত প্ৰকৃতি হয় স্বপ্নগৰ্ভা। জীৱনে জীৱনে আনন্দ আকাংক্ষা আৰু আকুল হাবিয়াসলৈ সপোনে পাহি মেলে। প্ৰকৃতিৰ স'তে মানুহৰ দুচকুত জিলমিল কৰে অনাবিল প্ৰেমৰ পোহৰ, কণ্ঠে কণ্ঠে উচ্চাৰিত হয় গীত-কবিতাৰ সুৰ ছন্দ'। বোধনৰ শংখ ধ্বনিত চৌদিশ ৰজনজনায়, এনে এক মুহূৰ্তত অমৃতৰ সন্তান মানুহে, অযুত বাসনাৰে কামনা কৰে সুখ-শান্তিৰ সমৃদ্ধ হওক এই জীৱন, প্ৰেমেৰে পূৰ্ণ হওক এই যৌৱন। ব'হাগৰ বিপুল সম্ভাৱনাৰে দেশ জাতি আৰু জীৱন হওক সত্য আৰু সুন্দৰৰ আলোক শিখা। গাবলৈ মন গৈছে লুইতৰ পাৰে পাৰে আমি গোৰা গান....

বতাহ উচাপ খালে
ধুমুহা আহে
লৈ উচাপ খালে
বাৰিষাৰ ঢৌ
বতৰ উচাপ খালে
বৰদৈ চিলা
মন উচাপ খালে
মৰমৰ তান
হিয়া উচাপ খালে
ব'হাগৰ গান
লুইতৰ পাৰে পাৰে
আমি গোৰা গান।।◆◆



সাত বিহুৰ পৰম্পৰা

মিনাক্ষী ডেকা

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈয়ে থাকো মানে ওৰকে নপৰে
ব'হাগৰ বিহুটিৰ কথা।'

ব'হাগৰ ৰঙালী বিহুটিৰ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ কথা কৈ শেষ কৰিব নোৱাৰি। বাপোতি সাহোন এই ৰঙালী বিহুটি আমাৰ বুকুৰ আপোন। অসমীয়া জাতিৰ আয়ুস ৰেখা। বসন্ত কাল অহাৰ লগে লগে প্ৰকৃতিয়ে ন-ৰূপ লয়। শীতত ঠেৰেঙা লাগি লঠঙা হোৱা গছত কুঁহিপাত ধৰে, বিভিন্ন ৰঙৰ ফুলৰ পোহৰে মেলে, কুলি-কেতেকীৰ মিঠা মাতে প্ৰকৃতিৰ বুকুত আনন্দৰ জোঁৱাৰ তোলে। প্ৰকৃতিৰ বিনন্দীয়া ৰং-ৰূপে কৃষিজীৱি অসমীয়া ৰাইজৰ মন-প্ৰাণ জীপাল কৰি তোলে, মনলৈ আনন্দৰ জোঁৱাৰ নামি আহে। সেই সময়ত পথাৰত খেতি-খোলাৰ বিশেষ কাম নাথাকে। চ'তৰ খৰত চিৰাল ফাট মেলা পথাৰত ব'হাগৰ ন-পানী পাই খেতি কৰাৰ উপযোগী হৈ উঠে। সেয়ে ব'হাগৰ আৰম্ভণিতে ৰংৰহইচ কৰি গা-মন টঙাই কৃষি কৰ্ম কৰিবলৈ সাজু হয় আৰু এই সময়ত উদ্‌যাপন কৰা বিহুটিকে ব'হাগ বিহু বা বিশেষকৈ ৰং-ধেমালি কৰা হয় বাবে ৰঙালী বিহু বোলে। ব'হাগতে পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰি লোৱা হয়।



অতীজৰে পৰা বৰ্তমানলৈকে বিহুৱে নিজৰ জোলোঙাত অসমীয়াৰ নানান লোক-বিশ্বাস, পৰম্পৰা কঢ়িয়াই লৈ ফুৰিছে। বিহুৰ প্ৰতিটো দিনৰে কিছুমান বিশেষ পৰম্পৰা আছে। ঠাই-বিশেষে বা জনগোষ্ঠীভেদে কিছু পাৰ্থক্য আছে যদিও সকলোৰে উদ্দেশ্য একেটাই। আজি এই প্ৰবন্ধটোত বিহুৰ প্ৰতিটো দিনৰ পৰম্পৰাসমূহ বিশ্লেষণ কৰিব বিচৰা হৈছে—

চ'তৰ সংক্ৰান্তিৰ পৰা ব'হাগৰ ৬ তাৰিখলৈকে ব'হাগ বা ৰঙালী বিহু পালন কৰা সাতোটা নাম পোৱা যায়। এই বিহুৰ নামবোৰ হ'ল— গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, চেনেহী বিহু বা তাঁতৰ বিহু, নাঙলৰ বিহু, মেলা বিহু বা হাট বিহু আৰু চেৰা বিহু।

সাত বিহুৰ প্ৰথমদিনাই গৰু বিহু। গৰু বিহুৰ দিনা পুৱাই বাঁহৰ শলাত লাও-বেঙেনা, তিতা কেৰেলাৰ 'চাট' সাজি গৰুবোৰ নৈ, বিল বা পুখুৰীৰ পাৰলৈ লৈ যায়। মাহ-হালধি সানি লৈ বিল বা পুখুৰীৰ পানীত গৰুক গা-ধুওৱাৰ অন্তত 'চাট'ৰ পৰা লাও-বেঙেনাৰ টুকুৰাবোৰ খুলি গৰুৰ গালৈ দলিয়াই যায়—

'লাও খা বেঙেনা খা
বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু বাপেৰ সৰু
তই হ'বি বৰ গৰু।'

এই 'চাট'বোৰে ইঘৰে সিঘৰৰ লগত সলনা-সলনি কৰে। ইয়ে সমাজত মিলাপ্ৰীতি বঢ়ায় বুলি বিশ্বাস কৰা হয়। ইয়াৰ পিছত গৰুৰ তলেৰে পুৰণা পঘা সৰকায়। এনে কৰিলে গৰুৰ বেমাৰ-আজাৰ আঁতৰ হয় বুলি বিশ্বাস কৰে। গোহালি ঘৰ সুন্দৰকৈ পৰিষ্কাৰ কৰি তৰা আৰু মৰাপাটেৰে তৈয়াৰী নতুন পঘাৰে গৰু বান্ধে। এই নতুন পঘা গৰুক বিহুৱান হিচাবে দিয়া হয়। অপায়-অমঙ্গল নহ'বলৈ গোহালীত খেৰ, তুঁহ, হাতীশুৰীয়া, বিহলঙনী আদিৰ জাগ দি বিচনীৰে বিচি দিয়ে। দীঘলতী, মাখিয়তীৰ পাতেৰে কোবাই গৃহস্থই কয়—'দীঘলতীৰ দীঘল পাত, গৰু কোৱাও জাত জাত। মাখিয়তীৰ মাখিপাত, মাখি মাৰো জাত জাত।' বহুতে গৰুক পিঠা খাব দিয়ে আৰু গৰুৰ শিঙত তেল দিয়াৰ লগতে ক'পালত ঘেহুৰ ফোট দিয়ে। মুঠতে সেইদিনা গৰুবোৰক বেচ মৰম-আদৰ কৰা হয়। গৰু বিহুৰ দিনাখনে বছৰটোৰ বাবে মঙ্গল কামনা কৰি গোহালিৰ লগতে ভঁৰাল ঘৰত বন্তি জ্বলোৱা হয়। সেইদিনাই জীয়ৰী-বোৱাৰীয়ে হাতত জেতুকা লগায়। জেতুকাই নখ-চাল আদিৰ বেমাৰ নিয়ন্ত্ৰণ কৰে বুলি বিশ্বাস কৰা হয়। বহুতো ঠাইত কণী যুঁজৰো পাতনি মেলা হয়। সেইদিনা ৰাতিৰ পৰাই ঘৰে ঘৰে হুঁচৰি গাই বছৰটো সুখেৰে যাবলৈ আশীৰ্বাদ যাচে।

সাতবিহুৰ দ্বিতীয় দিনা মানুহ বিহু। সেইদিনা ৰাতিপুৱাই সকলোৱে গাত মাহ-হালধি সানি গা-ধুই নবস্ত্ৰ (বিহুৱান) পৰিধান কৰি জ্যেষ্ঠজনক সেৱা জনাই নতুন বছৰটোৰ বাবে আশীৰ্বাদ লয়। সকলোৱে মিলি জা-জলপান খায় আৰু নতুন বছৰ উপলক্ষে বিহুৱান দি ইজনে সিজনক শুভেচ্ছা যাচে। অসমীয়া কাজী শিপিনীয়ে ফাগুনৰ মাহতে সূতা তৈয়াৰ কৰি তাঁত লগাই ঘৰৰ প্ৰতিজনলৈকে বিহুৱান বয়। কেনেবাকৈ যদি এনে তাঁতশালৰ কাপোৰ বিহুৰ আগতে বা বিহুৰ ভিতৰতে নোলাই বিহুৰ পিছলৈ থাকে তেন্তে তেনে কাপোৰক বিহু চেৰা বুলি কোৱা হয়। সেয়ে শিপিনীয়ে বিহুৰ যা-যোগাৰ কৰাৰ লগতে তাঁতশাল খনতো বিশেষ গুৰুত্ব দিয়ে। মানুহ বিহুৰ দিনা অৰ্থাৎ নতুন বছৰৰ প্ৰথম দিনাখনেই নাহৰৰ পাতত 'দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ, বাত বৃষ্টি হৰংদেৱ মহাদেৱ নমস্তুতে'—এই মন্ত্ৰ লিখি ঘৰৰ চালত খুঁচি থোৱা ৰীতি আছে। বজ্ৰপাত আৰু ধুমুহা বৰষুণ নিবাৰণৰ প্ৰতিষেধক হিচাবে এই মন্ত্ৰটো প্ৰয়োগ কৰা হয়।

সাতবিহুৰ তৃতীয়দিনা গোঁসাই বিহু। এইদিনটোত গোঁসাইক নবস্ত্ৰ বিহুৱান হিচাবে দিয়া হয় আৰু ৰাজহুৱা নামঘৰ, মন্দিৰ-দেৱালয় আদিত নিজ নিজ ইষ্ট দেৱতাক প্ৰণিপাত জনায় নতুন বছৰটোৰ বাবে মঙ্গল কামনা কৰা হয়।

চতুৰ্থদিনা চেনেহী বিহু বা তাঁত বিহু সেইদিনা শিপিনীয়ে তাঁতশাল আৰু তাঁতশালৰ সঁজুলিসমূহ ধুই-পখালি, মচি-কাজি পৰিষ্কাৰ কৰে।

পঞ্চম দিনা অনুষ্ঠিত হয় নাঙল বিহু। সেইদিনা খেতিয়কসকলে খেতিৰ সজুঁলিসমূহ অৰ্থাৎ নাঙল-যুৱলিবোৰ ধুই-পখালি বাতি-বুটিলৈ পুনৰ কৃষি কৰ্মৰ বাবে সাজু কৰি লয়।

মেলাবিহু বা হাট বিহু সাতবিহুৰ ষষ্ঠ দিনা পালন

কৰা হয়। এই দিনটোত ইঘৰ-সিঘৰলৈ গৈ জা-জলপান খাই ৰংতামাচা কৰি বিহুৰ ওলগ-সম্ভাষণ জনায়। বিয়া দি উলিয়াই দিয়া ছোৱালী মাকৰ ঘৰলৈ আহে। বন্ধু-বান্ধৱ বা চকুৰ চিনাকিলোকৰ ঘৰতো যোৱা হয়। ইয়ে মানুহৰ মনত আন্তৰিকতা বৃদ্ধি কৰাৰ লগতে সমাজত ভাতৃত্ববোধৰ ভাব জগাই তোলে। বিভিন্ন মানুহৰ আহ-যাহৰ ফলত গাঁওখন মেলা সদৃশ হয়। সেয়ে মেলা বিহু বোলা হয়। বহু ঠাইত সেইদিনা বিহু উপলক্ষে বিভিন্ন খেল-ধেমালি হয়। ঠায়ে ঠায়ে হাট বা বজাৰ বহে। সেয়ে এই বিহুক হাট বিহুও বোলা হয়।

সাতবিহুৰ অন্তিম দিনা চেৰা বিহু। চ'ত মাহ সোমোৱাৰ পৰা ডেকা-বুঢ়া সকলো খৰি-খেৰ গোটোৱা, ধান-চাউল বানি চাউল পাত যোগাৰ কৰা, চিৰা-পিঠা বনোৱা, বিহুৱান বোৱা, বিহুৰ কেইদিন হুঁচৰি গোৱা ইত্যাদি কামত পৰিয়ালৰ প্ৰতিজন লোকেই বৰ ব্যস্ত হৈ থাকে। তাতে আলহী সোধ-পোছ কৰাকে ধৰি বিহুৰ আনন্দ ৰংৰহইচ কৰি ভাগৰি পৰে। একো কৰিবলৈ মন নোযোৱা হয়। সেইদিনটোকে চেৰা বিহু বোলা হয়। সেইদিনাই বৰ গছৰ গুৰিত গামোছা মেৰিয়াই বিহু উৰুৱায়। কোনো কোনো ঠাইত বিহুৰ সাত বা এঘাৰ বিযুৱীয়া নামঘৰ বা কিছু আঁতৰৰ গছৰ তলত বিহু উৰুওৱা হয়।

বিহুৰ ভিতৰত সাত শাক খোৱা প্ৰথা অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মাজতে পৰম্পৰা হিচাবে চলি আছে। কোনোৱে গৰু বিহুৰ দিনা, কোনোৱে মানুহ বিহুৰ দিনা আৰু কোনোৱে সাতবিহুৰ দিনাখন সাত শাক খায়। নামনি অসমত শাক তোলা গীত গাই শাক তোলে মহিলাসকলে। তেনে এটি গীত তলত উল্লেখ কৰা হ'ল—

'খুতুৰা শাকৰ গুণে ধৰি
শাকে কান্দে
আজি খুতুৰা আইচু
ভাজা খাবা লাগে।'

সাত শাক বুলি কোৱা হয় যদিও খোৱাৰ উপযোগী সকলো প্ৰকাৰৰ শাককে সাতশাকীত স্থান দিয়া হয়। আমাৰ আই-বাই সকল জুতি লগাই শাক ৰন্ধাত পাকৈত। শাক ৰান্ধিব জনাজনীহে আগ ৰান্ধনী। কথাতে কয়—'শাক ৰান্ধিব খুম নাই, ভোজ ৰান্ধিব যায়।' আকৌ শাকে শোকোতাই ভক্ষণ, সেয়েহে পুৰুষৰ লক্ষণ।' আমাৰ গাঁৱলীয়া সমাজত শাকৰ বিশেষ সমাদৰ থাকে। প্ৰত্যেকৰে ঘৰে ঘৰে এখন শাকনি বাৰী থাকেই। এই শাক পাতবোৰৰ বিশেষ ঔষধি গুনো আছে। ই বিভিন্ন ৰোগ উপশম কৰে। সাত শাকীত ব্যৱহাৰ কৰা শাকবোৰ হ'ল—লাই, লফা, বাবৰি, চুকা, পালেং, পিৰালি পালেং, মধু সোলেং, মচন্দৰি, নৰসিংহ, ভেদাইলতা, দোৰোণ, ঢেকীয়া, হেলচী, ভতুৱা (জিলমিল), খুতুৰা, সৰিয়হ শাক, কচুশাক, টেঙেচী, পচতীয়া, মেথিশাক, ব্ৰাহ্মী, মৰিচা, মাটিকাদুৰী, কলমৌ, মৰলীয়া, পুৰৈশাক, পনৌনৌৱা, দুপৰ টেঙা, চেংমৰা, লাইজাবৰী, আমৰ মল, ফুলকবি, বন্ধাকবিৰ পাত, বিলাহী, আলুৰ আগ, টেঙা মৰা, ধনীয়া, পদিনা, তুলসীৰ আগ, মধুৰী আমৰ কোমল পাত, ভাত কেৰেলা, তিতা কেৰেলাৰ আগ, ৰঙালাও-পানীলাউৰ আগ, নলটেঙা ইত্যাদি এশ এবিধ শাক একেলগে ৰান্ধি খাই বছৰটোলৈ নিৰোগী হৈ থাকে। কিন্তু দুখৰ বিষয় নতুন প্ৰজন্মই এই বনশাকবোৰ চিনিকে নাপায়। ব'হাগ বিহুৰ দৰে আন কোনো উৎসৱতে গছ-বনৰ ইমান ব্যৱহাৰ পোৱা নাযায়। শাক খোৱা প্ৰথা অসমীয়াত বাহিৰেও বঙালী, নেপালী বা ভাৰতৰ অন্য প্ৰদেশৰ লোকৰ মাজতেও আছে। প্ৰবাদ আছে—

'মাংসত মাংস বাঢ়ে
ঘৃতে বাঢ়ে বল,
এৰা দুগ্ধত চন্দ্ৰ বাঢ়ে
শাকত বাঢ়ে মল।'

ঠিক তেনেদৰে বিহুৰ ভিতৰতে সাততিতা খোৱাৰও নিয়ম আছে। ব'হাগ বিহুৰ ভিতৰতে সাত তিতা খাই বছৰটোলৈ নিৰোগী হৈ থাকিব পাৰি বুলি বিশ্বাস কৰা হয়। এই সাত তিতা হ'ল—শেৱালীফুল, বাহক, নিম, তিতা কেৰেলা, তিতা ভেকুৰী, শোকোতা আৰু চিৰতা। সাত শাকৰ দৰে সাততিতাই মানুহৰ শৰীৰটো ৰোগমুক্ত কৰি সুস্বাস্থ্যৰ অধিকাৰী কৰি তোলাত সহায় কৰে।

ওপৰত উল্লেখ কৰা ৰীতি-নীতি সমূহে হৈছে সাত বিহুৰ পৰম্পৰা। সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটলৈ লক্ষ্য কৰিলে দেখা যায়—এই পৰম্পৰাসমূহে কিছু স্বকীয়তা হেৰুৱাই পেলাইছে। সময় বাগৰাৰ লগে লগে সমাজত পৰিৱৰ্তন অহা স্বাভাৱিক। কিন্তু সেই পৰিৱৰ্তনৰ ঢৌত উটি নগৈ আমাৰ পৰম্পৰাসমূহ পাৰ্যমানে ধৰি ৰাখি আমাৰ জাতিটো এটা সংস্কৃতিবাণ জাতি হিচাবে দাঙি ধৰাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য লগতে দায়িত্বও।

প্ৰবন্ধটো যুগুত কৰোতে বিভিন্ন প্ৰবন্ধ পাতি আৰু 'অসমৰ উৎসৱ' (অসমীয়া ভাষা আৰু ছফ্টৱেৰ বিকাশ কেন্দ্ৰ) নামৰ কিতাপখনৰ সহায় লোৱা হৈছে। এনে বহু পৰম্পৰা হয়টো এই প্ৰবন্ধটোত বাদ কৰি গৈছে। যিহেতু পৰম্পৰাসমূহৰ বৈজ্ঞানিক ভিত্তি আছে সেয়ে বিজ্ঞজনে ক'ৰবাত প্ৰকাশ কৰিলে আৰু আমাৰ ভুল-ত্ৰুটিবোৰ আঙুলিয়াই দিলে নিশ্চয় ভাল পাম। শেষত সমূহ ৰাইজলৈ ব'হাগ বিহুৰ ওলগ যাচিলো।♦ ♦

চোতাল

প্ৰতিমা বৰা

চোতাল—বৰ্ণিল জীৱনৰ গাঁঠনিৰে ওতপ্ৰোত সমন্ধ থকা এটি মিঠা শব্দ। মন জীৱনৰ আপুৰুগীয়া সম্পদ। মানৱ জীৱনক উপজি পুৱাৰে পৰা শেষ, নিশ্বাসলৈকে আলফুলে আকোৱালি ৰাখিছে। বিশেষতঃ গাৱলীয়া সমাজ জীৱনৰ এক লেখত ল'বলগীয়া বিভূতি। তিনিটা আখৰেৰে প্ৰফুষ্টিত এই শব্দটিতে পৰিপূৰ্ণ হৈ আছে অলেখ মণি-মুকুতাৰ ভাণ্ডাৰ। বাপতি সাহোন জাতীয় উৎসৱ ব'হাগ বিহুৰ দৰেই চোতাল মণিত গাৰ্হস্থ্য সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ। চৰাঘৰ, বৰঘৰ, মাৰলঘৰ, পাকঘৰ, নামঘৰ, ভঁৰাল, গোহালী, লগতে আগফালে আৰু পাছফালৰ চোতাল দুখনৰো ভূমিকা অপাৰ। ইয়াৰ ধুলি-মাকতিকে সাৰটি ল'ৰালি পাৰ হৈছে। ডাঙৰৰ হাতত ধৰি নানা ধৰণেৰে খেতি কৰিবলৈ শিকা, অনেক হাই-কাজিয়া, মিলা-মিচাৰ মাজতে শৈশৱ অতীত হৈছে খেলৰ পথাৰ হৈ এই চোতালখন।

পদুলিৰ নঙলা মুখতেই দাৰোৱান হৈ আছে বকুল, নাহৰ, অৰ্জুন, নিমগছ। বিতোপন বাটচ'ৰাতে আৰম্ভ হৈ বৰ ঘৰৰ বাৰান্দাখনলৈকে আগফালে চোতালৰ অবাধ গতি। ঠায়ে ঠায়ে বিদ্যমান চৰাঘৰ, বৰঘৰ, মাৰল ঘৰ, পাকঘৰ। পুৱতি .... আটোমটোকাৰিকৈ সজাই লোৱা নামঘৰটি। নামঘৰ ওচৰতে সোণগুটি ঘামেৰে ভৰপুৰ হৈ থকা ভঁৰাল ঘৰ। নামঘৰ গাতে লাগি থকা মনোমোহা ফুলনিখনত নানাবিধ তুলসীকে ধৰি বাৰে ৰহণীয়া ফুলবোৰে আপোনমনে হাঁহি হাঁহি, ... লগত দেও ধৰি নাচিছে।

ঘৰৰ পিছফালৰ বাৰান্দাখনৰ নামনিতেই .... আৰম্ভ হৈছে পিছচোতাল। প্ৰায়বোৰ গৃহস্থেৰে আকৌ আগফালখনতকৈ পিছৰখন দুগুণ। ইয়াৰ বহল বুকুত থিয় হৈ সোঁৱে-বাৱে পুখুৰীকে আদি কৰি শাক-পাচলি বাৰী, ফল-মূল, টেঙা-জৰাই কিৰিলিয়াই থকা দেখিলে মন-প্ৰাণ ভৰি উঠে। নিৰিবিলিকৈ তাঁতবাতি কৰিব পৰা ধান-মাহ, সৰিয়হ আদি ৰ'দাব পৰা প্ৰকাণ্ড চোতালখনৰ একাষে বাৰান্দাখন, বাৰান্দা নামনিত



জীয়ৰী-বোৱাৰীইঁতৰ তাঁত শালি। সৰগৰ সপোন ৰচি, পৰিয়ালটোৰ লাগতিয়াল বিভিন্ন ধৰণৰ কাপোৰ কানিখিনি বৈ লয়। বাৰাণ্ডা গানটো মূৰত লখিমী বোৱাৰী-জীয়াৰীৰ ভৰিৰ তলত, ঢেকীৰ কটৰাৰ ঘিনিকি ঘিন্দাও কোবত, ঢেঁকীয়েও ৰমন জনাই নাচি উঠে। তেওঁলোকৰ হাতৰ পৰশত বিহু-সংক্ৰান্তি, উৎসৱ-পাৰ্বন, আদিৰ লগতে সময় সময়ে চিৰা-পিঠা, সান্দহ-জলপানকে ধৰি নানাবিধ পিঠা-পনাৰ লোভনীয় গোন্ধই চৌদিশে আমোলমোলায়। ধান উমুৱাই দিয়া চৌকাকটোত দেউতা, বৰদেউতা, ককা, খুৰাইঁতে মাজে-সময়ে নানাধৰণৰ পাতত দিয়া নাৰিকল পোৰা পিতিকাৰ জুতি লগোৱা দেখিলে জিভাৰ পানী পৰা, খোৱাদ লগা খাদ্যসম্ভাৰ প্ৰস্তুত কৰে।

নামঘৰৰ পিছফালে নানা প্ৰজাতিৰ কুঁহিয়াৰে ভৰা কুঁহিয়ানি ডৰা। ভঁৰালৰ পিছফালে লাগনি পাচনিৰে খৰি খেৰৰ দমটো মেজিৰ আকাৰঠল আছে। তাৰ ওচৰতে নাঙল-দুৱলীকে আদি কৰি খেতি-বাতিৰ জা-জলপানবোৰ। ৰ'দ-বৰষুণে নষ্ট কৰিব নোৱাৰাকৈ ওপৰত এখন চালিও। অলপ আঁতৰতে চাৰিওফালে চিকুনকৈ জেওৰা দিয়া আৰু ওপৰতো চালিখনেৰে বাখি থোৱা আছে ঘানৰ মেজিটো। আগলি বলধ, দমৰা, চেউৰী, খীৰতি গাই আৰু পোৱালিৰে ভৰপূৰ গোহালি ঘৰতো দেখিলে লাগি যায়।

পাকঘৰৰ পিছফালে আদা, হালধী আৰু নানা ধৰণৰ শাক-পাচলি ভৰা এডৰা মাটি। বতৰৰ নানাবিধ পাচলিৰে মন উপচায়। তাৰ কাষতে লাউ, জিকা, ভোল-কোমোৰা আদিৰে ভৰি থকা দীঘলীয়া হেন্দালিখন। ৰান্ধনীয়ে পচন্দ অনুসৰি বুলনি আনিব পাৰে মোক খা, মোক খা, থকা পাচলিয়ে কেতিয়াবা ৰান্ধনীৰ কাপোৰত আজুৰি ধৰে। মোকনো কিয় এৰিলা? হেন্দালিখনৰ জেওঁৰাৰ পিছৰে পৰাই এহালিচা মাটিৰে বিয়াগোম পুখুৰীটো। বিভিন্ন মাছে পদুম, ভেট, শেলেকু আৰু পাতৰ মাজেৰে জাউৰিয়াই জপিয়াই থকা দেখিলে মনটো নাচি উঠে।

অনন্ত প্ৰহৰি ৰূপে শাল-চেগুণ কদৈ, তিতাচঁপা, আমলখি, শিলিখা, চন্দন, শিমলু, মদাৰ আৰু নানাধৰণৰ গছ-গছনিৰে চাৰিও দিশ আগুৰি আছে। মদাৰ আৰু কঁঠালৰ গছবোৰত লহপহকৈ বগাই আছে নানা প্ৰজাতিৰে পান আৰু জালুকৰ গছবোৰ। চিঙি অনা পাচলি, ফল-মূল, পুখুৰীৰ মাছ পোনচাটেই আহি ইয়াতে থিতাপি লোৱাৰ পিছতহে দিয়া খোৱা ৰন্ধা-বঢ়াৰ দিহা কৰা হয়। জীয়াৰী-বোৱাৰীইঁতে ৰান্ধনী বেলিৰ লগে লগে ইয়াতে চাউল-পাত, শাক-পাচলি, মাছ-পুঠি, কাটি-কাটি যোগাৰ কৰি থয়। ঠাণ্ডা দিনৰ দগমগকৈ জুইৰ অঙঠাৰ তাপ লওঁতে, নতুন আলু গছৰে সৈতে মাটি-মাহ, মগু মাহৰ সোৱাদ পাহৰিব নোৱাৰে। মাঘৰ উৰুকাত কলগছৰ পাত সোপা দি বাহঁৰ চুঙাত পিঠাপোৰা, কাঠ আলু, পুৰি থোৱাৰ লগতে পুৱালৈও যতনে ৰাখে। পুৱাৰ বেলাৰ ৰ'দ কাচলিত বহি খোৱা উৰুকাৰ ভোজ-ভাতৰ জুতিয়ে মুকীয়া আমেজ যোগায়।

ব'হাগ বিহুৰ উৰুকা, গৰু বিহুৰ দিনা খেতিৰ সা-সজুলিবোৰ ধুই পখালি মাহ-হালধী ঘহি ভঁৰালৰ আগত চোতালতে সজাই দি, দীঘলতি, মাখিয়তি আদিৰ লগতে লাউ-বেঙেনাৰ চাতেৰে সজাই দিয়ে। নতুন পঘাৰে প্ৰতিটো গৰুকে আদৰি-সাদৰি বান্ধে।পদুলিৰ মূৰত, গোহালিৰ মুখত মহ-ডাঁহ আহিব নোৱাৰাকৈ ধানখেৰ, তুঁহ-মৰলিয়া, আদিৰে জাগ দি, ধূপ-ধূণাৰে গৰুবোৰ আগবঢ়াই আনি গোহালিত জা-জলপান, ভাত, পিঠা খাবলৈ দিয়ে।

কাতি বিহুত চোতালৰ আগত তুলসীৰ তলত বন্তি জ্বলায়। আনন্দ উল্লাসেৰে আকাশ বন্দি জ্বলাই ধাননি পথাৰখনক পোক-পৰুৱাৰ পৰা ৰক্ষা কৰিবলৈ তুলসীৰ লগতে ঈশ্বৰকো প্ৰাৰ্থনা জনায়। দীপাৱলীৰ দিনা বাৰাণ্ডাৰে পৰা বাটচৰালৈকে মাটিৰ চাকিৰে লগতে পদূলিৰ কলগছতো জিলিকি চাকিয়ে জোনবাই দেশৰ তৰাফুল বান্ধে। ফটকাৰ আমাৰ লাগিতিয়াল নহয়। আঘোনৰ চোতালত কৃষকৰ হেঁপাহৰ পথাৰখনৰ পৰা আহি সোণালী লখিমীৰ গছ ধানৰ ওখ ওখ মেজিৰে চাৰিওদিশ উপচি পৰিছে। জহা-বৰা, শালিধানৰ লগতে নানাবিধ বাওঁধানেও মেজি সাজে। দিন-ৰাতিয়ে মৰণাৰ লানি নিচিগা সোঁত।

পিছে ইয়াৰ আকৌ আটাইতকৈ আৰাম আৰু আমোদজনক সম্বন্ধ আইতা আৰু নাতিহঁতৰহে। চোতালত বহি আইতাই নাতিহঁতৰ লগত সাধু কথা ক'বলৈ ধৰে। সমাজৰ পৰম্পৰা অনুসৰি এইখন চোতালতে কোনোৱে ক্ষুদ্ৰ ভাগৱত, গুণমালা সাক্ষী কৰি, কোনোৱে হোমৰ জুইক সাক্ষী কৰি, কোনোৱে হয়তো চকলং পাতি আপোন জীয়ৰীজনীক সমাজ বিদ্যমানে এঘৰলৈ উলিয়াই দিয়ে। জনম দায়িনী মাক-দেউতাক, চেনেহৰ ভাই-ভনীৰ হিয়া ভৰা মৰমতকৈও চিৰদিনৰ কাৰণে আনৰ ঘৰ এখনৰ জীয়াৰীৰ ঠাইত লখিমী বোৱাৰীজনী হৈ সকলোৰে আপোন কৰি ল'বলৈ। উপযুক্ত পুত্ৰলৈও সমাজৰ এই ৰীতি-নীতিৰেই এগৰাকীক এইখন চোতাল গছকাই ভিতৰলৈ সোমোৱাই অনা হয়।

বৰ্তমান কংক্ৰিতৰ যুগত এইবোৰ প্ৰায়েই নোহোৱা হৈছে। তাহানিৰ ৰামো নাই আৰু অযোধ্যাও নাই। ইজনে-সিজনৰ সুখৰ-দুখৰ সমভাগী হ'ব পৰা যৌথ পৰিয়ালবোৰ যেন সময়ৰ কোকোচাত উঠি ক'ৰবালৈ গুচি গৈছে। আজি যান্ত্ৰিকতাই মানুহক যন্ত্ৰতকৈও অধিক যন্ত্ৰ কৰি তুলিছে। তথাপিও কিছুমান গাঁও অঞ্চলত আজিও সেইখন পৰশা জীৱন গঁথাত বৰ্তমানটোৱে নানাধৰণৰ কাম-সকাম, উৎসৱ-পাৰ্বন, বিহু-সংক্ৰান্তিত চোতালখনৰ জেউটি চৰে। সৰুৱে ডাঙৰক আঠুকাঢ়ি সেৱা কৰা ডাঙৰেও সৰুসকলক বুকুৰ মৰম, হিয়া উজাৰি দিয়া আশীৰ্বাদ ভকত-বৈষ্ণৱ, আলহি-অতিথিয়ে গৃহস্থৰ মঙ্গল কামনা কৰি দিয়া শুভাশীৰ্বাদে তাহানিৰ নিয়ম-কানুন, ৰীতি-নীতিৰ ধৰি ৰাখিছে। জাকে জাকে অহা বিহুৱা হুঁচৰিৰ দলবোৰে ভঁৰালত ধান, পুখুৰীৰ মাছ, বাৰীত তামোল-পান গোহালীত গৰু হওঁক বুলি দিয়া অমূল্য আশীৰ্বাদে ইয়াৰ মৰ্যাদা অক্ষুন্ন ৰাখিছে। জীৱন-মৰণৰ মহৰৰী, এই চোতালখনে যেন আমাক সকিয়াই দিয়ে জীৱনৰ প্ৰতিটো ক্ষণতেই।◆◆



ব'হাগ আহিলে বুলি ....

অৰ্পণা গোস্বামী

সমাজ পৰিৱৰ্তনশীল। কিন্তু প্ৰকৃতিৰ নিয়মৰ লৰচৰ নাই। সৃষ্টিৰ পাতনিৰে পৰা চলি আহিছে এই প্ৰথা—ঋতু আহে ঋতু যায়। এই চিৰাচৰিত প্ৰথা অনুসৰণ কৰিয়ে আমাৰ মাজলৈ ঋতুৰাজ বসন্ত পুনৰ আহিছে—বিহু আহিছে আৰু আহিছে ব'হাগ। বৰদৈচিলায়ো নিজৰ অস্তিত্বৰ জাননী দিবলৈ সাজু হৈছে। এতিয়া প্ৰকৃতিৰ ন-সাজ পিন্ধাৰ সময়, কুলি-কেতেকীৰ বিনন্দীয়া সুৰেৰে আকাশ-বতাহ মুখৰিত হোৱাৰ সময়। ৰঙালী বিহুৰ বতৰৰ পূৰ্ণ পয়োভৰেৰে সমাজখন আকৌ এবাৰ ৰঙিয়াল হ'বলৈ ওলাইছে, নতুন বছৰ এটিক স্বাগতম জনাবলৈ।

প্ৰকৃতি, মানুহ আৰু পশু-পক্ষীৰ মাজত সমন্বয় ৰক্ষা কৰাতেই ব'হাগী উৎসৱৰ বিশেষ তাৎপৰ্য। বিহুগীতত প্ৰকৃতিৰ বন্দনা প্ৰতিফলিত হৈছে।

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি,
ফুলিলে ভেবেলি লতা'
ব'হাগ মাহত কপৌ ফুল ফুলিলে,
নাহৰে পেলালে কলি
কুলিয়ে বিনালে কেতেকী বিনালে.... ইত্যাদি।

'লাউ খা বেঙেনা খা' বুলি গৰু বিহুৰ দিনা কৃষিজীৱিসকলে গৰু মহক আদৰ-যতন কৰাৰ ৰীতি বিহু উৎসৱত নিহিত হৈ আছে। ই অতি তাৎপৰ্যপূৰ্ণ। এই সমন্বয়ে সৃষ্টি ৰক্ষা কৰিছে আৰু বিশ্বজনীন ৰূপত সংহতি শান্তিৰ পৰিৱেশ গঢ়ি তুলিছে। ঋগবেদৰ স্তুতিসমূহত প্ৰকৃতিৰ সুৰক্ষা আৰু শান্তিৰ সুন্দৰ নিদৰ্শণ পোৱা যায়।

'ওঁ মধু বাতা ঋতায়তে
মধু ক্ষৰন্তি সিন্ধৱঃ।
মাধ্বীৰ্ণ সন্তোষধীঃ।।
মধু নক্তম্ উতাযসো
মধুমৎ পাৰ্থিৱং ৰজস্থ।
মথু দৌৰস্তু নঃ পিতা।।

মধুমান নো বনস্পতি
মধুমাঁ অস্তু সূৰ্যঃ।
মাধ্বী র্গাৱো ভৱন্তু নঃ।। (ঋ.১/৯০)

ভাবাৰ্থ—সত্যপথত চলাজনলৈ মধুময় বতাহ বলক, নৈবোৰেও তেওঁৰ কাৰণে মৌ বৰষক, গছ বনবোৰ মধুময় হওক; তেওঁলৈ ৰাতি আৰু দিন, পৃথিৱীৰ ধূলি-বালি, আনকি পিতা দৌ মধুময় হওক, লগতে বনস্পতি (বৰ বৰগছ), সূৰ্য আৰু গাই গৰুবোৰো মধুময়ী হওক।

অসম যে প্ৰাকৃতিক সৌন্দৰ্য আৰু সম্পদত অতি চহকী—এই কথা দুনাই কোৱাৰ প্ৰয়োজন নাই। অসম ভ্ৰমনলৈ অহা দেশী-বিদেশী পৰ্যটকসকলে অসমৰ প্ৰাকৃতিক দৃশ্যাৱলী দেখি মুগ্ধ হৈ আনন্দত অভিভূত হৈ পৰে। কিন্তু যুগৰ দাবীতেই হওক বা আধুনিকতাৰ দাবীত প্ৰকৃতি মধুময় হোৱাৰ পৰিৱৰ্তে প্ৰাকৃতিক সৌন্দৰ্য বিনষ্ট হোৱাহে পৰিলক্ষিত হৈছে। আমাৰ অতি আপোন গুৱাহাটী মহানগৰখন। সেইজীয়া পাহাৰে আবৃত, মাজেৰে প্ৰবাহমান মহাবাহু ব্ৰহ্মপুত্ৰ, ঐতিহ্যমণ্ডিত মঠ-মন্দিৰসমূহে সৌন্দৰ্যবৰ্দ্ধন কৰাৰ লগতে নগৰখনত এক আধ্যাত্মিক পৰিৱেশৰো সৃষ্টি কৰিছে। এনে এখন মহানগৰৰ বাসিন্দা বুলি আমি গৌৰৱান্বিত। কিন্তু এই গৌৰৱ অক্ষুণ্ণ ৰখাত আমাৰ কাৰ্যকলাপে অকনো সহায় কৰা নাই। মহানগৰীৰ বুকুত প্ৰকৃতিৰ ধ্বংসলীলা এতিয়াও চলি আছে। পাহাৰ বননিত আঘাত হানি ঘৰবাৰী সজা হৈছে, নদী নলা বন্ধ কৰি অট্টালিকা নিৰ্মাণ কৰা হৈছে। ঐতিহাসিক বাহিনী নৈখন এতিয়া এক নলা মাথোঁ। ভৰলু নৈখনতো জাৱৰ আদিৰ দমে অপৰিস্কাৰ কৰি পেলোৱাত সৌন্দৰ্য হানি কৰাৰ লগতে প্ৰদূষণৰো সৃষ্টি কৰিছে।

বনাঞ্চলৰ পৰিমাণ হ্ৰাস হোৱাত জীৱ-জন্তুবোৰে আশ্ৰয় আৰু খাদ্যৰ বাবে জনাঞ্চললৈ ঢাপলি মেলিছে। আকৌ আমাৰ জীৱনৰ সৈতে ওতঃপ্ৰতভাৱে জড়িত এই চৰাই-চিৰিকতিবোৰ। বসন্ত কালটি মধুময় কৰি তোলাত কুলি-কেতেকী ঘৰচিৰিকা, কপৌ কাউৰী আদিৰ অৰিহণা কম নহয়। কিন্তু গছবন কাটি চাৰিওফালে কংক্ৰিটৰ দালান গঢ়ি উঠাৰ ফলত সিহঁতৰো বাহ সজাৰ ঠাইৰ অভাৱ ঘটিছে। 'মোৰ চোতালত ওমলহি অ ঘন চিৰিকা বুলি গাবলৈ কেইবামহলীয়া ফ্লেটত বাস কৰা আজিৰ প্ৰজন্মই চোতাল হয়তো গছকিয়ে নাপায়। বিভিন্ন চৰাইৰ সুমধুৰ কাকলিৰ উপৰিও ঘৰৰ মুধচত বাহ সাজিবলৈ চৰাইবোৰে ডালপাত গোটোৱা দৃশ্য, পোৱালিবোৰক আধাৰ খুওৱা, চোতালত বৰষুণৰ পানীৰ ডোঙাত পাখি জোকাৰি জোকাৰি গা তিওৱা দৃশ্য বিৰল হৈ অহা যেন অনুভৱ হয়। কুলি-কেতেকীৰ অমিয়া মাতটিও যেন এসময়ত দুৰ্লভ হৈ পৰিব পাৰে, সেই আশংকাও নোহোৱা নহয়। বিজ্ঞান-প্ৰযুক্তি বিদ্যাই সমগ্ৰ বিশ্বক এখন বৃহৎ গাঁৱত পৰিণত কৰি বিশ্ববাসীক ওচৰ চপাই আনিছে। কিন্তু চৰাইবোৰ আমাৰ মাজৰ পৰা আঁতৰি গৈছে। নীল আকাশেদি গীত গাই যাবলৈ চৰাইজাকো পৰিছে প্ৰদূষণৰ কবলত।

সময় গতিশীল। সমাজলৈ পৰিৱৰ্তন আহিবই। কিন্তু আমাৰ প্ৰয়োজনৰ তাগিতাত প্ৰকৃতিৰ বুকুত মুক্তভাৱে বিচৰণ কৰি ফুৰা জীৱ-জন্তু, চৰাই-চিৰিকতিৰ আশা-ভৰষাবোৰ আওকাণ কৰিলে নচলিব। অৱশ্যে 'গছ থাকিলেহে মানুহ থাকিব' বুলি সমাজত সজাগতা অনাৰ চেষ্টা চলাই থকা হৈছে। স্বচ্ছ ভাৰত আঁচনিৰ সৎ প্ৰচেষ্টাও অব্যাহত আছে।

আমাৰ সামাজিক আৰু জাতীয় জীৱনৰ সৈতে ঘণিষ্ঠভাৱে সাঙোৰ খাই থকা, সাহিত্য তথা সংগীত জগতত বিপুল অৱদান আগবঢ়োৱা প্ৰকৃতি আৰু প্ৰাকৃতিক বিনন্দীয়া সৃষ্টিবোৰ জীয়াই ৰখাৰ চিন্তা কৰিবলৈ ব'হাগৰ বতৰেই উপযুক্ত সময়।◆◆

বিহুগীতৰ নান্দনিকতাত প্ৰেমৰ সুৱাস

জুবি বৰুৱা

ব'হাগ আহিছে। চ'তৰ ৰিঙা ৰিঙা লগা মন, চৌদিশৰ লঠঙা গছ, বিৰিখ, উদাস উদাস যেন লগা ৰাতিবোৰ, দুৰু দুৰুকৈ কঁপি উঠা বুকুৰ উৎকণ্ঠাবোৰে জীপাল কৰিবলৈ অসমৰ বুকুলৈ আনন্দৰ বতৰা লৈ নামি আহিছে ব'হাগ। গছ-বিৰিখৰ ডাল পাত সেউজীয়া আৱৰণত বিমোহিত হৈ উঠিছে। কপৌ, কেতেকী, নাহৰৰ সুৱাসে বৰদৈচিলা হৈ উৰুৱাইছে মানুহৰ হৃদয়ৰ সংগীত। ..... আৰু নীৰৱ ৰাতি দূৰ দূৰণিৰ পৰা ভাহি অহা কুলিৰ মাতে হৃদয় বীথিকাতে কুঁচি-মুচি সোমাই থকা দুখ-বেদনাবোৰকো পাহৰাই পেলাইছে সিহঁতৰ অস্তিত্ব।

ব'হাগৰ বিহুটি বুলি ক'লেই চকুৰ আগত ভাহি উঠে যৌৱনৰ উন্মাদনাত বিহুগীতেৰে প্ৰেমৰ অভিব্যক্তিৰ লগতে হৃদয়ত প্ৰেমৰ লহৰ উঠোৱা বিহুগীতৰ গীতিব্যঞ্জনাৰ এক মনোৰম আৰু বৰ্ণাঢ্য পৰিৱেশ। এনে পৰিৱেশে কেৱল মানুহৰ মনবোৰে উত্তাল নকৰে, ই প্ৰকৃতিকো উন্মাদ কৰে। পাটগাভৰুৰ শৰীৰত ফুটি উঠা যৌৱনৰ বোলৰ দৰেই ফাগুনে নঙঠা কৰা গছবোৰত নতুন কুঁহিপাত প্ৰস্ফুটিত হয়, এই ব'হাগতে, মেঘৰ প্ৰেমৰ মন্ত্ৰধ্বনিৰ লগতে ভাহি অহা কুলি-কেতেকীৰ মধুৰ সুৱদি মাতত নিজান জাৱণিও সাৰ পাই উঠে। প্ৰকৃতিৰ নতুন বৃষ্টিজাকে ফাগুনৰ পচোৱা বতাহজাকত ধূলিময় হোৱা প্ৰকৃতিৰ চৌদিশ এনেদৰে নিকা কৰে যেন এগৰাকী ষোড়শীৰ দেহৰ ৰূপ-লাৱণ্য বুকুত উপচি পৰাৰ দৰে প্ৰকৃতিৰ বুকুত উপচি পৰে সেই নয়নতৃপ্ত সৌন্দৰ্য। বসন্ত কালত সেই ৰঙালী বিহুটিতে আমে মলিয়ায়, কঁঠালে মুচি পেলায়, আকৌ সেই প্ৰেমৰ সুৱাস বিচাৰি মৌ মাখি, ভোমোৰাই ফুলৰ মৌ চুহি খায়। এনেদৰেই বসন্ত কালত প্ৰকৃতি ফল-ফুলেৰে যেন গৰ্ভস্থ হয়। প্ৰকৃততে এনে চিৰ সেউজীয়া প্ৰেম-পিৰীতিত বিহুগীতৰ ছন্দে ছন্দে প্ৰতিফলিত হয় আৰু সেই বিহুগীতৰ ছন্দৰ ঢৌৰে যেন ডেকা-গাভৰুৰ প্ৰেমৰ পথাৰখন উৰ্বৰ কৰে। ডেকা-গাভৰুৰ যৌৱনৰ লুইতৰ চাপৰিত কহুঁৱা ফুলাৰ দৰে প্ৰেমৰ সুৱাসে মনবোৰ অশান্ত কৰি তোলে। ডেকা-গাভৰুৰ ঘৰতো নবহে মন, পথাৰতো নবহে

মন। সেয়ে চৰাইৰ পাখি দুখন দেখি ডেকা-গাভৰুৰ মনবোৰ উচপিচ কৰে—

টুনিৰ লগতে
উৰিম যেন লাগিছে
ওচৰত ন'হলা তুমি....।

এনেদৰেই যেন প্ৰকৃতিৰ সেই প্ৰেমভৰা সৌন্দৰ্যৰ লগত ডেকা-গাভৰুৱে ইজনে সিজনক প্ৰেম-পিৰীতি আৰু মিলনৰ ক্ষুধা ঢালি দিয়ে।

ৰঙালী বিহুটি আহিলে ডেকা-গাভৰুৰ দেহত যৌৱনৰ ঢল নামে। ডেকাই গাভৰু বা লগ পাই ধন বা চেনাই নাম দি কেতিয়াকৈ আহিব এইলৈ পদুলিলৈ ওলাই ওলাই চায়। চেনেহীয়ে ও চেনাইলৈ বকুল বৰা ধানৰ চিৰা খুন্দি আখৈ, মুৰি এঠা দৈ গোটাই থৈ মনৰ মানুহজনৰ উপস্থিতি কামনা কৰে। সেয়েহে আপোন মনেৰে হ'লেও বুকুৰ আপোনজনলৈ হাবিয়াস কৰি গায় এইদৰে—

'বকুল বৰা ধানৰ আখৈ ভাজিছিলো
কাযত চপোৱা গাখীৰৰ দৈ
তমিযে নহ'লে খাবকে নোৱাৰো
থাকো মই আগতে লৈ।

প্ৰিয়জনৰ প্ৰতীক্ষাত উদ্বাউল হৈ পৰা গাভৰুৱে গায়—

চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো
চিৰি লুইতলৈ চায়
চিৰি লুইতৰ ৰূপালী সোঁতত
চেনায়ে নাওঁ মেলি যায়।

এই ৰঙালী বিহুতেই প্ৰেমৰ বিভিন্ন পৰ্যায়ৰ পৰিভাষা প্ৰকাশ পায় বিহুগীতত। বিহুগীতৰ ছন্দে ছন্দে যেন স্পষ্ট হৈ পৰে প্ৰেমৰ ভিন্ন পৰ্যায় পূৰ্বৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি, প্ৰণয় আৰু মিলনৰ সেই নৈসৰ্গিক তৃপ্তিৰত লগতে বিৰহৰ কৰুণ আঘাত।

যৌৱনে পাটগাভৰুগৰাকীক স্পৰ্শ কৰাৰ লগে লগে যেন তাইৰ সৌন্দৰ্যও প্ৰস্ফুটিত হৈ পৰে। তেনে মুহূৰ্তত গাভৰুগৰাকীক লৈ ডেকাজনে সপোন ৰচে। এয়ে প্ৰেমৰ পূৰ্বৰাগ। পৰ্বৰাগত পাহোৱাল ডেকাজনৰ মন ৰঞ্জিত হৈ উঠে। তেতিয়াই পৃথিৱীৰ সমস্ত সৌন্দৰ্যই দুই নয়নত থুপ খায় আৰু আবেগত প্ৰকাশ পায়—

উজাই চালো মই ভটিয়াই চালো মই
তোমাৰ মান শুৱনি নাই।

প্ৰেমৰ দ্বিতীয় স্তৰ হ'ল অনুৰাগ। এই অনুৰাগৰ ছবিখন বিহুগীতত স্পষ্ট হৈ পৰে এইদৰে—বুকু বহল কৰি কঁকাল চিয়া কৰি—

তোমাৰ কঁকালটি অতিকৈ লাহী
খোজত হালি জালি যায়।

প্ৰেমৰ অনুৰাগ অতিশয় প্ৰবল অনুভৱ। মিলনত প্ৰচণ্ড বাধা, অপেক্ষাৰ অন্ত নাই। শৰীৰত বিয়পি পৰে কামনাৰ শিখা।

যোৱা ৰাতি সপোনত দেখিছিলো
কাঁহীত খাই আছিলো ভাত
তোমাৰ নিচিনা মিঠা বৰণীয়াৰ
হাতত দি আছিলো হাত।

বিহুগীতৰ মাজেদি গাভৰুৱে মনৰ আৱেগ-অনুভূতি মুকলিকৈ প্ৰকাশ কৰে। বয়সৰ উন্মাদনাই মনৰ আবেগ লুকুৱাই ৰাখিব নোৱাৰি গায়—

বহো তাঁতৰ পাতত চকু আলিবাটত
মাকোঁ সৰি সৰি পৰে।

চ'তৰ হঠাতে অহা বৰষুণ জাকে প্ৰকৃতিক নিৰ্মল কৰি তোলে। কুলি-কেতেকীৰ গানে বসন্তৰ আগমনৰ বতৰা আনে। এনে মন ৰাই-জাই কৰাৰ বতৰত বিহুৱতী চৰাইৰ বিননিত গাভৰুৱে গায়—

ওপৰে উৰিলে ক'ৰেনো কনুৱা
তাৰ লগত উৰিলে বগ
কুলিয়ে মাতিলে কেতেকীয়ে বিনালে
ক'বলৈ নাপালো লগ।

ডেকা-গাভৰুৰ হৃদয়ত প্ৰেম যেতিয়া গভীৰভাৱে শিপাই যায় তাকেই প্ৰণয় বোলে। সেই প্ৰণয় বিহুগীতত প্ৰতিফলিত হৈছে এনেদৰেই—

তুমিয়ে আমাৰে আমিও তোমাৰে
একেটি শৰীৰৰ কায়
কিনো বিধতাই তোমাক স্ৰজিলে
তোমাৰ মোৰ ভিন পৰ নাই।

ডেকা-গাভৰুৰ প্ৰণয়ৰ গভীৰ সম্ভেদৰ পিছত শৰীৰে স্পৰ্শ বিচাৰে। সেই নৈসৰ্গিক অনুভৱ বিহুগীতত প্ৰকাশ পায় এনেদৰে—

কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক
ৰাতি নৌ পুৱাওতেই কিয় ডাক দিলি
ধনে এৰি যায় মোক।

প্ৰেমৰ অন্য পৰ্যায় বিৰহো দেখা যায় বিহুগীতত। প্ৰিয়জনৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা এই তীব্ৰ যন্ত্ৰণাও প্ৰকাশ পায় বিহুগীতত।

ধনক গুণি গুণি নধৰে টোপনি
থাকো অনাহাৰে শুই।
যেতিয়া চেনাইলৈ মনত পৰেহি
শৰীৰত জ্বলেহি জুই।

বসন্তৰ পৰশ লাগি পৃথিৱী চঞ্চল হয়। চঞ্চলা পৃথিৱীয়ে যৌৱন উতলা কৰে। আশাৰ বুৰবুৰণি উঠে বুকুৰ মাজত। ঢোলৰ মাতে, পেপাৰ সুৰে বিহুবলিয়া অসমীয়া ডেকা-গাভৰুৰ—

'ঘৰতো নবহে পথাৰতো নবহে মন',
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে,
তেনেকৈ উৰিবৰ মন...।

ফুল পানী ছিগাত ঢোলৰ মাত শুনি গাভৰুৰে উজুটিত য'তৰ ভাঙে। ৰাংঢালী গাভৰুৰে ৰিঙিৱাই উঠে—

'ঢোলত চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলো তাঁত,
টোপোলাৰ সেন্দুৰ টোপোলাত থাকিল
খাবলৈ নহ'লে ভাত।

বিহুতলিলৈ ঢপলিয়াই অহা মনৰ মানুহজনীক দেখি ডেকাটোৱেও বিহু জোৰে—

'ন পানী ফুটিলে নাহৰ ফুল ফুলিলে
সলায় বৰ গছে পাত,
আমাৰ লহেৰীয়ে বৰণটি সলালে
মুগা-ৰিহা মেৰিয়ালে গাত।'

এনেকৈয়ে যৌৱনৰ বলিয়া বানত ব'হাগে প্লাৱন আনে। হিয়াৰ মৰমবোৰ পুনৰ ভৰুণ হয়। বিহুৰ চঞ্চলতাই থৌকি-বাথৌ কৰা গাভৰুৰ দেহলৈ দেওধনি আনে। বিহুত মগন গাভৰুৰ দেহৰ ভাঁজে ভাঁজে জিলিকি উঠা সৌন্দৰ্য্যই ডেকাৰ বুকুলৈ ধুমুহা নমায়। অজানিতে গুণগুণাই উঠে—

'হাতো শুৱনি ভৰিও শুৱনি
বুকুতো পদুমৰ কলি।
আচুঁৰলি ৰিহাৰে তুমি কি ঢাকিবা
আপুনি উঠিব ফুলি।।'

বসন্তই নমাই আনে পুৰণি পৃথিৱীক নকৈ সজাই লোৱাৰ প্ৰৱণতা। সেমেকা শীতে অৱশ কৰা বাউলী ফাগুণে উদাস কৰা পাহাৰ ভৈয়ামে সকলোলৈকে বসন্তই লৈ আনে প্ৰাণৰ সঞ্চাৰণ। চৌদিশৰ চঞ্চল-চপলতাই আকাশে-বতাহে অলেখ নেদেখা ঢৌ নমাই আনে। ব'হাগ

মানেই হৈ পৰে প্ৰাচুৰ্য আৰু সৃষ্টিৰ অমোঘ বতৰা।

'ব'হাগতে আহিবি চেনাই ঐ
খোপাতে এপাহি কপৌফুল দিবলৈ'।

ব'হাগ মানেই আকুলতা, ব'হাগ মানেই আশাৰ বতৰা। সমাজৰ আঁৰতে নিয়ম ভাঙি আপোনজনৰ কম্পিত বুকুৰ মৰমত মগন হোৱা ক্ষণতে এখনি হিয়াই আনখন হিয়াক প্ৰতিশ্ৰুতি দিয়ে—

'দিখৌ নৈ এৰিব পাৰো মই লাহৰী,
জাঁজী নৈ এৰিব পাৰো,
তোমাৰে পিৰীতি এৰিব নোৱাৰো,
নেখায়ো মৰিব পাৰো।'

জিলমিল নিশাৰ—জোনাকত বিহুতলিত উটি-ভাহি যায় ডেকা-গাভৰুৰ অবুজ ধেমালিবোৰ। সাক্ষী থাকে ৰাতিৰ আকাশ। ডেকা-গাভৰুৰ নাচোনৰ গিৰিপণিত ৰাতিৰ বিহুৱে প্ৰাণ পায়।

'এপৰ-দুপৰ কৰি ৰাতি পৰে হ'ব,
আমাৰ বিহুৰ আমনি নাই,
ৰাতি পৰে পৰে ফেঁচাই কুৰুলিয়ায়
আমাৰ বিহু ভাঙোতা নাই।'

আমাৰ ককা-আইতাই প্ৰাণ ভৰি উপভোগ কৰা এই ৰাতিৰ বিহু ক্ৰম বিৰ্বতনত প্ৰায় লুপ্ত হৈ পৰিছে নাইবা সময় আহ্বানত বিহু মঞ্চলৈ গতি কৰিছে যদিও ব'হাগ আৰু বিহুৰ সেই মাদকতা যেন চিৰ নতুন, চিৰ সেউজীয়া।

সময়ৰ বিৰ্বতনত পৰিৱেশো সলনি হ'ল। আজিৰ ৰঙালী বিহুৰ গীত-মাতো সলনি হ'ল। ডেকা-গাভৰুৰ প্ৰেম নিবেদন কৰা পদ্ধতিও সলনি হয়। যান্ত্ৰিকতাই গ্ৰাস কৰা সমাজখনে প্ৰেমৰ প্ৰকৃত আবেগবোৰ মোহাৰি পেলালৈ। তথাপিও ৰঙালী বিহু বুলি ক'লে আজিও ডেকা-গাভৰুৰ গতে দেওধবনি উঠে। সংস্কৃতিৰ ৰূপান্তৰত আধুনিকতাৰ নামত বিহুৰ প্ৰকৃত ৰূপৰ ৰূপান্তৰ ঘটিছে যদিও বসন্তৰ বতাহজাকে কৈ যায় বিহুৰ তাৎপৰ্য অতীজৰ পৰা একেধাৰে বিদ্যমান। আজিও অসমীয়া ডেকা-গাভৰুৱে শৰীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে অনুভৱ কৰে বিহুগীতৰ নান্দনিকতাত প্ৰেমৰ সুৱাস।◆◆

সাত বিহুৰ নাম

গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু, তাঁতৰ বিহু
নাঙল বিহু, চেনেহী বিহু, চেৰা বিহু

চীফৰ নিমন্ত্ৰণ

(মূল—ভীষ্ম, চাহানী)
অনুবাদ-ভাৰতী ভট্টাচাৰ্য্য

আজি মিষ্টাৰ শ্যাম নাথৰ ঘৰলৈ চীফৰ নিমন্ত্ৰণ। শ্যাম নাথ আৰু তেওঁৰ ধৰ্মপত্নীয়ে কঁপালৰ ঘাম মচিবলৈও সময় পোৱা নাই। পত্নীৰ পিন্ধনত ড্ৰেচিং গাউন, মূৰৰ আউল-বাউল চুলিৰে এটা খোপা, মেকআপ হীন মুখত ফুটি উঠা বলিৰেখাত পাউদাৰ সানিবলৈও পাহৰি গৈছে। আজি মিষ্টাৰ শ্যাম নাথৰ ওঠত চিগাৰেটৰ পিছত চিগাৰেট, হাত ভৰা বস্তুবাহানি, এবাৰ ইটো কোঠা এবাৰ সিটো কোঠা কৰি আছে।

চেয়াৰ টেবুল, টিপট, নেপকিন, ফুল বাৰান্দাত সজোৱা হৈছে। ড্ৰিংক্সৰ ব্যৱস্থা ড্ৰয়িংৰুমত। এতিয়া ঘৰৰ অদৰ্কাৰী বস্তু-বাহানিবোৰ আলমাৰিৰ পিছফালে আৰু বিছনাৰ তলত লুকুওৱাৰ কাম চলি আছে।

অদৰ্কাৰী বস্তুবোৰ আঁতৰাই থকাৰ সময়তেই শ্যাম নাথৰ মূৰত কথাটো খেলালে... মাক লৈ কি কৰো? মাক ক'ত আঁতৰাই থও! এনেকুৱা এটা জৰুৰী কথা শ্যাম নাথ আৰু তেওঁৰ কুশল গৃহিনীয়ে পাহৰি আছিল কেনেকৈ!

মিষ্টাৰ শ্যাম নাথে শ্ৰীমতীৰ ফালে ঘূৰি ইংৰাজিতে ক'লে, 'মাৰ কি হ'ব?'

শ্ৰীমতীৰ কামত ব্যস্ত হৈ থকা হাত দুখন ৰৈ গ'ল। অকমাণ ভাবি ক'লে। পিছফালৰ তেওঁৰ বন্ধুৰ ঘৰলৈ পঠিয়াই দিয়া। আজি ৰাতিটো তাতেই থাকক, কালিলৈ ৰাতিপুৱা লাগিলে লৈ আহিম। শ্যাম নাথে মুখত চিগাৰেট লৈ চকু ঘোপাকৈ কিছুসময় চাই থাকিল।

অকণমান ভাবিলে, তাৰ পাছত মূৰ জোকাৰিলে, 'নালাগে, মই নিবিচাৰো সেই বুঢ়ীজনীৰ ঘৰলৈ আকৌ অহাযোৱা আৰম্ভ হওক। আগৰবাৰ বহুত কষ্ট কৰি সেইখন ঘৰৰ লগত অহাযোৱা বন্ধ কৰিছো। মাক ক'বা ল'ৰালৰিকৈ ডিনাৰ খাই সন্ধ্যাৰ লগে লগে নিজৰ কোঠাত সোমাই থাকিব। জ্যেষ্ঠসকল আহিব ৰাতি আঠমান বজাত। তাৰ আগতেই....'

বেচ বন্ধবস্ত। দুয়োজনৰ আইডিয়াটো পচন্দ হ'ল।

তাৰ পিছতেই শ্ৰীমতীয়ে ক'লে—'ধৰিলোৱা তোমাৰ মাৰ টোপনি আহি গ'ল আৰু নাক বজাবলৈ আৰম্ভ কৰিলে, তেতিয়া? ওচৰতেই বাৰান্দাখন, তেওঁলোকে খোৱা-বোৱা কৰিব।'

তেতিয়া হ'লে মাক কৈ দিবা যাতে ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি থয়। বাহিৰৰ পৰা মই তলা মাৰি থ'ম। নহ'লে মাক বহি থাকিবলৈকে কওঁ, কৈ যোৱা?

আৰু যদি বহি বহিয়েই টোপনি যায়? ডিনাৰটো, কিমান সময় চলে ঠিক নাই। এঘাৰটালৈকেটো তোমালোকে ড্ৰিংকেই কৰিবা।'

শ্যাম নাথে খেংখেঙাই উঠিল। 'ভালেই আছিল সেইদিনা মা ভাইটোৰ ঘৰলৈ গুচি যাবলৈ ওলাইছিল। তুমিহে ভালতো দেখুৱাই থাকি যাবলৈ ক'লা।'

'বাহ! তোমালোক মা আৰু ল'ৰাৰ কাজিয়াৰ মাজত মই কিয় বেয়া হ'ম, এইবোৰ তোমালোকৰ কথা। তেতিয়া কেনেকৈ জানিম পাৰ্টি হ'ব?'

মিষ্টাৰ শ্যাম নাথ নীৰৱ। এতিয়া তৰ্কাতৰ্কিৰ সময় নহয়। ঠাণ্ডা মগজেৰে সমস্যাটো সমাধা কৰিব লাগিব। গৃহিনীৰ খং উঠিলে মস্কিল হ'ব। ঘূৰি এবাৰ মাকৰ কোঠাটো চালে। দুৱাৰখন বাৰান্দাৰ ফালে। অকণমান কিবা এটা ভাবিলে।

এটা আইডিয়া আহিছে, মাকৰ দুৱাৰমুখত ঠিয় হ'লগৈ।

মা বেৰত আউজি বিছনাৰ ওপৰত বহি আছে, ওৰনাৰে মুখখন ঢকা, হাতত জপৰ মালা, ৰাতিপুৱাৰে পৰা ঘৰখনত ইমান ব্যস্ততা দেখি মাৰও বুকুৰ কঁপনি উঠিছে। ল'ৰাৰ অফিচৰ বৰচাহাব আহিব। সকলো যেন থিকেথাকে হয়।

'মা, তুমি আজি সোনকালে খাই ল'বা। গেষ্টসকল চাৰে সাতটাতে আহিব।'

মায়ে লাহে লাহে মুখৰ পৰা ওৰণাখন আঁতৰালে। ল'ৰাৰ চকুত চকু থ'লে, 'আজি মই একো নাখাও বাছা, তোমালোকেতো জানা, ঘৰত মাছ-মাংস ৰন্ধা হ'লে মই একো নাখাও।'

'ঠিক আছে, ঠিক আছে। তেওঁলোক আহি পোৱাৰ আগতেই নিজৰ কামবোৰ সমাধা কৰিবা।'

'বাৰু বাছা, কৰি ল'ম মই।'

'আৰু শুনা, আমি প্ৰথমে ড্ৰইংৰুমত বহিম, তেতিয়া তুমি বাৰান্দাতে বহি থাকিবা। তাৰ পাছত আমি ইয়ালৈ আহিম, তেতিয়া তুমি বাথৰুমেদি ড্ৰইংৰুমলৈ গুচি যাবা, কোনেও যেন দেখা নাপায়।

মা অলপ অবাক হ'ল। তাৰ পাছত মূৰ লৰাই ক'লে 'হ'ব বাছা।'

'আৰু শুনা, বহি বহি টোপনি নাযাবা, তোমাৰ যি নাকৰ শব্দ!'

মায়ে লাজ পাই ক'লে—'কি যে কৰো, নাকৰ শব্দ বন্ধ কৰিব'ই পৰা নাই। সেইবাৰ অসুখ হোৱাৰ পৰাই এনেকুৱা হৈছে, আজি-কালি শুলে নাকেদি উশাহ ল'বও নোৱাৰো।'

ব্যৱস্থাতো হ'ল, তথাপিও চিন্তা থাকিয়েই যায়। যদি চীফ হঠাৎ এইফালে আহে। আমেৰিকান বিলাকে সিমান এটিকেট মানি নচলে। চীফক বাদ দিও আঠ দহজন গেষ্ট। দেশী অফিচাৰ কেইজন, তেওঁলোকৰ পত্নীবিলাক ও লগত আহিব। ক্ষোভ, বিৰক্তি আৰু খঙত শ্যাম নাথৰ মূৰ ঘূৰিবলৈ ধৰিলে।

এখন চকী আনি বাহিৰৰ বাৰান্দাত থ'লে। 'মা, এইফালে আহা, ইয়াত বহা।'

মায়ে জপৰ মালা হাতত লৈ, মূৰৰ ওৰণি ঠিক কৰি কৰি আহি চকীত বহিল।

ধমক খালে তেতিয়াই, 'ওহোঁ তেনেকৈ নহয়।

ভৰি তুলি বহিছা কিয়? এইখন বিছনা নেকি?' মায়ে লৰালৰিকৈ ভৰি নমায় বহিল।

'দয়া কৰি শুদা ভৰিৰে নাথাকিবা আৰু খৰম নিপিন্ধিবা এবাৰ। সেই খৰমজোৰ মই এইবাৰ ঠিক বাহিৰত পেলায় দিম।' মা চুপ।

'কি পিন্ধি থাকিবা তুমি? কোনবোৰ কাপোৰ?'

'তই যি কবি। কি পিন্ধিম?'

মিষ্টাৰ শ্যাম নাথে চিগাৰেট মুখত লৈ আধামুদা চকুৰে গভীৰ নিৰীক্ষণ কৰিলে, মনে মনে মাৰ পিন্ধা কাপোৰ বাছিবলৈ লাগিল। কোনো খুত নাৰাখে আজি। এনেয়েও ঘৰৰ ক'ত গজাল পুতিব। ক'ত বিছনা থ'ব। কোন ৰঙৰ পৰ্দা লগোৱা হ'ব, শ্ৰীমতীয়ে কোন শাড়ী পিন্ধিব, টেবুলৰ চাইজ কেনেকুৱা হ'ব সকলো নিজেই ঠিক কৰিছে। মাৰ কাপোৰবোৰ ও ঠিক ঠাক হ'ব লাগিব। চীফে যদি বাই এনি চান্স মাক দেখি যায়। লাজত যাতে পৰিব নালাগে।

মাৰ আপাদমস্তক জৰিপ কৰি ক'লে 'তুমি বগা চালোৱাৰ কামিজ পিন্ধিবা। এবাৰ পিন্ধি আহাচোন, চাই লওঁ।'

মা লাহে লাহে ঘৰৰ ভিতৰলৈ সোমায় গ'ল।

'এই মাৰ ঝামেলাটো থাকিয়েই গ'ল।' ইংৰাজিতে শ্যাম নাথে পত্নীক ক'লে। উল্টা পুল্টা কথা কৈ দিব, চীফৰ বেয়া লাগিলে মোৰ চব শেষ। প্ৰমোচনৰ আশা নাথাকিব।

মা বগা চলোৱাৰ-কামিজ পিন্ধি বাহিৰলৈ ওলাই আহিল। চুটি-চাপৰ চেহেৰা, উদ্বেগত শুকান মুখখন আৰু শুকাই গৈছে। চকুৰে ধুৰলি-কুঁৰলি দেখিছে। ওৰণিৰ তলেদি আউল-বাউল চুলিবোৰ ওলাই আহিছে। যা হওঁক, আগৰ দৰে কুশ্ৰী লগা নাই।

'বাৰু, ঠিকেই আছে। হাতত চুড়ি পিন্ধিব খুজিলে পিন্ধিব পাৰা। ন' প্ৰব্লেম।

'চুড়ি ক'ত পাম বাছা? তোৰ পঢ়া-শুণাত সকলো বিক্ৰি হৈ গ'ল নহয়।

এই শেষৰ বাক্যটোৱে তীৰৰ নিচিনাকৈ বিন্ধিলে শ্যাম নাথক। 'কি আৰম্ভ কৰিলা মা? চিধা-চিধিকৈ ক'ব নোৱাৰো, গহনা নাই?' মোৰ পঢ়া-শুণাৰ কথা লৈ খোচ মাৰিছা? গহনা বিক্ৰি কৰিছা, তাৰপৰা মইওতো কিবা এটা হৈছো, ল'ৰাৰ পঢ়া-শুনাৰ কাৰণে গহনা দিছা, সেই কথা শুনাইছা আজি? যি দিছা তাৰ দুগুণ গহণা লৈ ল'বা?'

'মোৰ জিভা জ্বলি যাওঁক, মোৰ জিভা চিঙি যাওক। সেই কথা মই ক'ব খোজা নাই বাছা। এনেয়ে মুখৰ পৰা ওলাই গ'ল, তোমাৰ পৰা মই টকা ল'ম? সেইটো কেনেকৈ হ'ব।

চাৰে পাঁচটা বাজি গৈছে।

এতিয়া মিষ্টাৰ শ্যাম নাথ গা-ধুই সাজু হ'ব। শ্ৰীমতীয়ে আগৰপৰাই সাজিব কাচিবলৈ আৰম্ভ কৰিছে আৰু এবাৰ মাকৰ ওচৰলৈ গ'ল শ্যাম নাথ। গোমোঠা মুখ কৰি বহি নাথাকিবা, যদি ঠিক এইফালে আহে আৰু কিবা সোধে, ভালকৈ উত্তৰ দিবা।'

'নালাগে নালাগে বাছা, মই লেখা পঢ়া নেজানো, চাহাবৰ লগত কেনেকৈ কথা পাতিম? তই নহ'লে কৈ দিবি.... মা মূৰ্খ মানুহ, একো নুবুজে, একো নাজানে। এতিয়া হ'লে মোক আৰু একো নোসোধে'।

সাত বাজিছে। মাৰ বুকুৰ ধপ্ ধপনি বাঢ়ি গ'ল। যদি চীফ আহে আৰু কিবা সোধে? বৃটিছ বিলাকক দূৰৰ পৰা দেখিছিল, তাতেই ভয় লাগিছিল আৰু এওঁতো খোদ আমেৰিকান চাহাব। কি হ'ব? মাৰ ইচ্ছা হ'ল এতিয়াই যেন খিৰিকীৰে কুমুৰ ঘৰলৈ গুচি যাব। কুমু অকলশৰীয়া বিধৱ মানুহ, তাৰে চাহাব নাহে। কিন্তু ল'ৰাৰ হুকুম নামানি

কি কৰিব। ভৰি ওলমাই নিঃশব্দে বহি ৰ'ল চকীত।

শ্যাম নাথৰ পাটিৰ উজ্বলতা আজি আকাশচুম্বী এফালে গিলাছৰ পিছত গিলাছ ভৰি উঠিছে আৰু শেষ হৈছে, একেই বেগত কথাবাৰ্তাৰ ধাৰাটোত মসৃণভাৱে চলি আছে। কোনো বাধা নাই, ক'তো বাধা নাই। চাহাবৰ হুইচ্‌কি খুব পচন্দ হৈছে। মেমচাহাবৰ পৰ্দা পচন্দ হৈছে, চোফা ক' ভাৰৰ ডিজাইন পচন্দ হৈছে, ঘৰৰ সাজ-সজ্জাৰ প্ৰশংসা কৰিছে। আৰু কি লাগে।

চাহাবেতো দ্বিতীয় দফা ড্ৰিঙ্কৰ সময়ৰ পৰাই মজাৰ গল্প আৰু জ'কস শুনাবলৈ লাগিছে। অফিচত ইমান মেজাজ। ঘৰত কিমান আপোন কৰা বন্ধু ভাৱ!

আৰু মেমচাহাব, পিন্ধনত ক'লা গাউন, ডিঙিত বগা মুক্তাৰ মালা, সুগন্ধি আৰু পাউডাৰেৰে সুশোভিত হৈ মহিলাকুলৰ মধ্যমণি হৈ বহি আছে। শ্ৰীমতীৰ লগত এনেকৈ কথা পাতিছে যেন বহুত দিনৰ পুৰণা বান্ধৱী।

এনেকৈ মায়াৰ হাঁহিত আনন্দ আহ্লাদত চাৰে দহ বাজি গ'ল। সময় যে কেনেকৈ কাটি গ'ল গমেই পোৱা নগ'ল। সকলোৱে গ্লাছৰ শেষ তৰল বিন্দু পান কৰি তৃপ্তি মনেৰে ড্ৰইংৰুমৰ পৰা ওলাই আহিল।

আগে আগে শ্যাম নাথে বাট দেখুৱাই নিলে পিছত চীফ আৰু বাকী অতিথিসকল।

বাৰান্দা পাইয়েই শ্যাম নাথ থমকি ৰ'ল। যি দৃশ্য দেখিলে, ভৰিত কঁপনি উঠিল। পলকতে নিচাৰ আমেজ মাটি গৈ গ'ল।

বাৰান্দাত মাক চকীত বহি আছে, দুই ভৰি চকীৰ ওপৰত। মূৰ এবাৰ সোঁফালে এবাৰ বাঁওফালে হালি হালি পৰিছে আৰু নাক বজোৱাৰ তীব্ৰ শব্দ। মূৰটো যদিও কেতিয়াবা ঠিক ঠাইত ৰয়, নাকৰ শব্দ গভীৰতৰ। তাৰ পিছতেই একেকোবে টোপনি ভাঙি উঠি বহিল। ওৰণি আঁতৰি গৈছে, আউল-বাউল চুলি, মাজে মাজে চুলিবোৰ উঠি গৈ তালু দেখা গৈছে। শ্যাম নাথ ক্ৰোধত ক্ষিপ্ত হৈ উঠিল। দাঁতে দাঁতে চেপি ধৰিলে। ইচ্ছা হ'ল একে চকাতে মাক ঠেলি নি যেন কোঠাৰ ভিতৰত সুমুৱাই থ'ব। সম্ভৱ নহয়, চীফ আৰু বাকী অতিথি বিলাক ওচৰতে বৈ আছে।

মাক দেখি অফিচাৰ কেইজনৰ গৃহিনীসকলে হাঁহি পেলালে। চীফৰ ধীৰ-গভীৰ কণ্ঠ শুনা গ'ল—'পুঅ'ৰ ডিয়েৰ।'

মা ধৰমবায় উঠিল। সন্মুখত ঠিয় হৈ এজন মানুহ, মায়ে ভয় খালে। লৰালৰিকৈ ওৰণী টানি মূৰটো ঢাকিলে, তাৰ পিছত মাটিলৈ চাই থাকিল, ভৰি কঁপিছে, হাতৰ আঙুলিবোৰ অসাৰ লাগিছে।

'মা তুমি গৈ শুই থাকাগৈ। ইমান ৰাতিলৈ কিয় সাৰে আছা?' খং লুকুৱাই যথাসম্ভৱ নম্ৰ হ'ল শ্যাম নাথ, চীফৰ ফালে আঁৰ চকুৰে চাই ল'লে এবাৰ।

চীফৰ মুখত মৃদু হাঁহি, দুই হাত যোৰ কৰিলে, 'নমস্কাৰ'। ইতস্তত কৰি মায়ে দুইহাত যোৰ কৰি প্ৰতি নমস্কাৰ কৰিব খুজিলে। এহাতে জপৰ মালা, ঠিককৈ হৈ নুঠিল। শ্যাম নাথৰ বিৰক্তি দুগুণ হ'ল। চীফে নিজৰ সোঁহাত আগবঢ়াই দিলে। মায়ে আৰু ভয় খাব গ'ল।

'মা হাত আগবঢ়োৱা, হেণ্ডচেক্ কৰা।' মায়ে যে কি কৰে? সোঁহাতত জপৰ মালা যে!' নাৰ্ভাচ হৈ বাঁও হাতখনকে চীফৰ সোঁহাতৰ ওপৰতে থ'লে। শ্যাম নাথ ভিতৰি ভিতৰি খঙত অগ্নিশৰ্মা হৈ উঠিল। দেশী অফিচাৰবোৰৰ ঘৈণীইঁতৰ মাজত হাঁহিৰ লহৰ উঠিল। 'তেনেকৈ নহয় মা। সোঁহাত আগবঢ়াব লাগে। সোঁহাত দিয়া।

চীয়ে সিমান সময়ত মাৰ বাঁওহাত খনকে জোৰে জোৰে জোঁকাৰি ক'লে 'হাউ ডু ইউ ডু?'

'কোৱা মা, মই ভালে আছো। কোৱা কোৱা' কোৱা মা, হাউ ডু ইউ ডু?'

মায়ে সঙ্কোচেৰে কোনোৰকম ক'লে' হৌ ডু ডু....'

আকৌ এবাৰ হাঁহিৰ লহৰ উঠিল। চাহাবেও হাঁহিছে। পৰিৱেশটো পাতল আৰু হাঁহি ভৰা। শ্যাম নাথৰ মনটো অকমান পাতল হ'ল। তেনেকুৱা বিসদৃশ্য একো ঘটা নাই।

চাহাবে মাৰ হাতখন এতিয়াও ধৰি আছে, মা অলপ সংকোচিত। চাহাবৰ মুখত নিচাৰ গোন্ধ। শ্যাম নাথে ইংৰাজীতে ক'লে—'মা গাঁৱৰ মানুহ। গোটেই জীৱন গাঁৱতেই কটাইছে, সেই কাৰণে লাজ কৰিছে।

চাহাবক বেচ আনন্দিত যেন লাগিল, 'হয়নেকি? মই গাঁৱৰ মানুহক খুব পচন্দ কৰো। তেতিয়াহ'লেতো তোমাৰ মায়ে লোকগীত-নৃত্য এইবোৰো জানে? চাহাব খুব আনন্দিত।

'মা চাহাবে কৈছে, এটা গান গোৱা। যি কোনো পুৰণা গান, তোমাৰ তো বহুত মনত আছে।'

মায়ে লাহেকৈ ক'লে—'মই কি গাম বাছা? মই জানো কোনোবা দিনা গান গাইছো?'

'অহ' মা! চাহাবে ইমানকৈ কৈছে, নাগালে বেয়া পাব।

'মই কি গাম বাছা? মই জানো কিবা জানো?'

'বা, এটা দফা গোৱা নহ'লে....।'

দেশী অফিচাৰ, তেওঁলোকৰ গৃহিনীসকলে হাতচাপৰি বজালে। মায়ে অসহায় চকুৰে এবাৰ ল'ৰা আৰু এবাৰ বোৱাৰীৰ ফালে চালে। পুতেকে গম্ভীৰ আদেশৰ সুৰত ক'লে 'মা'।

তাৰ পাছত হা বা না কোৱাৰকোনো প্ৰশ্নই নাই, মা বহি পৰিল, ক্ষীণ দুৰ্বল কঁপা কঁপা মাতেৰে গাবলৈ লাগিল, প্ৰাচীন এটি বিবাহৰ গীত।

দেশী মহিলাৰ দলে খিলখিলাই হাঁহি উঠিল। তিনিটামান লাইন গাই মা মনে মনে থাকিল। হাত-চাপৰিৰ শব্দত বাৰান্দা মুখৰিত। চাহাবৰ চাপৰিতো বন্ধই নহয়। শ্যাম নাথৰ বিৰক্তি নোহোৱা হ'ল। বেচ গৰ্ব হৈছে। মনে মনে প্ৰসন্ন হৈ উঠিল। মায়ে পাৰ্টিলৈ নতুন ৰং আনি দিলে। ইমান মানুহৰ ঘৰত পাৰ্টি হয়, এইটো একেবাৰে ইউনিক কথা হ'ল।

হাততালি বন্ধ হোৱাৰ পাছত চাহাবে ক'লে 'পাঞ্জাৱৰ গাঁৱৰ হেণ্ডিক্ৰাফট্ কেনেকুৱা?'

শ্যাম নাথ আনন্দত মতলিয়া, চাহাবে তেওঁৰ প্ৰতি পাৰ্চনেল ইণ্টাৰেষ্ট দেখুৱাইছে। ক'লে—সেইবোৰ বহুত ধৰণৰ আছে ছাৰ। মই আপোনাৰ এটা চেট কিনি দিম। আপোনাৰ খুব পচন্দ হ'ব।

চাহাবে মূৰ জোকাৰি ইংৰাজিত ক'লে, 'নহয়, নহয়, দোকানৰ বস্তু নহয়। পাঞ্জাৱীসকলে ঘৰত কেনেকুৱা বস্তু তৈয়াৰ কৰে।' মহিলাসকলে কি কি তৈয়াৰ কৰে ঘৰত?'

অকমান ভাবি শ্যাম নাথে জনালে, 'কমবয়সীয়া ছোৱালীবোৰে পুতলা সাজে। মহিলাসকলে চিলাই, 'ফুলকাৰি।'

'ফুলকাৰি! সেইটো কেনেকুৱা?'

শ্যাম নাথে 'ফুলকাৰি'ৰ অৰ্থ বুজাবলৈ ব্যৰ্থ চেষ্টা কৰি মাকক সুধিলে—'মা ঘৰত কিবা পুৰণা ফুলকাৰি আছেনে?' মা মনে মনে ভিতৰলৈ উঠি গ'ল আৰু নিজৰ পুৰণা এটা হাতেৰে কৰা, সুতাৰ ফুল আৰু লতাৰ এটা কাম লৈ আহিল। চাহাবে মুগ্ধ হৈ 'ফুলকাৰি' চাবলৈ লাগিল। পুৰণা কাম, বহুত ঠাইত সুতা এৰায় গৈছে, কাপোৰখনও কোমল হৈ গৈছে, টান খালেই ফালি যাব।

শ্যাম নাথে চাহাবৰ পচন্দ বুজি পাই ক'লে—'এইখনটো ফাটি গৈছে ছাৰ, মই আপোনাক এখন নতুনকৈ কৰাই দিম। মায়ে কৰি দিব। মা' চাহাবৰ এইখন বৰ পচন্দ হৈছে। এনেকুৱা এখন তুমি তৈয়াৰ কৰি দিবা

নে?'

মা মনে মনে থাকিল। তাৰ পিছত ভয়ে ভয়ে ক'লে 'এতিয়াতো মই চকুৰে নেদেখো বাছা।'

মাৰ কথা মাজতেই বৈ গ'ল। শ্যাম নাথে কৈ উঠিল 'মায়ে কৰি দিব আকৌ। আপোনাৰ সেইখন পচন্দ হ'বই।'

চাহাবে মূৰ জোকাৰিলে, বাৰে বাৰে ধন্যবাদ দিলে। তাৰ পাছত খোৱাৰ মেজৰ ফালে আগবাঢ়িল। পিছে পিছে বাকিবোৰ।

যেতিয়া অতিথিসকল বহি পৰিল, মালৈ আৰু কাৰো নজৰ নাই, তেতিয়া মা লাহেকৈ চকীৰ পৰা উঠি সকলোৰে চকুৰ আঁৰ হৈ নিজৰ কোঠালৈ গ'ল। কোঠাত সোমায় মাৰ দুচকু পানীৰে ভৰি পৰিল। বাৰে বাৰে ওৰণীৰে চকুপানী মচে, বাৰে বাৰে বান্ধ ভাঙি চকুলো ওলায়, প্ৰবল বৰ্ষাৰ বানও ভঙা নদীৰ দৰে। মা বাৰে বাৰে শান্ত হ'ব খুজিলে, দুহাতবোৰ কৰি ভগৱানক মাতিলে, ল'ৰাৰ দীৰ্ঘায়ু কামনা কৰিলে, বাৰে বাৰে চকু জপালে, তথাপিও বৃষ্টিধাৰৰ দৰে চকুপানী বৈয়েই থাকিল।

এতিয়া প্ৰায় মাজৰাতি। অতিথিসকল এজন এজনকৈ বিদায় লৈছে। মায়ে দেৱালত আউজি বহি সন্মুখৰ বেৰখনলৈ এক দৃষ্টিৰে চাই আছে। ৰাতিপুৱাৰে পৰা আৰম্ভ হোৱা ব্যস্ততাত স্তিমিত হৈ পৰিছে। সকলোবোৰ নিস্তব্ধ। কেৱল পাকঘৰৰ পৰা বাচনবৰ্তনৰ শব্দ ভাঁহি আহিছে।

মাকৰ কোঠাৰ দুৱাৰত টুকিয়াই মাতিলে শ্যাম নাথে, 'দুৱাৰ খোলা মা।'

ভয়ত মাৰ হাতভৰি চেঁচা হৈ গ'ল। লৰালৰিকৈ পোন হৈ বহিল আৰু ক'লে, 'খুব ডাঙৰ ভুল কৰিলো নহয় মই? তেতিয়াৰে পৰা নিজৰ ওপৰতে খং উঠি আছিল মাৰ, কিয় যে টোপনি আহি গ'ল। কিয় যে সকলো সময়তে টোপনি আহে। লৰাই ছাগে আজি ক্ষমাই নকৰিব। কঁপা কঁপা হাতেৰে দুৱাৰ খুলি দিলে।

দৰজা খোলোতেই শ্যাম নাথে মাকক সাৱটি ধৰিলে। 'অ' মা, তুমিতো আজি কামাল কৰি দিলা! চাহাবে ইমান ভাল পালে, কোনো পাৰ্টিতে এনেকুৱা হোৱা নাই। অ' মা, মা মোৰ।'

পুত্ৰৰ আলিঙ্গনে মাৰ সৰু শৰীৰ ঢাকি ধৰিলে। মাৰ দুচকু পানীৰে ভৰি গ'ল, 'বাছা, কিমান দিনৰ পৰা গৈ আছো মোক হৰিদ্বাৰলৈ পঠিয়াই দে। দিবি?'

শ্যাম নাথ থমকি ৰ'ল, হাত আঁতৰাই আনিলে, 'কি ক'লা মা? এই মাজৰাতি কি আৰম্ভ কৰিলা?' খঙত অগ্নিশৰ্মা হৈ উঠিল, 'তুমি মোৰ বদনাম কৰিবলৈ বিচাৰা নহয়, মা? ইচ্ছা কৰি হৰিদ্বাৰলৈ যাবলৈ ওলাইছা যাতে সকলোৱে কয় লৰাই মাকৰ ঘৰৰ পৰা উলিয়াই দিছে।' 'নহয় নহয় বাছা। তই আৰু বোৱাৰী নিজৰ মতে থাক, সুখে শান্তিৰে বালে থাক। মোৰ জীৱনত তো সকলোবোৰ হৈছে আৰু ইয়াত থাকি কি কৰিম? যি কেইটাদিন আছে ভগৱানৰ নাম লৈ কটাবলৈ ইচ্ছা হয়, মোক হৰিদ্বাৰলৈ পঠিয়াই দে বাছা।'

'তুমি গুচি গ'লে ফুলকাৰি কোনে কৰিব? মই তোমাৰ আগতেই চাহাবক কথা দিলো।'

'মোৰ আৰু চকুনাই, বাছা। একোকে নেদেখো, চিলাই কৰিম কেনেকৈ? তই অন্য কাৰোবাক দি কৰায় ল। আজি-কালিতো বহুতেই ফুলকাৰিৰ কাম কৰে।

'মা তুমি মোক এনেকৈ ঠগাবা? চাহাব খুচি হ'লে মোৰ প্ৰমোচন হ'ব, তুমি হাতলৈ অহা সুযোগটোও ল'বলৈ নিদিয়া মোক?

মা অকমান সময় মনে মনে থাকিল। তাৰ পাছত পুতেকৰ ফালে চাই ক'লে তোৰ প্ৰমোজন? চাহাবে তোক

প্ৰমোচন দিব? তেওঁ ক'লে নেকি?'

'নাইকোৱা, সেইবোৰ নিজে বুজি ল'ব লাগে। খায় থাকোতে কৈছিল তোমাৰ মাই যেতিয়া কামটো কৰিব মই মাজে মাজে চাবলৈ আমাৰ ঘৰলৈ আহিলে কি হ'ব গম পাইছানে? ইয়াতকৈও ডাঙৰ চাকৰি পাব পাৰিম। বহু ডাঙৰ অফিচাৰ হ'ম।

মাৰ মুখলৈ ৰং আহিল, দুচকুত চমক, বলিৰেখা ভৰা মুখত হাঁহি, তোৰ প্ৰমোচন হ'ব বাছা?'

'এনেই এনেই কি প্ৰমোচন হয় মা? চাহাবক খুচ কৰি ৰাখিব লাগিব। সকলোৱে কত ধৰণেৰে চাহাবক খুচি কৰাৰ চেষ্টাত আছে জানা?'

'মই নিশ্চয় তৈয়াৰ কৰি দিম বাছা, নিশ্চয় দিম। যেনেকৈয়ে হওক খুব সুন্দৰ ফুলকাৰি কৰিম। তোৰ কাৰণে মই সকলো কৰিব পাৰো বাছা, সকলো কৰিম।'

মনে মনে পুতেক উজ্বল ভৱিষ্যতৰ প্ৰাৰ্থনা কৰিবলৈ লাগিল মাক আৰু মিষ্টাৰ শ্যাম নাথ—'এতিয়া টোপনি যোৱা মা'—বুলি ধীৰ খোজেৰে নিজৰ কোঠাৰ ফালে গ'ল।◆◆

চল্লিচতম্ জন্মদিন

মূল ইংৰাজী ঃ আৰ.কে. নাৰায়ণ
অনুবাদ ঃ ৰেৱতীমোহন হাজৰিকা

ৰাম ৰায়ে পিছদিনাৰ বাবে অফিচাৰৰ ওচৰত ছুটী বিচাৰিলে। অফিচাৰজনে ছুটী মঞ্জুৰ কৰি ৰাম ৰায়ক জন্মদিনৰ শুভেচ্ছা জনালে। অফিচাৰজনে হাঁহি মুখেৰে ক'লে—'আপোনাৰ যে বছৰ চল্লিচ বছৰ হ'ল মই ভাবিবই পৰা নাছিলো।

অফিচ ছুটীৰ পাছত বাচ ধৰিবলৈ যাওঁতে ৰাম ৰামে ৰাস্তাৰ কাষৰ চেলুন এখনৰ ডাঙৰ আৰ্চি এখনৰ ওচৰত এটা প'জ দি আৰ্চিখনলৈ চালে আৰু মনতে ভাবিলে—'সঁচাই মোক দেখিলে মোৰ চল্লিচ বছৰ বয়স হোৱা যেন নেলাগেনেকি?

পুৰা ঘৰৰ পৰা ওলাই অফিচলৈ আহোতে পিছদিনা যে তাৰ জন্ম দিন সেইকথা তাৰ মনতে পৰা নাছিল। অফিচত কাম কৰি থকা অৱস্থাত ইয়াতে তাৰ মনত পৰিল পিছদিনা সোতৰ এপ্ৰিল তাৰ জন্মদিন। আচলতে সিহঁতৰ ঘৰত জন্মদিন পতাৰ কোনো নিয়মেই নাই। কিন্তু এইবাৰৰ কথা বেলেগ। কালিলৈ তাৰ চল্লিচ বছৰ পুৰা হ'ব। চল্লিচ বছৰ বয়সটো বহুত ফালৰ পৰাই মনত ৰাখিব লগা। সেইবাবেই চল্লিচ বছৰৰ জন্মদিনটো পালন কৰিব লাগিব উলহ-মালহৰ মাজেৰে।

পেৰিচ চ'কত সি বাচত উঠিবলৈ যত্ন কৰিলে। বাচৰ ভিতৰখন মানুহেৰে ঠাহ খাই আছে। হেঁচা-ঠেলাৰ মাজেৰে সি কোনোমতে বাচখনৰ দুৱাৰৰ কাষৰ লোহা এডালত ধৰি বাছৰ ফুটব'ৰ্ডত থিয় হ'ল। সন্মুখৰ ফালৰ পৰা মৃদুভাৱে ঠেলি কণ্ডাক্টৰজনে তাক বাছৰ পৰা নমাই দিব খুজিছিল। তাৰ গাতে লিপিট খাই থকা এজনে তাক পাছফালৰ পৰা হেচি আছিল আৰু এখন ভৰি ফুট ব'ৰ্ডত ৰাখি অন্যখন ভৰি থ'বৰ বাবে ঠাই নেপাই খৰমৰাই আছিল। মাজে মাজে ভৰিখন তাৰ ভৰিৰ ওপৰতে থৈ বৰ আমনি কৰিছিল। ড্ৰাইভাৰজনে মানুহখিনিক থান-থিত লগাবৰ বাবে বাছখন ষ্টাৰ্ট দি এবাৰ অলপ আগলৈ চলাই ৰখা-মেলা কৰি আছিল।

হেঁচা-ঠেলাৰ মাজেৰে কোনোমতে আইল চেণ্ট্ৰেল বাছষ্টেচন পাই মানুহৰ ভিৰৰ মাজেৰে বহু কষ্টেৰে বাছৰ পৰা নামি পৰিল। তাৰ পৰা অলপ

বজাৰ কৰাৰ মনেৰে নিজেই বজাৰলৈ গ'ল। ঘৰত তাৰ জন্মদিনৰ কথা কোনেও নেজানে। সি মনতে ভাবিলে, তাৰ পৰিবাৰৰ বাবে দুখন ধুনীয়া প্ৰিণ্টেড্ শাৰী আৰু ল'ৰা-ছোৱালীৰ বাবে খেলাৰ সামগ্ৰী আৰু অলপ মিঠাই নি সি ঘৰৰ আটাইকে আঁচৰিত কৰি দিব। আনৰ পৰা কিবা উপহাৰ লোৱাতকৈ আনক দিয়াৰ এটা বেলেগ আনন্দ আছে। জন্মদিন উপলক্ষে ঘৰত অন্ততঃ পৰিয়ালৰ মানুহখিনিৰ বাবে এটা ভোজৰ আয়োজনো কৰিব লাগিব। তাৰ বাবে অলপ শাক-পাচলিও কিনিব লাগিব। মোৰ জন্মদিন বাবে ল'ৰা-ছোৱালী কেইটাই স্কুললৈ যাবলৈ মন নকৰিলে জোৰ কৰি সিহঁতক স্কুললৈ নপঠাওঁ।

এনেবোৰ কথা ভাবি-চিন্তি সি মোৰে বজাৰত সোমাল। দোকান কিছুমানৰ মাজে মাজে এনেয়ে অলপ ঘূৰা-পকা কৰি এখন অলপ ডাঙৰ কাপোৰৰ দোকানত সোমাই কৰ্মচাৰী এজনক প্ৰিণ্টেড শাৰী দেখুৱাবলৈ ক'লে। কৰ্মচাৰীজনে শাৰী কিছুমান আনি চেলচ্ কাউণ্টাৰৰ সন্মুখৰ ডেস্কখনত থ'লেহি। অলপ পৰ লিৰিকি বিদাৰি চাই দুখন শাৰী পচন্দ কৰি দাম-দৰ ঠিক কৰিলে আৰু কৰ্মচাৰীজনক কাগজৰ ঠোঙাত ভৰাই দিবলৈ ক'লে। কৰ্মচাৰীজনে শাৰী দুখন ঠোঙাত ভৰাই আনি দামৰ ৰচিদ সহ ৰাম ৰায়ক দিলেহি। পইচা উলিয়াবৰ বাবে জেপত হাত ভৰায়েই ৰাম ৰায়ৰ বুকুখন চিৰিংকৈ মাৰিলে। জেপত পইচাৰ বেগটো নাই। আটাইকেইটা জেপতে চালে। নাই, বেগটো নাই। তাৰ মনটো ক'লা পৰি গ'ল। দুখমনেৰে শাৰী দুখন কৰ্মচাৰীজনক ঘূৰাই দি সি ক'লে 'বেয়া নেপাব দেই, মোৰ পইচাৰ বেগটো ক'ৰবাত হেৰাল।' দোকানৰ পৰা ওলাই আহি সি ৰাস্তাত উঠিলহি। পথভ্ৰষ্ট পথিকৰ দৰে ৰাস্তাৰ ইফালে সিফালে অলপ পৰ ঘূৰি ফুৰিলে। তাৰ পাছত ৰাস্তাৰ কাষৰ পাৰ্ক এখনলৈ আহি তাৰে বেঞ্চ এখনত বহিল। ওচৰৰ বেঞ্চখনত এটা মগনীয়া শুই আছিল। অলপ আঁতৰৰ ফুলনি ডৰাত কেইটামান ল'ৰা-ছোৱালীয়ে আনন্দত ফুলবোৰ কলিয়ে কুলাই চিঞৰ ধৰিছে। তাৰ সেইবোৰৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। হতাশত তাৰ শৰীৰ আৰু মন ভাগি পৰিল। সি চিন্তা কৰিবলৈ ধৰিলে—ক'ত, কেতিয়া, কিয় সি পইচাৰ বেগটো জেপৰ পৰা উলিয়াইছিল। নাই, একো মনত নপৰিল। শেষত তাৰ ধাৰণা হ'ল বাছৰ হেঁচা-ঠেলাৰ ভিতৰতে কোনোবা জেপলুৰুকাই তাৰ এই সৰ্বনাশ কৰিলে। তাৰ নিজৰ ওপৰতে খং উঠিল। তাৰো যে ভাগ্যখন আৰু। আজি চল্লিশ বছৰীয়া জন্মদিনটো উদ্‌যাপন কৰাৰ আগমুহূৰ্ততহে বাৰু এনে কাণ্ডটো হ'ব লাগেনে? তাৰ জন্মদিনৰ সকলো পৰিকল্পনা শেষ হৈ গ'ল।

মানুহে দেখোন কয় চল্লিশ বছৰ বয়সটোৱেই সকলোতকৈ উত্তম বয়স। কাৰণ চল্লিশ বছৰ বয়সত মানুহৰ শৰীৰ আৰু মনৰ পৰিপূৰ্ণতা আহে। ডেকাবয়সৰ মতি-গতি, উদণ্ড স্বভাৱৰ পৰিৱৰ্তন হয়। স্বভাৱ চৰিত্ৰই এটা নিৰ্দিষ্ট গঢ় লয়। সকলো কথা বিবেচনা কৰিব পৰা হয়। কথা-বতৰা, আচাৰ-ব্যৱহাৰো মাৰ্জিত হয়। কিন্তু মই চল্লিশ বছৰ বয়সত কিটোনো পালো? মইতো পৰিসংখ্যা বিদ্‌সকলৰ মতে ভাৰতীয় মানুহৰ গড় আয়ুস যিমান তাতকৈ দুবছৰ কাল বেছি জীয়াই আছো। গড় হিচাবে মোৰ পৰিয়ালৰ বয়োজ্যেষ্ঠসকল যিমান দিন জীয়াই আছিল তাৰ দুই-তৃতীয়াংশ অতিক্ৰম কৰিলোৱেই। মই নো আৰ্জিলো কিমান? মোৰ কৃতকাৰ্যনো কিমান? সি মনতে কথাবোৰ পাগুলিলে আৰু নিজেই তাৰ উত্তৰো বিচাৰি পালে। মোৰ ল'ৰা-ছোৱালী

চাৰিটি। ডাঙৰ ল'ৰাই হাইস্কুলৰ সপ্তমমান শ্ৰেণীত পঢ়ে। ছোৱালী দুজনীৰ এজনীয়ে এম.ই. স্কুলৰ পঞ্চমমান শ্ৰেণীত আৰু আনজনীয়ে প্ৰাইমাৰী স্কুলৰ দ্বিতীয় শ্ৰেণীত পঢ়ে। সৰু ল'ৰাটো স্কুললৈ যাব পৰা হোৱাই নাই এথোন। চাকৰিকাল উন্নৈশ বছৰ হ'লেই। ইতিমধ্যে এটা শাখাৰ মুৰবী হৈছো। কিন্তু কতা, মই দেখোন আজিলৈকে ভাৰা ঘৰতে আছো। মই ছোৱালী বিয়া দিব লাগিব। ল'ৰাকো পঢ়াই-শুনাই ভাল চাকৰিৰ উপযুক্ত কৰি তুলিব লাগিব। মাটি কিনি পৰিয়ালৰ বাবে ঘৰ এখনো সাজিব লাগিব। আৰু পোন্ধৰ বছৰমানৰ ভিতৰত এই সকলোখিনি কাম কৰিব লাগিব। পাৰিম জানো? চল্লিশ বছৰত ভৰি দি তাৰ ভয় আৰু সন্দেহ উপজিল। সি এতিয়া এজন বেচ দায়িত্বশীল ব্যক্তি। পৰিয়ালৰ সকলো দায়িত্ব সি পালন কৰিবই লাগিব। এনেবোৰ চিন্তাত তাৰ ভ্ৰু কোচ খালে। তাৰণো প্ৰকৃততে কি পৰিৱৰ্তন হৈছে সি বুজিবলৈ টান পালে। পুৰণা কথাবোৰ তাৰ মনত পৰিল। তাৰ মনত পৰা প্ৰথম জন্মদিনত বাপেকে তাক এটা ৰঙীন টুপি উপহাৰ দিছিল। তাৰ পাছত তাৰ জন্মদিন পালন কৰা হৈছিল বিস বছৰ বয়সত সি বি.এ. পাচ কৰাৰ কেইদিনমান পাছতে। তেতিয়া সি ভাবিছিল কিছুমান কাম সি নকৰে। তাৰ ভিতৰত দুটামান কথাহে তাৰ মনত আছে। প্ৰথমটো হ'ল সি জীৱনত বিয়া নকৰায়। দ্বিতীয়টো আছিল তিনিশ টকা মাহিলী দৰ্মহাৰ কমত সি চাকৰি নকৰে। লগতে এইটো স্বত্বও আছিল যে সি বহা অফিচ কোঠাটো পৰিপাটি আৰু সু-সৰ্জিত হ'ব লাগিব। তাৰ পাছত তাৰ ত্ৰিশ বছৰীয়া জন্মদিন। তেতিয়া সি দুটা ল'ৰা ছোৱালীৰ বাপেক। এটা সুন্দৰ ভৱিষ্যতৰ কল্পনা কৰিব নোৱাৰি সি ভয় খাইছিল। মাথোন মনতে ভাবিছিল চল্লিশ বছৰ বয়সত তাৰ সমস্যাবোৰ বহুখিনি থান-থিত লগাব পাৰিব।

এতিয়া তাৰ বয়স চল্লিশ বছৰ হ'লেই। কিন্তু ক'তা একোৱেই নহ'ল দেখোন। ইয়াৰ পাছত হয়তো পঞ্চাচ বছৰ আৰু ষাঠি বছৰ বয়স হ'ব। তেতিয়া যে কিবা বিশেষ পৰিৱৰ্তন হ'ব মনে নধৰে। সমস্যাবোৰ একেই থাকিব যেন লাগে। কোনোবাই যদি নিজৰ কথা নেভাৱেও তেন্তে ল'ৰা-ছোৱালী আৰু নাতিহঁতৰ চিন্তাত দিন কটাব লাগিব। গতিকে পৰিৱৰ্তন বিশেষ একো নহয়। সৰুতে এটা ল'ৰাৰ জন্মদিনত এটা টুপী উপহাৰ পোৱা আনন্দ আৰু চাকৰি জীৱনত বছেৰেকীয়া দৰ্মহা বৃদ্ধিৰ বাবে পোৱা আনন্দৰ মাজত কিবা প্ৰভেদ আছে বুলি সি নেভাৱে। সৰুতে গৃহ শিক্ষকৰ কঢ়া-শাসন আৰু চাকৰি জীৱনত অফিচাৰৰ খং উঠি তাক কৰা অসৎ আচৰণ দুয়োটা দেখোন তাৰ বাবে একেই। ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী কেইটাৰ মুখকিখন তাৰ মনৰ চকুত ভাঁহি উঠিল। আটাইকেইটাই সম্পূৰ্ণৰূপে তাৰ ওপৰতে নিৰ্ভৰশীল। হঠাৎ সি ভাবি পেলালে সি ডাঙৰ হোৱা নাই, তাৰ একো পৰিৱৰ্তনো হোৱা নাই। মানুহৰ বহিদৃষ্টিত কেৱল তাৰ আগৰ ক'লা চুলিখিনি মাজে মাজে দুডাল এডাল বগা হৈছে। পিন্ধা সাজ-পোচাকো অলপ দীঘল আৰু বহল হৈছে। এই চিন্তাই তাৰ মনক এটা স্বস্তিৰ আশ্বাস দিলে। সি বয়সৰ কথা পাহৰি গ'ল। জন্মদিনটো তাৰ আকাশত টনা, এডাল কম্পিত ৰেখা যেন লাগিল, যি ৰেখাৰ কোনো স্থিতি নাই। সি সিদ্ধান্ত ল'লে যে ঘৰলৈ গৈ সি জন্মদিনৰ কথা একো নুলিয়াই। ঘৰলৈ গৈ থকা অৱস্থাত পইচাৰ বেগটোৰ চিন্তাই তাক আমনি কৰিব ধৰিলে। বেগটোত পাঁচশ টকা আৰু বিশেষ গুৰুত্ব নথকা ৰচিদ পত্ৰহে দুখনমান আছিল। সেইফালৰ পৰা বৰ চিন্তা কৰিবলগা নাই। কিন্তু তাৰ পৰিবাৰে পাঁচশ টকা হেৰোৱাৰ কথা জানিলে দুখত একেবাৰে ভাগি পৰিব। আজি অলপ দিনৰ

আগতে বজাৰ কৰি আহি পোন্ধৰ টকাৰ সঠিক হিচাব দিব নোৱাৰাৰ বাবে তাইৰ যে কি ক্ষোভ। গতিকে টকা হেৰোৱা কথাটো তাইক কোনোপধ্যেই ক'ব নোৱাৰি। তাইৰ মনটো ভাল লগাই ৰাখিব লাগিব, যাতে চিন্তা-চৰ্চাৰ পৰা মক্ত হৈ থাকে। সেইটোৱেই মোৰ জন্মদিনত তাইক দিয়া উপহাৰ হ'ব। অচিনাকি জেপলুৰাটোৱেটো মোৰ জন্মদিনৰ উপহাৰ হিচাবে পইচাৰ বেগটো নিলেই।

এইবোৰ কথাকে ভাবি-চিন্তি খোজ কাঢ়ি গৈ ঘৰ পাওঁতে তাৰ বেছ দেৰি হ'ল। ঘৈণীকক ক'লে— 'অফিচত কিছুমান বৰ জৰুৰী কাম আছিল। সেইবোৰ কৰোঁতে তাৰ দেৰি হ'ল।'

পিছদিনা পুৱা বেলা সি সময়মতেই অফিচ ওলালগৈ। অফিচৰ সঞ্চালকে তাক দেখি সুধিলে— 'আপোনাৰ জন্মদিন শেষ হ'লেই নেকি?' সি উত্তৰ দিলে 'হয় চাৰ, মই ভবাতকৈ আগতেই শেষ হ'ল।' 'বৰ ভাল কথা,' সঞ্চালকে ক'লে—'পিছবেলা হ'লেও আপুনি এপাক অফিচলৈ অহাটো মই আশা কৰিছিলো।' আপোনাৰ টেবুলত কাম বহুতটো।' 'মই জানো চাৰ', বুলি ৰামৰায়ে লৰা-লৰিকৈ তাৰ টেবুলৰ ফালে আগবাঢ়িল।◆◆



গল্প

অঙ্গীকাৰ

অৰুনিমা কাকতি

ৰাতিৰে পৰা বিৰামহীনভাৱে অহা কিন্‌কিনীয়া বৰষুণজাকে বতৰটো সেমেকাই ৰাখিছিল। আকাশখন ঘন ডাৱৰৰ আৱৰণে ঢাকি ৰখাত এন্ধাৰ পোহৰৰ মিশ্ৰণ এটাই পৰিৱেশটো বৰ মনোমোহা কৰি তুলিছিল। তাকেলৈ মোৰ মন সাগৰত যি ধৰণৰ আমেজে ভুমুকি মাৰিছিল দহজনে শুনিলে চাগৈ মোক মস্ত এলেহুৱা, ধোদ বুলিয়েই নামাকৰণ কৰিব, কাৰণ এনে বতৰ এচামৰ বাবে উদ্বেগৰ কাৰণো হ'ব পাৰে। পিছে যিয়েই যি আখ্যা নিদিয়ক মোৰ কিন্তু এনে বতৰ সঁচাকৈয়ে বৰ ভাল লাগে। লেপ বা কম্বলৰ তলত মহা আৰামেৰে টোপনী মৰা, সাৰে থকা সময়খিনিত আদা-ইলাচি দিয়া গাখীৰৰ গৰম চাহৰ লগত ফুলৰি আৰু পাপৰ ভাজি লগতে চিৰা আৰু বাদাম ভাজি মোৰ বাবে এটা বৰ প্ৰিয় লঘু আহাৰ।

ভাতকেইটা খাই যাওঁ নাযাওঁকৈ অফিচ পালোগৈ। বতৰটোৰ বাবেই হয়তো অফিচতো কৰ্মচাৰী অথবা আন মানুহৰো উপস্থিতি তেনেই সেৰেঙা আছিল। উন্মাদ ফাগুনৰ মিঠালগা অনুভূতিয়ে যেন বাৰে বাৰে সোঁৱৰাই দিয়েহি ব'হাগ আহি দুৱাৰদলিত ঠিয়হৈ আছেহি বুলি। শিমলুৰ ৰঙা ৰংখিনিয়ে আৰু সোণাৰু-মদাৰৰ কুমলিয়া ৰংখিনি যেন মোৰ গোটেই কলিজাটোত থুপ খালেহি। চকীখনত হেলনীয়াভাৱে শৰীৰটো এৰি দি অকণমান ঘৰুৱা চিন্তালৈ উভতি গ'লো। স্থিৰ কৰিলো অফিচৰ পৰা গৈয়ে মাক আজিৰ শুভ সংবাদটো দিম। কাৰণ আহোতেই খবৰ কৰি গম পালো জি. এম্ ডিএৰ পৰা মোৰ তিনিমহলীয়া বিল্ডিংটো সজাৰ অনুমতি লাভ কৰিছো। ক'ত কোনটো কোঠা সাজিলে সুবিধাজনক হ'ব তাৰ নক্সাটোও আৰ্কিটেকৰ হতুৱাই অঁকাই ৰাখিছো। ভাব সাগৰত উটি-বুৰি থাকোতেই অতৰ্কিতে কিবা এটা অজান চিন্তাই মোৰ মনটোক হেঁচা মাৰি ধৰিলে। বহুবাৰ মনত পেলাবলৈ যত্ন কৰিলো যোৱাকালি সন্ধিয়া অফিচৰ পৰা গৈ মাৰ কাষত বহোতে মায়ে তেতিয়া বেৰৰ ফালে মুখ কৰি শুই আছিল। সন্ধিয়া কোনোদিনে বিচনাত নপৰা মাৰ মুখত যেন স্পষ্টভাৱে ফুটি উঠিছিল এটা অসন্তুষ্টিৰ ভাব।

ভন্টিজনীৰ ঘৰত পোন্ধৰদিন মান থাকি দুদিনমান আগতেহে মা ঘৰলৈ উভতিছিল। তাতে কিবা গা-চা বেয়াহে আহিছেনেকি বুলি বহুবাৰ মাক শুধিলতো মায়ে খোলাকৈ একো ক'ব নুখুজিলে। মই জানো মাৰ কিবা এটা হৈছে কাৰণ মই অফিচৰ পৰা অহাৰ সময়ত মায়ে সদায় মই সোমোৱাৰ লগে লগেই যেন মায়ে বহু কিবাবোৰ পাই গ'ল তেনে মনোবাৰত মাৰ মুখখন উজ্বল হৈ উঠে। কালি যেন তাৰ কোনোটোৱেই নাছিল। মোৰ চিন্তাৰ যেন আউল লাগি গ'ল। অফিচলৈ বুলি ভাতকেইটা খোৱাৰ সময়তো মা মোৰ টেবুলৰ কাষত ঠিয়হৈ থাকে। সৰু ল'ৰাক কোৱাৰ দৰে এইটো খা সেইটো খাকৈ সকিয়াই থাকে, মৰমীলৈ (মোৰ পত্নী) অপেক্ষা নকৰি পুৱাৰ চাহ কাপ কৰি খাবলৈ মাতে সেইজনী মাৰ মৌনতাৰ অৰ্থ উলিয়াবলৈ মই যেন আজি পৰাজয় বৰণ কৰিছো। মৰমীকো গোপনে সুধিলো মৰমীয়েও কোনো পৰিস্থিতি উদঘাটন কৰিব পৰা নাই বুলি জনালে। ৰাতি ভাত খাবলৈ মাতোতেও ভোক নাই বুলি এৰাই চলিব বিচাৰিছিল যদিও আমাৰ দুয়োৰে বহু অনুৰোধত ভাতৰ পাতত বহিল যদিও দুটামান লিৰিকি বিদাৰি উঠি গুছি গ'ল। ৰাতি শোৱাৰ সময়ত ভন্টিলৈ ফোন কৰি সকলো কথা ভাঙি-পাতিকৈ তাত কিবা হৈছে নেকি বুলি সুধিলো। তাই একে আষাৰেই খণ্ডন কৰিলে। ক'লে—'ঘৰলৈ যাবলৈ পাই মাতো আনন্দ স্ফূৰ্তিৰেই ইয়াৰ পৰা ওলাই গৈছিল। তহঁতেই ছাগে কিবা লেঠা লগালি।'

মাৰ মৌনতাক কোনো প্ৰকাৰে হজম কৰিব নোৱাৰি নিৰলা পেহীলৈ ফোন কৰি মাতি পঠালো। নিৰলা পেহীয়ে একে আষাৰেই নস্যাৎ কৰিলে। ক'লে— ইমান নিমাখিত মানুহজনীক কি জগৰ লগালি নিজেই তাৰ সমাধা কৰ। ঘৰুৱা লেঠা ঘৰতে মীমাংসা কৰ। মই এইবোৰত সোমাবলৈ যাব নোৱাৰিম।'

পেহীৰ পৰা স্পষ্ট আৰু সঠিক উত্তৰ পাই মৰমী আৰু মই বিবুদ্ধিত পৰিলো। পুনৰ কাবৌ-কোকালি কৰি পেহীক মাতি পঠিয়ালো। কাৰণ মা আৰু পেহীৰ মাজত বৰ মিলাপ্ৰীতিৰ ভাব এটা আছে। আমি কিন্তু মাক বৰ ভয় কৰো। এই ভয় মৰম শ্ৰদ্ধাৰ ভয়। কাৰণ মা হৈছে পোন ৰাস্তাৰ, স্পষ্টবাদী মহিলা। মাৰ অসন্তুতিকলৈ মৰমী আৰু মই অতি দোধোৰ মোধোৰ অৱস্থা এটাত ওলমি থাকিলেও একো নজনাৰ ভাওঁ ধৰি নিৰলা পেহী অহালৈকে সহজহৈ থাকিবলৈ যত্ন কৰিলো। শেষত জানিবা আমাৰ কাবৌ কোকালীয়ে কামত দিলে। নিৰলা পেহী আহিয়েই ভো-ভোকৈ ভিতৰলৈ সোমাইয়ে চিঞৰি উঠিল 'ঔ আই এই কালসন্ধ্যাখনো বিচনাত পৰি থাকিব লাগেনে বুলি।' ইয়াৰ পিছত দৰ্জাখন জপাই লৈ নিৰলা পেহী আৰু মাৰ মাজত কি কথোপকথন হ'ল আমি নুশুনিলেও দুৱাৰ খুলি ওলাই অহাৰ পিছত নিৰলা পেহীৰ মুখ দেখিয়েই গম পালো যে নিশ্চয়কৈ কিবা এটা হৈছে। পেহী গুছি যোৱাৰ পিছত হয়তো মাৰ মনটো কিছু পাতল লাগিল। ৰাতি তলমুৰাকৈ হ'লেও ভাতকেইটা লিৰিকি বিদাৰি খাই উঠি গুছি গ'ল।

মা ভিতৰলৈ যোৱাৰ পিছত মৰমীয়ে মাৰ টেবুলত খোৱা পানীৰ গিলাচটো থবলৈ যাওঁতে ময়ো সোমাই গ'লো। মাৰ ভৰি পথানত বহিলৈ বিনম্ৰভাৱে মাক মাৰ অসন্তুষ্টিৰ বিষয়ে খুলি ক'বলৈ কাতৰভাৱে অনুৰোধ কৰিলো। মৰমী আৰু মোৰ অসহায় মুখ দুখনে হয়তো মাৰ অন্তৰ কোমলাই তুলিলে। লাহে লাহে মায়ে ক'বলৈ আৰম্ভ কৰিলে 'দেউতাৰৰ কষ্টৰ ধনেৰে সজা ঘৰটো ভাঙি এই বিল্ডিং সাজিবলৈ ওলোৱাটোত মই বৰ দুখ পাইছো। কিমান ত্যাগ, কিমান সপোন, কিমান কষ্ট এই ঘৰটোত নিহিত হৈ আছে সেই কথা তই হয়তো উপলব্ধি কৰিবলৈ অপাৰগ। কাৰণ তহঁত তেতিয়া সৰু আছিলি। মোৰ অৱদানো কম নাছিল। গেটখনৰ দুয়ো হাতে

দুয়োজোপা বকুল দেউতাৰে মোৰ বাবে ৰুইছিল। কৈছিল পকীচোতালখনত সৰি পৰা বকুল ফুলেৰে তুমি মাখা গাঠি আমাৰ শোৱা কোঠালিত থ'বা, গোন্ধে মলমলাই থাকিব। মই ভেকাহি মাৰিলে ঢেক্‌ঢেকাই হাঁহিছিল। দেউতাৰ ঢুকুৱাৰ পিছত এতিয়া মই সেই বকুলেৰে মালা নেগাঠিলেও তাত পৰা চৰাই বোৰৰ অবুজ কিলকিলনীবোৰে মোক বৰ প্ৰশান্তি দিয়ে। পুৱা ন-বজাৰ চাহ-জলপানটোলৈ পকা চোতালখনৰ বকুল জোপাৰ ছাঁত যেতিয়া মই খাবলৈ বহো ঘন-চিৰিকা, শালিকাক আৰু কপৌৰ যোৰাকেইটা আহি সঠিক সময়ত উপস্থিত হয়হি। অবুজভাষাৰে কিলবিল কৰি সিহঁতে মোৰ মুখলৈ চাই মূৰটো লৰাই লৰাই কিৱা কয়। যেতিয়া খোৱা বস্তুখিনি দলিয়াই দিওঁ কোনেও হাইকাজিয়া নকৰাকৈ আপোনমনে খাই পুনৰ ডালত উঠৈগে। সেই দৃশ্যই মোক কিমান তৃপ্তি দিয়ে তাক ভাষাৰে মই বুজাব নোৱাৰিম। শালিকা যোৰৰ মতাটোৱে মাইকীজনীক কিবাবোৰ কৈ মূৰটো জাকাৰি যেতিয়া বকি থাকে মাইকীজনীয়ে অলপো কাণষাৰ নিদি ইফালে সিফালে কিবাবোৰ বিচাৰি থাকে। বকুল জোপাৰ গুৰিত থকা অকণমান ধূলিখিনিত ঘনচিৰিকা দুটাই যিদৰে গা-ধুব যেন এটা চুইমিং পুলতহে সিহঁতে মন ঢালি গা ধুইছে। উৰি যোৱাৰ পিছত দেখিবি গাধোৱা ঠাইখিনিত এক আঙুলিও দ'হোৱা নাই। নিৰ্জন দুপৰীয়াটোত বকুলৰ ডালত পৰি কপৌহালৰ কোনোবা এটাই চিঞৰি থাকে। হয়তো সিহঁতৰ মাজৰ কোনোবা এটা দূৰলৈ যোৱাৰ সোনকালে উভতি আহিবলৈ বিনাই বিনাই মাতি থকা যেন লাগে। মোৰ নিঃসঙ্গ সময়ৰ এইবোৰ একোটা মধুৰ সঙ্গী।

তিনিবিঘা মাটিৰ এই চাৰিসীমাটোৰ ভিতৰত কেৱল ঘৰখনেইটো নাই কোনবিধ ফলমূলৰ গছ নাই কচোন। পাতসৰি বাৰীখন লেতেৰা হ'ব বুলি দেউতাৰক তাগিদা দিওঁতে একেই ধেমেলীয়া সুৰত দেউতাৰে কৈছিল এই গছবোৰৰ পৰা ফলমূলেই নহয় মলয়া বতাহ পাবা। গৰমৰ দিনত ইয়াৰ ছাঁওত বহি বা বিচনী মৰাৰ প্ৰয়োজন নহ'ব। ফলমূল লাগিলে মই খাবলৈ নেপালেও মোৰ নাতিকেইটাই ঘৰৰ নিৰ্ভেজাল ফল খাবলৈ পাব। তুমি মাথো সিহঁতক ক'বা ককাই এয়া তোমালোকলৈ আপুৰুগীয়া বস্তু গোটাই থৈ গৈছে। গছত কঁঠাল ওঁঠত তেল বুলি মই ভেকাহি মাৰিলে তেতিয়াও দেউতাৰে ঢেক্‌ঢেকাই হাঁহিছিল। গতিকে মোৰ .... মাথো এটাই অনুৰোধ এই ঘৰ এই বাৰী তই যেন নিখুঁতকৈ চিৰজীৱনলৈ ৰাখি থৱ। নহ'লে মোৰ আৰু তোৰ মৃত দেউতাৰৰ আত্মাই বৰ কষ্ট পাব।'

মাৰ মুখৰ গোটেই কথাখিনি নিশ্চুপ হৈ যেতিয়া মই শুনি আছিলো ক্ৰমান্বয়ে মোৰ বুকুখনত কিবা এটাই হেঁচা মাৰি ধৰি থকা যেন লাগিছিল। সৰসৰকৈ মোৰ দুচকুৰে মাথো চকুলোবোৰ বৈ আহিছিল। ঠোকাঠুকি মাতেৰে মাক মাথো ক'লো—'যদি মই ভুল কৰিবলৈ ওলাইছিলো এই কথাখিনি তুমি মোক খুলি ক'বলৈ ইমান কুণ্ঠাবোধ কৰিলা কিয়? মই তোমাৰ ল'ৰা বুলি মৰম যদি আছিলেই দাবীৰে হ'লেও তুমিমোক বাধা দিব পাৰিলা হয়। তুমিতো জানাই তোমাক কিমান শ্ৰদ্ধা-মৰম আমি দুয়ো কৰো। তোমাৰ চৰণত ধৰি মই স্বীকাৰ কৰো মা আধুনিকতাৰ ঢৌৱে ছাঁগে মোক বৰ বেয়াকৈ চুই গৈছিল সেয়ে মই অন্ধ হৈ পৰিছিলো। ভৱিষ্যতে এই ঘৰ, এই বাৰী মই নিখুঁতকৈ ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'লো। ফুলে-ফুলে এই ঘৰ জাতিষ্কাৰ হৈ থাকে যেন। বাৰীখন দেখি বিভিন্নজনে এতিয়া যিদৰে অভিভূত হৈ যায় আগলৈকো তেনে প্ৰশংসাৰে চেনেহ বুটলিবলৈ যেন দেউতাৰ স্মৃতিয়ে বাট বিচাৰি পায়। পকী চোতালৰ বকুলৰ ছাঁত বহি তুমি তোমাৰ সঙ্গী কেইটাৰ লগত আকৌ উমলিবা। মই ভৱিষ্যতে কেতিয়াও তুমি আৰু দেউতাৰ স্মৃতিক আঘাট নকৰো। এয়া মোৰ তোমাৰ ওচৰতে দৃঢ় অঙ্গীকাৰ ৰ'ল।◆◆

গীতিসাহিত্য আৰু সমাজত ইয়াৰ প্ৰভাৱ

ৰীনা পূজাৰী

গীতিসাহিত্য বা লোক সাহিত্য হ'ল পুৰুষানু ক্ৰমে মুখে মুখে চলি অহা অলিখিত সাহিত্য। প্ৰকৃততে গীতিসাহিত্য বা লোক সাহিত্যনো কি এই বিষয়ে জানিবলৈ হ'লে আমি কিছু আগুৱাই যাব লাগিব। খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ আগতে অসমীয়া ভাষা বুলি কোনো ভাষায়েই নাছিল। গতিকে এই কথা স্পষ্ট যে ভাষা সৃষ্টিৰ অবিহনে কেতিয়াও সাহিত্য সৃষ্টি হ'ব নোৱাৰে। গৱেষক সকলে ঠাৱৰ কৰিছে যে, যেতিয়াই কোনো এটা ভাষাই নিজস্বভাৱে বিভিন্ন ভাৱ, অনুভুতি, অৱস্থা আদি প্ৰকাশ কৰিব পৰা ক্ষমতা আৰু উচ্চাৰণ কৰিব পৰা ধ্বনি আদি বুজাবলৈ ব্যৱহাৰ কৰা সাংকেতিক চিহ্ন আদি পদ্ধতিৰ প্ৰৱৰ্ত্তন হয়, তেতিয়াৰে পৰাই সাহিত্যৰ সৃষ্টি হয়।

এই কথা ঠিক যে লিখিত সাহিত্য সৃষ্টিৰ আগতেও সাহিত্য আছিল। কিন্তু সেই সাহিত্য লিখিত নাছিল। সেই সময়ত মানুহৰ মুখে মুখে চলি অহা কিছু সাধু, গল্প, গীত-মাত, প্ৰবচন আদিৰ বহল প্ৰচলন আছিল। এনে ধৰণৰ গীত-মাত, গল্প, নৃত্য আদিৰ যোগেদিয়েই নিৰক্ষৰ লোকসকলে তেওঁলোকৰ জীৱনৰ নানান অভিব্যক্তি, সামূহিক জীৱনৰ আশা-নিৰাশা, প্ৰেম-প্ৰীতি আদি তেওঁলোকে আনন্দ উৎসৱ আদিত মৌখিক ভাৱে প্ৰকাশ কৰিছিল। এনেধৰণে চলি অহা যিবোৰ মৌখিক সাহিত্য আছিল এই সাহিত্যৰাজীকে গীতি সাহিত্য বা লোকসাহিত্য বুলি জনা যায়। কিন্তু ইয়াত কোনো লিখকৰ নাম উল্লেখ নাথাকে।

গীতি সাহিত্য ৰচনাৰ কাল, পদ্ধতি সম্বন্ধে পণ্ডিত, গৱেষকসকলৰ মাজত যথেষ্ট মতানৈক্য দেখা পোৱা যায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে তেওঁৰ গ্ৰন্থ "অসমীয়া সাহিত্যৰ চানেকীত" গাতিযুগ বুলি খ্ৰীষ্টীয় ৬০০-৮০০ শব্দৰ ভিতৰত ধৰিছে, কিন্তু কি পৰিস্থিতিত গীতি-সাহিত্যৰ সৃষ্টি হ'ল এই বিষয়ে। কোনো কথাই উল্লেখ কৰা নাই।

অসমীয়া সাহিত্যৰ দৰে বিভিন্ন আন আন সাহিত্যতো গীতি

সাহিত্যৰ প্ৰচলন উল্লেখনীয়। অসমীয়া সাহিত্যত যিবোৰ লোক সাহিত্য বা গীতি সাহিত্য পোৱা যায় ইয়াৰে কিছু সংখ্যক পৌৰাণিক আখ্যান অৱলম্বন কৰি ৰচিত আৰু আন কিছুমান বুৰঞ্জীৰ কাহিনী সম্বলিত। এই অসমীয়া লোক সাহিত্য সমূহক প্ৰধানকৈ এইকেইটা ভাগত ভাগ কৰা হৈছে— (১) লোকগীত (২) ফকৰা-যোজনা আৰু প্ৰবচন (৩) সাধুকথা আদি। আকৌ লোকগীত সমূহকো কেইবাটাও ভাগত বিভক্ত কৰিছে। তাৰ ভিতৰত প্ৰধানকৈ (ক) অনুষ্ঠানমূলক ঃ যেনে - বিহুনাম, আইনাম, বিয়ানাম আদি। (খ) আখ্যানমূলক— ইয়াৰ ভিতৰত মনিকোঁৱৰ, ফুলকোঁৱৰ, শান্তি বাৰমাহীৰ গীত, বৰফুকনৰ গীত আদি। (গ) বিবিধ বিষয়ক— নিচুকনি গীত, গৰখীয়া গীত, নাওঁ খেলোৱা গীত আদি।

ইয়াৰ উপৰিও সাধুকথা, মন্ত্ৰ, প্ৰবচন, ফকৰা-যোজনা, সাঁথৰ, ডাকৰ বচন - আদিৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। অসমৰ জাতীয় জীৱনত বিশেষকৈ ব্যৱহাৰিক জীৱনত এইসমূহৰ প্ৰয়োগ উল্লেখনীয়।

এই লোক সাহিত্যখিনিৰ পৰা আমি অতীতৰ সমাজত চলি অহা বহুতো কথা, মানুহৰ বিশ্বাস, অন্ধবিশ্বাস, প্ৰেম-প্ৰীতি, সুখ-দুখ, কলা-সংস্কৃতিৰ বিষয়ে জানিব পাৰো।

সহায়লৈ - (১) অসমীয়া সাহিত্যৰ ৰূপৰেখা — ডঃ মহেশ্বৰ নেওগ

(২) অসমীয়া সাহিত্যৰ ইতিবৃত্ত— সত্যেন্দ্ৰ নাথ শৰ্ম্মা ◆◆

With best Compliments from.....

Heritage খৰিকা

Chef Atul Lahkar's Ethnic Assamese Kitchen

Goswami Service Petrol Pump, Silpukhuri, Guwahati-3

Mobile : 9706034838

কালিকা লগা সৰোবৰ

অঞ্জলি দত্ত

নানান দুখ-দুৰ্গতিৰ মাজেদিয়েই পাণ্ডৱসকলৰ বনবাস খাটি থকা বাৰ বছৰ কাল পাৰ হওঁ হওঁ হ'লগৈ।

ইয়াৰ ভিতৰতে এদিন এজন বনবাসী নিছলা ব্ৰাহ্মণৰ আৰণি কাঠডাল (জুই জ্বলা চিঙিৰি) এটা আহি তাৰ জটিয়া শিঙত সেই কাঠডাল সোমাই পৰাত সি চক খাই তৰা-নৰা ছিঙিলৰ মাৰিলে। ব্ৰাহ্মণজন চিন্তিত হ'ল। এতিয়া জুই ধৰিব কেনেকৈ? কাৰণ আগৰ দিনত জুই কাঠীৰ (জুই শলাইৰ) ব্যৱহাৰ নাছিল। সেই কাৰণে জুই উলিয়াবৰ নিমিত্তে আশ্ৰমবাসীসকলে তাৰণি কাঠ ব্যৱহাৰ কৰিছিল। তাৰণি হ'ল দুডোখৰ কাঠৰ টুকুৰা। সেই কাঠ দুডোখৰ ঘঁহা মাৰি দিলেই জুই ওলায়। ব্ৰাহ্মণ ব্যাকুল হৈ ওচৰতে থকা পাণ্ডৱসকলক নিজৰ বিপদৰ কথাটো নিবেদন কৰি সাহায্য প্ৰাৰ্থনা কৰিলে।

সেই কথা শুনা মাত্ৰে পাণ্ডৱসকলে ততালিকে পহুটোক পিছ লৈ খেদি গ'ল। কিন্তু পহুটো আছিল মায়াবী। ভালেমান দূৰ পিছে পিছে খেদি খোৱাৰ পিছত হঠাৎ পহুটো অদৃশ্য হ'ল। পাণ্ডৱসকল ভাগৰি পৰি এজোপা আঁহত গছৰ তলত বহিল। পিয়াহত সকলোৰে অণ্ঠ-কণ্ঠ শুকাই গৈছিল।

ভাগৰে যোগৰে সকলোটিৰে মনলৈ অহা দুখ-বেজাৰ আৰু মানসিক দুৰ্বলতালৈ লক্ষ্য কৰি যুধিষ্ঠিৰে তেওঁৰে পিয়াহ লাগিছে বুলি কৈ নকুলক গছত উঠি ওচৰে-পাজৰে ক'ৰবাত পানী দেখো নেকি চাবলৈ ক'লে।

নকুলে ততালিকে গছত উঠি চাৰিওফালে চকুফুৰাই চাই ক'লে 'দাদা অলপ দূৰৈত পানী থকাযেন অনুমান কৰিছো। তাত পানীত হোৱা ঘাঁহ-বন আৰু কালী আদি চৰাই দেখিছো। তাত পানী অৱশ্যে আছে।'

এই কথা শুনি যুধিষ্ঠিৰে নকুলক পানী আনি দিবৰ কাৰণে আদেশ দিলে। কাৰণ তেওঁৰ পিয়াহত প্ৰাণ যায় যেন লাগিছে। নকুলে লৰালৰিকে অনুমান কৰা ঠাইলৈ গৈ অতি আনন্দিত হ'ল। কাৰণ বিলত পানী আছে।

পোনতে নিজেই পিয়াহ গুচাই পানী খাই পিছত পানী লৈ যাম বুলি ভাবি পুখুৰীত নামিল। কিন্তু পানীত হাত দিয়াৰ মাত্ৰেই অন্তৰীক্ষৰ পৰা তেওঁক মাত দিলে হে মন্ত্ৰী পুত্ৰ। এই বিলখন মোৰ, তুমি মৰসাহ নকৰিবা। মোৰ প্ৰশ্নকেইটামানৰ উত্তৰ দিলেহে পানী খাব পাৰিবা।

কিন্তু নকুলে পিয়াহত ৰ'ব নোৱাৰি এচলু পানী খাই পাৰলৈ উঠি আহোতেই জ্বলা-কলা লাগি মাটিত ঢলি পৰিল আৰু মৰাৰ দৰে হৈ পৰি ৰ'ল।

কিন্তু নকুল বহুত সময়লৈকে নহা দেখি সহদেৱক পঠাই দিলে। কিন্তু নকুলক বিলৰ পাৰত অচেতন হৈ পৰি থকা দেখি তেওঁ মনতে ভাবিলে নকুলক কোনোবাই হত্যা কৰিলে। কিন্তু নকুলৰ অৱস্থা দেখিও তেওঁ চিন্তা কৰিবলৈ নৌপাওতেই পিয়াহত আঁতুৰ হৈ তেওঁ পানীত নামিল। পানী খাই পাৰলৈ উঠিয়েই নকুলৰ দৰে অৱস্থা হ'ল।

দুই ভায়েকক উলটি নহা দেখি যুধিষ্ঠিৰে অৰ্জুনক তেওঁলোকৰ অথন্তৰ হৈছে নেকি চোৱাচিতা কৰিবলৈ পঠালো, কিন্তু অৰ্জ্জুনে দুই ভাইক মৰাৰ দৰে পৰি থকা দেখি কোনোবা গুপ্ত শত্ৰুৱে বধ কৰা বুলি ভাবিলো। কিন্তু তেওঁৰো অসহ্য পিয়াহ লগাত পানী খাবলৈ ধৰোতেই আগৰদৰেই অন্তৰীক্ষৰ পৰা মাত লগালে। 'মধ্যম পাণ্ডৱ অৰ্জ্জুন এইখন মোৰ সৰোবৰ মোৰ প্ৰশ্নৰ সমিধান নিদিয়াকৈ পানী খালে তোমাৰো ভায়েৰাহঁতৰ দৰে গতি হ'ব।

কিন্তু অৰ্জ্জুনৰ খং উঠাত শব্দভেদি বাণ দুতপাঠ মাৰি দিলে। কিন্তু অৰ্জ্জুনৰ বাণে তেওঁৰ স্পৰ্শ কৰিব নোৱাৰিলে? শব্দভেদি বাণ অথলে যোৱা দেখি তেওঁ যুদ্ধ দিবলৈ সাজু হ'ল। কিন্তু যুদ্ধ নো কাৰোতেই পিয়াহ নিবাৰণ কৰি ল'বৰ মনেৰে সৰোবৰত নামি এচলু পানী পান কৰি ওপৰলৈ উঠি আহোতেই অচেতন হৈ মাটিত বাগৰি পৰিল।

নকুল, সহদেৱ, শত্ৰু সংহাৰক অৰ্জ্জুনো উলটি নহাত যুধিষ্ঠিৰে ভীমক পঠালে তেওঁলোকৰ খবৰ ল'বলৈ আৰু পানী এটোপাও আনিবলৈ। ভীমসেনে তৰানৰা চিঙি সৰোবৰৰ ফালেই খোজ ল'লে। গৈ দেখেগৈ তিনিও সচেতন অৱস্থাত পৰি আছে। ভীমে মনতে ভাবিলে এইয়া যক্ষৰ কাম হ'ব। কিন্তু সদ্যহতে পিয়াহ পলুৱাই ল'বলৈ পানীত নমাৰ লগে লগে পুনৰ একেই প্ৰশ্ন কৰিলে অন্তৰীক্ষৰ পৰা। কিন্তু পিয়াহত আতুৰ হৈ থকা ভীমে প্ৰশ্ন শুনিবলৈ বাট নাচাই সৰোবৰত নামি পানী পাণ কৰাৰ লগে লগে একেই অৱস্থা হ'ল।

ভীমসেন ঘূৰি নহা দেখি তেওঁ চিন্তিত হ'ল। যুধিষ্ঠিৰে ভাবিলে এটা ভায়ো যেতিয়া ঘূৰি অহা নাই আটাইকেইটী কাৰোবাৰ অভিশাপত পৰিল নেকি? নে পানী বিচাৰি চাৰিওফালে ঘূৰি ফুৰিছে। যুধিষ্ঠিৰ উগুল-থুগুল মনেৰে হাবি জংঘল পাৰ হৈ কালিকা লগা হ্ৰদটো পালেগৈ। সৰোবৰৰ পাৰত চাৰিওটি ভাই অচেতন অৱস্থাত মৰাৰ দৰে পৰি আছে। ভাইকেইজনৰ এনে অৱস্থা দেখি চকুৰে পানী ববলৈ ধৰিলে। তেওঁৰ নিজৰো জীয়াই থকাৰ ইচ্ছা নোহোৱা হ'ল। এনেদৰে কিছু সময় পাৰ কৰাৰ পিছত তেওঁ গভীৰভাৱে চিন্তা কৰি চাৰিওজন ভাইকে ভালদৰে চালে। ক'তো আঘাতৰ চিন নাই। কোনো শত্ৰুৰ ভৰিৰ খোজৰ চিন নাই। এইটো দুৰ্যোধনৰ কিবা চক্ৰান্তও হ'ব পাৰে। পানীতেই কিবা বিহ মিহলোৱা আছিল বা নানান চিন্তাই তেওঁৰ মনটো অশান্ত কৰি তুলিলে। তেওঁ নিজেই পানী খাই চাওঁ বুলি পানীত নামিল। সেই মুহূৰ্ততে অসৰীৰিয়ে পানীৰ পৰা মাত দিলে 'ধৰ্মপুত্ৰ' তোমাৰ ভায়েৰাহঁতে মোৰ প্ৰশ্নৰ উত্তৰ

নিদিয়াকৈ বাধা নামানি পানী খাইছিল। তুমি যেন তেনে নকৰা। মোৰ প্ৰশ্নৰ উচিত সমিধান দি পানী খাই তৃষ্ণা নিবাৰণ কৰা। এই সৰোবৰ মোৰ।'

অশৰীৰীৰ কথাবোৰ শুনি যুধিষ্ঠিৰে এইটো কোনোবা যক্ষৰ মায়া বুলি ঠিৰাং কৰি শব্দ অহাৰ ফালে মূল কৰি প্ৰশ্নৰ উত্তৰ দিবলৈ সাজু হ'ল।

শূন্যৰপৰা অশৰীৰীয়ে বহুত প্ৰশ্ন কৰিলে। যুধিষ্ঠিৰে যথাযথ উত্তৰ দি গ'ল।

প্ৰশ্ন ঃ কাৰ আদেশত বেলি সদায় ওলায়?

উত্তৰ ঃ ব্ৰহ্ম শক্তিত।

প্ৰশ্ন ঃ মানুহক কিহে বিপদত ৰক্ষা কৰি থাকে?

উত্তৰ ঃ সাহসেই মানুহক বিপদৰপৰা ৰক্ষা কৰি থাকে।

প্ৰশ্ন ঃ কোন শাস্ত্ৰ পঢ়িলে মানুহ বিচক্ষণ জ্ঞানী হ'ব পাৰে?

উত্তৰ ঃ কোনো শাস্ত্ৰ পঢ়ি মানুহ জ্ঞানী হ'ব নোৱাৰে। মহাপুৰুষৰ সঙ্গলাভৰ পৰাহে মানুহ জ্ঞানী হয়।

প্ৰশ্ন ঃ পৃথিৱীতকৈ কোন বস্তুৱে আমাক যোগ্যাভাৱে ৰক্ষা কৰি থাকে?

উত্তৰ ঃ সহনশীলতা কল্যাণদায়িণী মাতৃ পৃথিৱীতকৈ অধিক কল্যাণী।

প্ৰশ্ন ঃ আকাশতকৈ ওখ কি?

উত্তৰ ঃ পিতা।

প্ৰশ্ন ঃ বায়ুতকৈ কোবান কোন?

উত্তৰ ঃ মন।

প্ৰশ্ন ঃ শুকান কুটাডালতকৈও দহনশীল কোন?

উত্তৰ ঃ শোকাতুৰ হৃদয়।

প্ৰশ্ন ঃ প্ৰৱসুৱাৰ বন্ধু কোন?

উত্তৰ ঃ বিদ্যা।

প্ৰশ্ন ঃ ঘৰত থকা মানুহৰ ভিতৰত বন্ধু কোন?

উত্তৰ ঃ গৃহিণী।

প্ৰশ্ন ঃ মৃত্যুৰ পাছত মানুহৰ লগত কি যায়?

উত্তৰ ঃ ধৰ্ম। মৃত্যুৰ পিছত সেয়ে অকলে আত্মাৰ লগৰী হৈ যায়।

প্ৰশ্ন ঃ মৃত্যুৰ পাছত মানুহৰ লগত কি যায়।

উত্তৰ ঃ ধৰ্ম। মৃত্যুৰ পিছত সেয়ে অকলে আত্মাৰ লগৰী হৈ যায়।

প্ৰশ্ন ঃ আধাৰৰ ভিতৰত সকলোতকৈ ডাঙৰ আধাৰ কি?

উত্তৰ ঃ পৃথিৱী। কিয়নো সকলো বস্তু পৃথিৱীতে থাকে।

প্ৰশ্ন ঃ সুখ কিহত?

উত্তৰ ঃ সজ প্ৰবৃত্তিতে বা আচৰণতে সুখ উদ্ভৱ হয়।

প্ৰশ্ন ঃ মানুহে কি বস্তু ত্যাগ কৰিলে সকলোৰে প্ৰিয়ভাজন হয়।

উত্তৰ ঃ আত্মাভিমান ত্যাগ কৰিলে সকলোৰে প্ৰিয়পাত্ৰ হয়।

প্ৰশ্ন ঃ কি বস্তুৰ অভাৱ হ'লে দুখৰ অন্ত পৰে?

উত্তৰ ঃ খং, খং যদি নোহোৱা হয় তেন্তে তেওঁ আৰু দুখত নপৰে।

প্ৰশ্ন ঃ কি বস্তু নহ'লে মানুহ ধনী হ'ব পাৰে?

উত্তৰ ঃ আশা বা কামনা পৰিত্যাগ কৰিব পাৰিলে মানুহ সম্পত্তিশালী হয়।

প্ৰশ্ন ঃ প্ৰকৃত ব্ৰাহ্মণত্বৰ গুৰি কিহত? জাতিত, সজ বৃত্তিত নে শিক্ষাত?

উত্তৰ ঃ জাতিতে বা অকল পাণ্ডিত্যত ব্ৰাহ্মণত্ব নাথাকে। সজ বৃত্তিয়েই বা চৰিত্ৰই ব্ৰাহ্মণৰ প্ৰকৃত লক্ষণ।

তাৰ অভাৱত মানুহ ব্ৰাহ্মণ হ'ব নোৱাৰে শিক্ষা লাভ কৰিও দুৰ্বৃত্ত হ'লে ব্ৰাহ্মণ হ'ব নোৱাৰে। চাৰি বেদপঢ়িও যদি দুৰ্বৃত্ত হয় তেওঁ পতিত হৈয়েই থাকিব।

প্ৰশ্নঃ জগতত সকলোতকৈ আঁচৰিত কথা কি?

উত্তৰ ঃ দিনে দিনে মানুহ মৰিব লাগিছে। তাক দেখিও যি মানুহে নিজে মৰাৰ কথাটো পাহৰি চিৰজীৱী হ'বলৈ বাঞ্চা কৰি থাকে এইটোৱেই সবাতোকৈ আচৰিত কথা।

এনে ধৰণৰ ভালেমান প্ৰশ্নৰ উত্তৰ বিচক্ষণভাৱে যুধিষ্ঠিৰে দি গ'ল। অশৰীৰি সন্তুষ্ট হৈ প্ৰাণহীন ভায়েকসকলৰ ভিতৰত এজনেইহে প্ৰাণ লাভ কৰিব তুমি কোনজনৰ প্ৰাণ বিচৰা?

যুধিষ্ঠিৰে মুহূৰ্তমান ভাবি ক'লে শ্যাম কলেৱৰ, পদ্মলোচন, বিশাল বুকু আৰু দীৰ্ঘবাহু থকা ভাই নকুলৰে প্ৰাণ দিয়ক বুলি প্ৰাৰ্থনা জনালে। অশৰীৰি যুধিষ্ঠিৰৰ প্ৰতি প্ৰসন্ন হ'ল। কিন্তু তেওঁ সুধিলে। দহ হাজাৰ হাতীৰ বল থকা ভীমসেনক এৰি নকুল প্ৰাণ ভিক্ষা কৰাৰ অৰ্থ কি? তদুপতি সকলোতকৈ চোকা বুদ্ধিৰ বীৰ অৰ্জ্জুন দেখোন তোমাৰ একমাত্ৰ ৰক্ষক? এই দুজনক এৰি নকুলৰ প্ৰাণ ভিক্ষা কৰাৰ অৰ্থ কি?

যুধিষ্ঠিৰে ক'লে কেৱল ধৰ্মহিহে মানুহৰ ৰক্ষক। ভীম বা অৰ্জ্জুন নহয়। ধৰ্মক অৱজ্ঞা কৰিলে মানুহৰ মৰণ মিলিব। মোৰ পিতাৰ দুগৰাকী পত্নী। কুন্তী দেৱী আৰু মাদ্ৰী দেৱী। কুন্তীদেৱীৰ এটি পুত্ৰ মই এতিয়াও জীৱিত। মাদ্ৰীদেৱীৰো এটি পুত্ৰ জীৱিত থাকিলে আমি সমান হৈ থাকিম। গতিকে নকুলৰেই প্ৰাণ ভিক্ষা দিয়ক।

এই কথা শুনি অশৰীৰি অতি আনন্দিত হ'ল। যুধিষ্ঠিৰৰ সঁচাকৈয়ে পক্ষপাতিত্ব দোষ নাই। তেওঁৰ বিচাৰত সন্তুষ্ট হৈ চাৰিও ভাতৃকে প্ৰাণদান কৰিলে।

ধৰ্মৰাজ যমে পোনতে পহু ৰূপ ধৰি আৰু পিছত গৈ অশৰীৰিৰ ৰূপ লৈ এই ঘটনা কৰিছিল। যুধিষ্ঠিৰক ধাৰ্মিক আৰু বিচক্ষণ পুৰুষ বুলি জানি বৰ আনন্দ পালে। তেওঁ সোঁশৰীৰে আগত থিয় দি তেওঁৰ গাত হাত বুলাই স্নেহাশিষ দিলে।

ধৰ্মৰাজ যমে যুধিষ্ঠিৰক বৰ দিলে। বাৰ বছৰ বনবাসৰ কাল অন্ত হ'বলৈ আৰু মাথোন কেইদিনমানহে বাকী আছে। তোমালোকৰ অজ্ঞাত বাসৰ এবছৰ কালও নিৰাপদে পাৰ হ'ব। তোমাৰ শত্ৰুবিলাকে তোমালোকৰ কোনো সন্ধান নাপাব। তোমালোকৰ সকলো মনোবাঞ্চা সম্পূৰ্ণৰূপে পূৰণ হ'ব। এইদৰে বৰদি তেওঁ অন্তৰ্দ্ধান হ'ল।

বনবাস খটা সকলো দুখ-কষ্ট সহি থাকিল যদিও তেওঁলোকৰ লাভো কম হোৱা নাছিল। অৰ্জ্জুনে পিতৃ দেৱৰাজ ইন্দ্ৰপৰা দিব্য অস্ত্ৰ লাভ কৰি নিৰাপদে উলটি আহিল। ভীমসেনেও হনুমানৰ দৰ্শন আৰু পৰশন দুয়োটা লাভ কৰি আগতকৈও বেছি শক্তিমান হ'ল। কালিকা লগা সৰোবৰত ধৰ্মপুত্ৰ যুধিষ্ঠিৰে পিতৃ ধৰ্মৰাজৰ দৰ্শন, আশীৰ্বাদ আৰু বৰ লাভ কৰি পৰম পৱিত্ৰ হ'ল।

ধৰ্মৰাজৰ প্ৰশ্নৰ অন্তত বৈশম্পায়ন মুনিয়ে ৰজা জন্মেজয়ক ক'লে, ধৰ্মৰাজৰ পিতৃ দৰ্শনৰ পূণ্য কাহিনী যি শুনিব, তেওঁৰ মন কেতিয়াও অন্যায় বাটেদি নাযায়। মিত্ৰ বিচ্ছেদ আৰু পৰদ্ৰব্য গ্ৰহণ কৰা ইচ্ছা তেওঁৰ মনলৈ আহিব নোৱাৰে। ঘৃণনীয় কামত তেওঁৰ কেতিয়াও প্ৰবৃত্তি নহয়।◆◆

দোষ-গুণ

নিলীমা শইকীয়া দাস

মানুহৰ জীৱন সুন্দৰ কৰি তুলিবলৈ হ'লে প্ৰথমে মানুহ জ্ঞানী হোৱাৰ দৰকাৰ। কথাষাৰ ক'বলৈ বৰ সহজ। পৃথিৱীৰ কোনো মানুহে নিজকে অজ্ঞানী বুলি ভাবিব নোৱাৰে। কিয়নো যি কামকে নকৰক নিজৰ নিজৰ বিবেচনাৰে সকলো শুদ্ধ। আনে তাৰ ভুল ধৰিব পাৰে। 'জীৱ শ্ৰেষ্ঠ মানুহ' বুলি কয়। ই প্ৰকৃততে কিমান দূৰ সঁচা। ধৰ্মৰ ভিতৰত মানৱ ধৰ্ম সকলোৰে শীৰ্ষত স্থান দিয়া হয়। কিন্তু এই মানৱ ধৰ্মক কেইজনে পালন কৰে। এই জীৱ শ্ৰেষ্ঠই যদি মানৱ ধৰ্ম পালন কৰিলে হয়, আমাৰ দেশৰ লগতে গোটেই পৃথিৱীতে শান্তি বিৰাজমান হ'লহেঁতেন। কিন্তু দেশে-দেশে, ভায়ে ভায়ে কাজিয়া, টকা-পইছা, মাটিবাৰিৰ সীমা আৰু ধৰ্ম লৈ।

পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ মন্দিৰে মন্দিৰে ঘূৰি ফুৰিলে ঈশ্বৰ ক'তো বিচাৰি নেপায়। ঈশ্বৰ থাকে মানুহৰ আত্মাৰ লগত সংযুক্ত হৈ। মানুহে বিচাৰিব নেজানে, ঈশ্বৰ সকলো প্ৰাণীতে বিৰাজমান হৈ থাকে। কিছুমান মানুহে নিজৰ সুখ-শান্তিৰ কাৰণে নিৰ্বোধ প্ৰাণীবিলাকক হত্যা কৰি ভাল পায়। কোনো ধৰ্মৰ কোনো শাস্ত্ৰত লিখা নাই-জীৱ হত্যা মহাপূণ্যৰ কাম। সকলো ধৰ্মতে নিশ্চয় লিখা আছে, জীৱ হত্যা মহা পাপ। বহু মানুহে কুষ্টীখন লৈ জ্যোতিষীৰ ওচৰত চোৱায়। জ্যোতিষীয়ে বিধান দিয়া মতে ব্ৰতপালন কৰে, দামী দামী পাথৰ পৰিধান কৰে। গোঁসানীৰ আগত হাঁহ, ছাগলী আদি জীৱ বলি দিবলৈ আগবঢ়াই থয়। এইবিলাক সকলো মিছা, কৰ্মহে ধৰ্ম।



মানুহে সদায় কৰ্মক বিশ্বাস কৰিব লাগে। কৰ্মহীন জীৱন বঠা নোহোৱা নাওঁৰ দৰে হয়। বতাহে যেনিয়ে নিয়ে তেনিয়ে গুচি যায়। মানুহে সদায় সংকল্প আগত ৰাখি কামত আগবাঢ়িব লাগে। কামৰ কোনো সৰু বৰ নাই। যি কৰে তাক পৰিক্ষিতভাৱে কৰি আগবাঢ়িব লাগে। ফলাফল এদিন নিশ্চয় পাব।

আজি-কালি মানুহে কষ্ট কৰি বেয়া পায়। টকা সকলোকে লাগে। কম কষ্ট কৰি অধিক ধন কেনেকৈ গোটাই, কেইবছৰৰ ভিতৰত ধনী হ'ব পাৰে, তাকে চিন্তা কৰে। সকলো মানুহে সৎ পথত থাকি টকা ঘটাৰ

উপায় বিচাৰিব লাগে। দেশ আপোনা-আপুনি ভাল হ'ব।

আজি আমি শিশুসকলক ভাল বাতাবৰণ দি গঢ় দিলে সিহঁতে এদিন ভাল ৰূপ দেখুৱাব। আজি দেশত ধৰ্ষণ, লুণ্ঠন আদি ইমান কিয় বাঢ়ি গৈছে। হয়তো আমি ক'ৰবাত ভুল কৰিছো। নিজৰ পিতৃ-মাতৃক প্ৰকৃত জ্ঞান কৰিবলৈ, ডাঙৰক সন্মান আৰু সৰুক মৰম কৰিবলৈ শিকাব লাগিব।

অসমীয়াত এষাৰ কথা আছে—'বোলে নিজ ভালেই জগত ভাল।' নিজে সত্য আৰু ন্যায়ত থাকিলে, সতকাই কোনেও পোতোকা পেলাব নোৱাৰে। পিতৃ-মাতৃৰ ওপৰতো বহু কথা নিৰ্ভৰ কৰে। মাক-দেউতাকে জন্ম দিয়াৰ কাৰণে এই বিনন্দীয়া পৃথিৱীখন দেখা পাইছে। সঁচা কথা, এইখিনিতে পিতৃ-মাতৃৰ দায়িত্ব সামৰিলে নহ'ব। সন্তানক কিছু নীতিগত শিক্ষা দিব লাগিব। সেই কাম নকৰা কাৰণে, আজি অলপ ডাঙৰ হৈয়ে মাক-দেউতা, গুৰুগোঁসাই একো নমনা হয়। দেউতাকৰ অজস্ৰ সম্পত্তি হকে-বিহকে খৰচ কৰিবলৈ আৰু বেয়া কাম কৰিবলৈ ভয় নকৰা হয়। অসৎ পথেদি ঘটা টকা খৰচ কৰিবলৈ ল'ৰাই অলপো চিন্তা নকৰে। কিয়? কাৰণ দেউতাক এজন সৎ ব্যক্তি নাছিল। সকলো কৰ্মৰে কিছুমান গুণাগুণ থাকে। তাৰ ফল এই জন্মতে, এই পৃথিৱীতে মানুহে ভোগ কৰিব লাগিব।

মানুহে কয় ধৈৰ্যৰ ফল মিঠা। সেয়েহে আমি অলপতে ধৈৰ্য হেৰুৱাব নালাগে। যি কৰে, ধৈৰ্য সহকাৰে আগবাঢ়িলে নিশ্চয় ফলৱতী হ'ব। কোনো কাম একেদিনাই হোৱাৰ কথা চিন্তা কৰিব নালাগে। ইংৰাজীতে কয় "Rome was not built in a day" যি কোনো কাম অতি সোনকালে হৈ উঠিলে, ভাবিব লাগিব, অতি সোনকালে শেষ হৈ যাব পাৰে। মানুহে বহু ওপৰলৈ গ'লেও ভূমিৰ কথা পাহৰি যোৱা উচিত নহয়। টকা-পইচাৰে সকলো জোখ-মাখ কৰিব নালাগে। ধন-ধান মানুহৰ খন্তেকীয়া কিন্তু জ্ঞান-বুদ্ধি আৰু বিবেচনা কেতিয়াও খন্তেকীয়া বস্তু নহয়।

এই ক্ষেত্ৰত আমি মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধৰ কথা ক'ব পাৰো। কৌৰৱৰ সকলো ধনজন থাকিও, যুদ্ধত পৰাজয় বৰণ কৰিব লগা হ'ল। কিয়? দুৰ্য্যোধনৰ জ্ঞান-বুদ্ধি সৎ নাছিল। সদায় আমি লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় নে সত্যৰ জয় আৰু অসত্যৰ পৰাজয়।

মানুহৰ উদ্দেশ্য সৎ আৰু মহৎ হ'ব লাগে। অধিক শিক্ষিত, ধনী, সুন্দৰ সুঠাম চেহেৰা, সু-খাদ্যাভ্যাস, নামী-দামী গাড়ী আৰু সাজ-পোছাক পৰিধান কৰে অতি সুন্দৰকৈ তথাপি সাংসাৰিক জীৱন সুখৰ নহয়। পৰিয়ালৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান নহয়, আন্তৰিকতা আৰু বুজাবুজি নেথাকে, সহনশীলতা আৰু মৰম-চেনেহৰ অভাৱ আদি পৰিলক্ষিত হয়। এইবিলাক হোৱাৰ প্ৰধান কাৰণ কি? এই সকলোবিলাক নিৰ্ভৰ কৰে ঘৰখনৰ পৰিৱেশৰ ওপৰত। মাক আৰু দেউতাকে সদায় টকাৰ পিছে পিছে দৌৰি ফুৰে। সন্তানৰ লগত সময় একেবাৰে নিদিয়ে। সকলো যেন এটি এটি যন্ত্ৰ। সকলো একেলগে থাকে, কিন্তু কোনেও কাৰো কথা ভাবিবলৈ আজৰি নাই। সকলো নিজক লৈ ব্যস্ত। টকা-পইছা নহ'লে কোনো কামেই কৰিব নোৱাৰি। ইয়ো সঁচা কথা। তথাপি টকা-পইচাৰ লগতে পৰিয়ালৰ সুখ-দুখৰ সমভাগী হৈ সকলোকে সময় দিবলৈ যত্ন কৰিব লাগে।

আচলতে, প্ৰথমতে নিজৰ তাৰ পাছত পৰিয়ালৰ কথা গুৰুত্ব দিব লাগে। পাৰিবাৰিক শান্তি নাথাকিলে মানুহ সুখী হ'ব নোৱাৰে। ধন-ধান, সা-সম্পত্তি, ঘৰ-দুৱাৰ সকলো অসাৰ। মানসিক শান্তিয়ে আচল শান্তি।◆◆

গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী আৰু প্ৰতিমা বৰুৱা পাণ্ডে আৰু হস্তীৰ কন্যাৰ আঁৰৰ কাহিনী

গোলক নাথ চক্ৰৱৰ্তী

সংস্কৃতিৰ সৈতে আভিজাত্যৰ এটা অৱধাৰিত সম্পৰ্ক আছে আৰু এই সংস্কৃতিৰ উত্তৰণৰ সৈতে সাঙোৰ খাই থাকে এটা জাতিৰ চেতনাবোধ, মূল্যবোধ আৰু নিজস্বতা। সংস্কৃতিয়ে সাঙুৰি লয় সাধাৰণ মানুহৰ ভাষা জীৱনপ্ৰণালী আৰু আধ্যাত্মিক চিন্তাধাৰা। সংস্কৃতিৰ প্ৰেক্ষাপটতেই স্বতঃস্ফুৰ্ত্তঃ ভাৱে গঢ় লৈ উঠে লোক সংস্কৃতি।

অসমৰ লোকসংস্কৃতিৰ উত্তৰণৰ ইতিহাসত এটি কিংবদন্তী নাম প্ৰতিমা বৰুৱা পাণ্ডে। অকল অসমেই নহয় সমগ্ৰ পূৰ্ব্বাঞ্চলৰ লোক সংস্কৃতিৰ ইতিহাসত প্ৰতিমা বৰুৱা পাণ্ডে আজি এগৰাকী আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি।

অসম নন্দিনী প্ৰতিমা বৰুৱা পাণ্ডে আছিল পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ এগৰাকী প্ৰখ্যাত লোকগীত শিল্পী। গৌৰীপুৰৰ প্ৰসিদ্ধ ৰাজপৰিয়ালৰ জীয়ৰী প্ৰতিমা বৰুৱাই একমাত্ৰ ৰাজকুমাৰী, যি ৰাজ আভিজাত্য দলিয়াই সাধাৰণ জনতাৰ সুখ-দুখৰ সমভাগী হৈ জীৱন-যাপন কৰিছিল। এই মহান শিল্পীগৰাকীৰ জন্ম হয় ১৯৩৪ চনৰ ৩ অক্টোবৰ তাৰিখে কলিকতাৰ নিজা বাসভৱনত। পিতৃ প্ৰকৃতিশ বৰুৱা আছিল এগৰাকী বিখ্যাত হাতী চিকাৰী আৰু তেওঁ প্ৰজাৰ মাজত লালজী হিচাবেই সুপৰিচিত আছিল। সেই সময়ত লোক-সংস্কৃতিৰ একনিষ্ঠ পৃষ্ঠপোষক নীহাৰ বালা বৰুৱা আছিল প্ৰতিমাৰ ডাঙৰ পেহীয়েক আৰু সৰু পেহীয়েক নীলিমা বালা বৰুৱা আছিল গোৱালপৰীয়া লোকসংগীত নৃত্য শিল্পৰ ৰূপকাৰ। এনেকুৱা সংস্কৃতিবান ৰাজপৰিয়ালৰ উত্তৰসূৰী আছিল প্ৰতিমা। গৌৰীপুৰৰ ৰাজবাড়ীত থাকোঁতে দুগৰাকী ধাইমাই প্ৰতিমাক তুলি তালি

ডাঙৰ-দীঘল কৰে। এই ধাইসকলৰ গীত-মাতে প্ৰতিমাক অধিক আকৰ্ষণ কৰে আৰু লোকসঙ্গীতৰ প্ৰতি অনুৰাগ জন্মে। সেই সময়ত মৈষাল (যি ম'হ চৰায়) আৰু হাতীৰ মাহুত সকলে গোৱা গীতবোৰ তেওঁৰ অন্তৰত গভীৰ সাঁচ পেলায়। লাহে লাহে তেওঁ ডাঙৰ-হোৱাৰ পিচত দেউতাকৰ লগত হাতী ধৰা কেম্পত থাকিবলৈ লয় আৰু মাহুতবোৰৰ গীত-মাত শুনি সিহঁতৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলে। কেতিয়াবা হাতীৰ পিঠিত উঠি মাহুতবোৰৰ লগত যায় বহু দূৰ-দূৰণিৰ জংঘলবোৰত আৰু মাহুতবোৰে গোৱা গীত সমূহ গাবলৈ ধৰে। এই বিষয়ত দেউতাক লালজীয়ে প্ৰতিমাক সকলোসময়তে উৎসাহিত কৰিছিল। কিশোৰী অৱস্থাৰ পৰাই গোৱালপৰীয়া গীতবোৰ জীৱনৰ মূল বুলি ধৰি লৈছিল আৰু লোক-সংস্কৃতিৰ লগত নিবিড়ভাৱে একাত্মতা স্থাপন হৈছিল। মাটিৰ গোন্ধেৰে পৰিপুষ্ট আৰু প্ৰতিমাৰ দৰদী কণ্ঠৰপৰা নিগৰি অহা লোকগীত শুনি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ হৃদয় পৰশি গ'ল। তেওঁ প্ৰতিমাক ভূয়সী প্ৰশংসা কৰিলে। সুধাকণ্ঠৰ প্ৰশংসাই প্ৰতিমাক বহুতো অনুপ্ৰেৰণা যোগালে। ভূপেন হাজৰিকাৰ সান্নিধ্য পোৱাৰ পিচৰ পৰাই গোৱালপৰীয়া লোকগীতৰ জয়যাত্ৰা আৰম্ভ হয় আৰু অসম তথা ভাৰতৰ বহু নামী-দামী শিল্পীৰ সৈতে পৰিচয় হয়। ১৯৬০ চনত প্ৰথম অনাতাঁৰ যোগে গোৱালপৰীয়া লোকগীত সম্প্ৰচাৰিত হৈ আকাশে-বতাহে বিয়পি পৰে। বিখ্যাত কবি হীৰেন ভট্টাচাৰ্যদেৱে প্ৰতিমা বৰুৱাৰ গীত শুনি মন্তব্য কৰিলে— "আচলতে গোৱালপাৰাক অসমৰ ওচৰ চপাই আনিলে প্ৰতিমা বৰুৱাই।"

১৯৬৬ চনৰ আগষ্ট মাহত সুদূৰ উত্তৰ প্ৰদেশৰ এগৰাকী শিক্ষক শ্ৰীগংগা শংকৰ পাণ্ডে গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজত ইংৰাজী বিভাগৰ প্ৰবক্তা হিচাবে যোগদান কৰে। এদিন ৰাজবাড়ী দৰ্শন কৰিবলৈ যাওঁতে প্ৰতিমাৰ লগত পৰিচয় হয় আৰু লাহে লাহে পাণ্ডেৰ সৈতে প্ৰতিমাৰ আন্তৰিকতা বাঢ়ি যায়। ১৯৬৯ চনত দুয়ো বিবাহ পাশত আবদ্ধ হৈ যুগ্ম জীৱনৰ পাতনি মেলে।

আজীৱন শিল্পীগৰাকীয়ে দেশৰ বিভিন্ন প্ৰান্তে প্ৰান্তে গীত গাই গাই ২০০০ চনৰ পৰা অসুস্থ হৈ পৰে। ২০০২ চনৰ ১২ ডিচেম্বৰত এই মহান লোকশিল্পীগৰাকীজনে অগনন গুণমুগ্ধক এৰি ইহলীলা সম্বৰণ কৰে।

এইজনা মহান লোকশিল্পীগৰাকীৰ এটি জনপ্ৰিয় গীত 'হস্তীৰ কন্যা'—

হস্তীৰ কন্যা, হস্তীৰ কন্যা
বামোনেৰ নাৰী,
মাথায় নিয়া তাম কলসী ও
সখী, হাতে সোনাৰ ঝাৰী ও
সখী অ'
মোৰ হায় হস্তীৰ কন্যাৰে......
....

অৰণ্যৰ মুক্তভূমি হস্তীৰ বিচৰণ। অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰাংশ আগুৰি আছে চিৰশ্যামল অৰণ্যৰে আবৃত ভুটান পাহাৰ। এই পাহাৰৰ বুকুৰ পৰা সৃষ্টি হৈছে সহস্ৰ জান-জুৰি, নদ-নদী, নৈ-উপনৈ আৰু নিগৰি আহিছে ভৈয়ামৰ বুকুলৈ। এই বিশাল অৰণ্যভূমিখনেই হ'ল নানা চৰাই-চিৰিকতি আৰু বন্য জীৱ-জন্তুৰ লীলাভূমি। তাতে চৰি ফুৰে পালে পাল বন্য হস্তী-হস্তিনীবোৰ। এই বৃহৎ কায় দুৰ্দ্দান্ত জন্তুও কিন্তু ক্ষুদ্ৰকায় মানুহৰ হাতত বশ হয়। অৰণ্য আৰু হাতীৰ

প্ৰতি থকা বন্য আকৰ্ষনে মানুহক বনবাসী কৰি তোলে। সমাজৰ ক্ৰম-বিকাশৰ ফলত ৰাজনবৰ্গৰ পতন হোৱাৰ লগে লগে বিভিন্ন শ্ৰেণীৰ কৰ্মজীৱি মানুহৰ সৃষ্টি হ'ল আৰু ৰাজন বৰ্গৰ দয়াৰ ওপৰত বৰ্তি থাকিবলগীয়া হ'ল। এই কমজীৱি লোকসকলৰ ভিতৰত সৃষ্টি হ'ল মাহুত আৰু ফান্দি। ফান্দিয়ে ফান্দপাতি হাতীবোৰ ধৰে আৰু বশ কৰে। মাহুতে ভৰণ-পোষণ কৰে আৰু প্ৰশিক্ষণ দি চিকাৰী কৰি গঢ়ি তোলে। এনেকৈ বিপদ সংকুল পথেৰে যাত্ৰা আৰম্ভ হয় মাহুত আৰু ফান্দিৰ জীৱন।

ভুটান পাহাৰৰ গভাৰ হাবিৰ বুকুফালি বৈ আহিছিল এখনি মায়াময়ী নৈ। সেই নৈৰে পাৰত এটি সৰু জুপুৰীত কাম কৰিছিল এহাল দুখীয়া ব্ৰাহ্মণ দম্পতী। জয়নাথ আৰু জয়মালা। পূজা অৰ্চনাৰে সৰু সংসাৰ চলাই দুয়ো সুখেৰে দিন অতিবাহিত কৰিছিল। ব্ৰাহ্মণে যজমানী কৰে আৰু ব্ৰাহ্মণ পত্নীয়ে চৰকাত সুন্দৰ সুন্দৰ লগুণ বনায়। প্ৰকৃতিৰ গছ-গছনি, বনৰীয়া জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ প্ৰতি ব্ৰাহ্মণ পত্নীৰ গভীৰ প্ৰেম আছিল।

এদিন ওচৰৰ গাঁও এখনত এজন বিত্তৱান ব্ৰাহ্মণৰ মৃত্যু হয়। তেওঁৰ শ্ৰাদ্ধ আদি ক্ৰিয়া কৰ্মৰ বাবে দুখীয়া ব্ৰাহ্মণলৈ নিমন্ত্ৰণ আহে। সুচতুৰ বিধৱা ব্ৰাহ্মণ-পত্নীয়ে ধন-সম্পত্তিৰ লোভ দেখুৱাই নিজৰ অকৰ্মন্য জীয়েকক দুখীয়া পুৰোহিত ব্ৰাহ্মণলৈ বিয়া দিবলৈ খাটনি ধৰিলে। দুখীয়া ব্ৰাহ্মণেও ধন-সম্পত্তিৰ লোভত ভোলগৈ অকৰ্মন্য ছোৱালীজনীক বিয়া কৰাই তাইক নিজৰ সৰু জুপুৰীলৈ লৈ আহে। কিছুদিনৰ ভিতৰতে দুখীয়া ব্ৰাহ্মণ-পুৰোহিত অগাধ ধন-সম্পত্তিৰ অধিকাৰী হৈ উঠিল আৰু নতুন পত্নীৰ প্ৰৰোচনাত পৰি আগৰ পত্নীক চাকৰণীৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। অসহায় জয়মালাক নৈৰ পৰা পানী কঢ়িয়াই অনা কামৰ দৰে গধুৰ দায়িত্ব অৰ্পন কৰিলে। দুখৰ মাজতো একমাত্ৰ জীয়াই থকাৰ অৱলম্বন হিচাবে জয়মালা তাতেই সন্তুষ্ট থাকিবলগীয়া হয়। সোনৰ ঝাৰী (পানী ৰখা বাচন) ত পানী ভৰাই সদায় ঘৰলৈ লৈ আহে আৰু এই কামৰ বাবে জয়নাথৰ আন আন দাসীবোৰে তেওঁক দিনৰ শেষত পিতলৰ কাঁহীত এথাল ভাত দি থৈ যায়। জয়মালাই এখন হাতেৰে সোণৰ ঝাৰী আৰু আনখন হাতেৰে ভাতৰ কাঁহী আৰু মূৰত তামৰ কলহ লৈ বনৰ মাজে মাজে গৈ নৈৰ ফালে ওলাই যায়। নিজৰ আহাৰখিনি পশু-পক্ষীক বিলাই দি আৰু নিজে গছৰ ফল-মূল খাই যেতিয়া ঝাৰীত পানী আনিবলৈ নৈৰ পাৰত বহে, তেতিয়া তাইৰ তপত চকুলো নৈৰ পানীত মিলি যায়।

গভীৰ অৰণ্যত থকা হস্তীৰাজ দলবান্ধি আহি প্ৰায়েই নৈৰ নিম্নভাগত পানীখাবলৈ আহে। হঠাৎ এদিন পানীৰ নিমখীয়া সোৱাদ পাই হস্তীৰাজ আচৰিত হ'ল আৰু দেখিলে এগৰাকী সুন্দৰী কন্যাৰ চকুলোৰে নৈৰ পানী ভগা নিমখীয়া হৈ গৈছে। দিনৰ শেষত, জয়মালাই মূৰত তামৰ কলহ আৰু হাতত সোণৰ ঝাৰী লৈ ঘৰলৈ বুলি খোজ লওঁতেই হস্তীৰাজে পথ অবৰোধ কৰি সকলো কথাৰ বুজ ল'লে আৰু কন্যা গৰাকীক নিষ্ঠুৰ মানৱ সমাজৰ পৰা ওলাই আহি সিহঁতৰ ৰাণী হ'বলৈ অনুৰোধ কৰিলে। এনেতে গোটেই আকাশ ক'লা হৈ মেঘৰ গৰ্জনেৰে বৰষুণ আহিবলৈ ধৰে। চাওঁতে চাওঁতে নৈৰ বুকুত ধল নামি আহে আৰু নৈৰ দুয়োপাৰে প্লাৱিত কৰে। সেই মুহূৰ্তত ক্ষিপ্ৰগতিৰে হস্তীৰাজে কন্যাক তামৰ কলহ আৰু ঝাৰীৰে সৈতে মূৰত তুলি লয় আৰু গভীৰ অৰণ্যৰ মাজেৰে গৈ ভুটানৰ পাদদেশত হস্তীৰাজৰ ৰাজ্যত উপস্থিত হয়। হস্তীৰাজ্যত জয়মালাক হস্তীবিলাকৰ নতুন ৰাণী হিচাবে সেৱা কৰিবলৈ লয়। তাৰ পিচত নতুন ৰাণীক

মূৰৰ ওপৰত তুলি লৈ দুখন ডাঙৰ পাহাৰৰ মাজেদি লৈ গৈ এটি অপৰূপ নিজৰাৰ কাষত আহি থিয় হয়। হস্তীৰাজে নিজৰাৰ পানী সাতোটা ঘটত লৈ ৰাণীৰ মূৰত ঢালি দিয়াৰ লগে লগে জয়মালাৰ মনুষ্যদেহ পৰিৱৰ্ত্তিত হৈ এক সুন্দৰী হস্তীৰ কন্যা ৰূপ ধাৰণ কৰে। তেওঁৰ মূৰৰ তাম্ৰ কলহটো কপালত ঘটৰ আকৃতিত আৰু সোণৰ ঝাৰীটো সোণবৰণীয়া শুঁড়লৈ পৰিবৰ্তিত হয়। এয়াই আছিল হস্তীৰ কন্যাৰ আঁৰৰ কাহিনী।

সাধুটোৰ অলৌকিক কাহিনী বাদ দি ভৌগোলিক পৰিস্থিতি আৰু কিছু তথ্যৰ ওপৰত ভিত্তি কৰিয়েই এই কাহিনী ৰচিত। সেয়ে হয়তো প্ৰত্যেক দলবদ্ধ বন্যহস্তীৰ প্ৰধান নেত্ৰী হৈছে 'ৰাণী' অৰ্থাৎ এজনী হস্তিনী।

এনে কাহিনীৰ ওপৰত ভিত্তি কৰিয়েই সৃষ্টি হৈছিল— ওপৰোক্ত অমৰ গোৱালপৰীয়া লোকগীতটো— 'হস্তীৰ কন্যা'—বামোনেৰ নাৰী, মাথায় নিয়া তাম কলসী, হাতে সোনাৰ ঝাৰী.......।।

সহায় লৈ ঃ

১। কোচ ৰাজবংশী অঞ্চলৰ জীৱন আৰু সংগীত প্ৰান্তবাসীৰ ঝুলি— নীহাৰ বালা বৰুৱা।

২। 'প্ৰতিমা'— এক সোণালী কণ্ঠৰ উৎস-সন্ধান — ড° প্ৰতিমা নিয়োগী।◆◆

With best Compliments from.....

DURAROOF

QUALITY ROOFING TILE



মন বুদ্ধি অহঙ্কাৰ

ভবেন্দ্ৰ নাথ পাঠক

গীতাৰ ৭ম অধ্যায়, জ্ঞান-বিজ্ঞান যোগত ৪নং শ্লোকত কৃষ্ণই অৰ্জুনক কৈছে—

ভূমিৰাপোহনলো বায়ুঃ খং মনো বুদ্ধিৰেৱ চ।
অহংকাৰ ইতীয়ং মে ভিন্ন প্ৰকৃতিৰষ্টধা।।

ভূমি-মাটি, আপঃ-পানী, অনল-জুই, বায়ুঃ, খম্-আকাশ, ইতি-এইবিলাক, ইয়ম্-এই, মে-মোৰ, ভিন্ন-বেলেগ, প্ৰকৃতি-শক্তি, অষ্টধা-আঠবিধৰ।

মাটি (পৃথিৱী), পানী, জুই (তেজ), বায়ু, আকাশ, মন, বুদ্ধি আৰু অহংকাৰ এই আঠবিধ মোৰ ভিন্ন প্ৰকৃতি।

এই অষ্টবিধ প্ৰকৃতিক জড়া প্ৰকৃতি বা অপৰা প্ৰকৃতি বুলিও কোৱা হয়। এই শ্লোকত উল্লেখিত প্ৰথম পাঁচটা ক্ষিতি, আপ, তেজ, মৰুৎব্যোম পঞ্চ স্থূল সৃষ্টি। এ পিঞ্চ মহাভূতৰ লগত মন, বুদ্ধি, অহংকাৰ লগ হৈ অষ্টবিধ অপৰা প্ৰকৃতি বা নিকৃষ্ট শক্তি ঈশ্বৰৰ জগত সৃষ্টিৰ উপাদান। পাৰ্থিৱ জগত আৰু জীৱ সৃষ্টিৰ কাৰণে ভগৱানে আৰু ১৫টা তত্ব সৃষ্টি কৰেল। সেইকেইটা হ'ল—পঞ্চ কৰ্মেন্দ্ৰিয়, মুখ (বাক), পাণি (হাত), চৰণ (ভৰি), পায়ু (গুহ্য) আৰু উপস্থ (গুপ্তাঙ্গ), পঞ্চ জ্ঞানেন্দ্ৰিয় চকু, নাক, কাণ, জিভা আৰু ছাল। এই পাঁচটা জ্ঞানেন্দ্ৰিয়ৰ সহায়ত জীৱই পাৰ্থিৱ জগতৰ বিষয়সমূহ আচ্ছাদন কৰিবলৈ সকলো সময়তে ব্যস্ত হৈ থাকে। সেই পাঁচটা বিষয় হ'ল—কাণৰ দ্বাৰা শব্দ, চকুৰ দ্বাৰা ৰূপ, নাকৰ দ্বাৰা গন্ধ, জিভাৰ দ্বাৰা স্বাদ বা ৰস আৰু ছাল (ত্বক)ৰ দ্বাৰা স্পৰ্শ। এই পাঁচটা বিষয়ক পঞ্চতন্মাত্ৰা বুলিও কোৱা হয়। কিন্তু প্ৰাণ অবিহনে জীৱৰ এই সকলোবিলাক ইন্দ্ৰিয় আৰু তন্মাত্ৰা জড়। প্ৰাণহীন দেহত এই তত্বসমূহ নিষ্ক্ৰিয় অৱস্থাত থাকে। এক মাত্ৰ প্ৰাণ বা জীৱাত্মাহে চৈতন্য, বাকী সকলোবিলাক জড়। পাৰ্থিৱ জগত সৃষ্টিৰ কাৰণে এই চৱিশ তত্বক উপাদান হিচাবে লৈ ভগৱান কৃষ্ণই তিনিজন মহা বিষ্ণুৰূপ ধাৰণ কৰি তেওঁৰ শক্তিসমূহ প্ৰকাশ কৰে। পাৰ্থিৱ শক্তিক কৃষ্ণৰ পুৰুষাৱতাৰসমূহৰ শক্তিও বোলা হয়। প্ৰথম মহাবিষ্ণুৰূপে সকলো ভৌতিক (জীৱৰ) শক্তি সৃষ্টি

কৰে, যাক মহৎতত্ব বুলি কোৱা হয়। দ্বিতীয় জন গৰ্ভোদকশায়ী বিষ্ণুৰূপে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডতে প্ৰৱেশ কৰি বিভিন্ন বস্তু সৃষ্টি কৰে। তৃতীয় জন ক্ষীৰোদকশায়ী বিষ্ণু, যিয়ে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডতে বিয়পি পৰে। আনকি তেওঁ ক্ষুদ্ৰৰো ক্ষুদ্ৰতম হিচাপে অনু-পৰমাণুৰ ভিতৰতে প্ৰৱেশ কৰে।

গুৰু মাধৱদেৱে নামঘোষাত লিখিছে—

সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।। ৫৮৬

গতিকে দেখা যায় যে সৃষ্টি, স্থিতি আৰু বিনাশৰ মূল কাৰণ হ'ল ভগৱান কৃষ্ণ বা বিষ্ণু। এই ২৪ তত্বক একেলগে কোৱা হয় ক্ষেত্ৰ আৰু তত্বসমূহৰ প্ৰকাশ ঘটে দেহৰ মাধ্যমেৰে-বিশেষকৈ জীৱ শ্ৰেষ্ঠ মনুষ্যৰ শৰীৰৰ যোগেদি। যদিও প্ৰতিক্ষণে দেহত পৰিৱৰ্তন হৈ থাকে মুখ্যতঃ ছয় প্ৰকাৰ পৰিৱৰ্তন যেনে—জন্ম, বৃদ্ধি, স্থিতি, সৃষ্টি, লয় আৰু বিলোপ পৰিলক্ষিত হয়।

গীতাৰ ৭ম অধ্যায়ত ৫নং শ্লোকত কোৱা হৈছে—

অপৰেয়মিতস্ত্বন্যাং প্ৰকৃতিং ৱিদ্ধি মে পৰাম্।
জীৱভূতাং মহাবাহো য়য়েদং ধাৰ্যতে জগৎ।।

অপৰা+ইয়ম্+ইতঃ+তু+অন্যাম্=অপৰেয়মিতস্ত্বন্যাম্

অপৰা-নিকৃষ্ট, ইয়ম্-এইটো, ইতঃ-ইয়াতকৈ, তু-কিন্তু, অন্যাম্-বেলেগ, প্ৰকৃতিং-শক্তিক, ৱিদ্ধি-জানিবলৈ চেষ্টা কৰা, মে-মোৰ, পৰম-উৎকৃষ্ট, জীৱভূতাম্-জীৱসমূহৰ দ্বাৰা গঠিত, মহাবাহো-হে মহাবাহু (অৰ্জুন), য়য়া-যাৰদ্বাৰা, ইদং-এইটো, ধাৰ্যতে-ব্যৱহৃত হৈ আছে, জগৎ-জগতখন।

হে মহাবাহু অৰ্জুন, এইটো অৰ্থাৎ ৪নং শ্লোকত কোৱা শক্তিসমূহ মোৰ নিকৃষ্ট প্ৰকৃতি। কিন্তু ইয়াতকৈ উৎকৃষ্ট এটা পৰা প্ৰকৃতি আছে যিটো জীৱসমূহৰ দ্বাৰা গঠিত। যাৰ দ্বাৰা এই জড় জগতখন ধৃত হৈ আছে তাক জানিবলৈ চেষ্টা কৰা। ভগৱানৰ পৰা শক্তিৰ কাৰণে হে সকলোবিলাক নিকৃষ্ট শক্তি সক্ৰিয় হৈ থাকে। এই পৰা শক্তি জীৱসমূহৰ দ্বাৰাই গঠিত আৰু এই উৎকৃষ্টা শক্তি জীৱসমূহৰ ৰূপত থাকি জগত পৰিচালনা নকৰিলে জগত কেতিয়াও সক্ৰিয় হৈ থাকিব নোৱাৰে। সকলো বিলাক শক্তিৰ নিয়ন্তা কৃষ্ণ আৰু এই শক্তিৰ দ্বাৰা পৰিচালিত জীৱসমূহো ভগৱানৰ অধীন। কোনো জীৱই ভগৱানৰ সমান হ'ব নোৱাৰে। গতিকে ভগৱানৰ শৰণাপন্ন হোৱাটোৱে জীৱ মুক্তিৰ একমাত্ৰ উপায়।

সকলো ইন্দ্ৰিয় আৰু তত্ববিলাকৰ পৰিচালক শক্তি হ'ল প্ৰাণ। মানুহে কাৰ ইচ্ছাত বা কাৰ নিৰ্দেশত কেনেধৰণে কথা ক'বলৈ ইচ্ছা কৰে? কোনে চকু, কাণ আদি ইন্দ্ৰিয়বিলাকক নিজ নিজ বিষয়ত নিযুক্ত কৰে? মন বুদ্ধিৰ দ্বাৰা পৰিচালিত হয়। কিন্তু বুদ্ধিও জড় শক্তিহে। কিছুমানে ক'ব খোজে যে মন স্বাধীন, ইয়াৰ কোনো নিয়ন্ত্ৰক নাই। মনে নিজেই সঙ্কল্প বা বিকল্প কৰি ইন্দ্ৰিয়সমূহক প্ৰৰোচিত কৰে।

গুৰু মাধৱদেৱে মন, বুদ্ধি, অহঙ্কাৰ আৰু চিত্ত সম্পৰ্কে তলৰ ঘোষা কেইফাঁকি ৰচনা কৰিছে।

হে মন তোৰ কাম সঙ্কল্প বিকল্প ধৰ্ম
তেজি মিছা কামনাসকল।
সদায়ে সঙ্কল্প মাত্ৰ কৰিও সুহৃদ মন
কৃষ্ণ নাম পৰম মঙ্গল।। ৯২
শুনিয়োক বুদ্ধি হেৰ কেৱল নিশ্চয় ধৰ্ম
তেজি সৱে বিনাশী বিষয়।
সদা শুদ্ধ সুমঙ্গল অক্ষয় কৃষ্ণৰ নাম।।
তাকে মাত্ৰ কৰিও নিশ্চয়।। ৯৪
শুন হেৰ অহঙ্কাৰ নিচিন্ত আপোন মাৰ
মিছা অহম্মমক তেজিয়ো।
পৰম ঈশ্বৰ কৃষ্ণ হুয়োক তাহান দাস
সাধু সঙ্গে কৃষ্ণক ভজিয়ো।। ৯৫

শুনিয়োক চিত্ত হেৰ   পৰম ৰহস্য বাণী
তুমি শুদ্ধ জ্ঞানৰ আলয়।
কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ   পৰম ঈশ্বৰ দেৱ
নাছাড়িবা তাহান আশ্ৰয়।। ৯৬

ওপৰত উল্লেখ কৰা ঘোষা কেইটাত গুৰু মাধৱদেৱে মন, বুদ্ধি, অহংকাৰ আৰু চিত্তক লক্ষ্য কৰি উপদেশ দিছে। মন অতি চঞ্চল। এক মুহূৰ্তও মন স্থিৰ থাকিব নোৱাৰে। অথচ মন সকলো ইন্দ্ৰিয়ৰ অধিপতি বুলি কোৱা হয়। বিভিন্ন চিন্তা-ভাৱনা মনলৈ সদায় আহি থাকে আৰু গৈ থাকে। সকলো সুখ-দুখৰ কাৰণ মন। সঙ্কল্প আৰু বিকল্প মনৰ ধৰ্ম। গীতাৰ ৬ষ্ঠ অধ্যায়ৰ ৩৪নং শ্লোকত অৰ্জুনে মনৰ ধৰ্ম আৰু চৰিত্ৰৰ বিষয়ে কৃষ্ণক কৈছে—

চঞ্চলং হি মনঃ কৃষ্ণ প্ৰমাথি বলৱদ্দৃঢ়ম।
তস্যাহং নিগ্ৰহং মনো ৱায়োৰিব সুদুষ্কৰম্।।
৬-৩৪

পৰৱৰ্তি শ্লোকত অৰ্জুনৰ এই কথা কৃষ্ণই স্বীকাৰ কৰিছে যে সঁচাকৈ মনক নিয়ন্ত্ৰণ কৰাটো অতি কঠিন।

শ্ৰীভগৱান উৱাচ-ভগৱানে ক'লে, অশংশয়ম্-নিঃসন্দেহ, মহাবাহো-হে মহাবীৰ, মনঃ-মনটো, দুৰ্নিগ্ৰহম্-নিয়ন্ত্ৰণ কৰিবলৈ টান, চলম্-চঞ্চল, অভ্যসেন-অভ্যসৰ দ্বাৰা, তু-কিন্তু, কৌন্তেয়-হে কুন্তী পুত্ৰ, ৱৈৰাগ্যেন-বৈৰাগ্যৰ দ্বাৰা, চ-আৰু, গৃহ্যতে-বশীভূত কৰিব পাৰি। ভগৱান কৃষ্ণই ক'লে-হে মহাবীৰ কুন্তী পুত্ৰ, এইটো নিঃসন্দেহ যে মনটো নিয়ন্ত্ৰণ কৰিবলৈ টান আৰু ই অতি চঞ্চল। কিন্তু অভ্যাস আৰু বৈৰাগ্যৰ দ্বাৰ ইয়াক বশীভূত কৰিব পৰা যায়।

মন যদিও বুদ্ধিৰ দ্বাৰা পৰিচালিত হ'ব লাগে তথাপি ই ইমানেই শক্তিশালী আৰু বিদ্ৰোহী যে ই বিবেক বুদ্ধিৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈ নানা অঘটন ঘটায়।

কথোপনিষদত কোৱা হৈছে—

অত্মানং ৰথিনং ৱিদ্ধি শৰীৰং ৰথমেৱ চ।
বুদ্ধিং তু সাৰথিং ৱিদ্ধি মনঃ প্ৰগ্ৰহম্ এব চ।।
৩-৫৭

ইন্দ্ৰিয়ানি হয়ান্ আহুৰ্বিষয়াং স্তেষু গোচৰান্।
আত্মেন্দ্ৰিয়মনোযুক্তং ভোক্তেত্যাহুৰ্মনী ষিণঃ।।
৩-৫৮

আত্মানং-আত্মাক, ৰথিনং-ৰথী, ৱিদ্ধি-জানিবা, শৰীৰম্-ৰথম্ এৱ-নিশ্চয়কৈ, বুদ্ধিং-বুদ্ধিক, তু-কিন্তু, সাৰথিম্-সাৰথি, ৱিদ্ধি-জানি লোৱা, মনঃ-মন, প্ৰগ্ৰহম-লেকাম, ইন্দ্ৰিয়ানি-ইন্দ্ৰিয়বিলাক, হয়ান-ঘোঁৰা, আহুঃ-কোৱা হয়, বিষয়াম্-বিষয়লিকা, তেষু-তাত, গোচৰণ-সঞ্চাৰণ স্থান, আত্মা ইন্দ্ৰিয়মনোযুক্তম্-দেহ, মন ইন্দ্ৰিয় যুক্ত আত্মাক, ভোক্তেত্যাহুৰ্মনীষিণ্-ভোক্তা বুলি থাকে, মনীষিণ-মনীষিসকলে।

মানৱ দেহ ৰূপী ৰথৰ আৰোহীজন জীৱাত্মা, বুদ্ধি ৰথৰ সাৰথি, মনটো হ'ল লেকাম আৰু ইন্দ্ৰিয়বিলাক ঘোঁৰা। এইদৰে মন আৰু দেহৰ সহযোগত আত্মাই সুখ-দুখ ভোগ কৰে। মনীষিসকলে এইদৰে বুজি পাইছিল।

মন আৰু হৃদয় বা বিবেক এক অৰ্থবোধক। কিন্তু বিশ্লেষণ কৰিলে মন, হৃদয় বা বিবেকৰ সামান্য প্ৰভেদ পোৱা যায়। মন এটা সূক্ষ্মঅৱস্থাৰ নামেই হৃদয়। ব্ৰহ্মাণ্ডত যত বস্তু ধন-সম্পত্তি আদি আছে সকলোবোৰ লাভ কৰিলেও মন বা হৃদয় সন্তুষ্ট নহয়।

তিনিও লোকত যত আছে ধান্যধন।
যত দিব্য নাৰী আছে সুন্দৰী প্ৰধান।।
যত দিব্য ঘৰ-বাৰী বস্ত্ৰ অলঙ্কাৰ।
সবেও নোজোৰে এক মন লুভীয়াৰ।। ভাগৱত।

বুদ্ধি হ'ল সকলোবিলাক ইন্দ্ৰিয় আৰু দেহ তত্ত্বৰ পথ প্ৰদৰ্শক। গুৰু মাধৱদেৱে কৈছে—'হে বুদ্ধি, শুন, বিনাশী বিষয়ৰ চিন্তা ত্যাগ কৰি পৰম মঙ্গল কেৱল কৃষ্ণ নামকে নিশ্চয় কৰাটো তোৰ নিশ্চিত ধৰ্ম।' বুদ্ধিয়ে যদি

কৃষ্ণ নাম পৰিহাৰ কৰি কেৱল বিষয় বাসনাৰ কথা মনক সোঁৱৰাই থাকে তেন্তে মন আৰু বেছি চঞ্চল হৈ মৰিচিকাৰ পিছত দৌৰিব আৰু জীৱই নানা দুখ-কষ্ট ভোগ কৰি অধোগতি যাব।

গুৰু মাধৱদেৱে ৯৫নং ঘোষাত অহঙ্কাৰক সম্বোধন কৰি উপদেশ দিছে 'হেৰ অহঙ্কাৰ, তই শুন, জীৱৰ অধঃপতন আৰু বিনাশৰ কাৰণ তই। গতিকে মিছা অহঙ্কাৰ ত্যাগ কৰ। তই আঁতৰি গ'লেহে মনুষ্যই সাধু সংগ লৈ কৃষ্ণৰ দাস হৈ পৰম ব্ৰহ্ম কৃষ্ণক ভজিব পাৰিব। অহঙ্কাৰ সম্পৰ্কে কেন উপনিষদত এটা সৰু কাহিনী আছে। এবাৰ দেৱাসুৰৰ যুদ্ধত অসুৰবিলাক পৰাজিত হ'ল। দেৱতাবিলাকৰ মনত অহংকাৰ হ'ল যে এই জয় তেওঁলোকৰ নিজা শক্তিৰ দ্বাৰা কৰা হৈছে। দেৱতাবিলাকৰ মিছা অহংকাৰ চূৰ্ণ কৰি ব্ৰহ্মাই জ্ঞান দিবলৈ ইচ্ছা কৰিছিল। দেৱতাসকলে ব্ৰহ্মাৰ আৱিৰ্ভাৱ অনুভৱ কৰিব নোৱাৰিলে আৰু ব্ৰহ্মাক চিনি নাপালে। কাৰণ অহংকাৰ যুক্ত সকলো জীৱ অজ্ঞান আন্ধাৰত পতিত হৈ থাকে। দেৱতাসকলৰ সন্মুখত আৱিৰ্ভাৱ হোৱা যক্ষ ৰূপী ব্ৰহ্মাক জানিবলৈ ইচ্ছা হৈছিল। সেই উদ্দেশ্য অগ্নিযক্ষৰ ওচৰলৈ গ'ল। যক্ষই অগ্নিক সুধিলে তুমি কোন? অগ্নিয়ে ক'লে—মই জাতবেদা অগ্নি। অগ্নিৰ অহংকাৰ আৰু এখোপ চৰি গ'ল আৰু ক'লে যে পৃথিৱীত সকলো বস্তুকে দহন কৰিব পাৰে। যক্ষই অগ্নিৰ সন্মুখত তৃণ এদাল তুলি লৈ 'এতৎ তহ ইতি'। অৰ্থাৎ 'এইটো দগ্ধ কৰা।' অগ্নিয়ে তৃণদালক সামান্য জ্ঞান কৰি পৰম উৎসাহে দহন কৰিবলৈ আগবাঢ়ি গ'ল। কিন্তু অগ্নিয়ে সামান্য তৃণদালক দহন কৰিব নোৱাৰিলে। সমস্ত শক্তি প্ৰয়োগ কৰিও সামান্য তৃণদালক দহন কৰিব নোৱাৰি অগ্নি ইন্দ্ৰৰ ওচৰলৈ ঘূৰি গ'ল।

দ্বিতীয়বাৰ দেৱতাসকলে যক্ষৰ ওচৰলৈ বায়ুক পঠালে। মহাপৰাক্ৰমী বায়ু অহংকাৰত মত্ত হৈ উত্তৰ দিলে যে তেওঁ পৃথিৱীৰ সকলোবস্তু উৰুৱাই লৈ যাব পাৰে। ব্ৰহ্মাই বায়ুৰ সন্মুখত তৃণ এদাল ধৰি ক'লে 'এতৎ আদস্ব ইতি।' এইটো গ্ৰহণ কৰা।' কিন্তু বায়ুয়ে সকলো শক্তি প্ৰয়োগ কৰিও তৃণটি লবাব নোৱাৰিলে। বায়ুও লজ্জিত হৈ উলটি গৈ দেৱতাসকলক ক'লে।

নামঘোষাৰ ৯৬নং শ্লোকত মাধৱ গুৰুৱে চিত্তক সম্বোধন কৰি যি ৰহস্যপূৰ্ণ বাণী শুনাইছে সেইটো আমাৰ সকলোৰে কাৰণে ৰহস্যপূৰ্ণ উপদেশ। গুৰু মাধৱদেৱৰ দ্বাৰা ৰচিত উক্ত ঘোষা কেইফাঁকিৰ পৰা আৰু গীতাৰ ৩৫নং শ্লোকৰ পৰা এই সিদ্ধান্তত উপনিত হ'ব পাৰি যে অভ্যাসৰ দ্বাৰা আৰু বৈৰাগ্যৰ দ্বাৰা চঞ্চল মনক নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হয়। বৈৰাগ্যৰ প্ৰথম খোজটো হ'ল ভগৱন্তৰ চৰণত শৰণ, তাৰ পাছত ভজন আৰু সেৱা। এই তিনিটাক নিত্য কৰ্মৰ অন্তৰ্গত কৰি দেহত শক্তি থাকে মানে অভ্যাস আৰু সাধু-সংগৰ লগত চৰ্চা কৰি থাকিলে মন আৰু বুদ্ধি কেতিয়াও বিপথে পৰিচালিত নহয়। বৈষয়িক চিন্তা-চৰ্চা কৰি থকা মানুহে অহংকাৰ দমন কৰি ভগৱন্তৰ চৰণত শৰণাপন্ন হ'ব নোৱাৰে। সেই কাৰণে বৈষয়িক চিন্তা-চৰ্চাৰ মাত্ৰা কমাই আনি মনটো সদায় কৃষ্ণৰ লীলা-খেলা, নাম-গুণ-যশ, আশ্চৰ্য মহিমা আদিত নিয়োজিত কৰিলে চিত্ত নিৰ্মল হয় আৰু শুদ্ধ চিত্তত হে অজ্ঞান আন্ধাৰ দুৰিভূত হৈ ব্ৰহ্মজ্ঞানৰ উদয় হয়। কৃষ্ণ নাম অবিনাশী আৰু অক্ষয়। এই অক্ষয় আৰু অবিনাশী হৰি নামক নিশ্চয় কৰি বুদ্ধিয়ে মনক সিদ্ধান্ত দিলে মনুষ্যৰ চঞ্চল মনে ধীৰ স্থিৰ শান্ত -শিষ্ট হৈ পৰম সুখ-শান্তি আৰু বিমল আনন্দ লাভ কৰিব। ◆◆

জয় গুৰু শংকৰ।।



জেং বিহুৰ উত্তৰণ

শান্তি ছাঁয়া ৰয়

বছৰৰ প্ৰথম মাহ ব'হাগ আৰু ব'হাগ মানেই বিহু। অসমীয়া জাতিৰ হেনো হিয়াৰ আমঠু। এই বিহুৰ লগত অসমীয়া জনজীৱনৰ সম্পৰ্ক এনেভাৱে সংপৃক্ত হৈ আছে তাক পৃথক কৰি উলিওৱা বৰ টান। বিহুৰ পৰম্পৰা প্ৰাচীন বুলি ক'লেই সকলো শেষ হৈ নাযায়। বিহু মানেই অসমীয়া আৰু অসমীয়া বুলি ক'লে প্ৰথমে বিহুৰ কথাই মনলৈ আহে। বিহুৰ সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত ডাঙি ধৰিলেও বিহুৱেই হৈছে অসমীয়াৰ প্ৰেমময়, ছন্দোময় আনন্দৰ স্বতঃস্ফূৰ্ত ভাৱৰ প্ৰকাশ। মূলতঃ কৃষিভীত্তিক বুলি ধৰি ল'লেও ইয়াৰ লগতে সাঙুৰ খাই আছে অসমৰ শিল্প সংস্কৃতি, স্নেহময় ভাৱ প্ৰকাশ। একতা আৰু সমন্বয়ৰ ছবি। গ্ৰাম্য জীৱনৰ শ্ৰমজীৱি লোকৰ আনন্দৰ উৎস বিহু।

বিহু বুলি ক'লে মনলৈ সহজে ৰঙালী বিহুৰ কথাই আহে। বৰ্তমান অৱশ্যে ভোগালী, ৰঙালী, কঙালী সকলো একাকাৰ হৈ পৰিছে। বসন্তৰ যৌৱন ওপচা, ৰূপ-ৰঙে ভৰা প্ৰকৃতি, নাচ, নাম, ঢোলৰ চাপৰ, পেঁপা-গগণাৰ সুৰৰ মাজত বহুতে নজনাকৈ আৰু এটি নাম সাঙুৰ খাই আছে। 'জেং বিহু। এই বিহুৰ সম্পৰ্কে কোনো লিখিত বিৱৰণ নাই যদিও কোনোবা বিহুৱতী গাভৰুৱে নামাকৰণ কৰিছিল বুলি অনুমান কৰি ল'ব পাৰি। এই 'জেং' শব্দটোৰ লগত চীন দেশৰ সম্পৰ্ক আছে বুলি ড° পুষ্পা গগৈদেৱেও উল্লেখ কৰিছে। জেং বিহুক মাইকী বিহু অথবা গাভৰু বিহু বুলিও কোৱা হয়। জেং বিহু আন এক অৰ্থত প্ৰতিবন্ধক বুলিও ক'ব পৰা যায়। আগৰ দিনত পুৰুষৰ লগ হৈ গাভৰুৱে বিহু মৰা নাছিল। অথবা বয়োজ্যেষ্ঠসকলৰ নীতি-নিয়মক উলংঘন কৰি গাভৰুহঁতে বিহু মাৰিবৰ বাবে কোনো ডেকাল'ৰাৰ লগ বিচাৰিও যোৱা নাছিল। সেইবাবেই হয়তো মনৰ আনন্দ বাধা দিব নোৱাৰি কোনোবা নদীৰ পাৰ, বৰগছৰ তললৈ ঢাপলি মেলিছিল। তেজ-মঙহৰ গাভৰু মন। নাহৰ-তগৰে আমোলমোলোৱা বতৰত এপাক নানাচি থাকিব পাৰিলে! সেই বাবেই ছাগে সৃষ্টি হ'ল জেংবিহু।

জেং বিহু উজনি অসমৰ গাভৰুহঁতৰ অতি মৰমৰ অতি চেনেহৰ

বিহু। যৌৱন গৰকা গাভৰুহঁতৰ মনৰ বতৰা প্ৰকাশ কৰাৰ সময় এয়া। খোপাত কপৌফুল গুজি, খেনোৰে টকা-গগনা লৈ বিহুৱতী গাভৰুৱে পথাৰে পথাৰে দৌৰে সমনীয়াক বিচাৰি। নদীৰ বালি চাপৰি বৰগছৰ তল, গাঁৱৰ মূৰৰ হাবিতলীয়া ঠাইত তৰিলে এইখন মাইকী বিহু। জানিব পৰা মতে জেংবিহু তিনি দিন বা সাতদিন ধৰি মাৰিছিল। প্ৰয়াত তীৰ্থফুকন দেৱৰ ভাষাৰে জেং বিহুক নাৰী মুক্তিৰ প্ৰথম প্ৰয়াস বুলিও ক'ব পৰা যায়। সময় গতিশীল। সময়ৰ লগে লগে এই বিহুক সকলোৱে পাহৰি পেলালে। হুঁচৰিক ঢোলে-ডগৰে ৰাজসভা শুৱনি কৰাৰ বিপৰীতে জেং বিহুক জেং দিয়েই পুতি ৰাখিলে।

জেংবিহু অসমৰ সকলোতে প্ৰচলিত নহ'লেও উজনি অসমৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শদিয়া, সাপেখাটী, বৰহাট, শিৱসাগৰ আদি বহু অঞ্চলৰ ভিতৰুৱা গাঁৱত এতিয়াও বিশেষভাৱে জনাজাত। বৰাহীবাৰী জেং বিহু, বৰহাট, জেজলী, নামতি, বৰতল, আদি বিভিন্ন ঠাইত এতিয়াও জেং বিহু প্ৰচলন হৈ আছে। বয়সীয়া দুই এক বোৱাৰী-জীয়ৰীয়ে লগ লাগি একেলগে বিহু মৰাৰ কথা মোৰ আইটাৰ মুখত শুনা মনত পৰে। সেয়েহে হয়তো কোনোবা বোৱাৰী বিহুৱতীয়ে গাভৰুৰ সৈতে লগলাগি বিহু নাম জুৰিছিল—

'শহুৰে গৈছিলে পহু মাৰিবলৈ
শাহুৱে পাতিলে চৰু;
পায়ে কি নেপায়ে বনৰে হৰিণা
মাৰি যাওঁ গোহালিৰ গৰু।'

এনেদৰে হয়তো লগৰ সমনীয়াক ধেমালি কৰি বিহুনাম গোৱাৰ নিদৰ্শনা আছে। বিহুতলিত কোনোবা ডেকাই ইকৰা বিৰিণা ফালি জেং বিহু চোৰা গাভৰুৰ চকুত ধৰা পৰিলে ঠেলা নামেৰে গাভৰুৱে ডেকাক থকা-সৰকা কৰিছিল—

মাছ মাৰিবলৈ গৈছিলো
মাছত পালো শিঙী
তেনেকৈ ৰ'লাগি নাচাবি ককাইটি
ভনীহঁতে বুলিব ভিনী।'

খাটি-খোৱা অসমীয়াৰ মনৰ ভাৱ প্ৰকাশৰ একমাত্ৰ মাধ্যম বিহুনাম। বিহুনামৰ যি সাৱলীলতা, যি মাধুৰ্য্য যাৰ ভাষা সহজ-সৰল, কোমল মনোমোহা গ্ৰাম্যজীৱনৰ অনুভূতিৰে পৰিপূৰ্ণ। সেই বিহু নাম আজি-কালি ডেকা-গাভৰুৰ মুখত শুনিবলৈ পোৱা নাযায়। জেং বিহুত পোৱা বিহুনামবিলাক সমনীয়াক জোকাই চুপতি ধেমালি আৰু মনৰ আনন্দত গোৱা নামহে। এই বিহুত কোনো ধৰণৰ অশ্লীলতা, লঠঙা বিহু নাম গোৱা নহৈছিল। কৃষ্টি প্ৰকৃতিৰ সম্পৰ্ক ৰাখি বেউলা লক্ষীন্দৰ প্ৰেম কাহিনীবৰ্ণিত বিহু নাম আৰু জনসাধাৰণৰ গ্ৰহণযোগ্য নামহে গোৱা হৈছিল। যোৰা নাম বিহু নামৰ এক অভিনৱ সৃষ্টি। বেউলা লক্ষীন্দৰ প্ৰেম কাহিনী বৰ্ণিত বিহু নামবোৰ এনে ধৰণৰ—

হে'ৰা সতী বেউলা
লক্ষীন্দৰৰ পুতলা
স্বামীকনো হেৰুৱালা ক'ত?
লোহাৰ ঘৰৰ ভিতৰত
স্বামীক সৰ্পে দংশিলে
পুনৰ মিলন হ'লানো ক'ত?

এটা সময়ত হাতৰ চাপৰি, টকা-গগনা আৰু ভৰিৰ গিৰিগণিৰ শব্দই গাঁৱৰ আকাশ-বতাহ কঁপাই তুলিছিল। চাৰিওদিশে কেৱল বিহু নাম। শুনি আমনি নলগা এটা মধুৰ পৰিৱেশ। ভাবি এতিয়াও ভাল লাগে।

জীয়ৰী কালতে শিৱসাগৰৰ ৰংমন হুঁচৰি দলৰ লগত বিহু প্ৰদৰ্শণ কৰিবলৈ গুৱাহাটীলৈ অহা মনত পৰে।

সেয়া সত্তৰ দশকৰ কথা। পশ্চিম গুৱাহাটী, ৰাজগড়, পুলিচ ৰিজাৰ্ভ, নুনমাটি, ৰঙিয়া, আদি বিভিন্ন ঠাইত বিহু প্ৰদৰ্শণ কৰি দৰ্শকৰ যথেষ্ট মৰম-আদৰ পাইছিলো। টাকুৰী ঘূৰাদি ঘূৰি ঘূৰি নাচি কিমান যে আনন্দ লাগিছিল সেই কথা পাহৰিব নোৱাৰি। মোৰ ককাইদেউ ডম্বৰু বৰুৱা আছিল বিহু নামত পাৰ্গত। ঢুলীয়া ৰত্নেশ্বৰ কোঁৱৰ ককাইদেউৰ ঢোলৰ ছেওবোৰ এতিয়াও যেন কাণত বাজি আছে। সেই সময়ৰ কথাই বেলেগ আছিল বিয়াৰ পিছত ও সেই লোভ সামৰিব পৰা নাছিলো। সেয়ে বিহুনচাৰ হেঁপাহ পুৰাবৰ বাবে মনতে ভাবিলো সৰুৰে পৰা শুনি অহা জেংবিহুৰে দল এটি উলিয়াই লৈ বিহু সন্মিলনত প্ৰদৰ্শণ কৰিলে কেনে হয়। মোৰ আইটাৰ (আমি মাক আইতা বুলি মাতিছিলো) লগত আলোচনা কৰি দুটামান জেং বিহুৰ নাম সংগ্ৰহ কৰি লৈছিলো আৰু সেইদৰেই আগবাঢ়ি যাবলৈ সাহস পাইছিলো। অৱশ্যে শহুৰৰ ঘৰখনে আগবঢ়াই নিদিয়া হ'লে মই এই ক্ষেত্ৰত আগবাঢ়িব নোৱাৰিলোহেঁতেন। স্বামী দুলাল ৰয়ৰ পৰাও যথেষ্ট উৎসাহ পাইছিলো। গুৱাহাটীৰ শান্তিপুৰৰ মহিলা কেইগৰাকী মানকলৈ কিবা এটা কৰাৰ অত্যন্ত হেঁপাহ। ভবামতে কাম। মঞ্চত প্ৰথমবাৰৰ বাবে জেং বিহু উপস্থাপন কৰিব লাগিব। জেং বিহুৰ সম্পৰ্কে শিল্পীসকলৰ মনত নানানটা প্ৰশ্ন। প্ৰশ্ন উঠাৰে কথা। কাৰণ জেং বিহু উজনি অসমতহে প্ৰচলিত। নামনি অসমৰ ফালে বিহু হুঁচৰি, ৰাতি বিহু, জেং বিহু এই সম্পৰ্কে কোনো ধাৰণাই হোৱা নাছিল। সকলোকে বুজাই-বঢ়াই এটি দল গঠন কৰা হ'ল। তেওঁলোকৰ আগ্ৰহ দেখি মনত সঁচাকৈয়ে দুৰ্বাৰ শক্তি লাভ কৰিছিলো। দলটিত মোৰ পেহী শাহু শ্ৰীযুতা অনুপমা ভূঁএগ, মোৰ জা তৰুদেৱী ৰয়, বাইদেউ যুগব্ৰতা দত্ত (ৰায় চৌধুৰী) ননদ পাঞ্চালী, ছন্দা, ঝিনু, বন, মানসী অঞ্জু আদি বাৰগৰাকীমান জীয়ৰী-বোৱাৰীক লৈ শান্তিপুৰ আশ্ৰম ৰ'ডৰ পুৰণি প্ৰাথমিক বিদ্যালয়ত জেং বিহুৰ আখৰা আৰম্ভ কৰিলো। জেং বিহুক কলাৰ মাধ্যমেৰে কেনেকৈ মঞ্চত উপস্থাপন কৰিব পাৰি তাকেই প্ৰকাশ কৰিবৰ বাবে ১৯৭৮চনত পশ্চিম গুৱাহাটী বিহুতলীত আমাৰ দলটিয়ে প্ৰথমবাৰৰ বাবে জেংবিহু প্ৰদৰ্শন কৰে।

সেই সময়ৰ কথা আজিও মনত পৰে। মোৰ শহুৰ দেউতা প্ৰয়াত কিশোৰী মোহন ৰয়, বৰজনা প্ৰয়াত হেমেন্দ্ৰ কুমাৰ ৰয়ে লুকাই লুকাই মনে মনে জেং বিহু চাবলৈ গৈছিল। দৰ্শকৰ শাৰীৰ পৰা বহু আঁতৰত থাকিহে তেখেতসকলে বিহু চাইছিল। অৱশ্যে আবুক (আইতা) গাড়ীৰে আনি আগত বহুৱাই ৰাখিছিল নাতি-বোৱাৰীৰ বিহুনাচ চাবলৈ। শান্তিপুৰৰ প্ৰায়বোৰ মহিলাই বিহুনাচ চাবৰ বাবে ভিৰ কৰিছিলহি। কাৰণ নামনি অসমৰ লোকে জেং বিহু সম্পৰ্কে ধাৰণাই কৰিব পৰা নাছিল। তাতে ভালে কেইগৰাকী বিবাহিতা মহিলা। সম্ভ্ৰান্ত পৰিয়ালৰ বিবাহিতা বোৱাৰীয়ে মঞ্চত উঠি বিহু নচাটো বোধহয় শোভনীয় নাছিল। অৱশ্যে আমাৰ ঘৰখনৰ পৰা সম্পূৰ্ণ সঁহাৰি পোৱাৰ বাবে আগবাঢ়ি আহিবলৈ সাহস গোটাব পাৰিলো। স্বামীয়েও সম্পূৰ্ণ সহযোগ আগবঢ়াইছিল। দৰ্শকৰ প্ৰশংসা লাভ কৰি সেই বছৰতেই গুৱাহাটীৰ বিভিন্ন বিহুমঞ্চত জেং বিহু প্ৰদৰ্শণ কৰা হয়। তাৰ পিছৰে পৰা লতাশিল, নাৰেঙ্গী, গণেশগুৰি বেলতলা, বশিষ্ঠ আদি গুৱাহাটীৰ বিভিন্ন ঠাইত জেংবিহু প্ৰদৰ্শণ কৰা হৈ আহিছে। সময়ৰ বুকুত হেৰাই যোৱা উজনিৰ জেং বিহু পুনৰ উজ্জীৱিত কৰি ৰাইজৰ মাজলৈ উলিয়াই অনাৰ প্ৰয়াস কৰা হৈছে। বিভিন্ন লোক সংস্কৃতিৰ লগতে অসমৰ জেং বিহু যাতে পুনৰ প্ৰতিষ্ঠা হয় তাৰ বাবে আপ্ৰাণ চেষ্টা কৰা হৈ আহিছে।

১৯৯০ চনত 'জোনবিৰি' নামেৰে পুনৰ দল এটি গঠন কৰি শ্ৰীমতী মাধুৰীমা চৌধুৰী, চেতনা দাস, মিনু বনিয়া, প্ৰীতি কোঁৱৰ, ইন্দুমতী গোঁহাই, উমানন্দা বৰুৱা, কণিকা শইকীয়া, প্ৰতিভা বৰুৱা, শেৱালী গোঁহাই, বৰ্ণালী দাস আদি শিল্পীক লৈ প্ৰথমবাৰৰ বাবে গুৱাহাটী দূৰদৰ্শণযোগে জেং বিহু পৰিৱেশন কৰা হয়। কাক'পথাৰৰ নাচনীয়ে কলিয়া ৰিহাপিন্ধি তোলপাৰ লগোৱাৰ পিছত 'জোনবিৰি' দলটিৰ গাত কলিয়া ৰিহা দেখি প্ৰবীন নৃত্যবিদ প্ৰয়াত প্ৰদীপ চলিহা দেৱে প্ৰশংসা কৰি বাতৰি কাকতত লিখিছিল—'গাভৰুসকলে মৰাণ সম্প্ৰদায়ৰ কলিয়া ৰিহা পিন্ধি নাচিলেও নাচটো কিন্তু মৰাণৰ নাচ নাছিল।' সঁচাকৈ দেখাত জীয়ৰী প্ৰয়াত সত্য প্ৰসাদ বৰুৱাদেৱেও জেং বিহুৰ সম্পৰ্কে সুন্দৰ মন্তব্য Assam Tribune কাকতত প্ৰকাশ কৰিছিল। দূৰদৰ্শণযোগে বিহু মৰাৰ বাবে দেখনিয়াৰ হোৱাকৈ ফুলবছা মুগাৰ মেখেলা, গুটি বছা ৰঙা দীঘলহাতৰ ব্লাউজ, কলিয়া ৰিহাৰ কথা চিন্তা কৰা হৈছিল। সেইমতে সকলো শিল্পীয়ে সহযোগ কৰাৰ বাবে আনন্দিত হৈছিলো। কাৰো দ্বীমত নাছিল। আটাইকেইগৰাকী শিল্পীয়েই সম্ৰান্ত পৰিয়ালৰ বোৱাৰী আছিল যদিও একান্ত বাধ্য ছাত্ৰীৰ দৰেই সকলো কথা মানি লৈছিল। শ্ৰীমতী পূৰ্ণিমা শইকীয়াৰ প্ৰযোজনাত গুৱাহাটী দূৰদৰ্শণযোগে প্ৰথম জেং বিহু প্ৰচাৰ কৰা হৈছিল।

আমাৰ 'জোনবিৰি' দলটিলে ১৯৯১ চনত কলিকতাৰ পূব মাণ্ডলিক সাংস্কৃতিক সমাৰোহত অংশ গ্ৰহণ কৰি যথেষ্ঠ সমাদৰ লাভ কৰিছে। বোধকৰো সেইবাৰেই অসমৰ বাহিৰত প্ৰথম প্ৰদৰ্শন কৰা হৈছিল অসমৰ জেং বিহু। ৰবীন্দ্ৰ সদনৰ প্ৰেক্ষাগৃহত জাউৰিয়ে জাউৰিয়ে হাত চাপৰি বজাইছিল। তেতিয়াৰ পশ্চিমবঙ্গৰ ৰাজ্যপাল তথা পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ অধ্যক্ষ এচ. নুৰুল হাচান ডাঙৰীয়াই প্ৰদান কৰা তাম্ৰপত্ৰ খনিৰ লিখনিটো ইয়াত প্ৰকাশ কৰাৰ লোভ সামৰিব নোৱাৰিলো।

Eastern Zonal cultural centre

Presented to

Smt. Santi Chaya Roy and her Troupe Jonbiri Group in appreciation of their Performance on July 22, 1991 at Rabindra Sadan, Calcutta

(S. Nurul Hassan)

Governor of west Bengal of chairman Eastern Zonal Cultural centre.

ইয়াৰ উপৰিও ১৯৯২ চনত কোনাৰ্ক নৃত্য মহোৎসৱলৈ আমন্ত্ৰিত হৈছিলো। অৱশ্যে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত হিঁচ পাতিহে বাছনি কৰিছিল। অসমৰ বহু দূৰদূৰণিৰ দল আহি বাছনি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা আমাৰ সকলোৰে মনত আছে। ১৯৯৫ চনত পুনৰ পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰই আয়োজন কৰা লোকনৃত্য সমাৰোহ, ১৯৯৬ চনত কলিকতাৰ চল্টলেকত আয়োজিত 'অসম দিৱস'ৰ সাংস্কৃতিক অনুষ্ঠানত অসমৰ জেংবিহু দেখি সকলো অভিভূত হৈ পৰিছিল। ঢোল, পেঁপা নোহোৱাকৈ কেৱল হাতৰ চাপৰি, ভৰিৰ গিৰিপণি টকা গগনা, নাম নাচৰ মাজেদি একোখন বিহু কেনেকৈ প্ৰাণৱন্ত হৈ উঠে নেদেখিলে বুজা টান। 'অসম দিৱস'ৰ সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান চাই প্ৰয়াত ড° ভূপেন হাজৰিকাদেৱে ভূয়সী প্ৰশংসা কৰিছিল। মঞ্চলৈ উঠি আহি আমাক সকলোকে আশীৰ্বাদ দিছিল আৰু বিহুনাম গাবলৈ আৰম্ভ কৰিছিল।

সেই সময়ত আমি আপোন পাহৰা হৈ নাচিবলৈ ধৰিছিলো। সঁচাকৈ আমাৰ পৰম সৌভাগ্য বুলিয়েই ক'ব লাগিব। ইয়াৰ পিছতে প্ৰয়াত ড° ভূপেন হাজৰিকাদেৱৰ এখন তথ্যচিত্ৰত জেংবিহু পৰিৱেশন কৰাৰ বাবে আমন্ত্ৰণ পাইছিলো। আনহাতেদি আমাৰ দলটিয়ে অসম উপত্যকা সাহিত্য বঁটা প্ৰদান অনুষ্ঠান কমলকুমাৰী বঁটা প্ৰদান অনুষ্ঠান, আলি-আই-লিগাং ছাত্ৰসন্থা আদি বহুবোৰ অনুষ্ঠানত জেংবিহু প্ৰদৰ্শন কৰাৰ সুবিধা লাভ কৰিছিলো। সেই সময়ত জেংবিহু পৰিৱেশন কৰা কোনো দল নাছিল বুলিয়েই ক'ব পাৰি। তাতে আকৌ শৃংখলাবদ্ধভাৱে। এনেদৰে জেংবিহুৱে ৰাইজৰ মৰম বুটলি আগবাঢ়ি গৈ থাকিল।

আই চি চি আৰৰ যোগেদি মস্কোত লোকনৃত্য পৰিৱেশনৰ বাবে গুৱাহাটীত বাছনি প্ৰতিযোগিতা আয়োজন কৰিছিল। অসমৰ ভালেকেইটা দলৰ লগত আমাৰ জেংবিহুৰ দলটিয়েও অংশগ্ৰহণ কৰিছিল। শ্ৰেষ্ঠ দল নিৰ্বাচন কৰিবৰ বাবে তেতিয়াৰ আই চি চি আৰ (ICCR)ৰ Director General বীনা চিক্ৰিৰ, সুনীল মেহদী ৰেট্টা, ৰতন থিয়ম গুৱাহাটীলৈ আহিছিল। নিৰ্বাচন প্ৰক্ৰিয়াত আমাৰ জেং বিহুৰ দল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিহু দলটি দুয়োটাই বাছনিত উঠিছিল। কিন্তু আমাৰেই দুৰ্ভাগ্য ভাৰতৰ বাহিৰত যোৱাৰ সুবিধা নাপালো। কিন্তু Director General বীনা চিক্ৰিৰ প্ৰশংসাযুক্ত মন্তব্যই মোক এতিয়াও প্ৰেৰণা যোগায়।

বেলতলাৰ বৰ্তমান যি ঠাইত শনি মন্দিৰ স্থাপন কৰা হৈছে। একালত সেই ঠাইত এটা বাঁহৰ ঘৰ আছিল। বোধহয় ক্লাৱেই আছিল নেকি! বেলতলা বশিষ্টৰ ভালে কেইগৰাকী শিল্পীক লৈ পুনৰ জেং বিহু দল এটি গঠন কৰি সেই ঘৰটোতেই আখৰা কৰিছিলো জেংবিহুৰ। সকলোৰে নাম মনত নাথাকিলেও বুলু লালুং, মঞ্জুত ইন্দুমতী আদি কেইবাগৰাকীও শিল্পীৰ সহযোগত জেংবিহু প্ৰদৰ্শন কৰা হৈছিল গুৱাহাটীৰ বহু ঠাইত। তাৰ পিছৰে পৰা ঘূৰি চাব লগা হোৱা নাই। বিভিন্ন ঠাইৰ মহিলা শিল্পীসকলক লগ পাইছো। বিভিন্ন দল, সংগঠনিক জেং বিহুৰ নাচ-নাম শিকাই দিয়াৰ চেষ্টা কৰিছো। কেৱল জোনবিৰি দলটিৰ শিল্পীসকলৰ নাম হ'লেই সম্পূৰ্ণ নহ'ব। এইখিনিতে কলিকতা আৰু গুৱাহাটীৰ বিভিন্ন বিহু মঞ্চত জেং বিহু পৰিৱেশন কৰা বহু মহিলা শিল্পীৰ নাম নল'লে পাপে চুব। কাৰণ তেওঁলোকে যেনেদৰে সহযোগ কৰি প্ৰত্যেকটো অনুষ্ঠান সৰ্বাঙ্গ সুন্দৰ কৰি তুলিছিল সেইকথা মই কেতিয়াও পাহৰিব নোৱাৰো। জেং বিহু সংৰক্ষণ, সংবৰ্দ্ধন আৰু উত্তৰণৰ ক্ষেত্ৰত এই মহিলা শিল্পীসকলৰ অৱদান উল্লেখনীয়। শিল্পীসকল আছিল—ক্ৰমে শ্ৰীমতী মিনতি কোঁৱৰ, মন্দিৰা গগৈ, হিমাদ্ৰী কোঁৱৰ, মনালিছা কোঁৱৰ, মিলি কোঁৱৰ বিমলা নাজিৰ, ঘুনুচা চাগৈ বৰুৱা, মনিমালা দাস, লেখা বৰা, অন্তৰা দেৱী, বিজেতা বৰুৱা, মুনমুন দাস, মধুৰ কঙ্কনা ৰয়, সুমধুৰ ৰয়, বিদিশা ৰয়, বৰ্ণালী দাস, গীতা কোঁৱৰ, জুৰি বৰুৱা, ভাৰতী হাজৰিকা, পাৰুল বৰুৱা, পুষ্প মাউত, ৰঞ্জু বুঢ়াগোঁহাই, মানসী গগৈ, ভানু কোঁৱৰ, গৌৰী কোঁৱৰ বড়ো, বেলতলাৰ লাক শ্ৰীমতী শৰ্মা আৰু বহুতো শিল্পীৰ নাম মনত পেলাবই পৰা নাই। এতিয়ালৈকে এইসকল শিল্পীৰ সৈতে মোৰ গভীৰ সম্পৰ্ক আছে।

জেংবিহুত কলিয়া ৰিহাখনক গুৰুত্ব দিয়াৰ বাবে এটা সময়ত বহুতে বেয়া পাইছিল। এতিয়া অৱশ্যে যাৰে যি মন যায় তাকেই কৰে। কওঁতাও নাই, শুনোতাও নাই। এসময়ত এই ৰিহাখনিক লৈ বাক-বিতণ্ডাৰ সৃষ্টিও হৈছিল। দুই একে কোৱা মনত পৰে কলিয়া ৰিহা

অসমীয়াৰ বিহুত কিয়? অসমীয়াৰ চাৰি পাঁচ হাজাৰ টকীয়া মুগাৰ মেখেলা-চাদৰ নাই নেকি? আমি ক'ব খোজো মৰাণসকলে ব্যৱহাৰ কৰা এই কলিয়া ৰিহা অসমীয়াৰ নহয় নেকি? ড° পুষ্প গগৈদেৱৰ মতে আহোমসকলেও পূৰ্বতে ক'লা মেখেলা চাদৰ ৰিহা বেছি পচন্দ কৰিছিল। বিহুৱতী গাভৰীয়ে মুগাৰ জকমকীয়া মেখেলা চাদৰ যে পিন্ধিবই লাগিব তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই। ফুলাম কঁপাহী কাপোৰ এসাজেও বিহুৱতীৰ দেহত আকৰ্ষণীয় স্বৰূপ হৈ পৰিব পাৰে।

এতিয়া বিহু বহু প্ৰকাৰৰ হৈছে। মুকলি বিহু, হুঁচৰি, গাভৰু বিহু, বোঁৱাৰী বিহু, মহিলাৰ বিহু, আইতাৰ বিহু, জেংবিহু আৰু যে কত কি! মূলতঃ বিহু আনন্দৰ মাধ্যম বুলি ভাবিলেও বৰ্তমানে কিন্তু ব্যৱসায় মাধ্যম হোৱা যেন দেখা গৈছে। অসমৰ পুৰণি কলিয়া পৰম্পৰাগতভাৱে চলি অহা জেং বিহুক জীয়াই ৰাখিবৰ বাবে প্ৰয়াস কৰি অহা হৈছে। বহুতো ঘাত-প্ৰতিঘাত পাৰ কৰি আহিছো। ২০০০ চনত কাগজে পত্ৰই জেং বিহুক লৈ বেচ আলোড়নৰ সৃষ্টি হৈছিল। সেই কথা নিশ্চয় সকলোৰে মনত আছে। শেহতীয়াকৈ বেলতলাৰ ত্ৰিবেণী মহিলা চ'ৰাৰ সহযোগত ২০০১ চনত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সদৌ অসম ভিত্তিত জেংবিহু প্ৰতিযোগিতা প্ৰথমবাৰৰ বাবে আয়োজন কৰিছিলো। উদ্বোধন কৰিছিল সাহিত্যিক, শিল্পী শ্ৰীযুতা তুলতুল বৰুৱা বাইদেৱে। অসমৰ চুকে কোণে থকা ৩৪টা জেংবিহুৰ দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৰবীন্দ্ৰ ভৱনৰ চৌহদ উখল-মাখল কৰি তুলিছিল। ড° পুষ্প গগৈ (ধেমাজি) অধ্যাপক পৱন গোঁহাই (গড়গাঁও), প্ৰয়াত তীৰ্থ ফুকন (গুৱাহাটী) নৃত্যবিদ প্ৰয়াত প্ৰদীপ চলিহাদেৱ (গুৱাহাটী) ৰত্নেশ্বৰ কোঁৱৰ (শিৱসাগৰ) ননী বৰুৱা (গুৱাহাটী) খগেন ফুকন (গুৱাহাটী) আদি বিশিষ্ট ব্যক্তি তথা লোক-সংস্কৃতিৰ গৱেষকসকলক আমন্ত্ৰণ কৰি জেংবিহুৰ ওপৰত আলোচনা চক্ৰৰ ও আয়োজন কৰা হৈছিল।

২০০২ চনত পুনৰ এদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত জেংবিহু প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। অসমৰ বিভিন্ন ঠাইৰ বাইশটা দলে এই প্ৰতিযোগিতাত ভাগ লয়। উদ্বোধন কৰে— স্বনামধন্য শিল্পী, কেন্দ্ৰীয় গীত-নাট বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক প্ৰয়াত কৃষ্ণমূৰ্তি হাজৰিকাদেৱে। তেখেত নিজেই নৃত্যশিল্পী আছিল বাবেই আমাক সদায় উৎসাহ দি আহিছিল।

বঁটা বিতৰণী সভাত উপস্থিত আছিল মুখ্য অতিথি প্ৰয়াত ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউ। অসম প্ৰকাশন পৰিষদৰ তেতিয়াৰ সচিব শ্ৰীবিমল হাজৰিকা, গোলাঘাটৰ অধ্যাপক ড° কৃষ্ণকান্ত সন্দিকৈ, এসময়ৰ বৰ বিহুৱতী আমি সন্দিকৈ তেতিয়াৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক শ্ৰীপ্ৰীতম শইকীয়া আৰু বহুতো গণ্যমান্য ব্যক্তিয়ে জেংবিহুক আগবঢ়াই নিয়াৰ বাবে উৎসাহ প্ৰদান কৰিছিল। প্ৰায় ছয় বছৰৰ বিৰতিৰ পিছত তৃতীয়বাৰৰ বাবে পুনৰ জেংবিহু প্ৰতিযোগিতাৰ আয়োজন কৰি মহিলা শিল্পীসকলক উলিয়াই অনাৰ বাবে যথেষ্ট কষ্ট কৰা হৈছে।

এতিয়া অসমৰ প্ৰায় সকলো ঠাইতে জীয়ৰী বোৱাৰীসকলৰ জেংবিহু দেখি আনন্দই নধৰা হৈছে। শদিয়াৰ পৰা ধুবুৰীলৈকে জেংবিহুৱে খলকনি তুলিছে। তথাপিও কওঁ এতিয়াও হীন চকুৰে চোৱা মানুহৰ অভাৱ হোৱা নাই। মহিলা কাৰণেই বোধকৰো এনেধৰণৰ বিসঙ্গতি। কোনোবা কৌটিকালৰে পৰা অসমীয়া তিৰোতাই বিহুনাম গোৱা বিহু নাচ নচা প্ৰথা চলি আহিছে। অসমৰ লোক-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ

জেংবিহু। যিমানেই ইয়াৰ প্ৰসাৰতা বাঢ়িব সিমানেই আনন্দ। অৱশ্যে পৰম্পৰা ৰক্ষা কৰিহে। বৰ্তমানৰ বিহুৱে যি অপ-সংস্কৃতিৰ সৃষ্টি কৰিছে, জেংবিহুৰ মাজত যেন সেয়া কোনোকালেই পোখা নেমেলে। অন্ততঃ মহিলাসকলে নিজৰ বুলি এপদ সম্পদ ধৰি ৰখাতনো কি অসুবিধাৰ সৃষ্টি হ'ব পাৰে। ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকি ৰন্ধা-বঢ়া কৰি, খুৱাই-ধুৱাই জীৱনটো অতিবাহিত কৰিবনে? বিহু বুলিয়েই যদি সকলো মহিলা ওলাই আইহ একগোট হৈ হাঁহি ধেমালি কৰে তাতেনো কি মহাভাৰতখন অশুদ্ধ হয়।

সেয়ে কওঁ জেংবিহুক কোনোবাই নতুনকৈ আৱিষ্কাৰ কৰা নাই। পৰম্পৰাগতভাৱে চলি আহিছে। কোন বিহুৱতী গাভৰুৱে কি কাপোৰ পিন্ধি কেনেদৰে নাচিছিল তাক আমি নাজানো। ইয়াক উলিয়াই অনা হৈছে প্ৰসাৰতাৰ বাবে। নহ'লে লোক-সংস্কৃতিৰ বহু সম্পদ এনেদৰেই লুপ্ত হৈ যাব। কেৱল মঞ্চ মুখী হ'লেই প্ৰসাৰতা বাঢ়িব বুলি ক'ব নোৱাৰি। পৃথিৱীৰ বিভিন্ন ঠাইৰ লোকনৃত্য সমূহৰ যেনে ধৰণৰ কৰিঅ'গ্ৰাফ শিল্পীৰ কণ্ঠ চৰ্চা, বাদ্য-বাদনৰ অনুশীলন এই সকলোবোৰ জোখে-মাখে থাকিলেহে সঁচা অৰ্থত একোটা দলৰ প্ৰদৰ্শনৰ জনপ্ৰিয়তা বৃদ্ধি পায়।

জেংবিহুক মহিলাৰ বিহু হিচাপে জীয়াই ৰখাৰ যথেষ্ট স্থল আছে। পৃথিৱীৰ আন ঠাইৰ লোকনৃত্যসমূহত মহিলাৰ প্ৰাধান্য এনেদৰে ৰাখিছে যে একোগৰাকী মহিলা একেধাৰে, গায়িকা, নৃত্যাংগনা আৰু বাদ্য বাদকো হ'ব পাৰে। আমাৰ 'জেংবিহু'ক যদি আমি তেনেদৰে বিশ্লেষণ কৰি চাওঁ তেতিয়াহ'লে কব পাৰি বিহু নামতী, বিহু নাচনী বিহুৰ বাদ্য বজাব পৰা একোগৰাকী শিল্পী আমাৰ মাজতো আছে। লাগে মাথো প্ৰচাৰৰ মাধ্যম আৰু লোক সমাজৰ উৎসাহ উদ্‌গণি। সেয়ে চিন্তা কৰা হৈছে একালৰ বিহুৱতী গাভৰুবোৰ বোৱাৰী হৈ লোকৰ ঘৰ শুৱনি কৰিলেগৈ কোনোৱে ল'ৰা মাক হৈ ঘৰ-সংসাৰ চলোৱাত ব্যস্ত হৈ পৰিল, স্বামীয়ে হয়তোবা কোনোবা ঢুলীয়াৰ লগত বিহুতলিয়ে বিহুতলিয়ে নাচি ফুৰিবলৈ সন্মতি নিদিব পাৰে। কিন্তু জেং বিহু মহিলাৰ বিহু গতিকে জীয়ৰী বোৱাৰী সকলো লগলাগি ওলাই আইহ প্ৰদৰ্শনাত্মক কলা হিচাবে ধৰি ৰাখিবৰ বাবে চেষ্টা অব্যাহত ৰাখক। নাৰী শক্তি প্ৰদায়িনী কল্যাণময়ী নাৰীৰ মৰ্যাদা সমাজত অতুলনীয়। বিহু-সংস্কৃতি সৃষ্টিও নাৰীক কেন্দ্ৰ কৰিয়েই।◆◆

অসমীয়া মহিলাসকলে বন্ধা খোপাৰ নাম

উধনীয়া খোপা, কলডিলীয়া খোপা, ঘিলা খোপা, চকা খোপা
চেলা খোপা, তগৰ খোপা, তেঁতেলী খোপা, থিয় খোপা
নেঘেৰী খোপা, লিগিৰী খোপাতগৰ খোপা, তেঁতেলী খোপা
থিয় খোপা, নেঘেৰী খোপা, লিগিৰী খোপা

পকেটমাৰ

সঞ্জীৱ কুমাৰ ভট্টাচাৰ্য

'আপুনি ল'ৰা-ছোৱালী ব'ৰ্ডিং স্কুলত পঢ়ুৱাইছে, মাহেকত ২০হাজাৰ টকা স্কুলৰ মাচুল দিয়ে, মোৰ মাহেকত ইনকাম মাত্ৰ ৯হাজাৰ টকা', 'আপুনি পঞ্চতাৰকাযুক্ত হোটেলত পৰিয়ালসহ বিলাসী ভোজন কৰিছে অথচ মই সন্ধিয়া এক পোৱা ব্ৰইলাৰ মাংসৰ বাবে বেপাৰীৰ লগত দল-দাম কৰিব লাগে','আপোনাৰ সাধাৰণ জ্বৰ হ'লেও দিল্লী মুম্বাইত চিকিৎসা কৰাব গৈছে অথচ মই কিডনিত দুটাকৈ পাথৰ লৈ দৈনিক কামত ওলাই গৈছো ৰাতিপুৱাই।' 'পাৰ্থক্য আছে বাইদেউ! আপোনাৰ আৰু মোৰ জীৱনৰ মাজত পাৰ্থক্য আছে। মই এনেই চুৰি কৰা নাই, উপায়বিহীন হৈ চুৰি কৰিবলগীয়া হৈছে' থানাৰ অ'চিৰ টেবুলখনৰ সন্মুখতে মহিলাগৰাকীলৈ চাই একে উশাহতে কথাখিনি কৈ শেষ কৰিলে ৰাতুলে।

ঐ! নেকলেছডাল উলিয়াই দিবি নে তই সোনকালে, নে আৰু পিটিব লাগে তোক।

দিম ছাৰ, নিশ্চয় দিম, 'মুৰটো বিষাইছে মোৰ, মুৰত কিয় মাৰে আপোনালোকে, এইটোৰ জোৰতেই চলি আছো ইমানদিনে', মই চুৰি কৰিছো, স্বীকাৰো কৰিছো, ইমানকৈ কিয় মাৰিব লাগে, মানৱ অধিকাৰ বোলা বস্তুটোৰ কথাও অলপ ভাবিব লাগে আপোনালোকে।

অ', এতিয়া তইহে পুলিচক শিকাবি কিমান পিটন দিব লাগে। পুলিচৰ ইমানো বেয়া দিন অহা নাই যে তোৰ দৰে চোৰ এটাৰ পৰা মানৱ অধিকাৰ শিকিব।

ছাৰ, ইয়াৰ পুৰনা ৰেকৰ্ড একো বিচাৰি পোৱা নাই। নতুনকৈ আহিছে কিজানি এইটো প্ৰফেচনত। চেকেণ্ড অফিচাৰজন ৰুমটোত সোমাই আহি অ'চিক ক'লে।

'মহিলাগৰাকীৰ চকু চলচলীয়া হৈ আহিছে।' চিন্তা নকৰিব বাইদেউ, নেকলেছ ইয়াৰ লগতেই আছে আৰু দুটামান পুৰ্ণহতীয়া কোব দিলেই ওলাই যাব। অ'চিজনে সম্ভ্ৰান্ত মহিলাগৰাকীক আশ্বাস দি ৰাতুলৰ ওচৰলৈ উঠি আহিল। ছাৰ, প্লিজ নামাৰিব মোক, মই নেকলেছ ঘুৰাই দিম। কেমেৰাৰ সন্মুখত মাৰিলে আপোনাৰ কি কি বিপদ হ'ব পাৰে

এবাৰ ভাবি চাওক। দাদা, প্লিজ লাইভ টেলিকাষ্ট কৰক না, নহ'লে মোক মাৰিব এতিয়া। তাক ফুটপাথৰ ওপৰত গবা মাৰি ধৰি আটক কৰাৰ পাছৰে পৰা পিছে পিছে লাগি থকা সাংবাদিকজনৰ পিনে চাই ৰাতুলে অ'চিক উদ্দেশ্যি কথাখিনি ক'লে। আৰু বাইদেউ, 'ভাবি চাওক কথাবোৰ আপুনি আকৌ এবাৰ। মন্ত্ৰীপত্নী হয় আপুনি, আপোনাৰ ইমেজৰ কথা আছে। এডাল সাধাৰণ নেকলেছৰ কাৰণে আপোনাৰ সন্মুখতে যদি পুলিচে মোক মাৰধৰ কৰে ৰাইজে কি ভাবি বাৰু আপোনাক' মই নেকলেছ ঘূৰাই দিম বুলি কৈছোৱেই, মাথো আপুনি দিয়া প্ৰতিশ্ৰুতিমতে চোৰ ধৰা ল'ৰা দুজনক ১০ হাজাৰ টকাৰ পুৰস্কাৰটো দিয়ক। আপোনালোকৰ পৰিয়ালে দিয়া প্ৰতিশ্ৰুতিবোৰ পূৰণ নকৰে কেতিয়াও। ফুটপাথত শুই থকা সেই ল'ৰা দুজনে মোক ধৰিছে। আপুনি সিহঁতক পইচাটো দিয়ক মই আপোনাক নেকলেছ ঘূৰাই দিম এতিয়াই, আৰু এইবোৰ কেচ ফেচ নিদিব বাইদেউ, আপুনিও ব্যস্ত ময়ো ব্যস্ত কাৰো লাগি থাকিবৰ সময় নাই। মাফ কৰি দিলেহে আপোনাক মহান বুলিব ৰাইজে।

ঐ সাংবাদিক দাদা, বাইদেৱে মোক মাফ কৰি দিয়া ফুটেজ এটা লওক না ভালদৰে। চকু দুটা মচি লওক বাইদেউ, নেকলেছ এতিয়াই ঘূৰাই দিম আপোনাক, হাস্যবদনে মোক মাফ কৰি দিয়ক, আপোনাৰ পপুলাৰিটি দুগুন হৈ যাব অহাকালিৰ পৰা। বেগটো খুলি খমখমীয়া দুহাজাৰ টকীয়া নোট পাঁচখন সাংবাদিকজনৰ হাতত দি মহিলাগৰাকীয়ে ফুটপাথত শুই থকা ল'ৰা-দুজনক দি আহিব ক'লে। ৰাতুলে পিন্ধি থকা লংপেণ্টতো খুলি তলত পিন্ধি থকা হাফ পেণ্টটোৰ পাছফালৰ পকেটখনৰ পৰা নেকলেছডাল উলিয়াই মহিলাগৰাকীৰ হাতত দিলে। চকু আকৌ চলচলীয়া হ'ল মহিলাগৰাকীৰ, এইবাৰ হেৰোৱা সম্পত্তি ঘূৰাই পোৱাৰ আনন্দত। ভালদৰে চাই লওক বাইদেউ, হয় নে নহয় এইডাল আপোনাৰ, ইহঁতে বেলেগৰ পৰা চুৰি কৰা বস্তু বেলেগক দি দিয়ে, অ'চিয়ে ক'লে। নোহোৱাৰ কথাই নাই, এনেকুৱা ২ লাখটকীয়া নেকলেছ পিন্ধা মহিলা এইখন চহৰত বেলেগ আৰু নাই। আপুনি ইয়াক যাব দিয়ক, মাৰ-ধৰ নকৰিব। ভিডিঅ' ক্লিপটো কেনেকুৱা হৈছে ভাইটী, মোৰ হোৱাটছ এপ নাম্বাৰটো লোৱা, সেইটো মোক তুমি হোৱাটছ এপতে দি দিবা দেই, কথাখিনি কৈ মহিলাগৰাকী যাব ওলাল।

মহিলাগৰাকীক থানাখনৰ দুৱাৰমুখলৈ আগবঢ়াই দি অ'চিজন ৰাতুলৰ ওচৰলৈ উভতি আহিল, মুখামুখিকৈ বহি ল'লে তাৰ লগত। ক' চোন বাৰু তোৰ নাম, ধাম, পৰিচয়। মন্ত্ৰী পত্নীৰ নেকলেছ কেনেকৈ চুৰি কৰিলি তই? কেতিয়াৰ পৰা এইটো বৃত্তিত জড়িত আছ?

চাৰ, মোক বাইদেউগৰাকীয়ে মাফ কৰি দিছে, যাব দিয়ক মোক সোনকালে। যাব পাৰিবি তই, মোৰ প্ৰশ্নকেইটাৰ উত্তৰ দে আগত। তোৰ কথা-বতৰা, সাজ-পোচাক দেখি চোৰ যেন নালাগে দেখোন।

ছাৰ, 'মোৰ ঘৰ এইখন চহৰতে, পৰিয়াল বুলিবলৈ ফুটপাথ, ৰেলৱে ষ্টেচন, হস্পাতালৰ চৌহদত বাস কৰা সকলোবোৰেই মোৰ পৰিয়াল। দুখীয়াসকলৰ কাৰণে মোৰ অন্তৰাত্মা কান্দি উঠে। ধনী-দুখীয়াৰ তফাত দেখিলে ক'ব নোৱাৰাকৈয়ে মোৰ মন বিদ্ৰোহী হৈ উঠে। আয়ৰ উৎস উহ্য ৰাখি ধনী হোৱা মানুহ দেখিলেই মোৰ মনৰ ভিতৰত লুকাই থকা চোৰটোৱে সাৰ পাই উঠে ছাৰ। মোৰ মন যায় সিহঁতৰ অতিৰিক্ত সম্পত্তিবোৰ কাঢ়ি আনি এনেকুৱা দুখীয়া মানুহবোৰক দি দিম এতিয়াই'। আচ্ছা বুজিলো, তই তাৰমানে ৰবিনহুডৰ বংশৰে কোনোবা। নহয় ছাৰ, তেনেকুৱা নহয়। আপোনাৰ থানাৰ সন্মুখতে সদায় ৰাতি শুই থকা, দিনৰ দিনটো ডাষ্টবিনত খাদ্য বিচাৰি থকা এই ল'ৰাদুজনক দেখিলে আপোনাৰ বেয়া নালাগে জানো। চাওঁকচোন এই ঠাণ্ডাৰ দিনত গাত কম্বল এখন নোহোৱাকৈ কেনেকৈ শুই আছে ফুটপাথত।

তই সিহঁতৰ কথা চিন্তা কৰিলে কি হ'ব, সিহঁতেই দেখোন তোক পলাব ধৰোতে ধৰাই দিলে। একো নাই চাৰ, সিহঁতে ৫ হাজাৰ টকা যে পালে মোৰ সেইটোৱে আনন্দ। আৰু তই আমাৰ বেতৰ কোববোৰ হজম কৰিলি, বৰ ভাল মানুহ দেখোন তই। এটা কথা ক'চোন মোক, মন্ত্ৰীৰ ঘৈণীয়েকে দেখোন ১০ হাজাৰ দিছিল ৫ কেনেকৈ হ'ল, তোৰ কিবা ফিটিং আছে তাৰমানে সিহঁতৰ লগত।

ধেৎ তেৰিকা ছাৰ, মই এইবোৰ গৰীৱ মানুহক পইচা দিয়াও হে সিহঁতৰ পৰা নলওঁ নহয়। ৫হাজাৰ সেই ভুৱা সাংবাদিকজনৰ আকৌ। ভুৱা সাংবাদিক! হয় চাৰ, সেইজন বিয়াঘৰৰ কেমেৰামেন হে আছিল, তাকে মিনিষ্টাৰৰ ঘৈণীয়েকৰ ওচৰত সাংবাদিক বনাই হাজিৰ কৰালো আৰু মই মিনিষ্টাৰৰ ঘৈণীয়েকৰ ডিঙিৰ পৰা নেকলেছ টানি দৌৰি পলাওঁতে যে ফুটপাথত শুই থকা ল'ৰা দুজনে ধৰিলে, সেইটো সিহঁতক পইচাখিনি দিব কাৰণে কৰা নাটক হে আছিল।

কি?

ঘটনাটো শুনক চাৰ।

মই নেকলেছডাল বিয়াঘৰত থকা মন্ত্ৰীপত্নীৰ ডিঙিৰ পৰা টানি পলাব চেষ্টা কৰিছিলো। বিয়াঘৰত মই কেটেৰিঙৰ ল'ৰাৰ ড্ৰেছত সোমাইছিলো, নহ'লে ইমান ৰাজকীয় বিয়াত আমাৰ দৰে মানুহ কেনেকৈ সোমাব পাৰিম আৰু মন্ত্ৰীৰ ঘৈণীয়েকক যোৱা এমাহ মানৰ পৰাই অনুসৰণ কৰি আছিলো ক'ত কি বজাৰ কৰিছে। সেইদিনা তেখেত জুৱেলাৰী দোকানখনত সোমাই এই নেকলেছডাল কিনোতেময়ো তেখেতৰ পিছে পিছে দোকানখনত গৈছিলো। তেখেতে কিনি অনাৰ পিছত মই দোকানখনৰ কেটলগৰ পৰা সেইখনৰ ফটো এখন উঠাই আনিছিলো।

ফটো কিয় আনিছিলো।

ফটো কিয় আনিছিলি তই? অ'চিৰ প্ৰশ্নত ৰাতুল উচপ খাই উঠিল। আমাৰ দৰে সৰু মানুহবোৰে এনেকুৱা ডিজাইনবোৰৰ ফটো চাইয়ে সন্তুষ্টি পাওঁ চাৰ। এনেকুৱা একে ডিজাইনৰ চেইন এডাল মোৰ পত্নীৰ কাৰণে বনাব দিব বিচাৰিছিলো মণিপুৰী গ'ল্ডৰ জুৱেলাৰী এখনত। হাজাৰ হওক চাৰ, পত্নী পত্নীয়েই, কি মন্ত্ৰীৰ কি আমাৰ, সোণ সকলো মহিলাই ভাল পায়। চেইনডাল ৩ হাজাৰ টকাত আজি লৈছিলো দোকানৰ পৰা, ডিজাইনটো মিলিছে নে নাই তাকে চাব কাৰণেহে চুৰি কৰিছিলো আচলতে। সোনকালে ঘৰ যাওঁ ছাৰ, তাই বৈ থাকিব মই গৈ নোপোৱালৈকে।

বৰ দুখৰ জীৱন অ' মানুহবোৰৰ! কোনোবাই ২ লাখটকীয়া নেকলেছ পিন্ধিছে, কোনোবাই ৩ হাজাৰটকীয়া নেকলেছৰ কাৰণে চুৰি কৰিছে। অ'চিৰ থোকাথুকি মাত। যা যা ঘৰলৈ যা সোনকালে, অভাৱ হ'লেও চুৰি নকৰিবি ভৱিষ্যতে, তাতে তোৰ ৰেকৰ্ডো নাই এতিয়ালৈকে পুলিচৰ তাত, নিজকে দাগী নকৰিবি।

হ'ব চাৰ, মই যাওঁ।

থানাৰ পৰা ওলাই আহি ৰাতুলে বাইকে ষ্টাৰ্ট দিলে, বাহিৰৰ পৰা কথাবোৰ শুনি থকা হাবিলদাৰজন আগুৱাই আহিল তাৰ ওচৰলৈ। কেনেকুৱা ডিজাইনৰ মণিপুৰী গ'ল্ডৰ নেকলেছ বনাইছা হে ভাইটি, দেখুওৱাচোন ময়ো আমাৰ এওঁৰ কাৰণে এডাল বনাব লাগিব।

সেইডাল মন্ত্ৰীৰ ঘৈণীয়েকক দিলো নহয় দাদা, এতিয়া যিডাল লগত আছে আপুনি সেইডাল বনোৱাব নোৱাৰিব দিয়ক। দুই পেটি। এক্সিলেটৰডাল অলপমান পকাই দি লাহেকৈ ক্লাছডাল এৰি ৰাতুল উধাও হ'ল। হাবিলডাৰ গৈ অ'চিৰ ৰুম পোৱাৰ আগতে সি নেদেখা হ'ব লাগিব সন্মুখৰ কেকুৰিটো, ৰাতিপুৱাৰ আগতে সি নোহোৱা হ'ব লাগিব এইখন চহৰৰ পৰা।◆◆

বসন্ত উৎসৱ বিহু

পাৰুল বৰুৱা

বিহু মূলতঃ কৃষিভিত্তিক উৎসৱ। আদিম মানুহে যেতিয়াৰ পৰা কৃষিকৌশল আৱিস্কাৰ কৰি খেতি কৰিবলৈ ল'লে তেতিয়াৰ পৰা কৃষি কৰ্মৰ লগতে কৃষিৰ লগত জড়িত লোকাচাৰ সমূহ পালন কৰিবলৈ লোৱাৰ উপৰিও আনন্দ উৎসৱ সমূহো কৰিবলৈ ল'লে। এনেদৰেই মাঘৰ বিহু ভোগালী, কাতি বিহু কঙালী আৰু ব'হাগ বিহু বা ৰঙালী বিহু অসমীয়াই মনত নপৰা দিনৰ পৰাই পালন কৰি আহিছে। মাঘ বিহু সাধাৰণতে খেতি চপোৱা বিহু। কৃষিজীৱি মানুহে খেতি চপাই ভোগৰ সমল গোটাই মাঘৰ বিহু পালন কৰে। সেইবাবেই মাঘ বিহুক ভোগৰ বিহু বা ভোগালী বিহু বোলে। কাতি বিহু হৈছে খেতি চপোৱাৰ আগতে পালন কৰা বিহু। এই সময়ত খেতিয়কৰ কৃষি ভড়ালো উদং প্ৰায় হয়। কাতি বিহুত ৰং-ৰহইচ, ভোগৰ পয়োভৰ নাথাকে। তাৰ পৰিবৰ্তে ধৰ্মীয় পৰম্পৰাইহে মুখ্য স্থান পায়।

বহাগ বিহু ৰঙৰ উৎসৱ বাবে ৰঙালী বিহু বোলা হয়। এসময়ত চ'ত মাহৰ আৰম্ভণীৰ পৰাই ৰঙালী বিহুৰ নাম আৰু ঢোল-পেঁপাৰ মাত শুনিবলৈ পোৱা গৈছিল আৰু ব'হাগত ইয়াৰ পূৰ্ণতা লাভ হৈছিল। এই সময়তে অসমৰ ভৌগোলিক পৰিবেশত বসন্তই বিৰাজ কৰে। শীতত লঠঙা হোৱা গছ-বিৰিখত ন কুঁহিপাতে গজালি মেলে। পলাশ-মদাৰে তেজৰঙী হৈ ফাগুণক বিদায় জনোৱাৰ সময়তে চ'ত আহে। প্ৰকৃতিয়ে বসন্তক আমন্ত্ৰণ জনায়। নাহৰ, তগৰ আদি নানা তৰহৰ ফুলৰ শোভা আৰু সুবাসে মানুহৰ দেহ-মন পুলকিত কৰে। প্ৰকৃতিৰ বিনন্দীয়া ৰূপত মানুহ মুগ্ধ হয় আৰু মন-প্ৰাণ চঞ্চল কৰি তোলে। ডেকা-গাভৰুৰ মন প্ৰকৃতিৰ দৰেই ৰঙেৰে ভৰি পৰে। বসন্ত সৃষ্টিৰ উন্মাদনাই দেহ-মন উতলা কৰি তোলে। সেইবাবেই ব'হাগৰ ৰঙৰ উৎসৱ মানে বসন্তৰো উৎসৱ। ব'হাগৰ ন' পানী পাই ভেবেলী লতা ফুলে। বিহুনামত গোৱা হয়—

'চ'তে গৈ গৈ ব'হাগে পালেহি
ফুলিলে ভেবেলী লতা
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।'

এই বসন্ততে অসমৰ পথাৰে সমাৰে, হাবিয়ে বননিয়ে ঢোল-পেঁপা, বিহু নামৰ ধ্বনিৰে মুখৰ হৈ পৰে। কপৌ, তগৰ, বকুল আদি ফুলবোৰ ফুলি উঠে। তাহানিতে ডেকাই গাভৰুক বিহুৰ বতৰতে কপৌ ফুল উপহাৰ দিয়াটোত প্ৰণয়ৰ বাৰ্তা নিহিত হৈ আছিল। কোনো কোনোৱে মনৰ বাতৰি জনাবলৈ বহুমূলীয়া উপহাৰ হিচাবে কেতেকী ফুলো দিছিল। বিহুত কপৌ ফুল এপাহ প্ৰেয়সীক উপহাৰ দিব নোৱাৰিলে পীৰিত আধৰুৱা বা অসাৰ্থক বুলি ভবা হৈছিল। সেইবাবে এই বসন্ত উৎসৱক যৌৱনৰ প্ৰতীক বুলি কোৱা হয়। বিহুৰ লগত বিহুনাম বোৰৰো সম্বন্ধ এৰাব নোৱাৰা। বিহু নামৰ মাজেৰেই ডেকা-গাভৰুৱে মনৰ ভাৱ বিনিময় কৰিছিল। ডেকা-গাভৰুৰ উতলা, উচ্ছল মনৰ বতৰাই হৈছে বিহুনামৰ ঘাই বস্তু। বিহুৱা ডেকাই চেনাইক উদ্দেশ্যি গায়—

"দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী
জাঁজী নৈ এৰিব পাৰোঁ
তোমাৰে ভাৱনা এৰিব নোৱাৰো
নাখায়ে থাকিব পাৰোঁ।

বৰঘৰৰ মুধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায়
মোৰ জানো মনত পৰে ঘনে ঘনে
তোৰ জানো মনতে নাই।"

বসন্তৰ পৰশত যৌৱন আৰু বিহুৰ সমন্বয়ে ডেকা-গাভৰুৰ জীৱনলৈ পূৰ্বৰাগ, অনুৰাগ, প্ৰেম-প্ৰীতি, মিলনৰ মাধুৰিমা আনি দিয়ে। বিহুনামত গাভৰুৱে গায়—

দিখৌ নৈ ইপাৰে দিখৌ নৈ সিপাৰে
কোনে দিয়ে যাব সাঁকো
কোনে দিয়ে যাব ৰাঁচে দোৰেপতি
কোনে দিয়ে যাব মাকো।

দূৰৈত থকা ধনৰ বা-বাতৰি নাপাই বিহুনামেৰে গায়—

কোনে আনি দিব লোনে আমলখি
কোনে আনি দিব জৰা
কোনে আনি দিব ধনৰে বাতৰি
শদিয়া ৰাজ্যৰ পৰা।

বসন্ত ঋতুৰ প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্যই যুৱক-যুৱতীৰ প্ৰাণৰ মাজত লুকাই থকা সৌন্দৰ্য্যবোধ জগাই দিয়ে। ডেকা-গাভৰুৱে অনুভৱ কৰে প্ৰাণৰ স্পন্দন, অসীম তৃষ্ণা। বিহুনামবোৰৰ মূল উপজীব্য ডেকা-গাভৰুৰ প্ৰেম-মিলন, হৰ্ষ-বিষাদ, আশা আকাংখ্যা হ'লেও জন-জীৱনৰ সামগ্ৰিক স্বৰূপটো এই বিহুনামবোৰৰ মাজেৰে উজলি উঠিছে। এই বিহুনাম বোৰতে লুকাই থাকে অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। বিহুনামবোৰ কেতিয়া, কোনে, কেনেকৈ সৃষ্টি কৰিছিল জনা নাযায় যদিও বহু যুগৰে পৰা এই বিহুগীতবোৰ মুখে মুখে চলি আহিছে। নিৰক্ষৰ হোৱা অসমীয়া কৃষকৰ প্ৰাণৰ স্বতঃস্ফূৰ্ত প্ৰকাশ এই বিহুনামবোৰে ধৰি ৰাখিছে। অৱশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে এই বিহুনামবোৰেও পৰিবৰ্তনৰ সাজ পিন্ধিছে। বিহুনামৰ গইনালৈয়ে বহু আধুনিক বিহুগীত, বিহু সুৰীয়া গীতবো সৃষ্টি হৈছে। সময়ৰ বিবৰ্তনত সমাজত ঘটা পৰিবৰ্তনৰ ছবি বিহুগীতত পোৱা যায়।

বসন্ত উৎসৱ মানেই ৰঙৰ উৎসৱ ব'হাগৰ বিহু। ঢোল-পেঁপাৰ মাতে প্ৰতি অসমীয়াৰ প্ৰাণত পুলক জগায়। কুলি-কেতেকী চৰাইৰ সুললিত কণ্ঠই মন-প্ৰাণ শাঁত পেলায়। বসন্তৰ পৰশত প্ৰকৃতি যৌৱনপ্ৰাপ্ত হয় আৰু প্ৰকৃতিৰ মোহনীয় পৰশত স্পন্দিত হোৱা হিয়াৰ অনুভূতিৰ বহিঃপ্ৰকাশ ঘটে ৰঙৰ উৎসৱ বিহুত। অসমীয়াৰ জাতীয়ত্ব আৰু জাতীয় ঐতিহ্যৰ স্বাক্ষৰ বিহুৱে বহন কৰি আহিছে আৰু ভৱিষ্যতলৈও নজহা-নপমা সোনসেৰীয়া কৰি ৰাখিবলৈ আমি চেষ্টা কৰা উচিত। ◆◆

সোণৰ ঘোঁৰা

মূল ঃ শীর্ষেন্দু মুখোপাধ্যায়
অনুবাদ ঃ গিৰীশ দত্ত

তিনিটা শহাপহুৱে তুৰতুৰ্‌কৈ চিনা বাদামৰ খেতিডৰাৰ মাটি খুন্দি আছে। মাটিবোৰ গুচাই বাদাম উলিয়ায়। সন্মুখৰ ঠেং দুখনেৰে ধৰি কুট্‌কুট্‌কৈ খায়। আনন্দতে সিহঁতৰ কাণ নাচি উঠে।

মাকৈ খেতিৰ মাজখন ঘিটমিটীয়া আন্ধাৰ। সেইপিনে এটি চৰ্‌চৰ্ শব্দ হয়। দুটি শিশুৱে কেঁচা মাকৈ ছিঙি ওপৰৰ পাতবোৰ আৰু চুলিবোৰ গুচাই কামোৰ মাৰে। গুটিবোৰ ফাটি বিৰিঙি উঠে কোমল মাকৈৰ গাখীৰ। সোৱাদেৰে সিহঁতৰ মুখ ভৰি যায়। সিহঁতে মাকৈৰ গাখীৰ চুপি থাকে। ইজনে-সিজনলৈ চাই আন্ধাৰতে বিজুৰ হাঁহি মাৰে। ছোৱালীজনীৰ চুলিবোৰ ৰঙা, ৰুক্ষ, পিন্ধিছে এখন বিবর্ণ ছিগা শাড়ী, পুৰঠ ওঁঠ দুটিৰে অলপ ওখ দাঁত দুপাৰি ঢাক নাখায়। ল'ৰাটোৰ পিন্ধনত মলিয়ন লেংটি। গাটো উদং, টকলা মূৰটোত এডাল দীঘল টিকনি।

বাবুৰ বাগিচাখনৰ এটা কোণত ছোৱালীজনীৰ বাপেকে ঘাঁহবোৰ নিৰাই জমা কৰিছে। গোটেই দিনটো সৰি সৰি পৰে শুকান গছৰ পাত। সেই পাতবোৰ আৰু শিমলুজোপাৰ ডালৰ পৰা উৰি আহি পৰা এটি টোকোৰা চৰাইৰ বাহ— এইবোৰেৰে সি এটা দ'ম সাজিছে। তাৰপিচত সাৱধানে দিয়াচলাইটো জ্বলাই এটা বিড়ি ধৰায়, তাৰপিচত জ্বলি থকা কাঠীটোৰে টোকোৰা চৰাইৰ বাহটো জ্বলাইলৈ দ'মটোতে জাপি দিয়ে। পাত পোৰাৰ কাঢ়া গোন্ধ এটা তাৰ নাকত লাগে। জুই জ্বলি উঠে। অলপ দূৰৈত ঘাঁহৰ ওপৰত বহি উদাসভাৱে সি বিড়িত টান দিয়ে।

মাকৈ খেতিৰ ভিতৰৰ পৰা ছোৱালীজনীয়ে সেই গোন্ধ পায়। পাত পোৰাৰ মিঠা গোন্ধ। দেউতাই তাৰমানে জুই জ্বলাইছে। সেকি খাব বুলি দুটা মাকৈ ছিঙি কোঁচত লৈ তাই ওলাই আহে। শহাকেইটাৰ বাদামবোৰৰ গুৰি একেবাৰে উদং কৰি দিছে।

মুখখন ঘূৰাই তাই ল'ৰাটোক মাতে— এ গেনিয়া, মোম্ফলি খা লেলকৈ।

—কৌন?

—হৌ দেখ।

গেনিয়া ভিক্ষাৰী সুৰ দাসৰ ল'ৰা। তাৰ হাতত অনবৰতে এডাল লাঠি থাকে, সেই লাঠিডালৰ এটা মূৰত তাৰ দেউতাকে আৰু আনটো মূৰত ধৰে সি। সেই লাঠিডাল ধৰি সি দেউতাকক ভিক্ষা মাগিবলৈ লৈ যায় ৰাস্তাই ৰাস্তাই, ঘৰে ঘৰে। চাটল ট্ৰেইনত উঠি গুচি যায় যশিডিৰ অথবা মেইল ট্ৰেইনত উঠি ঝাঝা, নহ'লেবা মধুপুৰৰ পৰা ঘূৰি আহে। সেই লাঠিডাল হাতত লৈ ল'ৰাটো জাঁপ মাৰি উঠিল।

তিনিটা শহা দৌৰি পলাল। সিহঁত বেছি দূৰলৈ নাযায়। এই খেতিডৰাৰ সীমা পাৰ হৈ কাঁইটীয়া গছৰ বেৰৰ তলেৰে উত্তৰ পিনৰ আন এডৰা খেতিত সোমায়গৈ। গেনিয়াই ছোৱালীজনীৰ সন্মুখত বীৰত্ব দেখুৱাবলৈ লাঠিডাল হাতত লৈ খেতিডৰাত কেইবাৰমান জঁপিওৱা জঁপি কৰে, চিঞৰে। তাৰ লেংটিৰ এটা মূৰ ভৰি দুখনৰ মাজত ওলাই থাকে, এতিয়া জঁপিয়াওঁতে সেই মূৰটো নেজৰ দৰে লৰি উঠে। তাকে দেখি ছোৱালীজনী হাহিত বাগৰি পৰে।

চিনা বাদামৰ খেতিডৰা পাৰ হৈ সিহঁত প্ৰকাণ্ড নিস্তব্ধ ঘৰটো ঘূৰি জুইকুৰাৰ ওচৰলৈ আহে। জুইৰ তাপৰ পৰা আঁতৰত ঘাঁহৰ ওপৰত বহি উদাস ভংগীত মাটি খোঁচৰা হাতেৰে বিড়ি খায় ভূতনাথে। তাৰ চকু শূন্যত নিবদ্ধ। ছোৱালীজনীয়ে জন্মৰে পৰা দেউতাকৰ এই ভংগি দেখি আহিছে। তাই জানে এই দেশৰ মাটি তাইৰ দেউতাকৰ পছন্দৰ নহয়। তাইৰ দেউতাক যি মাটিৰ দেশত আছিল, সেই দেশৰ মাটিত আৰু বেছি গছ-গছনি গজিছিল। তাত আছিল বহু পানী। পানী-মাটিৰ সনাপোটকা চলিছিল। ইয়াত তেনেকুৱা নহয়। ঢাকাৰ সেই দেশত তাইৰ দেউতাকৰ আছিল ঘৈণীয়েক, এটা ল'ৰাও। সিহঁত দুয়োটা ঘৰৰ ভিতৰতে জুইত পুৰি মৰে— দাংগাৰ সময়ত, তাইৰ দেউতাক অকলে পলাই আহে কলিকতালৈ। সাহাবাবুহঁত এই দেশৰ মানুহ, তেওঁ ভূতনাথক, দুই-এটা কাম দিছিল। মানুহটোৰ মাটিৰ নিচা দেখি সাহাবাবুৱে এদিন ক'লে— বৈদ্যনাথ ধামত মোৰ ঘৰটো পৰি আছে। মালীজনো বুঢ়া হৈ আহিছে, নহ'লে তুমি তালৈকে গৈয়েই মাটিখিনি চোৰা-চিতা কৰাগৈ। তোমাৰ হাতৰ গুণ আছে, গছ-তছ লগোৱাগৈ তাতে—

বুঢ়া বিহাৰী মালীৰ চাকৰি গ'ল। ভূতনাথৰ বৰ বেয়া লাগিছিল। সেই বেজাৰেৰেই ভূতনাথে এটা দলিৰে দুটা চৰাই মাৰিলে। বুঢ়াৰ এজনী জীয়েক আছিল, যদিও বাঙালী নহয় তথাপি চকুৰে-মুখে বিহাৰৰ সহজ-সৰল লাৱণ্য আছিল ছোৱালীজনীৰ। বুঢ়াক সি কন্যাদায়ৰ পৰা মুক্ত কৰিবলৈ গ'ল, তাৰ তেতিয়াও বিয়া কৰোৱাৰ বয়স পাৰ হৈ যোৱা নাছিল। বুকুত খামুচি থকা স্ত্ৰী-পুত্ৰৰ দুখটোতো এটা প্ৰলেপ পৰাৰ দৰকাৰ। বুঢ়াই বিৰবিৰকৈ ক'লে— মোৰ ছোৱালী একেবাৰে খীৰতী গাইৰ দৰে। বিয়া কৰাব বিচাৰিছা কৰোৱা— নগদ দুশ টকা গণি দিয়া। ভূতনাথ থৰ লাগিল। ক'ত সি বিনা পণে দায় উদ্ধাৰ কৰিবলৈ আহিছিল, ক'ত আকৌ ওলোটাই কন্যাপণ। তথাপিও নিয়ম। শেষত ঠিক হ'ল এশ টকাত। কিন্তু এবাৰত নহয়, চাৰি কিস্তিত। ইনষ্টলমেণ্টত বিয়া কৰাই ভূতনাথে। ঘৰ কৰিলে, সাহাবাবুৰ ঘৰৰ আউট হাউছত। চাৰিওপিনে বহু মাটিয়েই আছে। মনৰ আনন্দতে সি মাটিত ডুব মাৰিলে। ফুল-ফলেৰে বাগিচা ভৰাই দিলে। এতোৱাৰীৰ কোলালৈ আহিল কম্‌লী।

সেই কম্‌লীয়েই সৌৱা পাতৰ জুইলৈ সাৱধানে হাত আগবঢ়াই দি কোমল মাকৈ সেকি আছে, লগত ভিক্ষাৰীৰ ল'ৰা গেনিয়া। উদাস দৃষ্টিৰে ভূতনাথে দৃশ্যটো

চায়। আকৌ ঘৈণী, আকৌ সন্তান, আকৌ সেই মাটি লৈ সনাপোটকা, তবু ক'ৰবাৰ পৰা এক অন্যমনস্কতা আহি বাহ সাজিছে ভূতনাথৰ মূৰত। মাজে-মাজে তাৰ এনে লাগে সি যেন এই পৃথিৱীখনৰ সৈতে ঠিকমতে খাপ খাই থকা নাই। ক'ৰবাত অলপ ঢিলা বান্ধ এটা আছে, এটা পৃথক ভাব। মাজে মাজে সেয়ে সি গৈ গছৰ ছাঁত, ঘাঁহ-বনৰ মাজত বহেগৈ, নীৰলে—পানীৰ কথা ভাবে, মাটিৰ ৰঙৰ কথা ভাবে, কেতিয়াবা হয়তো তাৰ মনত পৰে সেই ঘৈণীয়েক আৰু পুতেকৰ মুখ, কেতিয়াবা মনত পৰে দুঃসময়ৰ সেই জুই ৰঙা আকাশ। নহ'লেবা একোৱেই মনত নপৰে, কেৱল এক কাতৰতাই তাক বগলীৰ দৰে অকলশীয়া কৰি ৰাখে। একে ঠাইতে জুপুকা মাৰি থাকি মাজে মাজে মূৰৰ ভিতৰত কোনোবাখিনিত গম পায়, চিন্তাৰ মাছে পলকতে মুখখন উলিয়াই ডুব মাৰে। আৰু ধৰা নাযায়। খেলটোৱে উপজি পুৱালৈ তাক বহুৱাই ৰাখে, বিড়ি নুমাই ছাই হৈ যায়। এনেতে কেতিয়াবা কম্‌লীয়ে বাবা বুলি মাতিলে সি খুব চক খাই উঠি ভাবে— কোনে এই ছোৱালীজনী?

মাকৈৰ গুটি দাঁতলৈ নিয়াৰ লগে লগে পোৱা মাকৈৰ সুগন্ধিৰে শৰীৰ ভৰি গ'ল। গেনিয়াই কম্‌লীলৈ চাই হাঁহে, কম্‌লীয়ে গেনিয়াই চায়।

গেনিয়াই লাহেকৈ কয়—অলপ নিমখ থকা হ'লে—তেতিয়াই কম্‌লীৰ চকুত পৰে দেউতাকৰ পিঠিত এটা ডাঁহ। বিজুলীবেগে উঠি গৈ তাই আঁচল জোকাৰি ডাঁহটো আঁতৰায়...

দেউতাকে মূৰ তুলি সোধে— কি ৰে?

ডাঁহ এটা।

দেউতাক আকৌ নিশ্চুপ হৈ বহি ৰয়। বিড়ি খায়।

—দেউতা, পাগলী ডাক্তৰৰ শহাকেইটাই সদায় আহি বাদামৰ খেতি ভাঙি যায়।

খেদাই দিবি।

নেখেদাওঁ নেকি? এইবাৰ এটা কুকুৰ পুহিব লাগিব। গেনিয়া, চমেলীৰ পোৱালি হওক- নহয় নে দেউতা? হে?

আচ্ছা

দেউতা খুব ভাল। কুকুৰৰ ওপৰত মাৰ বৰ খং।

নিৰিবিলি বাগিচাখনে ৰ'দ সানিছে, বতাহ সানিছে, ফুলৰ গৰ্ভকোষত পৰাগ সঞ্চাৰ কৰি উৰি ফুৰিছে পখিলা আৰু ভোমোৰাবোৰ। সিহঁতৰ উৰাউৰিৰ শব্দ। ফুলৰ বেৰবোৰ জঁপিয়াই জঁপিয়াই পাৰ হয় গেনিয়াই, পিচে পিচে কম্‌লী। নিস্তব্ধ জয়াল ঘৰটোৰ পিনে চালেই সিহঁতৰ মনলৈ নানা ইচ্ছাৰ ৰং উৰি আহে।

দুয়ো আহি বাৰাণ্ডাৰ গ্ৰীলত আউজাই থোৱা দৰ্জাখন খুলি ভিতৰ সোমায়। বাৰণ্ডাৰ সিপিনে শাৰী শাৰী কোঠালি। ডাঙৰ তলা ওলমি আছে। বহুবাৰ দেখিছে সিহঁতে, তথাপি সদায় এবাৰ আহি দৰ্জাৰ পাল্লা তুলি ভিতৰখন চায়। ভিতৰত গধূলিৰ দৰে আন্ধাৰ। তথাপিও বিচিত্ৰ আচবাববোৰ দেখা যায়। ইংলিছ বেজ, ড্ৰেছিং টেবুল, জাপানী ফুলদানি, বেৰত প্ৰকাণ্ড প্ৰকাণ্ড ছবি, পুতলা ভৰ্তি আলমাৰি, কিতাপৰ ছেলফ। সিহঁতে ঘূৰি ঘূৰি এটা এটা কোঠালিৰ দৰ্জাৰ পাল্লা তুলি এক এক ধৰণৰ বস্তু চায়। পোন্ধৰ দিনৰ মূৰে মূৰে ভূতনাথে দৰ্জা খোলে, এতোৱাৰীয়ে বাল্টিত পানী আনে, সোপতি আনে। ঘৰটো মচে। তেতিয়া ভিতৰ সোমাই কম্‌লীয়ে ইটো-সিটো বস্তু চুই চায়। গেনিয়াক এতোৱাৰীয়ে ভিতৰ সোমাবলৈ নিদিয়ে, কয়—ওটা চোট্টা। এক পলকতে বস্তু এটা লৈ উধাও হ'ব।

গেনিয়াই সেয়ে তৃষিত দৃষ্টিৰে ভিতৰখন চায়

সদায়। কিন্তু কম্‌লীয়ে বেছি সময় চাব নিদিয়ে। গেনিয়াৰ চকু দুটা বৰ লুভীয়া।

দৰ্জাৰ পাল্লা পেলাই দি কম্‌লীয়ে কয়— অব নাহী।

এমুখ হাঁহে গেনিয়াই। কয় আলমাৰিত এটা সোণৰ ঘোঁৰা আছে— নহয়?

কম্‌লীয়ে ওঠ ওলোটাই কয়— কি জানো? কিমান কি আছে! উত্তৰৰ কোঠালিটোৰ খিৰিকীত শিক এডাল নাই। গেনিয়াই সেইটো চাই থৈছে।

অন্ধ ৰামজী গোটেই পুৱাটো বিছনাতে শুই আছে। বুঢ়া হ'লে শৰীৰৰ তাপ কমি যায় নেকি! বিছনাৰ উমটো বৰ ভাল লাগে। বাঁহৰ ওপৰত খেৰ পৰা, তাৰ ওপৰত ফটা-ছিটা টুকুৰা-টুকুৰ ফটাকানি। এয়ে বিছনা, তবু উম দিয়ে। ৰাতি গেনিয়া কাষত শোৱে, তাৰ শৰীৰৰ উমটোও ভাল লাগে। বুঢ়া বাপেকটোক অকলে পেলাই থৈ কোন পুৱাতে উঠি গৈছে কেনিয়া।

চকু দুটা শিল হৈ গ'লেও ৰামজীয়ে আন্দাজতে সময়ৰ গম পায়। ভোকত পেটটো কলমলাই উঠে। ভোকৰ সৈতেই সহবাস, সেয়ে অস্থিৰ হৈ পৰে। লাহে-ধীৰে উঠে। চাংখনৰ পৰা নামি সি গেনিয়াক চিঞৰে। মাতটো কৰ্কশ, তথাপি মাতটোত আদৰ আছে।

গেনিয়াৰ কোনো সঁহাৰি নাপায়। ৰামজী উঠি গৈ ঘৰৰ পিচপিনৰ জংঘলত পেছাব কৰি আহে। মাটিৰ মলাটোত পানী দি থোৱা দুমুঠি ভাত আছে। পানী খায়। তাৰ পিচত গেনিয়াক লৈ ৰামজী ওলাব ভিক্ষা বিচাৰি।

গেনিয়াক আৰু দুবাৰমান সি চিঞৰি চিঞৰি মাতে। সঁহাৰি নাই।

খেপিয়াই মাটিৰ মলাটোত হাত দিয়েই গম পায়- এটা ভাতো এৰি যোৱা নাই।

এ গেনী-ই-ই-এ ৰেণ্ডী কা বেটা-

ৰ'দত বহি প্ৰাণপণে মাতি থাকে ৰামজীয়ে- ভিক্ষাৰী সুৰদাস।

এই ঘৰটোৰ পাইপত চৌ চৌৱাই পানী পৰি থাকে। মিঠা পানী। আঁঠু কাঢ়ি পাইপৰ টেপটোৰ তলত বহি লৈ গেনিয়াই আঁজলি ভৰাই পানী খায়। অদূৰত চৌবাচ্চাটোৰ ওপৰত বহি কম্‌লীয়ে মূৰৰ চুলিত আঙুলি ডুবাই একান্ত মনে ওকণী বিচাৰে।

পানীৰে পেট ভৰি উঠে। তথাপি টেপৰ পৰা পানী পৰা চাই ভাল লাগে বাবে গেনিয়াই আঁজলি পাতি মুখখন ডুবাই ৰাখে। পানী পৰি যায়।

কম্‌লীয়ে উঠি আহি টেপটো বন্ধ কৰি দিয়ে। কয়— জল মাগনা- না? এবাৰ ভাগ।

আউট হাউছৰ সন্মুখত শাকনি বাগিচা। এতোৱাৰীয়ে তাতে খুটি খুটি শাক তুলি আছে। তাৰ পৰাই দেখা পায় ভিক্ষাৰী সুৰদাসৰ চোৰ পুতেক গেনিয়াৰ লগত বাহিৰৰ চোতালখনৰ পানীৰ টেপটোৰ ওচৰত কম্‌লী বহি আছে, ছোৱালীজনী দিনে দিনে বেয়া হৈ যাবলৈ ধৰিছে। তাই মাতে এ কম্‌লী—

কম্‌লী যোৱাৰ লগে লগে একেজাঁপে গেনিয়া মাকৈৰ খেতিত সোমায়। মটমটকৈ আঠ-দহটামান মাকৈ ভাঙি লয়। বুকুত সাবটি ধৰি নিঃসাৰে ঘৰটোৰ উত্তৰ দিশৰ বাটটোৰে খৰ খোজে আগবাঢ়ে। কাঁটা তাৰৰ বেৰৰ তলেৰে এটা জাগাত গোপন ফাঁক এটা আছে, সেইটোৰে চুঁচৰি গৈ ৰাস্তাত উঠে সি।

গেনিয়াৰ খোজৰ শব্দ শুনাৰ লগে লগে ৰামজীয়ে লাঠিডাল খেপিয়ায়।

আৱল তু?

গেনিয়াই উত্তৰ নিদিয়ে। তথাপি তাৰ শৰীৰৰ

অৱস্থিতি ৰামজীয়ে গম পায়। লাঠিডাল তুলি লৈ জোৰেৰে কোব এটা শোধায়।

কিন্তু গেনিয়াৰ অভ্যাস আছে। শহাপহুৰ দৰে একেজাঁপে সি আঁতৰি যায়। বুকুৰ পৰা কেইটামান মাকৈ সৰি পৰে। লাঠিডাল মাটিত পৰি খটকৈ উঠে।

ৰেণ্ডীৰ বেটা লাজ নাই? বুঢ়া অন্ধ বাপেৰৰ কৰাণে এটা দানাও ৰাখি যোৱা নাই।

দূৰৰ পৰা বাপেকলৈ এটা মাকৈ দলিয়াই দিয়ে গেনিয়াই। সুৰদাস ৰামজীয়ে প্ৰথমে গেৰগেৰাই উঠে- মোক মাৰিছ চালা নিগনি? হেঁ! মোক- তোৰ অন্ধ বুঢ়া বাপেৰক- হাঁ?

আকৌ লাঠিডাল খেপিয়াওঁতে মাকৈটো হাতত লাগে। তুলি লয়। বাকলি এৰুৱাই গুটিবোৰত হাত বুলায়। তাৰ পিচত হাঁহে। ক'ত পালি? মাকৈৰ খেতিত নেকি? অলপমান সেকি দিবি গেনি? জুই একুৰা ধৰ নো বেটা।

গেনিয়াই উত্তৰ নিদিয়ে। চুপ-চাপ জুপুৰিটোৰ ভিতৰলৈ সোমাই গৈ তাৰ পুৰণি কেম্বিচৰ লেতেৰা ফটা টুপীটো পিন্ধি ওলাই আহে।

তাৰ দেউতাক ভিক্ষাৰী সুৰদাস ৰামজীয়ে ৰ'দত বহি মাকৈৰ গুটি চোবায়। মুখে, শৰীৰে কেশৰবোৰ উৰিছে, চকুৰ পতা ফুলা-ফুলা, ৰুক্ষ অবিন্যস্ত চুলি, ভগা গালত দাড়ি আৰু ফটাকানি এখন পিন্ধি থকা মানুহটোক অমানুহৰ দৰে দেখায়। গেনিয়াৰ দৃষ্টিত অৱশ্যে বাপেকৰ একো এটাই অস্বাভাৱিক যেন নালাগে।

সি লাঠিডাল আগবঢ়াই দি কয়— চলি, চল।

বতাহত খেপিয়াই লাঠিডালৰ মূৰটো ধৰি সুৰদাস ৰামজী থিয় দিয়ে।

ভিক্ষাৰ বজাৰত এতিয়া আকাল। ঘৰবোৰ খাৰী হৈ পৰি আছে। এইটো বৈদ্যনাথ ধামৰ কোনো তীৰ্থযাত্ৰাৰ সময় নহয়। চহৰখন সেয়ে খালী। জনপ্ৰাণীহীন ৰাস্তাটোৰে দুয়ো খোজ কাঢ়ে— লাঠিডালৰ দুয়ো মূৰত দুজন। লগে লগে গা ঘেঁহাই খোজ কাঢ়ে চমেলী কুকুৰজনী।

সেই ৰেণ্ডীজনীৰ ওচৰলৈ তই যাৱ নেকি?

না তো!

না তো! হাঁ? মই গম নাপাওঁ বুলি ভাবিছ? অন্ধ বুলি গম নাপাওঁ? তই যাৱ।

কেতিয়া গ'লো?

সদায় যাৱ। নহ'লে মাজে মাজে মাতি মাতিও তোক মই নাপাওঁ কিয়? তই গৈ তাতে ভালে-বেয়াই এসোপা গিলি আহ। শুলে মই তোৰ পেটটো লাৰিয়েই গম পাওঁ। ক'ত খাবলৈ পাৱ তই?

নাই। কিৰ

কিহৰ কিৰ?

বৈদ্যনাথজীৰ।

সুৰদাস মনে মনে থাকে। ৰেণ্ডীজনীয়ে চাৰি বছৰ হ'ল তাক এৰি মহিন্দৰৰ লগত ঘৰ কৰিছেগৈ লাইনৰ সিটো পাৰে। ল'ৰাটোক এৰি গৈছে। কিন্তু মাজে মাজে ল'ৰাটোৰেও মাকৰ পিনে যাব বিচাৰে। অন্ধৰ লাখুটি, সেইটোও গ'লে সুৰদাস ৰামজীৰ নাৱৰ ব'ঠা নোহোৱা হ'ব। সেয়ে সি তাক সাৱধান কৰি দিয়ে।

নাযাবি। কেতিয়াও নাযাবি। মই তোক খুৱাম, চাবি, মোৰ পইচা আছে।

জানো।

শুনি সি হঠাতে শহাপহুৰ দৰে কাণ থিয় কৰে। কোমল সতৰ্ক মাতেৰে সোধে— কি জান?

পইচাৰ কথা।

ৰামজী মহা বিপদত পৰি যায়। জানে নেকি?

সঁচাই জানে? অন্যমনস্ক হৈ খোজ কাঢ়ে। হঠাতে কয়— সোনকালে ব'ল। গাড়ী আহিছে।

ক'তা?

এই যে মাটি কপিছে! গম পোৱা নাই?

গেনিয়াই গম নাপায়। তাৰ দেউতাকে এইবোৰ গম পায়।

উদাসী স্বামীতকৈ কাজিয়া কৰা, মাৰপিট কৰা স্বামীয়েই ভাল। তাইৰ গিৰিয়েক ভূতনাথ যে উদাসী, সেই কথা বুজিবলৈ অলপ সময় লাগিছিল এতোৱাৰীৰ। তাই যেতিয়া জেতুকাৰে ভৰি-হাত আঁকি লৈছিল, কপালত কপালী পিন্ধিছিল, চকুত চুৰ্মা, তেতিয়া কেতিয়াবা কাচিৎ ভূতনাথে তাইৰ সেই সাজোন-কাছোন লক্ষ্য কৰিছিল। বোধহয় পশ্চিমীয়া সাজোন-কাছোন সি পচন্দ নকৰে— এই ভাবি এতোৱাৰীয়ে তাৰপিচত ভৰিত আলতা শিৰত গুৰগুৰীয়া ৰঙা সেন্দুৰ লোৱা কৰিছিল, সোঁপিনৰ সলনি বাওঁপিনে আচল লৈছিল। পিচত বুজিছিল মানুহটোৰ এইবোৰলৈ ভ্ৰূক্ষেপ নাই। বাগিচাৰ মাটি খুঁচৰি খুঁচৰি মাজে মাজে জুপুকা মাৰি বহি থকা এয়াই হৈছে তাৰ স্বভাৱ। তাকে ভাবি কতবাৰ এতোৱাৰীৰ বুকুখন গধূৰ হৈ উঠিছে। এতিয়া সহ্য হৈ গৈছে। এতোৱাৰী কম দন্দুৰী নহয়। কিন্তু এই মানুহজনৰ লগত তাই কাজিয়া নকৰে। বয়সত ভূতনাথ তাইতকৈ বহুত ডাঙৰ। এতিয়াই মানুহজনৰ চুলিবোৰ পকিবলৈ আৰম্ভ কৰিছে। অনবৰতে চিন্তা কৰি থাকে বাবে মুখখনতো কিবা বুঢ়া বুঢ়া এটা ভাব। এই সকলো মিলি এটা সমীহৰ ভাব আহে এতোৱাৰীৰ মনলৈ। তদুপৰি মানুহজন হ'ল আনদেশী।

দুপৰীয়া খাই-বৈ মানুহজনে বাহিৰৰ খাটিয়াখনত বহি বিড়ি হুপি আছিল। সেই একেই উদাস ভংগী। এৰেহা পেলাবলৈ বাহিৰলৈ আহি এপলক নীৰৱে এতোৱাৰীয়ে গিৰীয়েকলৈ চায়। দেখি ভালেই লাগে। অলপ পিচতেই কম্‌লীয়ে খাই-বৈ আহি দেউতাকৰ ভৰি হাত দবোৱাত লাগি যাব। সংসাৰৰ গল্প কৈ যাব তাই এপিনৰ পৰা। কৈ কৈ কথাৰ মাজতে বাপেকৰ বুকুৰ মাজত শুই পৰিব। আঁহতৰ ছাঁ ৰ'দে এখন জাল গুঠি সিহঁতৰ মুখৰ ওপৰত, শৰীৰৰ ওপৰত নাচিব।

ষ্টেচনত বাপেক-পুতেকক ট্ৰেইনত তুলিদি চমেলীয়ে সদায় অকলে অকলে ঘৰলৈ ওভতে। মাজে মাজে তাই থিয় হৈ বতাহত কিবা শুঙে, ইপিনে সিপিনে চায়। ঘূৰি-মেলি ঠিক দুপৰীয়াৰ এবাৰ কম্‌লীহঁতৰ চোতালত থিয় হয়গৈ। থিয় হৈ দীঘলীয়া এটা ৰাগ টানি জাননী দিয়ে তাই আহিছে। কম্‌লীও সাজু হৈয়েই থাকে, শেষৰ কেইটামান গৰাহ তাই নাখায়। সেইখিনি মুঠিত লৈ তাই দৌৰি ওলাই আহে। জোকাৰোতে জোকাৰোতে চমেলীৰ নেজডাল আনন্দতে যেন এই খহি পৰে। যদিও তাই গেনিয়াৰ কুকুৰ, বাপেক-পুতেকৰ খোৱাৰ পিচত ভুক্তাৱশেষ একোৱেই প্ৰায় নাথাকে বাবে তাইৰ পেট নভৰে। সেয়ে সদায় তাই কম্‌লীৰ ওঁচৰলৈ আহিবলগীয়া হয়। অৱশ্যে দুমুঠি ভাতৰ বিনিময়ত তাই বহু অত্যাচাৰ সহ্য কৰি যায়। কম্‌লীয়ে ধৰি লৈ চিৰনীৰে তাইৰ গা আঁচুৰি দিয়ে, জেতুকা বটি তাইৰ গাত নক্সা আকে, ডিঙিৰ ছাল টানি মৰম কৰে।

বাচন ধোৱা ঠাইখিনিৰ কাষতে ভগা মাটিৰ মলা এটা পৰি আছে। তাতে কাঁহীৰ ভাতখিনি ঢালি দি কম্‌লীয়ে চমেলীৰ লগত কথা পাতে, কঁহা গৈল তোহৰ মালিক? বিজনেছ মে?

শুকান অন্ধ এটাক মানুহে বৰ এটা দয়া নকৰে। বিজনেছ ভাল হয় কণ্ঠত গীত থাকিলে। কথাটো মাজে

মাজে গেনিয়াই বাপেকক বুজায়। কিন্তু সুৰদাসৰ গীত গোৱা কণ্ঠ নাই। হাঁ কৰিলে ফটা বাঁহৰ মাত ওলায়।

তই শিক গেনী। হিন্দী ফিলিমৰ দুটামান গান ৰপ্ত কৰ।

গেনিয়াই লাজ কৰে। অকলে অকলে সি অৰণ্যে কেতিয়াবা গায়। গোৱাৰ চেষ্টা এটা তাৰ আছে। দুটা চেপেটা শিল লৈ আঙুলিৰে বজাই বজাই যচিডিৰ সেই ভিখনে ইমান সোপা পইচা ৰোজগাৰ কৰে। গেনিয়ায়ো তেনে দুটা শিল যোগাৰ কৰি ৰাখিছে।

সন্ধিয়া সীতাৰামপুৰ বা ঝাঁ ঝাৰ পৰা নামনি ট্ৰেইন ধৰি ওভতে বাপেক-পুতেক। জুপুৰিটোৰ কাষ পাই গেনিয়াই বাপেকক অকলে এৰি দিয়ে, তাৰ পিচত খৰ খোজে গুচি যায়। পিচৰ পৰা চিঞৰি চিঞৰি তাক দেউতাকে মাতে, কাকুতি-মিনতি কৰে, শাও-শপনি দিয়ে, গেনিয়া উভতি নাহে। একে দৌৰে লাইন পাৰ হৈ গুমটিটোৰ পিচৰ বেৰেকৰ ঘৰটো পায়গৈ। সদায় সন্ধিয়া মহিন্দৰে গান গায় যাৰ লগত, এতিয়া তাৰ মাক আছে। এটা পুৰণি হাৰমনিয়াম আছে মহিন্দৰৰ। খাটিয়াত আৰাম কৰি বহি লয় সি, এখন ভৰি হাৰমনিয়ামটোৰ ওপৰত তুলি দিয়ে। গোৰোহাটোৰে হাৱা দি, দুয়োখন হাতেৰে ৰীড হেঁচুকি হাৰমনিয়ামটোৰ মাত উলিয়ায়। আপোন পাহৰি গান গায়। তাৰ সন্মুকৰ দুটা ওখ দাঁতত সোণৰ পতা চিকমিকাই উঠে। মানুহটো চৌখিন। তাৰ সন্মুখত চমেলীৰ দৰে খাপপিটি বহি থাকে গেনিয়া। একান্তমনে গান শুনে, মনৰ মাজত ধৰি ৰাখিবলৈ চেষ্টা কৰে।

তাৰ মাকৰ দুটা বাচ্ছা আছে, সিহঁতে কোঠাটোত চুঁচৰি ফুৰে। চিঞৰে। লাহে লাহে ৰাতি বাঢ়ি যায়। প্ৰায়েই মাকে তাক পিয়াঁজ-নহৰুৰে বনোৱা আলুৰ চখুৰিৰে ভাত খুৱাই দিয়ে। খুৱাই খুৱাই কয়— খবৰদাৰ সেই বুঢ়াটোৰ দৰে ভিক্ষাৰী নহ'বি।

গেনিয়াই হাঁহে— কিন্তু গান গাব জানিলে ভিক্ষা খোজাটো ভাল বিজিনেছ।

হওক ভাল। সেইবোৰ তোৰ দৰকাৰ নাই। বুঢ়া মৰিলে তোক মই লৈ আহিম।

সেইটো সম্ভৱ নহয়। গেনিয়াই জানে। হেজাৰ হ'লেও মাকে আনৰ ঘৰ কৰে। মহিন্দৰৰ দুটা ম'হ আছে, এখন চাহৰ দোকান আছে বটগছজোপাৰ তলত, দোকানখনত চোৰ-দগাবাজৰ আড্ডা। মহিন্দৰ বৰ খঙাল। মাজে মাজে মাকক মাৰি পিঠি দৰাদৰ কৰে। নিজৰ ভৰিৰ বুঢ়া আঙুলিত থু পেলাই মাকক চেলেকিবলৈ দিয়ে। মাজে মাজে এটা বেলা বান্ধি থৈ গুচি যায়। কিমান দিন গৈ সেই দৃশ্য দেখি গেনিয়াই ভয়তে পলাই আহিছে, মাকৰ মুখৰ পৰা তেজ ওলাই শুকাই আছে, চকু দুটা ফুলা, দুয়োখন হাত পিচলৈ কৰি ভৰিয়ে-হাতে বন্ধা অৱস্থাত অসহায়ভাৱে বহি থাকে, কেঁচুৱা দুটাই সেই অৱস্থাতেই বুকু ফালি চোপে। এইবোৰতকৈ তাৰ সুৰদাস অন্ধ ভিক্ষাৰী বাপেকৰ লগতেই সি সুখত আছে। যদিও বুঢ়া কৰাইচ, পইচা-কড়িবোৰ ক'ত যে লুকাই থৈছে, কোনে জানে! তথাপি গেনিয়াৰ বিশ্বাস বুঢ়া মৰিলে এদিন সেই পইচা সিয়েই পাব। বুঢ়া মৰিলে এদিন সি জুপুৰিটো তল-ওপৰ কৰি বিচাৰিব, মাটি খান্দিব, জুপুৰিটো ভাঙি খুঁটাবোৰত চাব, ক'ৰবাত নহয় ক'ৰবাত থাকিবই। সেই পইচাৰে সি এটা ঘৰ ভাড়া ল'ব, এটা হাৰমনিয়াম কিনিব, ডিঙিত ওলোমাই লৈ ট্ৰেইনে ট্ৰেইনে ঘূৰিব, বিজনেছ কৰি এসোপা পইচা লৈ আহিব।

গেনিয়া ৰাতি দেৰিকৈ ঘৰলৈ ওভতে হঠাতে পৃথিৱীৰ সমস্ত দাৰিদ্ৰ্য মোচন কৰি বগা এটি ক্ষয় যোৱা

জোনে গাখীৰ ছটিয়াই দিয়ে চাৰিওপিনে। বগা ফটফটীয়া ইউকেলিপটাছ গছজোপাৰ পাতৰ মাজেৰে গাখীৰ সৰি সৰি পৰিছে। ফুলৰ গোন্ধেৰে বতাহ মলমলাই আছে।

নিৰ্জন বাটটোত আপোনমনে এবাৰ থিয় হয় গেনিয়ে। তাৰ পিচত আপোনপাহৰা হৈ খোলা গলাৰে গান গায় সি, দুপাক নাচে, দুটা শিল তুলি লৈ খঞ্জৰিৰ দৰে বজায়।

গেনিয়া আগুৱাই গৈ থাকে। ওচৰতেই কমলীৰ ঘৰ। বাগিচাৰ গছবোৰৰ ডাল-পাতৰ মাজেৰে দেখা যায়, সিহঁতৰ ঘৰৰ ভিতৰত বিজুলীৰ চাকি জ্বলি আছে। ডাঙৰ ঘৰটো আন্ধাৰ, বাহিৰৰ গে'ট বন্ধ। কেউপিনে নিঃসাৰ নিস্তব্ধতা। সেই নিস্তব্ধতাৰ মাজতে এটি সোণৰ ঘোঁৰা আকাশৰ পৰা জঁপিয়াই নামে। গাখীৰৰ দৰে স্বাদু জোনাকত সেই ঘোঁৰাটোলৈ গেনিয়াই মনৰ চকুৰে চায় আৰু চায়। সোণৰ বহুত দাম। গেনিয়াই জানে।

অভাৱী সংসাৰ বাবেই তাৰ মাকে অভাৱী অন্ধ বাপেকক এৰি গুচি গৈছে। বৰ বেছি দূৰলৈ অৱশ্যে যাব পৰা নাই। লাইনটোৰ সিটো পাৰে খঙাল মহিন্দৰৰ চৰ-লাঠি খাই আছে। সোণৰ ঘোঁৰাটো পালে জুপুৰিটো ভাঙি সি এটা পকীঘৰ সাজিব। খঙাল মহিন্দৰৰ ওচৰৰ পৰা মাকক লৈ আহিব। সুৰদাস ভিক্ষাৰী, ৰামজীয়ে শীতল ৰ'দত এখন ভাগলপুৰী চাদৰ গাত লৈ ৰ'দ পুৱাব আৰু গেনিয়াই ডিঙিত হাৰমনিয়ামটো ওলমাই ওলাই যাব যচিডিৰ মেইল ট্ৰেইন ধৰি ঝাঁ ঝা অথবা মধুপুৰ হৈ গিৰিধিপৰ্যন্ত।

নিঃসাৰে গেনিয়া গে'টখনৰ ওপৰেৰে পাৰ হ'ল। গছ-গছনিবোৰৰ মাজে মাজে গাখীৰ চকমাই আছে। বিচিত্ৰ ছাঁ পৰিছে। তাৰ ছাঁটো ঠিক এটা নাঙঠ মানুহৰ ছাঁৰ দৰে। গছবোৰৰ মাজে মাজে লাহে লাহে আহি সি আন্ধাৰ ঘৰটোৰ ছাঁত থিয় হয়। চাৰিওপিনে চায়। ক'তো কোনো সাৰসুৰ নাই।

উত্তৰ পিনৰ খিৰিকীখনৰ ওচৰত আহি ৰয়। খিৰিকীখনৰ এডাল শিক ভগা। সন্তৰ্পনে খিৰিকীৰ পাল্লাখন টানি চায় সি। বন্ধ হ'লেও একেবাৰে লিপিট খাই থকা নাই পাল্লাখন, ঢকঢকৈকে অলপ লৰে। গেনিয়াই এখন পাল্লা হেঁচি ধৰি ইখন টানে, মাজখিনিত এটা আঙুলিৰ সমান ফাঁক হ'ল। সোঁহাতৰ কোমল আঙুলিবোৰ সোমায়, তলুৱাখন লাগি ধৰে। গাৰ সমস্ত জোৰেৰে সি পাল্লাখন টানি ধৰে। আপ্ৰাণ চেষ্টা কৰে হাতখন সুমুৱাবলৈ। গধুৰ পাল্লা দুখনে তাৰ কোমল হাত কামুৰি ধৰে, চোবায় খায়। তথাপি ছিটকিনডালৰ ঘূৰণীয়া মূৰটো তাৰ হাতত লাগে, কিন্তু সেইটো সি ধৰিব পৰা নাই হাতেৰে। তাৰ ওপৰৰ পাল্লাখন টান হৈ থকা বাবে ছিটকনিডাল টান হৈ লাগি আছে, তথাপি সি চেষ্টা কৰি থাকে। খিৰিকীৰ দুখন গধুৰ পাল্লাই ৰাক্ষসৰ মুখৰ দৰে নিবিড় আনন্দেৰে তাৰ হাতখন চোবাবলৈ ধৰে। বিষতে সি গেঙনিৰ দৰে শব্দ কৰে।

ওচৰতে ক'ৰবাত কুকুৰ এটাই ভুকিছে। হাৰামীবোৰে অনবৰতে কিয় যে ভুকি থাকে গেনিয়াই ভাবি নাপায়। হাতখন টানি উলিওৱাৰ সময়ত ছাল ছিগে। হাতখনৰ খুব পোৰণি উঠে। জোনাকত বাগিচাখনত ক'ৰবাত কাঠৰ সৰু এটুকুৰা বা কাঠী পোৱা যায় নেকি সি বিচাৰে। পায়ো যায়। এটুকুৰা সৰু পাতল কাঠ। এইবাৰ খিৰিকীৰ পাল্লা দুখন ফাঁক কৰি সি কাঠৰ টুকুৰাটো সোমোৱাই দিয়ে। তাৰপিচত আকৌ হাত সুমুৱায়। বহু চেষ্টাৰ মূৰত মণিবন্ধলৈকে হাতখন সুমুৱাই দিব পাৰে।

কুকুৰৰ মাতটো আগুৱাই আহিছে। দূৰৈত কমলীৰ মাত শুনা গৈছে। তাই মাতি আছে চমেলী-এ

চমেই-ই-ই-ই-

কুকুৰটো চমেলীয়েই। ৰেণ্ডী ক'ৰবাৰ। ভাতৰ লোভত দুয়োবেলা ইয়াতে আহি বহি থাকে।

একান্তমনে ছিটকনিডালৰ মূৰটোত ধৰিবলৈ চেষ্টা কৰি থাকে গেনিয়াই। এপাকত ধৰে। ঠিক সেই সময়তে জোপোহা-জংগল ভাঙি দৌৰি আহে চমেলী। দুটা বুকু ফটা আনন্দৰ চিঞৰ টানি কুঁ কুঁৱাই জোৰেৰে নেজডাল জোকাৰি জোকাৰি তাই গেনিয়াৰ ভৰি দুখনৰ মাজত মূৰটো গুজি দিয়ে। ভলি চেলেকে, গাত জঁপিয়াই উঠে।

ৰেণ্ডী! চেপা মাতেৰে গেনিয়াই গালি পাৰে। তাৰ পিচত জোৰেৰে এটা লাথি মাৰে। কেং কেং কৰি চমেলী ছিটিকি পৰে। পিচমুহূৰ্ততে অপমান পাহৰি আকৌ কুঁ কুঁ কৰি আগুৱাই আহে, নেজডাল নচুৱাই নানা আদৰৰ শব্দ কৰি থাকে। ইপিনে গেনিয়াৰ আঙুলিৰ জোৰত ছিটকিনিডাল ঘূৰিছে। টোপটোপকৈ ঘাম বিৰিঙি উঠিছে তাৰ মুখত।

চাকি এগছ ওখকৈ ধৰি কম্‌লী লাহে লাহে আগুৱাই আহি আছে, মাতিছে— চমেলী-এ চমেলী-ই-ই-।

ছিটকিনিডাল ঘূৰিছে। ঘূৰি গৈছে। কোঠাটোৰ ভিতৰত আন্ধাৰতে জঁপিয়াই আছে সোণৰ ঘোঁৰাটোৱে। গোটেই কোঠালিটো সি ঘূৰি ফুৰিছে। ওলাবাৰ বাট বিচাৰিছে। সোঁহাতখন ভীষণ জ্বলিছে গেনিয়াৰ, হাড়বোৰ মৰমৰাই আছে। বিষতে সি নীলা পৰি গৈছে। বিষতে সি খিৰিকীৰ পাল্লা কামুৰি ধৰিছে, দাঁত কৰচিছে।

ক'লা ধোঁৱাৰে চাকিটো হাতত লৈ কম্‌লী আগুৱাই আহি আছে, মাতিছে— এ চমেলী-ই-

গেনিয়াৰ দুভৰিৰ মাজৰ পৰা আনন্দতে চমেলীয়ে সঁহাৰি দিছে- ঘে-উ-উ-ঘেউ-

ঠক কৰি ছিটকিনিডাল উঠি আহি পাল্লাখন মেল খাই যায়। গেনিয়াৰ অৱশ হাতখন পৰি যায়। ইখন হাতেৰে হেঁচি ধৰি সি আৰু এটা লাথি মাৰে চমেলীৰ পেটত।

চকুৰ পলকতে গেনিয়াই জাঁপ মাৰি খিৰিকীখনত উঠি পাল্লাখন টানি দিয়ে। বাহিৰত খিৰিকীখনলৈ চাই চাই হাহাকাৰ কৰি ভুকি থাকে চমেলীয়ে। চাকিৰ পোহৰটো অলপ ওপৰলৈ তুলি দূৰত থিয় হৈ কম্‌লীয়ে দৃশ্যটো চাই থাকে। তাইৰ ভয় লাগে।

লগে লগে তাই মাক আৰু দেউতাকক চিঞৰি চিঞৰি উভতি দৌৰ মাৰে।

আন্ধাৰত ইটো কোঠাৰ পৰা সিটো কোঠালৈ যায় গেনিয়া। দৰ্জা খেপিয়াই ছিটকিনি খোলে, আন এটা কোঠালিলৈ যায়। আচবাব-পত্ৰবোৰত খুন্দা খায়। কাৰ্পেটত, পা-পোচত উজুটি খায়। আন্ধাৰত একো অনুমান কৰিব নোৱাৰে। তথাপি সেই কোঠালিটো সি বিচাৰি ফুৰে, যিটো কোঠালিত আলমাৰিটো আছে, আলমাৰিটোত আছে সোণৰ ঘোঁৰাটো। বিচাৰি বিচাৰি ঘূৰি মৰে। দুটা কোঠা খুলি তৃতীয় কোঠালিটো খুলিবলৈ গৈ সি বুৰ্বক বনি যায়। এই কোঠালিটোৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ। দুৱাৰখন খেপিয়াই গম পায় সি। এইটোৱেই মাজৰ সেই কোঠাটো যেন অনুমান হয় তাৰ, এই কোঠালিটোতেই সেই আলমাৰিটো আছে। গাৰ সমস্ত জোৰ দি দৰ্জাখন টানে সি। একেবাৰে শিলৰ দৰে গধুৰ, অলপো লৰচৰ নকৰে দৰ্জাখনে। বহু সময় ধৰি সি চেষ্টা কৰে। বৃথা! তাৰ ফোপনি উঠি যায়। ক্লান্ত লাগে।

আন্ধাৰত পাগলৰ দৰে সি ঘূৰি ফুৰিছে। খুন্দা খায়, আকৌ ঘূৰে। ওলাবলৈ বাটটো বিচাৰি পোৱা নাই। মজিয়াৰ ওপৰত নিগনি দৌৰে ইপিনে সিপিনে।

পইতাচোৰা পিৰপিৰাই ঘূৰি ফুৰে। বাহিৰৰ পৰা চিনাকী ঘৰটো ভিতৰৰ পৰা আন্ধাৰত একেবাৰে অচিনাকি যেন লাগে গেনিয়াৰ। প্ৰতিখন খিৰিকি খেপিয়ায়। একোতেই সেই শিক ভগা খিৰিকীখন বিচাৰি নাপায়। বাহিৰত এতিয়া চমেলীৰ ভুক-ভুকনি নাই। কেউপিনে নিতাল-নিস্তব্ধ। সি কি কৰিব এতিয়া! যদিও সি চোৰ, ৰেণ্ডীৰ বেটা, ভিক্ষাৰী, তবু তাৰো ভয়ভীত আছে। কম্‌লী মানুহ মাতি আনিবলৈ গৈছে। ইপিনে ভুল বাটত বাৰে বাৰে খুন্দা খাই মৰিছে সি। বন্ধ দুৱাৰখনৰ সিপিনে সি স্পষ্ট গম পায়— সোণৰ ঘোঁৰাটো ঘূৰি ফুৰিছে, ওলাবলৈ বাট বিচাৰি পোৱা নাই।

ভূতনাথৰ হাতত জুইৰ জুমুঠি, কম্‌লীৰ হাতত চাকিটো। সিহঁত দুয়োটাই ঘৰটো ঘূৰি-মেলি চায়। খিৰিকীবোৰ এখন এখনকৈ টানি চায়। সব্ ঠিকেই আছে। উদাস মাতেৰে ভূতনাথে কয়-ক'ত কি আছে? তই কিবা ভূল দেখিছিলি।

তাৰ পিচত নিশ্চিন্ত মনে দুয়ো শুবলৈ যায়।

গভীৰ নিশা টোপনিতে ঠাণ্ডা ঠাণ্ডা লাগে সুৰদাস ৰামজীৰ। আজি বিছনাখনত তেনেকুৱা উম নাই। উম বিচাৰি খুতখুতকৈ সি কেঁকায়। টোপনিতে হাতখনেৰে খেপিয়াই গেনিয়াক বিচাৰে। অন্ধৰ লাখুটি। তাৰ শিশু শৰীৰটো বুকুৰ মাজত ল'লে উম লাগে। কিন্তু বিছনাখন শূন্য। কোন বা চোৰ-ডকাইতৰ লগ দিছেগৈ গেনিয়াই কোনে জানে। নে সেই ৰেণ্ডীজনীয়ে ফুচুলাই ৰাখি থ'লে। হে ভগবান, গোটেই জীৱনটো তেনেহ'লে পৃথিৱীখন খেপিয়াওঁতেই তাৰ প্ৰাণটো যাব! আধাঘুমটিৰেই সি গালি পাৰে, বিলাপ কৰে, আকৌ লাহে লাহে শুই পৰে।

বাহিৰৰ চোতালখনত জোনাকৰ নৈ বৈ আছে। চমেলীয়ে টোপনিভৰা চকুৰেই মাজে মাজে সেই দৃশ্য চায়। দুই-এবাৰ ভুকি উঠে। আকৌ কুণ্ডলী পকাই চকু মুদে।

ৰাতি বাঢ়ি যায়।

কোমল গাদীৰ ইংলিছ বেডৰ ওপৰত উদং গাৰে কেতিয়াবাই টোপনি গ'ল গেনিয়া। বৰ ক্লান্ত সি। কান্দিছিল, চকুপানীখিনি গালত শুকাই আছে। চকুৰ কোলাত দুটোপ জমা হৈ আছে।

মাজৰাতি বাগিচাৰ ছাঁবোৰে বেঁকা হৈ ভাগি গৈছিল। জোনাক তীব্ৰ হৈ উঠিছে, ফুলৰ গোন্ধটো আগতকৈ গাঢ়, মন্থৰ হৈছে বতাহ।

দুখীবোৰৰ বাবে সপোনৰ সন্ধানত ওলাইছে ঈশ্বৰ। অনাই-বনাই ঘূৰি তেওঁ চৰাচৰৰ পৰা সপোনবোৰ ধৰে। আঁজলিভৰা সেই সপোনবোৰ আকৌ ছটিয়াই দিয়ে। মাজৰাতি তৰাৰ গুৰিৰ দৰে সেই সপোনবোৰ সৰি পৰে পৃথিৱীত।

গেনিয়াই দেখে সোণৰ ঘোঁৰাৰ পিঠিত উঠি সিহঁত গৈ আছে। তাৰ পিঠিৰ কাষত অন্ধ বাপেক, বাপেকৰ কঁকালত সাবটি ধৰি মাক। গেনিয়াৰ দুয়ো হাতত খঞ্জৰীৰ দৰে দুটা শিল। সি শিল দুটা বজাই বজাই খুব সুন্দৰ গান গাইছে। সন্মুখত সোণালী নদী, নদীখন পাৰ হ'লেই আকালৰ দেশ শেষ হৈ যাব। সিপাৰে খুব ভিক্ষা পোৱা যায়।

দুচকুত চকুলো লৈয়েই টোপনিতে গেনিয়াই হাঁহে।◆◆

মনোভাৱ

সিদ্ধাৰ্থ ৰাজ বৰদলৈ

দৈনন্দিন যোৱাৰ দৰে অপেক্ষা বাছ ষ্টপেজত ছয় গাঁও অভিমুখি বাছৰ বাবে প্ৰায় পলম হৈছে কাৰ্যালয় যোৱাৰ বাবে এনেতে এখন বাছ আহিল লৰা লৰিকৈ উঠি এটা চিট পালো। সিমান এটা ভিৰ নাছিল। মোৰ কাষতে দুজন একেবাৰে ডেকা যুৱক আগৰে পৰাই বহি আছিল দেখিয়েই গম পাই যে হাইস্কুল পৰ্যায়ৰ হ'ব দুয়োজন। এইদৰে বাছখন এটা-দুটা ষ্টপেজ কৰি আগবাঢ়িল আৰু অলপ ভিৰো বাঢ়িল। ঠিক ৰামপুৰ ষ্টপেজ পাওঁতেই এজন ব্যক্তি লৰা লৰিকৈ উঠিল আৰু মোৰ কাষৰ ঠিয় হৈ থকা ব্যক্তিজনক দেখি জোৰকৈ চিঞৰি উঠিল ফুৰ্ত্তিতে 'অ' কি হা শৰ্মা দেখোন কেনে হা'? আনজনেও তেওঁক দেখি যথেষ্ট আনন্দমনেৰে দুয়ো বাৰ্তালাপ কৰাত লাগিল। কথা-বতৰাত উমান পালো দুয়ো যথেষ্ট ভাল বন্ধু আৰু দুয়ো নামনি দিশৰে ব্যক্তি। এইদৰে বাৰ্তালাপ কৰি অলপ দূৰ গৈয়ে দুয়ো বৰ তেজপুৰ ষ্টপেজত একেলগে নামি গুছি গ'ল।

গুছি যোৱাৰ লগে লগে মোৰ কাষৰ যি দুজন ডেকা যুৱক বহি আছিল তাৰে এজনক উদ্দেশ্যি আনজনে ক'লে 'কি যে কামোৰ দিলে এই মানুহ দুটাই বম বটলা লাগে এইবোৰ কথা শুনি নিশ্চয় নলবৰীয়া হ'ব যেন পাইছো।

আবে তুমি জানা না মোৰ মা নলবৰীয়া আৰু দেউতা গোলাঘাটৰ, বাছি জানো জানা নহ'লে ময়ো ছাগে এনেকাই কথা ক'লো হয়। হাঃ হাঃ হাঃ (অট্ট হাস্য)

কথাখিনি কাণত পৰাৰ লগে লগে যুৱকজনলৈ দৃষ্টি দিলো।

সাজ-পোছাক একেবাৰে পশ্চিমীয়া চুলি কেটেলা পহুৰ দৰে থিয় খোৱা। হাতত স্পষ্ট এটা টেটো, এডাল সাপ আৰু ঠিক তলত লিখা আছে Cobra এই গোটেইখিনি দৃষ্টি গোচৰ হৈ মনলৈ এক প্ৰশ্ন আহিল যে যি দুজন মানুহক যুৱকজনে হাঁহিলে তেওঁলোকৰ কথা-বতৰা আচ-বাব আদিৰ পৰা বুজিব পাৰি যে, দুয়ো নামনিৰ আৰু কোনো কৃত্ৰিমতা তেওঁলোকৰ মাজত নাছিল।

কিন্তু যুৱকজনৰ পশ্চিমীয়া ফেচন আৰু বাৰ্তালাপ কৰা কথাখিনিৰ কিছুমান বাক্য যদি মন কৰো যেনে— 'বম বটলা' তুমি জানা না ইত্যাদি।

এতিয়া কথা হ'ল সেই অট্টহাস্য কৰি যিজন যুৱকে আনৰ ভাষাটোক লৈ যিদৰে ঠাট্টা কৰিলে আমি তেওঁক কোন ঠাইৰ বুলি ক'ম?

উজনিৰ নে নামনিৰ?

আজিৰ সমাজত এই মনোভাৱ প্ৰায়ভাগ মানুহৰ মাজতে দেখা যায়। ঠাই বিশেষে ভাষাৰ সাল-সলনি আৰু ভিন্ন সংস্কৃতি দেখাটো স্বাভাৱিক।

যদি গোটেই অসমৰ কোনো দিশ নাথাকি এটাই দিশ হ'ল হয় তেতিয়া হয়টো উজনি আৰু নামনি এই দুটা শব্দই নহ'লহেঁতেন।

গতিকে সকলোৱে উজনি আৰু নামনি এই দুটা শব্দক ৰিজাই থকাৰ পৰা বিৰত থাকি সকলোৱে আন ঠাইৰ লোকক শ্ৰদ্ধাৰে আৰু তেওঁলোকৰ সংস্কৃতি আন ঠাৰি সংস্কৃতিত কৈ কি দৰে পৃথক তাক জনাৰ উদ্দেশ্যেৰে এক চেষ্টা কৰিব লাগে।

যাতে সকলোৱে অনুভৱ কৰে যে উজনি আৰু নামনি দুটা শব্দ বেলেগ হ'লেও কিন্তু এই দুটা শব্দ অসমৰ ভিতৰতে অন্তৰ্গত পাহৰি যোৱা অনুচিত যে উজনিয়ে হওঁক বা নামনিয়ে হওঁক আমি সকলো অসমৰে অন্তৰ্গত নিবাসী।

'অসমীয়া জাতি'।◆◆

With best Compliments from.....

SUN চানভেলি হস্পিটেল
VALLEY HOSPITAL
(A UNIT OF SUN VALLEY DIABETIC CARE & RESEARCH CENTRE)

মানৱতাবাদ- হেৰাই যাব ধৰিছে শ্ৰেষ্ঠতাৰ গৌৰৱ

কাকলি বৰদলৈ

"মানুহে মানুহৰ বাবে যদিহে অকণো নেভাবে........" ভূপেনদাই হয়তু অদূৰ ভৱিষ্যতৰ কথা ভাবিয়েই তাহানিতে এই গানটো অসমৰ ৰাইজৰ বাবে ৰচিছিল। সকলোৱে চাগে জীৱনত ভূপেনদাৰ এই অমৰ সৃষ্টিক এবাৰ হ'লেও গুণগুণাইছে।

আমাৰ সকলোৰে একোখন নিজা আৰু সুন্দৰ সমাজ আছে। সম্বন্ধবোৰ মূল্যায়ণ কৰিবলৈ শিকি ঘৰখনৰ লগতে সমাজখনৰ বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা দিশহে আৰু সুন্দৰ কৰি তুলিব পাৰি। আমি ইজনে সিজনৰ লগত আছোঁ, মন গ'লেই কথা পাতিছোঁ, সমানে ভগাই হাঁহিছো-কান্দিছোঁ, এইয়াই আমাৰ সৌভাগ্য। কু-চিন্তা, কু-মন্ত্ৰণাৰ বশবৰ্ত্তী হৈ সম্বন্ধক তাৰ আওতালৈ কেতিয়াওঁ নিয়াটো অনুচিত।

এজাক মানুহৰ
চন পৰা মন
এজাক মানুহৰ
উপসানাও হৈছে
আজি অভিলাসী জীৱন।

আমনি লাগিছে আজি কালি ধৰ্মীয় খোৱা কামোৰা দেখি, আজিৰ তাৰিখত উপলব্ধি কৰিছো, মই যদি কোনো ধৰ্মৰ অন্তৰ্গত জন্ম নহ'লো হয় (!) সকলোৰে ধৰ্মতকৈ নিজৰ ধৰ্ম উচ্চ বুলি জহ মাৰি জীয়াই থাকিব লগা নহ'লহেঁতেন। লাজ পাওঁ মনুষ্যত্বক হেৰুৱাই ধৰ্ম ৰক্ষাৰ কথা যেতিয়াই শুনো। কোনো ধৰ্মৰ দৰ্শনকেই অস্বীকাৰ কৰিব নোৱাৰি অথচ আমি নিজেই নিজত অহংকাৰী। ইমান শিক্ষিত (!) হৈছো যে আন ধৰ্মক সমীহ, সন্মান কৰিব নাজানো।

এটা প্ৰশ্ন মনলৈ আহে, আমি অংহকাৰ কেতিয়া কৰিম? যদি জন্মৰ আগতেই সিদ্ধান্ত ল'ব পাৰিলোহেঁতেন যে মই আমুক ধৰ্মীয় পৰিয়ালত জন্ম গ্ৰহণ কৰিম (অৱতাৰ বুলি কৰা বিশ্বাসটো বেলেগ, নিজ ইচ্ছাত জন্ম লয় বুলি জন বিশ্বাস।) অথবা অন্তিম যাত্ৰাত চাৰি কান্ধৰ

সহায় নোলোৱাকৈ সমাধি লৈ বা চিতাত উঠিলোহেঁতেন, তেতিয়া কথা সুকীয়া আছিল। জন্ম ল'লো ক'ত তাক জ্ঞান হ'লেহে আমি জানো আমাৰ স্থিতি কোন ধৰ্মৰ কোষ; কোন ধৰ্মৰ ঔৰসৰ। তাৰ পাছত ধৰ্মীয় শিক্ষাৰ আৰম্ভণি হয় পৰম্পৰাৰে। ইয়াৰে বহু নিয়ম অতীজৰ পৰা এটা শব্দতেই সীমিত "নেপায়"। যদি কাৰণ সোধা হয়, উত্তৰ "এনেকৈয়ে চলি আহিছে"। তাৰ পাছত, পৰিচয় হয় সমাজত আন আন ধৰ্মালম্বীলোকো আছে, কিন্তু উহ্য ভাবেই সৰুৰে পৰাই ধাৰণা দিয়া হয় নিজৰ ধৰ্মহে শ্ৰেষ্ঠ। এনে ধাৰণাই পাছলৈ আন ধৰ্মৰ লোকৰ প্ৰতি এটি ব্যৱধান আনে, আমি গমেই নাপাওঁ, ফলশ্ৰুতিত ধৰ্মীয় বিবাদ, সৃষ্টি হয় একোটি ঠেক মন, জনে প্ৰতি।

সকলো জন্মৰ একোটা উদ্দেশ্য আছে, আমি জন্ম গ্ৰহণ কৰা ঘৰখন, ধৰ্মটো কেৱল নিজৰ জীৱনক সুচাৰু ৰূপে পৰিচালিত কৰিবলৈ বন্ধা নীতি নিয়ম, আনক হেয় প্ৰতিপন্ন কৰিবলৈ অথবা নিজৰ ধৰ্মক লৈ বিশ্ব দৰবাৰত অহংকাৰ কৰিবলৈ নহয়। মানুহ হৈ জন্ম আমাৰ, জীৱ শ্ৰেষ্ঠ আমি।

তেওঁ আমাক
এখন বহল পৃথিৱী দিছিল
ভাবি, থাক সকলো মিলি-জুলি
কিন্তু, আমি মানুহ কিমান স্বাৰ্থলোভী?
তেওঁকেই ভিন্ন ৰূপে সঁজাই
একোটি সৰু সৰু ঘৰত আবদ্ধ কৰি
একো একোটা নাম দিলোঁ
তই কেৱল মোৰ ভগৱান বুলি।।◆◆

গৰু বিহুৰ দিনা গৰুক গা-ধোৱাওতে ব্যৱহাৰ হোৱা উপকৰণ

বেঙেনা, মাখিয়তি, জাতিলাও, দীঘলতি, বৰথেৰেকা, তিয়ঁহ

গৰু বিহুৰ জাকত লগা গছ গছনি

কেঁচা গোবৰ, বগৰীৰ ডাল, মাখিয়তি, দীঘলতি, সিজু গছি, ঠুঁঠনি বন, শোকোতা, টিকনি বৰুৱা, বন জৰা, বিৰিণা ইত্যাদি।

অতীত মাধুৰী

— প্ৰদীপ কুমাৰ গগৈ—

—হয়! আমাৰ অতি চেনেহৰ বিহুটিনো কেনেকৈ নাপাতি থাকো। শিপিনীসকলে অতি চেনেহৰ মুগা সূতাখিনি মহুৰাত মেৰিয়াই— অৰ্থাৎ মহুৰা বনাই মাকোত ভৰাই তাঁতৰ শালত মুগাৰ কাপোৰ মেখেলা-চাদৰ আদি বৈ বিহুত পিন্ধিব— কিমান যে আনন্দৰ কথা; কিন্তু সেই চেনেহৰ মাকো বা কাপোৰ যোৰতকৈও আৰু এটা বস্তু আছে, সেইটো হ'ল আমাৰ অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুটো। এই ব'হাগ বিহুটোনো আমি কেনেকৈ নাপাতি থাকো। এই বিহু হ'ল ডেকা-গাভৰু, বুঢ়া-বুঢ়ী আদি কৰি সকলোৰেই দেহা ইখন-সিখন, দেহা-মন জুৰোৱা বিহু। গতিকে, বিহুটি নপতাকৈ থাকিব নোৱাৰো। ব'হাগ মাহৰ প্ৰথম দিন আৰম্ভ হোৱাৰ পৰাই বিহু আৰম্ভ হয়। এই বিহুত সকলোৰেই ৰং-তামচা, ফুৰ্তি কৰি উপভোগ কৰাৰ কাৰণে—ইয়াক ৰঙালী বিহু বুলি কয়।

১৯৭০ চনৰ কথা— যেতিয়া মই কৰ্ম্ম সংস্থাপনৰ বাবে অসমৰ ৰাজধানী শ্বিলঙলৈ যাওঁ। সেই সময়ত অসমৰ ৰাজধানী খাচিয়া পাহাৰৰ শ্বিলঙতেই আছিল আৰু ১৯৭০ চনত খাচিয়া-জয়ন্তীয়া পাহাৰ অসমৰেই অঙ্গ আছিল। ১৯৭২ চনতেই মেঘালয় নামেৰে, এখন সুকীয়া ৰাজ্য গঠন হয়। তাৰ পিচৰ পৰাই অসমৰ চৰকাৰৰ সকলো কাৰ্য্যালয়বিলাক অসমৰ গুৱাহাটীলৈ পৰ্য্যায়ক্ৰমে স্থানান্তৰ কৰা হয়, আৰু গুৱাহাটীকেই অসমৰ ৰাজধানী হিচাবে ঘোষণা কৰা হয়।

আমি যি সকল অসমীয়া লোক শ্বিলঙত বসবাস কৰি চাকৰি কৰিছিলো, সেই সকলে আমাৰ নিজৰ সংস্কৃতি বিহুটো বাৰু কেনেকৈনো নপতাকৈ থাকো, গতিকে আমি সকলোৱে হুঁচৰি গোৱাৰ সিদ্ধান্ত লওঁ। বিহুৰ সঁজুলি যেনে— ঢোল, তাল, পেপাঁ, গগণা আদি কৰি সকলো বিলাক ভৈয়ামৰ পৰাই নিয়া হৈছিল। সেই সময়ত শ্বিলঙত দুঠাইতহে বিহু পতা হৈছিল। বিষ্ণুপুৰ আৰু ধানখেতি নামৰ ঠাইত। এই দুয়ো ঠাইত নামঘৰো বনোৱা হৈছিল। শ্বিলঙত আমি আছিলো 'নংগ্ৰীম-হিলচ' নামৰ ঠাইত। এক-ডেৰ কি.মি. দূৰৈত বিষ্ণুপুৰ নামৰ ঠাইডোখৰ। আমি বিহু

পতাৰ উপৰিও ধান খেতিৰ নাম ঘৰত ভাওঁনাও পাতিছিলো। মোৰ ভাগত কিন্তু সূত্ৰধাৰী ভাওহে পৰিছিল। আগেয়ে কেতিয়াও ভাওনাৰ ভাওলৈ পোৱা নাছিলো। গতিকে ভয়ও লাগিছিল। নলওঁ বুলি ক'লে ৰাইজে নেমানে গতিকে মৰ সাহ দি সূত্ৰ ভাও লও,। বায়নে শিকাই বুজাই দিয়াত, জনা হ'লো। তাৰ পিছত যেতিয়া ভয় ভাগিল তেতিয়া আৰু কোনে পায়। ১৯৭১ আৰু ৭২ চনত ভাওনা পাতিছিলো। আমাৰ মাজত যোগাৰাম দাস নামৰ এজন মানুহ আছিল, তেওঁ ভীমৰ ভাও লৈ বৰ ভাল পাইছিল। তেখেতেই ভাওনাৰ আগ-ভাগ লৈ ভাওনাৰ নাটক আনে। তেওঁ সদায় পাণ্ডৱ থকাহে নাটক হৈ আনিছিল, কাৰণ তেতিয়াহে ভীমৰ ভাও দিব পাৰিব। এতিয়া সেইবিলাক কথা অতীত হ'ল।

শ্বিলঙত থকা সময়ত ব'হাগ বিহুত হুঁচৰি গোৱা হৈছিল গধুলি গধুলিহে। কাৰণ সকলো মানুহেই চাকৰি কৰা মানুহ। অফিচ চুটিৰ পাচত গোট খাই হুঁচৰি গোৱা হৈছিল। আমাৰ বিহুদলত যি সকল লোকে বিহু মাৰিছিল, তেখেত-সকললৈ এতিয়া মনত পৰে। তেখেত সকল হ'ল পোনাৰাম বৰুৱা, ভৱ বৰুৱা, যোগাৰাম দাস, নগেন শইকীয়া, আনন্দ বৰুৱা, তৰুণ বৰদলৈ, ভাইটী বৰদলৈ, অৰুণ গগৈ, তৰুণ গগৈ, প্ৰেমধৰ শইকীয়া, ললিত শইকীয়া, গদাধৰ কটকী, লোকেশ্বৰ চেতিয়া আৰু মই নিজে ইত্যাদি ইত্যাদি। ইয়াৰে লোকেশ্বৰ চেতিয়াই বৰ ধুনীয়া পেপাঁ বজাব জানিছিল। ঢোলত আছিল— ভৱ বৰুৱা, তৰুণ বৰদলৈ, আনন্দ বৰুৱা আৰু মই। বাকীসকলে নাম আৰু নাচনি হিচাবে আছিল। এই সকলৰ কেইজনমান আমাৰ মাজৰ পৰা চিৰদিনৰ কাৰণে হেৰাই গ'ল। তেখেত সকলক ইয়াৰ দ্বাৰাই শ্ৰদ্ধাঞ্জলী যাঁচিছো।

আমি শ্বিলঙত বিহু মাৰোতে মানুহৰ ঘৰত বাচি বাচিহে হুঁচৰি গোৱা হৈছিল, আৰু নিমন্ত্ৰিত মানুহৰ ঘৰতহে হুঁচৰি গাইছিলো। ইয়াৰ ভিতৰত সেই সময়ত প্ৰধানকৈ অসমৰ ৰাজ্যপাল আছিল শ্ৰীযুত বি.কে. নেহৰু, মন্ত্ৰী ৰাম নাথ দাসকে আদি কৰি বহুতো গন্য মান্য লোক আদি। এটা কথা আমাৰ মনত সদায়ে থাকিব। আমি যেতিয়া ৰাজ্যপালৰ ঘৰত হুঁচৰি গাইছিলো, তেতিয়া ভিতৰৰ পৰা ৰাজ্যপালৰ পৰিবাৰে এজোৰ মুগাৰ সাজ পিন্ধি আৰু আমাৰ বিহু দলত যোগ দিছিল। তেখেতসকল অনা অসমীয়া হৈও বিহু প্ৰতি ইমান আগ্ৰহ, বিহুক কিমান ভাল পাইছিল তাক বুজাব নোৱাৰি। ঠিক সেইদৰে মন্ত্ৰী প্ৰয়াত ৰামনাথ দাসৰ ঘৰত হুঁচৰি গাওঁতেও দাসৰ পৰিবাৰে মুগাৰ সাজ পৰিধান কৰিহে আমাৰ বিহু চাই ছিল। ঠিক সেইমতে হুঁচৰি দলক মাননীও যথাসাধ্যমতে অৰিহণা দিছিল। এইবিলাক কথা এতিয়া মনত পৰে।

ইয়াৰোপৰি আৰু কিছুমান কথা এতিয়াও মনত পৰিলে বেয়া লাগে, দুখ লাগে— কাৰণ এতিয়া সেই সেউজ বোলোৱা পাইন গছৰ ছাঁ আৰু নাপাওঁ। নাপাও সেই পাহাৰৰ শীতল বতাহ। সেই সময়ত, আমি বছৰি বিভিন্ন ঠাইত 'ফেমিলী পিক্‌নিক' আদি খোৱাও হৈছিল। তাৰ ভিতৰত 'গল্‌ফ ফিল্ডত' পিক্‌নিক্ খোৱা বেছি আমোদ দায়ক বুলি ক'ব পাৰি। কাৰণ, 'গলফ্ ফিল্ড'খন ইমান ধুনীয়া যেন এখন সেউজ ৰঙৰ দলিচাহে পাৰি থৈছে। মানুহৰ মুখত শুনা পাইছিলো— শ্বিলঙৰ গলফ্ ফিল্ডখন হেনো এচিয়াৰ ভিতৰতেই এখন আটক ধুনীয়া গলফ্ ফিল্ড। ইংৰাজ সকলে যেতিয়া আমাৰ দেশত শাসন চলাইছিল, তেতিয়াই তেখেত সকলে গলফ্ খেলিবৰ কাৰণে এখন ফিল্ড বনাইছিল (এতিয়া কিন্তু তাত ঘৰহে দেখা পোৱা যায়)। চাৰিও ফালে পাইন গছে

আবৰি আছে বাবে পাইন গছৰ শব্দই তাত এক ভাবিব নোৱাৰা পৰিবেশ সৃষ্টি কৰে আৰু পাইন গছৰ এটা বিশেষ গোন্ধ থকাৰ কাৰণে ঠাই ডোখৰ গোন্ধত আমোল মোলাই থাকে। এতিয়া আৰু ক'ত পাম সেই গোন্ধ, পৰিবেশ! এইবিলাক এতিয়া অতীত হ'ল।

তাৰোপৰি আৰু এটা বিশেষ দিন আমাৰ মনত ৰৈ থাকিব— সেইটো হ'ল মাহেকৰ দেওঁবাৰ বিলাকত 'উমপ্লিঙ' নৈত গা ধোৱা পৰ্ব্ব। আমি থকা ঠাইডোখৰ আছিল 'নং গ্ৰীম হিলচ্' নামৰ ঠাই। তাৰ পৰা পূৱ দিশত সেই 'উম্‌প্লিঙ নৈখন আৰু তাৰ কাষতে লাগি আছে 'আসাম ৰাইফলচ্'ৰ হেড্ কোৱাৰ্টাৰ। সেই উম্‌প্লিঙ নৈত প্ৰায় দেওঁবাৰে দেওবাৰে মানুহে গা আৰু কাপোৰ-কানি ধুবলে যায়। নৈখনত শিল আছে আৰু পাহাৰীয়া নৈ কাৰণে, তাৰ পানীবিলাক বৰ চেঁচা। দেওঁবাৰবিলাকত তাত মানুহেই মানুহ হয়, যেন এখন মেলাহে হৈছে। দেওবাৰ বিলাকত গা-কাপোৰ ধোৱাৰ এটা প্ৰধান কাৰণ হ'ল যে সেইদিনা চৰকাৰী কাৰ্য্যালয়বিলাক বন্ধ থাকে। আৰু আন এটা কাৰণ হ'ল শ্বিলঙৰ বহুঠাইত খৰালিকালত পানীৰ বৰ অভাৱ হয়। চাপ্লাই পানী বৰ কমকৈ আহে, পানীৰ টেপৰ তলত শাৰী শাৰী টিনৰ লাইন, বাচন বৰ্ত্তন থৈ দিয়া দেখিবলৈ পোৱা যায়।

আমি যেতিয়া উমপ্লিঙ নৈত গা ধুবলৈ যাওঁ আমি কিন্তু ঘৰৰ পৰা টিফিন্ বনাই লৈ যাওঁ কাৰণ, তাত কিমান দেৰি হয় কেনো ঠিক নাই। তাত কাপোৰ-কানি ধুই ৰ'দত মেলি শুকুৱাই আনিব লাগে। গতিকে ৩/৪ ঘন্টা মান হয়। তাৰ পাচতহে গা ধোৱা পৰ্ব হয় আৰু লৈ যোৱা টিফিন্‌বিলাক খোৱা হয়। কাপোৰ বিলাক ৰ'দত শুকাই আনিব লাগে, কাৰণ কোন সময়ত বৰষুণ আহে ঠিক নাই। নৈ পাৰত যেন এখন মেলা বা বনভোজৰ থলি। ভাল লাগে! এইবিলাক কথা এতিয়া মনত পৰিল। এই সকলোবিলাক এতিয়া অতীত হৈ গ'ল।

এইবিলাকৰ উপৰিও আৰু এটা কথাই মনত প্ৰায়েই আমনি কৰি থাকে— তাত বন্ধৰ দিন হ'লে মানুহ বিলাকে প্ৰায়েই আমনিবোধ কৰে। কাৰণ, কিমাননো চিনেমা হললৈ যাব, কিমাননো তাচপাত খেলিব আৰু কিমাননো ডবা (চেচ্) খেলিব! নহ'লে যাবলে ঠায়েই নাই। গতিকে অফিচ্ বন্ধ হ'লে মানুহবিলাক 'ৱাডলেক'লৈ বা পাৰ্ক'লৈ যোৱাতো নৈমিত্তিক নিয়মত পৰিণত হৈছিল। লগতে পুলিচ বজাৰত থকা 'দিল্লী মিষ্টান্ন ভাণ্ডাৰ' নামৰ ৰেষ্টুৰেণ্টলৈ গৈ পুৰি, চিংৰা, জেলেপী আদি খাই আমি ঘৰমুৱা হওঁ। এইবিলাক কথাই এতিয়াও মনত আমনি দি থাকে। সেইবিলাক সকলো এতিয়া অতীত হ'ল।

১৯৭৩-৭৪ চনৰ পৰাই ক্ৰমান্বয়ে চৰকাৰী কাৰ্য্যালয় বিলাক গুৱাহাটীলৈ স্থানান্তৰ কৰা হয়। অসমীয়া মানুহ বিলাক শ্বিলঙত ক্ৰমান্বয়ে কমি আহিল। মই যিটো বিভাগত চাকৰি কৰিছিলো, সেই বিভাগটো হ'লে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ। আমাৰ বিভাগটো ১৯৭৫ চনৰ আগভাগত সম্পূৰ্ণকৈ স্থানান্তৰ হয় গুৱাহাটীলৈ গতিকে আমিও এদিন শ্বিলং এৰি থৈ গুৱাহাটীলৈ গুচি আহো। এতিয়া সেইবিলাক কথা মনত পৰে। মনত পৰে ক'ৰ সেই বিহুদল, নামঘৰত ভাওনা পতা, উম প্লিং নৈত গা ধোৱা, কাপোৰ ধোৱা, পল ফিল্ডত পিকনিক্ খোৱা, ৱাডলেকৰ পাৰত বহি গল্প মৰা, পুলিচ বজাৰৰ 'দিল্লী মিষ্টান্ন ভাণ্ডাৰত' চিংৰা, জেলেপী খোৱাৰ কথা আৰু বহুতো ইত্যাদি, ইত্যাদি এইবিলাক বৰ্ত্তমান কালৰ বুকুত হেৰাই গ'ল। অতীতৰ কথাবিলাক এতিয়া মনত পৰে।

যেতিয়া আমি পাহাৰৰ পৰা ভৈয়ামৰ গুৱাহাটীলৈ

নামি আহো, আমাৰ অনুভৱ হয়, শ্বিলং আৰু গুৱাহাটী দুয়োডোখৰ ঠাইৰ এক বেলেগ বৈশিষ্ট দেখা পোৱা যায়। কাৰণ শ্বিলঙখন হ'ল এক সৰু পৰিসীমাৰ ঠাই বিশেষ। তাত প্ৰায় মানুহ বিলাকক লগ পায়েই থকা হয়। কাৰোবাক যদি বিশেষ কাৰণত লগ পাবলৈ বিচাৰে তেতিয়া হ'লে পুলিচ বজাৰলৈ গ'লেই হ'ল। তাত নিশ্চয়কৈ কাৰোবাক নহয় কাৰোবাক লগ পাবই। কিন্তু গুৱাহাটীত তাৰ বিপৰীত। ইয়াৰ পৰিসীমা বহল। মানুহবিলাক গুৱাহাটীলৈ আহিয়েই ক'ত ক'ত সিঁচৰিত হ'ল ক'বই নোৱাৰি। কোনোবাৰ হয়তো দিশপুৰত চাকৰি, কাৰোবাৰ হয়তো বামুনীমৈদামত, কাৰোবাৰ হয়তো চান্দমাৰি আৰু কাৰোবাৰ হয়তো উজান বজাৰত। গতিকে, মানুহ বিলাকক ক'ৰবাত কেতিয়াবাহে লগ পোৱা যায়, আৰু সেইকাৰণে হয়তো মানুহৰ মন বিলাকে অলপ বেলেগ ধৰণৰ হোৱা যেন দেখা যায়। কিন্তু এটা কথা ঠিক যে শ্বিলঙত থকা অৱস্থাত মানুহ বিলাকৰ আত্মীয়তাতো বেছি আছিল, ইয়াত কিন্তু সেইটো কমি যোৱা যেন অনুভৱ হয়।

ইতিমধ্যে আমাৰ সংসাৰখনলৈ ১৯৭৩ চনত (তেতিয়া আমি শ্বিলঙতে আছো) দুগৰাকী যমজ কন্যা সন্তানৰ আগমন হয়। তাৰ এবছৰ মানৰ পিচতে আমি গুৱাহাটীলৈ আহিব লগা হয়, কাৰণ 'কেপিটেল চিফ্‌ট' হৈছে। ইয়ালৈ আহি আমি দক্ষিণ শৰণীয়া নামৰ ঠাইত ভাৰা ঘৰলৈ থাকিব লগা হয়। গুৱাহাটীৰ দক্ষিণ শৰণীয়াত আমি ভালেকেইবছৰ আছিলো। কাৰণ ছোৱালী দুজনীৰ পঢ়া-শুনাৰ কথা আছে। ওচৰতে দক্ষিণ শৰণীয়া প্ৰাইমেৰী স্কুল এখন আছে। অহা-যোৱাৰ কাৰণে সুবিধা। সিহঁত দুজনী ডাঙৰ হৈ অহাৰ লগে লগে, সেই প্ৰাইমেৰী স্কুলতে পঢ়িবৰ কাৰণে নাম লগাই দিয়া হয়।

সেই স্কুলখনৰ ওচৰতে দক্ষিণ শৰণীয়া ক্লাব নামেৰে এটা ক্লাব আছে। স্কুল ছুটী হোৱাৰ পাচত সেই ক্লাবৰ ফিল্ডত ল'ৰা-ছোৱালী বিলাকে খেলা-ধূলাৰ কাৰণে যায়। তালৈ আমাৰ ছোৱালী দুজনীও গৈছিল। ছোৱালী দুজনীৰ ঘৰত মতা নাম ৰখা হৈছিল— জীনু (পূৰবী), আৰু মীনু (কৰবী)। ডাঙৰজনী পূৰবী সৰুৰে পৰাই নাচ আৰু গানৰ প্ৰতি বৰ আগ্ৰহ আছিল। তুলনামূলক ভাবে সৰু গৰাকীৰ অলপ কম আছিল। বিহুৰ সময়ত দঃ শৰণীয়া ক্লাৱত বিহুৰ আখৰা হয়। তাত সিহঁতে খেলিবলৈ যাওঁতে, ডাঙৰবিলাকে বিহু নচা-নাচ বিলাক চাই থাকে, আৰু বাহিৰত সিহঁতে ঢোলৰ চেৱে চেৱে ডাঙৰ বিলাকে নচা নাচ চাই চাই নাচি থাকে। এদিন ক্লাবৰ সম্পাদকজনে সিহঁতক বাহিৰত নাচি থকা দেখা পালে, নাচ দেখা পাই ওচৰলৈ মাতি নি সুধিলে "তোমালোক ক'ত থাকা, দেউতাৰাৰ নাম কি? ক'ত পঢ়া"— ইত্যাদি। সিহঁত দুয়োজনীয়ে উত্তৰ দিলে— "আমি অলপ দূৰতে থাকো, আমি ওচৰৰে এল.পি. স্কুলতে পঢ়ো আৰু দেউতাৰ নাম প্ৰদীপ গগৈ, মাৰ নাম গায়ত্ৰী গগৈ।" পিচত গম পালো ক্লাবৰ সম্পাদকজনৰ নাম আছিল প্ৰভাত বৰদলৈ। তেখেতৰ ঘৰটো ক্লাবৰ ওচৰতে। তেখেতে আৰু সুধিলে— "তোমালোকে নাচিবানে?" সিহঁত দুজনীয়েও ঘপকৈ উত্তৰ দিলে "হয় নাচিম", তাৰ পাচত ক্লাবৰ ভিতৰলৈ লৈ গৈ ঢোলৰ চেৱত নাচিবলৈ দিলে, সিহঁত দুজনীয়ে ভালকৈয়ে নাচি দেখুৱালে। সকলো আচৰিত হ'ল, কোনো দিনে ননচাকৈ ইমান ভালকৈ নাচিচে। যেন সিহঁতে ক'ৰবাত বিহু নাচ শিকিহে আছে। আখৰা শেষ হোৱাৰ পিচত সম্পাদকক লগত লৈ সিহঁত দুজনী আমাৰ ঘৰ ওলালহি। তেতিয়া সম্পাদক বৰদলৈয়ে চিনাকী দি সিহঁতৰ সকলো কথা

আমাৰ আগত বিৰৰি কলে, আৰু ক'লে "ছোৱালী দুজনী আমাক দিয়ক", সিহঁতক আমি বিহু শিকাম। তেতিয়া আমি সুধিলো বিহু দলটো ক'ৰ আৰু দলৰ নাম কি? - সোধাত ক'লে, দলটোৰ নাম হ'ল 'অৰুণোদয় শিল্পীসংঘ' আৰু ৰাজগড়তে থাকে। এইয়াই হ'ল সিহঁতৰ বিহু নাচৰ আৰম্ভনি।

বিহুৰ সময়ত দঃ শৰণীয়াৰ আশে-পাশে কেবাখনো বিহু পতা হয়। তাৰ ভিতৰত লাচিত নগৰ, ৰাজগড়, উলুবাড়ীয়েই প্ৰধান। সেই বিহুৰ মঞ্চত নচুৱাবৰ কাৰণে প্ৰভাত বৰদলৈ (সম্পাদক) আৰু বিহুৱা দুল্লভ বুঢ়াগোহাঁইয়ে আমাৰ ডাঙৰ ছোৱালী পূৰবীক বিহু নাচৰ কাৰণে লৈ যায়, (তেতিয়া তাইৰ বয়স ৩ বছৰ) আৰু মাকেও তাইৰ মুগাৰ চাদৰখনকে মেখেলা কৰি সজাই-পৰাই উলিয়াই দিয়ে। ৰাতি প্ৰায় ৯/১০ মান বজাত তাইৰ গাৰ কাপোৰত ৫-১০ টকাৰ নোট বিলাক পিন মাৰি আমাৰ ঘৰলৈ থবৰ কাৰণে লৈ আহে। আমি কিন্তু লগত যোৱা নাছিলো। যেতিয়া থবৰ কাৰণে ঘৰ সোমায়, বৰদলৈ আৰু দুৰ্ল্লভে মাত্ৰ এটা কথাই আমাক কৈছিল— "এইয়া ছোৱালীজনী গতালো", আৰু গাত পিন মাৰি অনা নোট বিলাক উদ্দেশ্য কৰি কয়— "এই বিলাক কি চাওকচোন"— তেতিয়া আমি আচৰিত হওঁ— আমি ভাবো যে ঘৰৰ বাপেক-মাক কৰবাতে থাকো— বেলেগেই ছোৱালীজনী নি নচুৱাই ৰাইজৰ প্ৰশংসা বোটলাই আনিছে। আৰু কয় দুল্লভে হেনো পূৰবীক ঢোলৰ ওপৰত তুলি নচুৱাই দেখুৱায়। দুল্লভে ভল পেপাঁও বজাব জানে— কেবা ঠাইতো বেচ পেঁপা বাদকৰ সন্মানো পাইছিল। —এইবিলাক হ'ল তেখেতলোকৰ অনবদ্য অৱদান।

পূৰবীক "অৰুণোদয় শিল্পী সংঘৰ" সদস্যসকলে বিভিন্ন চেমনীয়া সকলৰ বিহু নাচ প্ৰতিযোগিতা যেনে- বিহু পৰী, বিহু কন্যা, মৌ-কুঁৱৰী আদি প্ৰতিযোগিতা বিলাকত যোগ দিয়াই বিহু নচুৱাই বহুত পুৰস্কাৰও পোৱাইছিল। সেই সকল বিহুৱাৰ ভিতৰত সৰ্ব্বশ্ৰী গোপী গগৈ, দেৱেন সন্দিকৈ, ৰামবৰা, নিত্য কলিতা, কমলা শইকীয়া, বাবুল ৰাহাং আদিৰ নাম ল'বই লাগিব। তেওঁলোকৰ সহায়-সহযোগ নোপোৱা হ'লে তাই ইমান আগবাঢ়ি যাব নোৱাৰিলেহেতেন। পূৰবীয়ে ১৯৮৪ চনলৈকে অৰুণোদয় শিল্পী সংঘৰহে বিহু নাচিছিল। পূৰবীয়ে চেমনীয়া কালৰ অৱস্থাৰ পৰা আৰম্ভ কৰি বহুটো পুৰস্কাৰ যেনে- বিহু কুঁৱৰী, বিহুৱতী, বৰ বিহুৱতী, অসম-বিহুৱতী আদিৰ খিতাপ আৰু কেবাটাও সোণৰ পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল। এইটো তাইৰ প্ৰতিভাৰ লগতে বিহুদলৰে কৃতিত্ব বুলি ক'ব পাৰি। সৰ্ব্ব শেষত ১৯৯২ চনত গুৱাহাটী বিহু সন্মিলনীয়ে আয়োজন কৰা (লতাশিলত) বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতাত অংশ লৈ ১৯৯২ চনৰ বিহু সম্ৰাজ্ঞীৰ খিতাপ অৰ্জন কৰে।

তাই অকলে বিহু নাচতেই আছিল এনে নহয় তাই শাস্ত্ৰীয় সংগীততো শিকিছিল। প্ৰাইমেৰী স্কুল শেষ হোৱাৰ পাছত। সিহঁত দুয়োজনীকে গুৱাহাটী ক্লাবৰ ওচৰত থকা 'তাৰিণী চৰণ চৌধুৰী বহুমুখী বালিকা বিদ্যালয়ত নাম ভৰ্ত্তি কৰাই দিয়া হ'ল। সিহঁত দুয়োজনী দুটা বিষয়ত বিশেষ বিষয় হিচাবে লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ডাঙৰজনী পূৰবীয়ে সঙ্গীত বিভাগত আৰু সৰুজনী কৰবীয়ে আৰ্ট বিষয়ত লেটাৰ মাৰ্কসহ সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

পূৰবীয়ে নাচ আৰু গান দুয়োটাতে সমানে চৰ্চা কৰি থাকে। স্কুলৰ উপৰিও গানত ঘৰুৱা শিক্ষকও দিয়া

হৈছিল, লক্ষ্মৌ ভাটখাণ্ডে সঙ্গীত বিদ্যালয়ৰ পৰা শাস্ত্ৰীয় সঙ্গীতৰ বিশাৰদও পাচ কৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই আয়োজন কৰা যুৱবাণী অনুস্থানৰ 'অডিচন' দি পাচ কৰে আৰু গুৱাহাটী আকাশবাণী 'যুৱবাণী' অনুস্থানৰ নিয়মীয়া গায়িকা হিচাবে প্ৰতিস্থিত হয়। আশী দশকৰ প্ৰথম ভাগতে। তাৰ পাচত ডিব্ৰুগড় আকাশবাণী কেন্দ্ৰৰ 'জেনেৰেল' শিতানত অডিচন দি তাতো উত্তীৰ্ণ হয়। তাৰ পিচত গুৱাহাটী আকাশবাণী কেন্দ্ৰই আয়োজন কৰা 'জেনেৰেল' শিতানতও 'অডিচন'দি পাচ কৰে। কিন্তু আকাশবাণীৰ নিয়ম অনুযায়ী এগৰাকী শিল্পী বা গায়িকাই যেই কোনো এটা কেন্দ্ৰতহে গান গোৱাৰ সুবিধা পাব পাৰে, দুঠাইত নহ'ব। গতিকে ডিব্ৰুগড় কেন্দ্ৰৰ পৰা নামটো উঠাই লোৱা হয়। তাৰ পিচৰ পৰাই গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ 'গীতি মালিকা' শিতানত গান গাবলৈ সুবিধা পায়। গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত হোৱাৰ কাৰণে গুৱাহাটী দুৰদৰ্শন কেন্দ্ৰতো গান পৰিবেশনৰ সুবিধা লাভ কৰে।

১৯৮৪ চনত আমাৰ দিশপুৰৰ ওচৰতে ৰুক্মিনী নগৰত অকনমান মাটি লৈ এটা ঘৰ বনোৱা হ'ল। ঘৰটো সম্পূৰ্ণ কৰি দক্ষিণ শৰণীয়াৰ পৰা আমাৰ নিজৰ ঘৰলৈ আহোঁ আৰু ইয়াৰ লগে লগেই ৰাজগড়ত 'অৰুণোদয় শিল্পী সংঘ' এৰিবলগীয়া হয়। কাৰণ-ৰুক্মিনী নগৰৰ পৰা ৰাজগড়লৈ গৈ বিহু দলত বিহু নাচিবলৈ যোৱাতো বৰ অসুবিধা আৰু দুৰ হয়। গতিকে 'অৰুণোদয় সংঘ' এৰিব লগাত পৰে। ইয়াত আহি আমি বিকল্প হিচাপে এটা নতুন বিহু দল খোলাৰ স্থিৰ কৰো আৰু খোলাও হ'ল— নাম দিলো 'ৰংঘৰ বিহু হুঁচৰি দল'— ঠিকনা দিয়া হ'ল বেলতলা, গুৱাহাটী। কাৰণ বিহুৱ প্ৰায়বিলাক ল'ৰা বেলতলাফালৰ। অৰুণোদয় দলত থকা গোপী গগৈও বেলতলাতে ঘৰ বনালে। ৰংঘৰ বিহু দলত আছিল— গোপী গগৈ, প্ৰবীণ লাহন, জিতেন দত্ত, বাবুল বড়ো, দিপু দাস, সঞ্জয় দাস আদি কৰি ভালে কেইজন বিহুৱা। সেই চনতে আমাৰ বিহু দলে গনেশগুৰি বিহুৱ বাকৰিত সদৌ অসম ভিত্তিত আয়োজন কৰা শ্ৰেষ্ঠতম বিহু হুঁচৰি প্ৰতিযোগিতাত যোগ দি প্ৰথম পুৰস্কাৰ লাভ কৰে। ই এক আমাৰ দলৰ কাৰণে ডাঙৰ সাফল্য।

সেই সময়ত গনেশগুৰিত আৰু এটা বিহু দল আছিল— দলটোৰ নাম হ'ল "ৰংপুৰীয়া বিহুৱা দল"। সেই দলত আমাৰ দ্বিতীয় ছোৱালী কৰবীয়ে বিহু দলত বিহু নাচিছিল। এগৰাকীয়ে "ৰংঘৰ বিহু দলত" আৰু আনগৰাকীয়ে 'ৰংপুৰীয়া বিহু দলত" বিহু নাচিছিল। কেতিয়াবা এনেকুৱাও হৈছিল— কোনোবা বিহুমঞ্চত বিহুৱতী প্ৰতিযোগিতা হ'লে দুয়োজনীয়ে দুটা দলৰ পৰা বিহুৱতী প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছিল। ঠিক এবাৰ উলুবাৰী বিহু সন্মিলনৰ মঞ্চত বিহুৱতী প্ৰতিযোগিতা হয়, তাত দুয়োগৰাকীয়ে যোগদান কৰে দুটা দলৰ পৰা। শেষত যেতিয়া বিহুৱতী প্ৰতিযোগিতাৰ ফলাফল দিয়ে তাত পূৰবীয়ে প্ৰথম আৰু কৰবীয়ে তৃতীয় স্থান পায়। দ্বিতীয় স্থান পায় সৰুপথাৰৰ বিহু দলৰ এগৰাকী নাচনীয়ে। গতিকে কেতিয়াবা কেতিয়াবা এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগাত পৰে, আৰু যেতিয়া দৰ্শকে জানে যে দুজনী বাই-ভনীয়েকৰ মাজত প্ৰতিযোগিতা হয়— কোনজনীয়ে কিমান ভাল নাছে চাবলৈ দৰ্শকৰ ভিৰ হয়। ইয়ো এক আমোদ দায়ক পৰিস্থিতি।

প্ৰবেশিকা পৰীক্ষা পাচ কৰাৰ পাচত, সিহঁত দুয়োজনীকে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰোৱা হ'ল ১৯৮৮ চনত। সেই সময়তে ভাৰত চৰকাৰৰ বিদেশ মন্ত্ৰালয়ৰ বিভাগৰ দ্বাৰা পৰিচালিত আৰু

আয়োজিত সুদূৰ জাৰ্মানীত অনুস্থিত হব লগা 'ভাৰত মহোৎসৱত' ভাৰতৰ আন আন ৰাজ্যৰ লগতে আমাৰ অসমৰ পৰা এটা বিহু দল নিয়াৰ মনস্থ কৰে। তাৰ পৰিপ্ৰেক্ষিতত 'ইণ্ডিয়ান কাউন্সেল ফ'ৰ কালচাৰেল ৰিলেচন" (আই.চি.চি আৰ) ৰ দ্বাৰা পৰিচালিত আমাৰ 'ৰবীন্দ্ৰ ভৱনত' তিনিদিনীয়াকৈ বিভিন্ন বিহুদল বিলাকৰ মাজৰপৰা বাচি বাচি নাচনী আৰু বিহুৱা বাচনি কৰে। পিচত আমি গম পালো যে সেই সময়ত উক্তবিভাগৰ 'চেয়াৰমেন হিচাবে মণিপুৰৰ 'ৰতন থিয়াম' লোকজন আছিল। তেখেতে আগতেই ভাবিছিল যে "এইবাৰ অসমৰ বিহু দল এটা বিদেশলৈ অৰ্থাৎ "ভাৰত মহোৎসৱলৈ নিয়া হ'ব", গতিকেই বিহু দল বিলাকৰ পৰা বাচনি কৰি এটা বিহু দল গঠন কৰে। সেই বিহু দলৰ বাচনিলৈ দিল্লীৰ পৰা (আই.চি.চি.আৰ)ৰ মানুহ/বিষয়া ডাৰেক্টৰ— সুনীল চেট্টী, বীনা চিক্ৰী আদি কৰি ভালেকেইজন লোক আহিছিল। বাচনি প্ৰক্ৰিয়াত আমাৰ কোনো মানুহ থকা নাছিল।

কেইবাটাও বিহু দলৰ পৰা বাচৰি কৰি চাৰিজন বিহুৱা আৰু সাতজনী নাচনী ছোৱালী লোৱা হয়। তেওঁলোক হ'ল— দিলীপ ফুকন, নীল দত্ত, কেশৱ বৰা, মুকুট বৰা। ছোৱালী হ'ল— পূৰবী গগৈ, জোনটি গগৈ, কবিতা বৰ্ম্মন, ৰেখামনী কোঁচ, জেপুলীন বৰুৱা, সীতাৰাণী হাজৰিকা আৰু দেৱজানী বড়ো। কিন্তু এটা দুখৰ খবৰ যে শেষ মূহুৰ্তত দিলীপ ফুকন অসুস্থ হোৱাৰ কাৰণে যাব নোৱাৰাত সেই ঠাইত ৰাম বৰা নামৰ লৰাজনক জৰুৰীভাৱে দলত পঠাব লগাত পৰে। কাৰ ভাগ্যত কি আছে কোনেও কব নোৱাৰে। ৰাম বৰা চিলেক্চনত নাহিছিল কিন্তু পিচত তেওঁকেই পঠাব লগাত পৰে।

প্ৰথমে বিহু দলটি গুৱাহাটীৰ পৰা উৰা মাৰে দিল্লীলৈ। দিল্লীত কিছুদিন থাকি "প্ৰেকটিছ"কৰাৰ পাচত সুদুৰ জাৰ্মানী অভিমুখে ভাৰত মহোৎসৱত যোগ দিবৰ বাবে উৰা মাৰে। তাত উক্ত উৎসৱত ভাৰতৰ ভালে কিখন ৰাজ্যৰ সাংস্কৃতিক দল বিলাকে যোগদান কৰিছিল। আমাৰ উত্তৰ-পূব ভাৰতৰ পৰা অসম আৰু মণিপুৰৰ সাংস্কৃতিক দলে স্থান পাইছিল। জাৰ্মানীত প্ৰায় এমাহমান থাকিবলগীয়া হৈছিল, কাৰণ— ভাৰত মহোৎসৱৰ উদ্বোধনী অনুস্থানৰ দিনাৰ পৰা আৰম্ভ কৰি জাৰ্মানৰ সকলো প্ৰধান প্ৰধান চহৰবিলাকত প্ৰগ্ৰেম কৰিব লগা হৈছিল। ভাৰত মহোৎসৱৰ উদ্বোধনী অনুস্থান উদ্বোধন কৰিছিল তেতিয়াৰ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী— নৰসিংহ ৰাও দেৱে। তাত মুঠ ১২ খন মান চহৰত ভাৰতৰত বিভিন্ন সাংস্কৃতিক দল বিলাকে প্ৰগ্ৰেম কৰিছিল। ভাৰত মহোৎসৱৰ সামৰণি অনুষ্ঠান শেষ হোৱাৰ পাচতে আমাৰ বিহুদলটিক ৰাচিয়াৰ মস্কোলৈ আমন্ত্ৰণ কৰি নিছিল— প্ৰগ্ৰেমৰ কাৰণে। ৰাচিয়ালৈ কিন্তু দুটা সাংস্কৃতিক দলকহে আমন্ত্ৰণ জনাইছিল। এটা হ'ল বিহু দল আৰু আনটো হ'ল পঞ্জাৱৰ 'ভাংৰা' দল। ৰাচিয়াত কমেও এক সপ্তাহ মান থাকি- মস্কোকে আদি কৰি কেবাঠাইতো 'বিহু' আৰু 'ভাংৰা'ৰ প্ৰগেম হৈছিল। তাৰ পাচত, মস্কোৰ পৰা দিল্লীলৈ— ভাৰতলে ঘুৰি আহে। দিল্লীত দুদিন মান থকাৰ পাচত গুৱাহাটীৰ অভিমুখে ৰাওনা হয়। গুৱাহাটীৰ বিমান বন্দৰত নমাৰ পাচত অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে বিপুল আদৰণি জনায়। ইয়ো এক স্মৰণীয় দিন হিচাবে হৈ ৰ'ব।

বিহু দলটিক যোৱাৰ সময়ত অসম চৰকাৰৰ ফালৰ পৰা প্ৰত্যেক ছোৱালী (নাচনী) কে এজোৰ এজোৰ মুগাৰ মেখেলা-চাদৰ (এক ফুলৰ), ব্লাউজ আদি

কৰি সম্পূৰ্ণ বিহুৰ পোচাক উপহাৰ হিচাবে আৰু ল'ৰা বিলাকক একে ৰঙৰ মুগাৰ চোলা আৰু ধূতি-গামোচা উপহাৰ দিছিল। এই বিলাক নিশ্চয় তেওঁলোকে আপুৰুগীয়া সম্পদ বুলি সংৰক্ষণ কৰি ৰাখিছে।

সেই চনতে ১৯৯২ চনত পূৰবীয়ে ভালেকেইখন মান বিহু সন্মিলনৰ মঞ্চত বিহু প্ৰদৰ্শন কৰাৰ উপৰিও গুৱাহাটীৰ বিহু সন্মিলনীয়ে (লতাশিলত) আয়োজন কৰা 'বিহু সম্ৰাজ্ঞী' হৈ শিৰত বিহু সম্ৰাজ্ঞীৰ মুকুট পিন্ধিবলৈ সক্ষম হয়। সেই একে চনতে পূব গুৱাহাটী বিহু সন্মিলনীয়ে আয়োজন কৰা 'অসম বিহুৱতী-৯২' প্ৰতিযোগিতাত ও যোগদান কৰি "অসম বিহুৱতী-৯২"ৰ খিতাপও অৰ্জন কৰে। তাৰ পিচৰ পৰাই বিহু প্ৰতিযোগিতা বিলাকত যোগদান কৰাতো বন্ধ হয়। তাই দলীয় বিহুত অসমৰ বাহিৰলৈ আমন্ত্ৰিত দলত বিহু প্ৰদৰ্শন কৰিবলৈ যায়— ঠাইবিলাক হ'ল— কলকতা, উৰিষ্যা, দিল্লী, চেন্নাই, বাঙ্গালোৰ, লক্ষ্ণৌ, আন্দামান ইত্যাদি।

পূৰবীয়ে ইয়াৰোপৰি ৰাজস্থানী ভাষাত ও গীত গাইছে। কেবাটাও ৰাজস্থানী গীতৰ কেছেটত তাই গাইছে আৰু ৰাজস্থান (মাৰোৱাৰী) বাসী সকলৰ হ'লী গীতৰ অনুষ্ঠানতও গীত পৰিবেশন কৰিছে— গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, গোলাঘাট আদি চহৰৰ ফাকুৱা সময়ত হ'লী গীতৰ অনুষ্ঠান হয়— লগত সহযোগ কৰে শ্ৰীবৈদ্ৰী ব্যাস, কৈলাস কানৈ আৰু হিজিৰী লাম নামৰ লোককিজনে। হ'লী গীতৰ কেছেট বিলাক প্ৰযোজনা কৰিছিল ফেন্সী বজাৰত থকা 'মিউজীক মহল' নামৰ কেছেট প্ৰতিস্থান এটাই। মাজে সময়ে মন্দিৰ বিলাকত ভজন সন্ধিয়া অনুস্থিত হয়, সেই ভজন সন্ধিয়াত পূৰবীয়ে অংশ গ্ৰহণ কৰি ভজন পৰিবেশন কৰিছিল। এটা কথা নকলে আধৰুৱা হয়। এবাৰ মাৰোৱাৰী সমাজৰ উত্তৰ-পূবৰ সন্মিলন হৈছিল গুৱাহাটীত, — গুৱাহাটী 'তেৰাপন্ত' নামৰ মন্দিৰৰ প্ৰেক্ষাগৃহত। সেই সন্মিলনত গুৱাহাটীৰ পৰা ভজন পৰিবেশন কৰিবলৈ পূৰবীয়েই গুৱাহাটী মাৰোৱাৰী সমাজে মনোনীত কৰিছিল। গতিকে এইবিলাক এতিয়া অতীতৰ বুকুত সোমাই পৰিল।

পূৰবীয়ে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৯৩ চনত কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে।

আমাৰ দ্বিতীয় গৰাকী ছোৱালী কৰবীয়েও বিভিন্ন বিহু মঞ্চত বিহু নাচৰ প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছিল। তাই অসমৰ বাহিৰত কেবা ঠাইলৈও বিহু দল (ৰংপুৰীয়া বিহু দল)ত গৈ বিহু নাচ প্ৰদৰ্শন কৰি আহিছে। তাৰোপৰি, ভাৰতৰ বাহিৰলৈ মৰিচাচ, দক্ষিণ আফ্ৰিকা আদিলৈ ও গৈ বিহু প্ৰদৰ্শন কৰিছিল। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যিমান বিলাক সাংস্কৃতিক অনুস্থান হয় সেই সকলো বিলাক ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰালয় অধীনৰ "আই.চি.চি. আৰ"ৰ নিৰ্ব্বাচিত শিল্পীসকলেহে বিদেশলৈ গৈ প্ৰগেম কৰিব পাৰে। তাই ভাৰতচৰকাৰৰ পৰা 'ইণ্ডিয়ান ফক্ ডেঞ্চ- বিহুত' দুবচৰীয়া জলপানীও লাভ কৰে।

কৰবীয়ে ১৯৯৬ চনত অসম বিহু সন্মিলনীয়ে আয়োজন কৰা 'বিহু সম্ৰাজ্ঞী' প্ৰতিযোগিতাত যোগদান কৰি উক্ত চনৰ "বিহু সম্ৰাজ্ঞী—৯৬" খিতাপ অৰ্জন কৰিছিল আৰু শিক্ষা ক্ষেত্ৰত ১৯৯৩ চনতে গুৱাহাটী বিশ্ববিদ্যালয় অধীনত হোৱা সন্দিকৈ বালিকা মহাবিদ্যালয়ৰ পৰা পৰীক্ষা দি স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিচত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা বি.এড. আৰু আইনৰ ডিগ্ৰী— এল.এল.বি ও লয়।

কবিয়ে কবিতাত লিখি থৈ যোৱাৰ দৰে আমিও

ক'ব বিচাৰো যে— 'অতীতক নেযাবা পাহৰি'। গতিকে অতীতক পাহৰি যোৱাতো অনুচিত। কাৰণ অতীতৰ কিছুমান ঘাত-প্ৰতিঘাতে মানুহৰ জীৱনত বহুত প্ৰভাৱ পেলায়, যাৰ কাৰণে মানুহৰ জীৱনটো আগবঢ়াই যোৱাত বহুত সহায় কৰে। ইমানবিলাক কৰিবলৈ যাওঁতে জীৱনৰ বাটত বহুটো ঘাট-প্ৰতিঘাটৰ সন্মুখীন হ'ব লাগিব। আম কেঁচা হৈ থাকিলে টেঙা, কিন্তু পকিলে মিঠা হয়। ঠিক তেনেকুৱাই কথা। মানুহৰ জীৱনত যিবিলাক ঘটনা ঘটি গ'ল— বৰ্ত্তমান সেইবিলাক অতীত হ'ল আৰু হয়টো ভৱিষ্যতেও কিছু ঘটিব। ঘাট-প্ৰতিঘাটৰ সমাহাৰেই হ'ল মানুহৰ জীৱন। গতিকে, অতীতক পাহৰি যোৱাটো আমাৰ সমীচীন নহ'ব।

সৰ্ব্বশেষত ক'ব বিচাৰো যে যি সকলে এই সাংস্কৃতিক যাত্ৰাত সহায়-সহযোগিতা আগবঢ়াই গৈছে বা গৈছিল তেখেত সকলৰ ওচৰত চিৰকৃতজ্ঞ আৰু বহুকেইজনে আমাৰ মাজৰ পৰা চিৰদিনৰ কাৰণে হেৰাই গ'ল তেখেত সকললৈও ইয়াৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি যাচিলো।

এই বিলাকেই হ'ল অতীত মাধুৰী।◆◆

অসমীয়া পিঠাৰ প্ৰকাৰ

তিল পিঠা, বৰ পিঠা, ফেনী পিঠা, জাপৰী পিঠা,
খোলা চপৰীয়া পিঠা, লুথুৰি পিঠা, জোনপিঠা, টেকেলি পিঠা,
টোপোলা পিঠা, কল পিঠা, চুঙা পিঠা, মুঠীয়া পিঠা, ভুৰ-ভুৰী পিঠা,
নাৰিকল পিঠা, নাঙল ধোৱা পিঠা, ঘিলা পিঠা, সুতুলি পিঠা, ধুম পিঠা
ভাত পিঠা, তাল পিঠা, লাওপুলি তাল পিঠা, সাহ পিঠা

একো নাথাকিলে

পশুপতি হাজৰিকা

লিখিবলৈ একো নাথাকিলে
কবিতা লিখিবা,
নিজৰ কথা
সমাজৰ কথা
প্ৰকৃতিৰ কথা
আৰু লিখিবা জীৱনৰ প্ৰেম-গাথা
জীয়াই থকাৰ সমল পাবা।
খাবলৈ একো নাথাকিলে
পানী খাবা,
দেশত যদিও
খোৱা পানীৰ হাঁহাকাৰ
চৰকাৰ আৰু দালাল
আজি একাকাৰ
তথাপিও
জীয়াই থাকিবলৈ
পানীকে খাবা
চৰকাৰৰ স্থিতি
পাহৰি থাকিবা।
দিবলৈ একো নাথাকিলে
আপোনজনক
গালিকে দিবা,
পৰজনমতো তেওঁকে পাবলৈ
গাতি পাৰি ক'বা
এই জনৰ দোষ ত্ৰুটিবোৰ
পৰজনমত শুধৰাই ল'বা
দোষত্ৰুটি মানুহৰ মাজতে পাবা
সময়ত শুধৰাই ল'বা।
ভাবিবলৈ একো নাথাকিলে
ভগৱানক ভাবিবা,
বন্দনাৰে প্ৰভুক উপচাই দি
জীৱন ধন্য কৰিবা
সাৰ্থকতা বিচাৰি পাবা।।◆◆

বিহুতলিলৈ আহোতে

চন্দন বাচফোৰ (ওম)

বিহুতলিলৈ আহোতে
জেতুকা বোলোৱা দুহাতৰ মাজত
লুকুৱাই অনা শান্তিৰ চৰাইজনীক
উৰুৱাই দিবা....
নীল আকাশখনলৈ.....।
যিয়ে বাৰ্তা লৈ যাওঁক
দূৰ-দূৰণিলৈ
যাতে কেতিয়াও সমাজত সৃষ্টি নহওঁক
হিংসা, অশান্তি....।
আমি সকলোৰে সদায়
থাকিবলৈ পাওঁ ভাতৃত্বৰে গঢ়া
এখন নিকা অসম
আৰু সকলো সমভাগি হৈ
আমাৰ অতিকৈ চেনেহৰ
অতিকৈ হেঁপাহৰ ব'হাগৰ বিহুটি
উপভোগ কৰিবলৈ আগবাঢ়ি আহো....।◆◆

হৃদয় নদী

পাৰুল বৰুৱা

জোনাকৰ বৰষুণত
তিতি থাকে
সপোন নদীৰ বালিচৰ
সোৱৰণীৰ সোণালী নদীত
ফুলি উঠে স্মৃতিৰ ৰঙা নীলা ফুল।
বতাহে গুণগুনাই কয়
বনৰ ফুলৰো থাকে
স্পৰ্শৰ হাবিয়াস,
যেনেকৈ সৰাপাৰে সাঁচি ৰাখে
সেউজীয়াৰ গোপন নিৰ্যাস।
যেনেকৈ থাকে
শিলৰ তলৰ দুবৰিৰো
পোহৰক চুই যোৱাৰ
আকুল হেঁপাহ
বুকুত নিচুকাই
নিয়মশ্যাতা সুকোমল
পানী পিয়লিৰ
লাৱণী দেহ।
দূৰৈত আকাশে স্পৰ্শ কৰে মাটি
সাতোৰঙী ৰামধেনু ৰচি।।◆◆

বিষাদৰ মেল

ৰাজিদুৰ ৰহমান

দুখনি হৃদয়ে
বিষাদৰ মেল পাতিছে,
জোনাক নিশা
জোনটি সাক্ষী হৈ ৰৈছেষ
জীৱন সঁফুৰাত
হেঁপাহবোৰ সামৰিছেষ
চকুলোৰ লোতকত
সপোনবোৰ ধূসৰ হৈ ৰৈছে,
এনেকৈ চিৰ দিন
এক হৈ ৰোৱাৰ প্ৰতিজ্ঞা কৰিছে,
দুখনি হৃদয়ে
বিষাদৰ মেল পাতিছে,
প্ৰেমৰ নদীৰ পাৰত
বৈ যোৱা সময়বোৰ সাক্ষী হৈ ৰৈছে,
এখন হৃদয়ত......
মৰমৰ পলসত
মৰহি যোৱা ফুলপাহি ঠন ধৰি উঠিছে,
স্মৃতিৰ সুবাসে পুনৰ
হৃদয়খনিক পাগল কৰি তুলিছে
এফালে.....
হৃদয়তে হৃদয়ৰ দাপোন দেখি
আশাবোৰ সাৰটি জীয়াই থকাৰ পন লৈছে
সঁচাকৈয়ে আজি.....
দুখনি হৃদয়ে বিষাদৰ মেল পাতিছে..... ।।◆◆

ব'হাগী

অঞ্জুলা পি শইকীয়া

তাইৰ সমস্ত দেহত
হেজাৰ স্বপ্নৰ বাসনা
জীৱন-যৌৱনৰ চেতনা,
প্ৰাপ্তিৰ উন্মাদনা.....
গাভিনী আকাশত যেতিয়া উপঙে
কেতেকী- তগৰৰ গোন্ধ
বুকুত থোৱ মেলে তাইৰ
ক'ত যে গুণাকটা সপোন.......
তায়েই চিখলা
ওঁঠত বৰ্হমথুৰি
খোপাত কপৌফুল,
মেৰিয়াই কেঁচ বছা ৰিহা
হাতত জেতুকাৰ বোল......
কুলি কেতেকীৰ সুৱীয়া মাতত,
ঢোল-পেঁপাৰ শৰদত।
বাজি উঠে তাইৰ,
সাতখন বিহুতলীৰ গুমগুমনি
মনৰ মনিকোঠাত
ব'হাগী ঐ।।
তোৰযে বলিয়া বা
এথোন জাতিৰ মনত,
জাতিৰ প্ৰাণত....।।◆◆

হৃদয়ৰ বাৰ্তালাপ

কাকলি বৰদলৈ

তুমি যদি মৃৎশিল্পী হোৱা
মই হ'বলৈ ভালপাম মাটি,
তুমি যিভাবেই গঢ়িবা
মই তাৰেই আকাৰ ল'ম
দেৱী সাজিলে
আশীৰ্বাদ কৰিম
বন্তি সাজিলে
এন্ধাৰ জগতক পোহৰাই তুলিম
তুমি কেৱল তোমাৰ
শিল্পী সুলভ মনটি
জাগ্ৰত কৰি ৰাখা,
অন্যথা মইয়েই সেই
অহংকাৰ বিনাসিনী
কাল ধুমুহাৰ তৰ্জন-গৰ্জনত
হৰদেৱৰ তাণ্ডৱেৰেই
নাচি উঠা সৌদামিনি।
হে পুৰুষ,
মই নাৰী
মোৰ হৃদয়ৰ মৰমবোৰৰ
মাতৃসুলভ, ভগ্নী সুলভ, বান্ধৱী সুলভ
প্ৰেয়সী সুলভ আৰু পত্নী সুলভ
শাখা, প্ৰশাখাবোৰ তোমালৈ
বৈ থাকিবলৈ দিয়া
সেয়ে মই মাটি হৈ ভালপাম
তুমি যদি মহৎশিল্পী হোৱা।◆◆

ব'হাগী

অঞ্জুলা পি শইকীয়া

তাইৰ সমস্ত দেহত
হেজাৰ স্বপ্নৰ বাসনা
জীৱন-যৌৱনৰ চেতনা,
প্ৰাপ্তিৰ উন্মাদনা.....
গাভিনী আকাশত যেতিয়া উপঙে
কেতেকী- তগৰৰ গোন্ধ
বুকুত থোৰ মেলে তাইৰ
ক'ত যে গুণাকটা সপোন.......
তায়েই চিখলা
ওঁঠত বৰ্হমথুৰি
খোপাত কপৌফুল,
মেৰিয়াই কেঁচ বছা ৰিহা
হাতত জেতুকাৰ বোল......
কুলি কেতেকীৰ সুৰীয়া মাতত,
ঢোল-পেঁপাৰ শৱদত।
বাজি উঠে তাইৰ,
সাতখন বিহুতলীৰ গুমগুমনি
মনৰ মনিকোঠাত
ব'হাগী ঐ।।
তোৰযে বলিয়া বা
এথোন জাতিৰ মনত,
জাতিৰ প্ৰাণত....।।◆◆

ঋতু আহে ঋতু যায়

মীনা শইকীয়া



বসন্তৰ আগমন
কিযে এক মাদকতা
প্ৰকৃতিও হৈ পৰিল
ৰঙে ৰসে ভৰপূৰ
চকুৰ সন্মুখত থকা
লঠঙা গছ বিৰিখৰ ডাল
ফুলে-ফলে জাতিস্কাৰ হৈ পৰিল
ব্যস্ততাৰ মাজত গমকে নাপালো
চাৰিওফালৰ পৰিবেশ
হৈ পৰিল সেউজবুলিয়া
কিযে এক মাদকতা
কংক্ৰিটৰ মহানগৰীত
বসন্তৰ বলিয়া বতাহ জাকে
ব্যতিব্যস্ত কৰি তুলিছে সকলোকে
মনত ভাব হয় সংগোপনে
পাৰিব জানো ৰাখিব ধৰি
প্ৰকৃতিৰ মনোৰম প্ৰতিচ্ছবি ?
তাহানিৰ প্ৰকৃতিৰ বিনন্দীয়া ৰূপ
ইযে বৰ্ত্তমান এক নষ্টালজিয়া
তথাপিও ভাবো মনে মনে
ধৰ্ষিতা জননীক ধুই নিকা কৰাৰ
প্ৰস্তুতি আছে জানো এই বহাগৰ
সময়ৰ বলুকাত ক'ত যে কথা
ঘটনা পৰিঘটনা......
ইটো সমাজৰ বাবে এক
চিৰ কলংকিত অধ্যায়
ব'হাগ আহে আৰু যায়
সমাজখনক ধুই নিকা কৰাৰ
প্ৰস্তুতি কিন্তু নাই
সমাজৰ ব্যাধি, ব্যাধি হৈয়েই
থাকি যায়......
সেয়েহে বহাগ তোমাৰ বাবে
মোৰো মনত নাই কোনো অৱকাশ
ঋতু আহে আৰু যায়
ইয়াৰ মাজত নতুনত্ব একোৱেই নাই। ◆ ◆

সমবেত গীত

কল্পনা শৰ্মা

নতুনৰ বতৰা বহাগেই দিয়ে জানা
বুৰঞ্জীয়ে কয় ৰিঙিয়াই,
আমাৰ বিহুতলী উদুলি মুদুলি
বহাগক ওলগ জনাই।।
প্ৰান্তে প্ৰান্তে উঠিছে বাজি,
ঢোল-পেঁপা বিহুগীতৰ
সুমধুৰ সুৰৰে ঐক্যতান,
গাই যাওঁ আহা আজি
আমিয়েই মিলি
অসীৰ জয়গান।।
কীৰ্ত্তন, নামঘোষা, বৰগীত অমিয়া
দুজনা গুৰুৰে দান।
জয়া লাচিতৰে জীয়া কাহিনীৰে
জগালে জাতিৰ প্ৰাণ।।
এয়া যে বহাগৰ
ৰঙালী মনৰ সেউজী সপোনৰ আশা
কাল-ধুমুহাই মচিব নোৱাৰে
ই যে জাতিৰ আয়ু ৰেখা।।
নতুনৰ বতৰা .... ।।◆◆

সম্প্ৰীতিৰ ব'হাগ

অঞ্জনা দেৱী

কপৌ, নাহৰ, তগৰ,
গছে-পাতে
প্ৰকৃতিৰ কোলাত বসন্ত,
সেউজীয়াত শুনিছো
ৰিনি-ৰিনি সংহতিৰ গান।
কি সুললিত কণ্ঠ
এজাক বিহুৱাৰ
ডেউকা কোৱায়
উৰি উৰি যায়
বিহুৱতী প্ৰিয়া
আকাশত উৰি থাকে
সুৰৰ মূৰ্চ্ছনা ......
আৰু, তুমিতো জানাই
সময় বুজি আঙুলিৰ ফাঁকত সোমায়........
অনাবিল ভালপোৱাৰ কথা।◆◆

সোণোৱালী শৈশৱ

ৰাজীৱ হাজৰিকা

জেঠ মাহৰ আবেলিপৰত
মোৰ আই আহুধানৰ পথাৰত
বাঁহৰ দুটি খুটাত চাদৰ মেলি
তাৰেই ছাঁত ভাইটিক শুৱাই
মুখত সেলেঙ্গি বোৱা তামোলৰ পাক
গুণ গুনাই গোৱা বিয়া নামৰ জাত,
হাতত কাঁছি কঁকাল হানি কাটে ধীনৰ গছি
আৰু ঘনাই বান্ধে ধানৰ মুঠি।
আহুধানৰ নৰাণিত চৰে গৰুৰ জাক
আকাশত তেলটুপি চৰাইৰ মাত,
মিছিং বন্ধু আহি বিৰিণাৰ ফুটি আনি
শিকায় মুকুত বনোৱাৰ পাক
মুকুতটি পিন্ধিলৈ কংসৰ ভাও দি
উদং ভৰিৰ খোঁজ নিলীজ ডৰাত,
ভয়ে লাজে শোৱে নিলাজীৰ জাত।
আগে আগে গৰুৰ জাক
হু-ৰ-ৰ কৈ খেদাও তাক
বিৰিয়াৰ দুটিমূৰত দাঙৰী
সোঁ কান্ধত লৈ সমীয়াক ইটো সিটোকৈ
বিষেধাৰ সোঁ এৰো বাঁও কান্ধলৈ
ঘৰ আহি পাও কেতিয়া গমকে নাপাও
কিদৰে শৈশৱ গ'ল গমকে নাপালো।◆◆

ব'হাগৰ বিননি

মামনি দাস

ব'হাগ আহিলে তোমালৈ মনত পৰে
তুমি বাৰু কেনে আছা
মোক বাৰু জনাবানে।
তোমাৰ স্মৃতিয়ে মোক বাৰুকেয়ে
আমনি কৰে
তুমি আহিবানে সপোনত
মৰম এধানি দিবলৈ
হেঁপাহেৰে বৈ থাকিম তোমাৰ
মৰম পাবলৈ
তুমি যে আছা বহুত দূৰত চকুৰ আঁৰত
দুদিনৰ কাৰণে কিয় মোক
আনিছিলা বকুৰ মাজত।
দুখৰ বোজা দি মোক কিয়
এৰি গ'লাগৈ মায়াৰ জালত
তোমাৰ লগত কৰা ধেমালিৰ কথা ভাবি
মনতে সপোন ৰচি
উজাগৰে চকুলো টুকী
পাৰ কৰো নিশাৰ ৰাতি।◆◆

এটি গীত ব'হাগৰ

— পদ্ম গগৈ —

প্ৰয়াত ড° নিৰ্মল প্ৰভা বাইদেউৱে ব'হাগ মাহৰ এটি গীত ৰচনা কৰিথৈ গৈছে আমালে—তাকে পাঠক-পাঠিকাসকলৰ মাজত 'সাহোন'ৰ যোগেদি এই ব'হাগৰ গীতটি ব'হাগ বিহুত আগবঢ়োৱা হ'ল।

ব'হাগ মানেই পেপাঁৰ সুৰ
ব'হাগ ঢোলৰ মাত,
ব'হাগ মানেই ফুলৰ বতৰ,
ৰাইজাই লগা গাত।
ব'হাগ মানেই জঠৰতা
আঁতৰাই দিয়া,
ব'হাগ মানেই উলাহৰ
নাচ এটি দিয়া।
ব'হাগ যেন এখন আকাশ
নতুন পোহৰ ভৰা।।
ব'হাগ মানেই আলিঙ্গন
ব'হাগ এটি পণ,
ব'হাগ মানেই ন সেউজ
সজীৱ সজীৱ মন;
যি নহ'ল যোৱাকালি
তাৰে আৰম্ভন।।

34th
Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti
Rukmini Nagar, Housing Colony, Guwahati-781006
Receipt & Expenditure Statement

RECEIPT		AMOUNT
Opening Balance		6691.00
Cash	759.00	
Bank Account	5932.00	
Adjustment		2187.00
Collection From Donation Books		500800.00
Collection	419100.00	
Donnor's Contribution for Prizemoney	69000.00	
Compitition Joining Fees	12700.00	
Sponsorship		71238.00
SBI	10000.00	
Exide	20000.00	
Janasanjog	10200.00	
NECEM	3000.00	
Others	15000.00	
NHPC	13038.00	
Donation from RSCC		100000.00
Bank Interest		810.00
Refund from ASEB		5000.00
Loans		107855.00
Ronjit Gogoi	38855.00	
Gunajit Talukder	10000.00	
Gunindra Deka	7000.00	
Palash Barua	15000.00	
Apurba Sarmah	7000.00	
Pankaj Kathkatia	10000.00	
Mridul Buragohain	20000.00	
Carry Forward		794581.00

EXPENDITURE		AMOUNT
Printing & Stationaries		55904.00
Megazine + Certificate / *Donation Book* / *Flag Printing* / *Flex*	49784.00	
Sponsorship Booklet	2700.00	
Sombodhorna Patra	1830.00	
Stationaries	1590.00	
Pandal & Generator		78656.00
Pandal	50000.00	
Stage Decoration	4880.00	
Flag Stand (GI)	10356.00	
Flag String	500.00	
Generator	8000.00	
Generator Diesel	4920.00	
Gamocha & Badges		21750.00
Gamoch & Badges	21750.00	
Reception		27725.00
Cook & Helper	6000.00	
Grocery	12225.00	
Pitha, Laru & Others	4000.00	
LPG Cylinder	1600.00	
Naam Prohongo	2000.00	
Priti Bhoj	300.00	
Water	1600.00	
Electrical Connection		8500.00
Load Security	2250.00	
Meter Security	5000.00	
DC/RC	500.00	
Test Report	250.00	
ASEB Labour Charge	500.00	
Sound & Lighting Arrangement		20000.00
Sound	15000.00	
Electrician	5000.00	
Photographer		5000.00
Renumeration To Judges		13500.00
Husori & Bihuraani Judges	9000.00	
Jeng Bihu Judges	3000.00	
Modern Dance Judges	1500.00	
Labour Charges		5100.00
Prize Money for Compititions		119894.00
Husori Bihu	60000.00	
Bihu Raani	20000.00	
Jeng Bihu	24000.00	
Modern Dance	6000.00	
Art Compitition	3894.00	
Sports Event (Trophy)	6000.00	
Carry Forward		356029.00

34th
Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati-781006

Receipt & Expenditure Statement

RECEIPT	AMOUNT	EXPENDITURE			AMOUNT
B/F	794581.00	*B/F*			356029.00
		Cultural Night Expenditure			324200.00
		Bornil Somaroh		45600.00	
		1st Night		22500.00	
		2nd Night		239000.00	
		Musician		17100.00	
		Miscelleneous Expenses			5231.00
		Light Refreshment		1575.00	
		Night Chowkidaar		600.00	
		Cleaning Material		170.00	
		Bank Charges		236.00	
		Smriti Tarpan		650.00	
		Conveyance		2000.00	
		Loan Repayment			54000.00
		Ranjit Gogoi		7000.00	
		Mridul Buragohain		20000.00	
		Pankaj Kathkatia		10000.00	
		Palash Barua		5000.00	
		Apurba Sarmah		7000.00	
		Gunajit Talikder		5000.00	
		Outstanding Liabilities & Others			36000.00
		Oracle Printer		5000.00	
		Mridul Buragohain		10000.00	
		Dipankar Pathak (Sound)		7000.00	
		Pacific Printers (Megazine)		14000.00	
		Total Expenditure			775460.00
		Closing Balance			19121.00
		Cash-in-hand		2077.00	
		Bank Accounts		17044.00	
		Opening	5932		
		Deposited	126238		
		Interest Accrued	810		
		Bank Charges	236		
		Withdrawal	115700		
	794581.00				794581.00

Rukmini Nagar Socio Cultural Centre
Guwahati-6
B-ihar-ai ★ Dispur ★

বৃহত্তৰ ৰুক্মিণীনগৰ ৩৪তম ৰঙালী বিহু সন্মিলন
ৰঙ্গমঞ্চ পথ, হাউছিং ক'লনি, দিশপুৰ, গুৱাহাটী -৬

সদৌ অসম ভিত্তিত হুচৰি বিহু, বিহুৰাণী, জেং বিহু আৰু আন প্ৰতিযোগিতাসমূহৰ ফলাফল

হুচৰি বিহু:

প্ৰথম পুৰস্কাৰ : জাঁজীপৰীয়া বিহু হুচৰি দল, যোৰহাট

দ্বিতীয় পুৰস্কাৰ : ৰংমন এনাজৰী বিহুৱা দল, মৰাণ

তৃতীয় পুৰস্কাৰ : চৰাইদেউ বিহু হুচৰি দল, শিৱসাগৰ

শ্ৰেষ্ঠ বিহুৱা 2017 : শ্ৰীলোকেন গগৈ

শ্ৰেষ্ঠ পেপুৱৈ 2017 : শ্ৰীঅংশুঅঞ্জন গগৈ

বিহুৰাণী 2017 : শ্ৰী নিভামনি বৰুৱা

জেং বিহু:

প্ৰথম পুৰস্কাৰ : বৃহত্তৰ গুৱাহাটী জেংবিহু দল

দ্বিতীয় পুৰস্কাৰ : জোনবিৰি জেংবিহু দল

তৃতীয় পুৰস্কাৰ : ত্ৰিবেণী জেংবিহু দল

সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতা

একক শাখা

প্ৰথম পুৰস্কাৰ : দেবাংশী বৰদলৈ

দ্বিতীয় পুৰস্কাৰ : নেহা কাশ্যপ

দলীয় শাখা

প্ৰথম পুৰস্কাৰ : ইউনিটি ওৱান গ্ৰুপ

দ্বিতীয় পুৰস্কাৰ : মাচুম ক্ৰিয়েশ্বন গ্ৰুপ

৩৫তম্ বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬

পৰিচালনা সমিতি

মূখ্য পৃষ্ঠপোষক

- **মাননীয় শ্ৰীযুত কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ, তথ্য-প্ৰযুক্তি আৰু বিজ্ঞান-প্ৰযুক্তি বিভাগ, অসম চৰকাৰ**
- **মাননীয় শ্ৰীযুত অতুল বৰা, বিধায়ক, দিশপুৰ সমষ্টি।**

পৃষ্ঠপোষক

শ্ৰীযুত দেৱজিৎ দাস, শ্ৰীযুত ভূপিন্দৰ সিং (কিকি), শ্ৰীযুত বিজুকুমাৰ জৈন, শ্ৰীযুত মানবেন্দ্ৰ দেৱৰায়,শ্ৰীযুত মেজৰ সিং, শ্ৰীযুত শুভাশীষ মণ্ডল, শ্ৰীযুত প্ৰদীপ বৰা, শ্ৰীযুত প্ৰকাশ আগৰৱালা, ডাঃ ঘনশ্যাম বসুমতাৰী, শ্ৰীমতী অমিয়া বৰগোহাঁঞি, শ্ৰীমতী পূণ্য বৰগোহাঁই, শ্ৰীযুত হেম শইকীয়া, শ্ৰীযুত আদৰ্শ ঝুনঝুনৱালা, ডাঃ হিতেশ বৰুৱা, শ্ৰীযুত সঞ্জীৱ নাৰায়ণ, শ্ৰীযুত অনিল সন্দিকৈ, শ্ৰীযুত ৰোহিনী পাঠক, শ্ৰীযুত সত্যজিৎ ভূএগ্রা, শ্ৰীযুত হৰকান্ত ডেকা, শ্ৰীযুত ৰাজীৱ পানীফুকন, শ্ৰীযুত প্ৰণৱ ডেকা, শ্ৰীযুত অনুজ শইকীয়া, শ্ৰীযুত ৰাণা গগৈ, শ্ৰীযুত উত্তম কলিতা, শ্ৰীমতী ৰুমী বৰগোহাঁই, শ্ৰীযুত অভিজিৎ বসুমতাৰী, ডাঃ হেমাঙ্গ বৈশ্য, ডাঃ ধীৰেশ্বৰ কলিতা, শ্ৰীযুত গিৰীশ বসুমতাৰী, শ্ৰীযুত অপূৰ্ব দাস, শ্ৰীযুত দিগন্ত কলিতা, শ্ৰীযুত মৃদুল বৰুৱা, শ্ৰীযুত স্বাক্ষ্যৰ শৰ্মা, শ্ৰীযুত ত্ৰিদিব দুৱৰা, শ্ৰীযুত হেমন্ত কলিতা, শ্ৰীযুত গোপাল ডেকা, শ্ৰীযুত নৱ দাস, শ্ৰীযুত গৌতম ডেকা, শ্ৰীযুত ৰমেশ শৰ্মা, শ্ৰীযুত সুৰেণ নেওঁগ, শ্ৰীযুত দীপক কাকতি, শ্ৰীযুত সঞ্জীৱ বৰুৱা, শ্ৰীযুত ধ্ৰুব গোহাই, শ্ৰীযুত অৰূপ মহন্ত, শ্ৰীযুত পংকজ শইকীয়া, শ্ৰীযুত কৌশিক হাজৰিকা।

মূখ্য উপদেষ্টা ঃ শ্ৰীযুত ফুলেশ্চ্ গগৈ, শ্ৰীযুত প্ৰদীপ গগৈ, শ্ৰীযুত নিৰ্ম্মল চন্দ্ৰ দত্ত।

উপদেষ্টা মণ্ডলী ঃ

শ্ৰীযুত সুনীল বৰা, শ্ৰীযুত বৃহস্পতি ডেকা, শ্ৰীযুত দিনেশ বৰ্মণ, শ্ৰীযুত ৰেৱতী মোহন হাজৰিকা, শ্ৰীযুত কমল কাকতি, শ্ৰীযুত ৰঙ্গনাথ তালুকদাৰ, শ্ৰীযুত হৰেণ দাস, শ্ৰীযুত দিলীপ চক্ৰবৰ্ত্তী, শ্ৰীযুত সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী , শ্ৰীযুত কেশৱলাল দাস, শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন ফুকন, শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্মা, শ্ৰীযুত পশুপতি হাজৰিকা, শ্ৰীযুত অমল শৰ্মা, শ্ৰীযুত টঙ্কেশ্বৰ কাকতি, শ্ৰীযুত দীপক কোঁৱৰ, শ্ৰীযুত সোণেশ্বৰ দাস, শ্ৰীযুত চক্ৰধৰ মটক, শ্ৰীযুত সুৰেণ দাস, শ্ৰীযুত বসন্ত পোদ্দাৰ, শ্ৰীযুত ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত দ্বিজেন শৰ্মা, শ্ৰীযুত ধনীৰাম কলিতা, শ্ৰীযুত অজিত বৰুৱা, শ্ৰীযুত বীৰেন্দ্ৰ নাথ বড়া, শ্ৰীমতী কমলা ৰাণী পাঠক, শ্ৰীমতী দিব্য কাকতি, শ্ৰীমতী গায়ত্ৰী গগৈ, শ্ৰীমতী কাঞ্চন হাজৰিকা, শ্ৰীযুত মতিচান্দ কুমাৰ, শ্ৰীযুত হৰেণ হালৈ, শ্ৰীযুত ভগৱান ডেকা, শ্ৰীযুত ৰাজীৱ হাজৰিকা, শ্ৰীযুত টঙ্কেশ্বৰ ডেকা, শ্ৰীযুত বিপ্লৱ বৰুৱা, শ্ৰীযুত ৰমেন কলিতা, শ্ৰীমতী

ভাৰতী ভট্টাচাৰ্য্য, শ্ৰীযুত মুকুল বুঢ়াগোহাঁই, ডাঃ গনেশ ডেকা, শ্ৰীযুত দিব্যজ্যোতি বৰা, শ্ৰীযুত উৎপল বৰকটকী, শ্ৰীযুত মহাদেৱ শৰ্মা, শ্ৰীযুত চন্দ্ৰধৰ কলিতা, শ্ৰীযুত প্ৰদীপ দত্ত, শ্ৰীযুত বীৰেণ গোস্বামী, শ্ৰীযুত কুশল পাঠক, শ্ৰীযুত লক্ষী দাস, শ্ৰীযুত ৰমেশ দাস, শ্ৰীযুত ফণীন্দ্ৰ নাথ চক্ৰবৰ্ত্তী, শ্ৰীযুত তপণ ডেকা, শ্ৰীযুত অবিনাশ গগৈ, শ্ৰীযুত উপকূল বৰদলৈ, শ্ৰীযুত থান্নেৰ দত্ত, শ্ৰীযুত মৃগাংশু কুমাৰ ঠাকুৰীয়া, ডাঃ অনিল কলিতা, শ্ৰীযুত সুভাষ কলিতা, শ্ৰীযুত হৰ্ষেৰ বৰুৱা, শ্ৰীযুত নৰেণ দাস, শ্ৰীযুত ভবেন পাঠক, শ্ৰীযুত উমেশ শৰ্মা, শ্ৰীযুত মানৱ জ্যোতি ভট্টাচাৰ্য্য, শ্ৰীযুত মহেন্দ্ৰ ডেকা, শ্ৰীযুত ফুকন চন্দ্ৰ বৈশ্য, শ্ৰীযুত সঞ্জয় বৰ্মণ, শ্ৰীযুত বলীন চন্দ্ৰ মহন্ত, শ্ৰীযুত হেমন্ত কাঠকটীয়া, শ্ৰীযুত বিৰেন শৰ্মা, শ্ৰীযুত উপেন শৰ্মা, শ্ৰীযুত ৰাজশোভন গোস্বামী, ডাঃ দিলীপ ডেকা, শ্ৰীযুত যাদৱ বৰুৱা, শ্ৰীমতী মঞ্জু শৰ্মা, শ্ৰীযুত হেম চেতিয়া, শ্ৰীযুত প্ৰবোধ বৰ্মণ, শ্ৰীযুত টুপিধৰ চেতিয়া, শ্ৰীযুত চন্দ্ৰ শইকীয়া, শ্ৰীযুত কণক ভড়ালী, শ্ৰীযুত কাণুৰাম টৈৰণ, শ্ৰীযুত সোমেশ্বৰ শইকীয়া, শ্ৰীযুত টিকেন্দ্ৰ নাথ চৌধুৰী, শ্ৰীযুত অতুল দত্ত, শ্ৰীযুত পৰিক্ষীত নাৰায়ণ দেৱ, শ্ৰীযুত মৃগেন চৌধুৰী, শ্ৰীযুত সত্যেন পাটোৱাৰী, শ্ৰীযুতা ভানু কোঁৱৰ, শ্ৰীযুতা ৰাণু গগৈ, শ্ৰীযুতা জুণু নেওঁগ, শ্ৰীযুতা প্ৰতিমা বৰা, শ্ৰীযুতা ৰীতা ডেকা, শ্ৰীযুত কেশৱ ভূঞা, শ্ৰীযুত ৰাজেন কলিতা, শ্ৰীযুত খগেন ডেকা, শ্ৰীমতী মণি বৰা বৰদলৈ, শ্ৰীযুত গৌতম শৰ্মা, শ্ৰীযুত গোবিন্দ বল্লভ গোস্বামী, শ্ৰীযুত ফণীন্দ্ৰ পাটোৱাৰী, শ্ৰীযুত কৰুণা কান্ত চৌধুৰী, শ্ৰীযুত টঙ্কেশ্বৰ বৰা, শ্ৰীযুত প্ৰশান্ত ভড়ালী, শ্ৰীযুত মনোৰঞ্জন ডেকা, শ্ৰীযুত জিতেন বৰগয়াৰী, শ্ৰীযুত ৰঞ্জিত বৰা, শ্ৰীযুত পংকজ বৰা, শ্ৰীযুত কালিচান্দ সেন, শ্ৰীযুত হৰেণ বৰগোহাই, শ্ৰীযুত প্ৰশান্ত ফুকন, শ্ৰীযুত ৰঞ্জিত দাস, চৈয়দা নাজনীন হুছেইন।

কাৰ্য্যনিৰ্বাহক সমিতি

সভাপতি : শ্ৰীযুত ৰনজিৎ গগৈ
কাৰ্য্যকৰী সভাপতি : শ্ৰীযুত সত্যজিৎ বৰা, শ্ৰীযুত গোবিন্দ মাধৱ শৰ্মা
উপ-সভাপতি : শ্ৰীযুত মহেন্দ্ৰ শৰ্মা, শ্ৰীযুত ভূপেন বড়ো
সাধাৰণ সম্পাদক : শ্ৰীগৌতম ওঁজা
সহ-সম্পাদক : সৰ্বশ্ৰী নিৰুদ্ধ বৰগোহাঁঞি, পাৰ্থপ্ৰতিম শইকীয়া, গুণজিৎ তালুকদাৰ, পলাশ বৰুৱা
কোষাধ্যক্ষ : শ্ৰীগুণীন্দ্ৰ ডেকা
হিচাপ পৰীক্ষক : শ্ৰীযুত পৰাগ দাস
কাৰ্য্যালয় সম্পাদক : সৰ্বশ্ৰী বাবলু নাথ, ৰাজাৰাম বড়ো

বিত্ত বিভাগ

উপদেষ্টা : শ্ৰীযুতা স্মৃতিলেখা নাথ
সভাপতি : শ্ৰীযুত অপূৰ্ব কুমাৰ শৰ্মা
উপ-সভাপতি : সৰ্বশ্ৰী চিন্ময় ফুকন, ৰঞ্জন দাস, গৌতম গগৈ, ৰুবুল স্বৰ্গীয়াৰী, বিপ্লৱ বৰা, পৰাগ জ্যোতি গগৈ, সত্যেন কোঁৱৰ, অমল ডেকা, ৰঞ্জিত দত্ত
সম্পাদক : সৰ্বশ্ৰী গজেন্দ্ৰ প্ৰসাদ উপমণ্যু (তনু)
সহ-সম্পাদক : সৰ্বশ্ৰী জ্ঞানদ্বীপ গগৈ, খনীন চৌধুৰী, ৰূপক চৌধুৰী, ৰামনাথ প্ৰসাদ, মুকুট শইকীয়া, দিগন্ত মাধৱ বৰা, দেৱজিত কলিতা, উৎপল মল্ল বৰুৱা, সীমান্ত দত্ত
সদস্য : সৰ্বশ্ৰী দীপক গুপ্তা, বিজু শৰ্মা, ইনুপ পাঠক, অঞ্জয় পাঠক,ৰাতুল দাস

সাংস্কৃতিক বিভাগ

সভাপতি ঃ শ্ৰীযুত মৃদুল বুঢ়াগোহাঁই

উপ-সভাপতি ঃ শ্ৰীযুতা পাৰুল বৰুৱা, শ্ৰীযুতা অনিমা বৰদলৈ, শ্ৰীযুত পবিত্ৰ ফুকন

সম্পাদক ঃ শ্ৰীশুক্লেশ্বৰ বড়ো

সহ-সম্পাদক ঃ সৰ্বশ্ৰী মানসী দাস, নীলম বৰুৱা, সিদ্ধাৰ্থৰাজ বৰদলৈ, শ্যাম মহন্ত

সদস্য ঃ শ্ৰীমতী বীণা দত্ত, ডাঃ প্ৰণিতা দেৱী, শ্ৰীমতী পূৰবী কাকতি শৰ্মা, শ্ৰীমতী সীমাশ্ৰী বৰা, অৰূপ মিশ্ৰ, পঙ্কজ বৰা, মানসজ্যোতি বৰুৱা, কিশোৰ দত্ত, পাৰ্থৰাজ বৰদলৈ, সিদ্ধান্ত বৰদলৈ, কঙ্কন বেজবৰুৱা, হিমাংশু দাস, পিংকু কলিতা

মঞ্চ আৰু আলোকসজ্জা

সভাপতি ঃ মঃ মণিৰ আহমেদ

উপ-সভাপতি ঃ সৰ্বশ্ৰী ৰাজেন দাস, সুৰেশ বৈশ্য, শিবেন্দ্ৰ ডেকা

সম্পাদক ঃ সৰ্বশ্ৰী উপেন দাস, বিকী বড়ো

সহ-সম্পাদক ঃ সৰ্বশ্ৰী কল্যান জ্যোতি বৰা, পঙ্কজ কাঠকটীয়া, প্ৰজ্ঞান দাস, অমৰ নাথ, বিকি মল্লিক, বিপুল ৰয়, বলোৰাম বড়ো

সদস্য ঃ সৰ্বশ্ৰী খুদিৰাম বড়ো, দিপাঙ্কৰ পাঠক, প্ৰণৱজ্যোতি হাজৰিকা, নাৰায়ণ বড়ো, ঋষভ ৰাভা, বিদ্যা সিং, হলধৰ বৈশ্য, কৌস্তভ বৰবৰুৱা, মৃন্ময় কলিতা, ৰাকেশ দাস, দীপক দাস, বাবলু থাপা, ৰূপম গুৰুং, অজিত সিং।

স্মৰণিকা বিভাগ

উপদেষ্টা ঃ শ্ৰীযুত গিৰীশ দত্ত

সভানেত্ৰী ঃ শ্ৰীমতী মঞ্জুলা কাকতি

উপ-সভাপতি ঃ শ্ৰীমতী সুৱৰ্ণ হাজৰিকা, শ্ৰীমতী উন্মনা মাধুৰী দত্ত

সম্পাদক ঃ শ্ৰীঅভিজিত নেওঁগ

সহ-সম্পাদক ঃ শ্ৰীমতী অজন্তা বৰঠাকুৰ, শ্ৰীঅলকেশ ভাগৱতী

সদস্য ঃ শ্ৰীমতী কল্পনা শৰ্মা, শ্ৰীমতী নিলীমা শইকীয়া দাস, শ্ৰীমতী নিলীমা ডেকা, শ্ৰীমতী হেপি গোস্বামী, শ্ৰী প্ৰসেনজিৎ বৈশ্য, শ্ৰী মুক্তিকাম মান্দিল্য

প্ৰচাৰ বিভাগ

সভাপতি ঃ শ্ৰীযুত ৰাঘবেন্দ্ৰ দাস, শ্ৰীযুত মোহন টেৰণ

উপ-সভাপতি ঃ শ্ৰীযুত নীলমণি ঠাকুৰ, শ্ৰীযুত অপূৰ্ব গোস্বামী

সম্পাদক ঃ সৰ্বশ্ৰী গোপাল দাস, অপূৰ্ব কলিতা

সহ-সম্পাদক ঃ সৰ্বশ্ৰী ৰঞ্জন বড়ো, নৱদ্বীপ বড়ো, মজিৰুল লস্কৰ, ৰত্নেশ্বৰ ৰাভা

সদস্য ঃ সৰ্বশ্ৰী কণক বণিয়া, ৰাণা ৰাভা, মহিতোষ দাস, বৰ্ণমজ্যোতি ৰাজকাশ্যপ, নবজ্যোতি দেবনাথ

অভ্যৰ্থনা বিভাগ

সভাপতি : শ্ৰীযুত দীনবন্ধু বৈশ্য, শ্ৰীযুত বংশীধৰ ককাতি
উপ-সভাপতি : শ্ৰীযুত ভাইটি দত্ত, শ্ৰীমতী পুস্পাঞ্জলী গগৈ, শ্ৰী কাণু ৰাভা
সম্পাদক : শ্ৰীযুত ৰূপজ্যোতি দাস
সহ-সম্পাদক : শ্ৰীমতী মিনু বৰুৱা, শ্ৰীৰাজৰ্ষি চৌধুৰী, শ্ৰীঅনন্ত কলিতা
সদস্য : সৰ্বশ্ৰী বাহাৰুল লস্কৰ, ননী ডেকা, পিণ্টু বড়ো, বাবুল গাৰো, বিশাল মল্লিক, কল্লোল বেজবৰুৱা

ক্ৰীড়া বিভাগ

সভাপতি : সৰ্বশ্ৰী জ্যোতি প্ৰসাদ ডাউকা, অলকেশ ওঁজা
উপ-সভাপতি : সৰ্বশ্ৰী জীতেন বড়ো, মুণীন্দ্ৰ হাজৰিকা
সম্পাদক : সৰ্বশ্ৰী চন্দন নাথ, কুলেশ ডাউকা
সহ-সম্পাদক : সৰ্বশ্ৰী ৰাজ চেত্ৰী, সুনীল গাৰো
সদস্য : সৰ্বশ্ৰী ৰাজু বড়ো, ভদ্ৰেশ্বৰ বড়ো, ধনজিৎ ৰাভা, অজিত মণ্ডল, সমীৰ সূত্ৰধৰ

স্বাস্থ্য বিভাগ

সভাপতি : ডাঃ গৌৰী কলিতা
উপ-সভাপতি : ডাঃ মাধুৰ্য্য গগৈ
সহ-সম্পাদক : ডাঃ নিষাদ ডেকা, শ্ৰীজ্যোতিৰ্ময় বৰুৱা, শ্ৰী প্ৰাঞ্জল ডেকা
সদস্য : সৰ্বশ্ৰী সঞ্জয় বড়ো, ভাস্কৰ জ্যোতি দত্ত
নাম প্ৰসঙ্গ বিভাগ : শ্ৰীযুত নাৰায়ণ পাঠক, শ্ৰীযুত গোপাল ডেকা

উদ্‌যাপন সমিতিৰ সদস্য আৰু সদস্যাবৃন্দ :

সৰ্বশ্ৰী অনিৰুদ্ধ ওঁজা, মীনা দত্ত, হেমা চৌধুৰী, তৰুণী কলিতা, যোগেন বড়ো, সুভাষ গাৰো,সত্যসুন্দৰ উপমন্যু, পূৰ্ণিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, দিলীপ পাঠক, পংকজ কাকতি, গৌতম কাকতি, অনুপ মিশ্ৰ, মৃণাল ডেকা, জীতেন সিনহা, পৰিমল ৰিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, সন্তৰা ৰাভা, ইলা ৰাজবংশী, সুনন্দা দত্ত, ৰামেশ্বৰ দাস, প্ৰবাল সিনহা, মহাদেৱ নাথ, ৰঞ্জন ৰিশ্বাস, দেবেন্দৰ ৰায়, পংকজ ভূঞা, পুতু বড়ো, কৃষ্ণ বড়ো, মহেশ্বৰ বড়ো, মাধৱ কলিতা, চম্পা দাস, বিদ্যুৎ বৈশ্য, আবু চৈয়দ মহম্মদ আব্দুল্লা বৰভূঞা, দীপক সূত্ৰধৰ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, চেলিমুদ্দিন বৰভূঞা, চাৰু নাৰ্জাৰি, ৰিঙ্কু পাঠক, ৰজনী গাৰো, অমূল্য পাঠক, মহাদেব শৰ্মা, অসীম কলিতা, মানস প্ৰতিম বৰা, ৰাহুল বৰভূঞা, নিৰঞ্জন বৰ্মন, আকাশ বড়ো, কিশক দাস, ছাৰুক উদ্দিন বৰভূঞা, মনোৰঞ্জন কাকতি, উৎপল ওঁজা, মুহিৰুদ্দিন বৰভূঞা, ভূমিকা তালুকদাৰ, বিছন সিবল দাস, সীমান্ত বড়ো, অবনী বৰ্মণ, চিণ্টু দত্ত, নৱজ্যোতি হাজৰিকা, ৰশ্মি দাস, সত্যব্ৰত দাস, নাৰায়ণ সিং, অজিত সিং, মণ্টু বড়ো, ধন কাকতি, শৈলেন ৰাভা, ধ্ৰুৱজ্যোতি ঠাকুৰীয়া, মহোন ৰিশ্বাস, পৰেশ দাস, গৌৰৱ বৈশ্য, মণ্ডল, পাৰ্থ প্ৰতিম দাস, ৰাজু গাড়ো, মনিশ বৰ্মণ, সুজিত দাস, জিতু হাজৰিকা, ৰুক্মিণীনগৰ সামাজিক-সাংস্কৃতিক কেন্দ্ৰৰ সমূহ সদস্য, ৰূপালীম মহিলা চ'ৰাৰ সমূহ সদস্যা, অৰুণাভা ক্ৰীড়া-সাংস্কৃতিক গোষ্ঠীৰ সমূহ সদস্য, উদয়ণ সংঘৰ সমূহ সদস্য আৰু বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলৰ সমূহ ৰাইজ।◆◆

भारतीय स्टेट बैंक
State Bank of India

স্থানীয় বিশিষ্ট্য ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলনৰ এটি মুহূৰ্ত

নিমন্ত্রিত অতিথিসকল

নিমন্ত্রিত মুম্বাইৰ যশস্বী অভিনেতা আশীষ বিদ্যাৰ্থী

বিশিষ্ট্য লেখিকা এলি আহমেদ বাইদেউৰ দ্বাৰা 'সাহোন'ৰ উন্মোচন

নিমন্ত্রিত অতিথিসকল

নিমন্ত্রিত অতিথিসকল

২০১৭ ৰ মঞ্চত জনপ্ৰিয় কণ্ঠশিল্পী অপূৰ্ব বেজবৰৰা আৰু সংগী শিল্পী

২০১৭ চনৰ মঞ্চত জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি চুতিয়াৰ গীত পৰিৱেশ

২০১৭ চনৰ শিল্পীদিৱস উন্মোচনৰ এটি মুহূৰ্ত

২০১৭ চনত শিল্পীদিৱসত স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশন কৰা নাট 'সিচা পানীৰ মাচ'

২০১৭ চনত মঞ্চস্থ কৰা ভাওনা 'কুৰু সন্ধ্যা'ৰ প্ৰাক্‌মুহূৰ্তত

২০১৭ চনত মঞ্চস্থ কৰা ভাওনা 'কুৰু সন্ধ্যা'ৰ এটি মুহূৰ্ত

২০১৭ চনৰ বিহু হুঁচৰি প্ৰথম পুৰস্কাৰ বিজয়ী দলটো

২০১৭ চনৰ জেং বিহু বিজয়ী দলটো

২০১৭ চনৰ বিহু ৰাণী বিজয়ী



২০১৭ চনৰ একক নৃত্য বিজয়ী

২০১৭ চনৰ মঞ্চ মুকলি সমবেত সংগীতেৰে


Generating Smiles
Fostering Growth
ENERGISING INDIA
WITH HYDROPOWER
A "Miniratna" Category-I, Government of India Enterprise
Over 40 years of experience from Concept to Commissioning of Hydroelectric Projects
'AAA' rating by rating agencies
Spreading International presence through Overseas Consultancy Services
Total 26 Beneficiaries States/UTs/Distribution Companies
Power Generation of 23679 million units during 2015-16
एनएचपीसी NHPC
NHPC Limited
(A Government of India Enterprise)
NHPC Office Complex, Sector-33, Faridabad-121003 (Haryana)
CIN: L40101HR1975GOI032564 • Website: www.nhpcindia.com
Issued by : Subansiri Lower H E Project.

ৰূপালীম মহিলা চ'ৰাৰ সদস্যাসমূহৰ একাংশ

সাংস্কৃতিক বিভাগৰ বিষয়ববীয়া আৰু সদস্যসকল

আলোচনী বিভাগৰ বিষয়ববীয়া আৰু সদস্যসকল

NRL
NUMALIGARH
REFINERY
LIMITED
ৰঙালী বিহুটি
আপোনাৰ বাবে ৰঙীন
আৰু সুখময় হওক।
Website : www.nrl.co